
* সম্পাদনাত:- শ্ৰীভস্মৰু বড়ো। *

# কানৈ কলেজ আলোচনী

॥ বছেৰেকীয়া প্ৰকাশ ॥

২৮ শ বছৰ। ২৭তম সংখ্যা। ১৮৯৫ শক। ১৯৭২—৭৩ চন।

আলোচনীখন পোহৰৰ পথলৈ অনাত, বিভিন্ন দিশত সহায় পৰামৰ্শৰ
উপৰিও প্ৰবন্ধ-পাতি চাই-মেলি প্ৰকাশৰ উপযুক্ততা বিচাৰ কৰি দিছে
অধ্যাপক ভীমকোঁৱৰ, অধ্যাপক পৰীক্ষিত হাজৰিকা,
অধ্যাপক প্ৰফুল্ল ভট্টাচাৰ্য্য, অধ্যাপিকা যামিনী
ভট্টাচাৰ্য্য আৰু অধ্যাপক ভবেন বৰুৱা,
প্ৰবন্ধাদি দি আলোচনীৰ
সৌষ্ঠৱ বঢ়াইছে যোৰহাটৰ 'কক্বা' বাগ্মীবৰ
নীলমনি ফুকন—অধ্যাপক ডিম্বেশ্বৰ চলিহা,
গ্ৰন্থাগাৰীক পুণ্যধৰ বাজখোৱা, আ-অলঙ্কাৰ পিন্ধাই ৰাইজৰ
মাজলৈ সজাই পৰাই অনাত সহায় কৰিছে শ্ৰীহিতেশ বিকাশ গগৈ, কন্দৰ্প কুমাৰ
চেতীয়া, দিব্য সোনোৱাল, মোহন সোনোৱাল, ভবেশ সোনোৱাল, আৰু স্বভানা বেগমে.

সম্পাদক :—

শ্ৰীডম্বৰু বড়া

বেটুপাত —

সত্য, জ্ঞান, আৰু সংকল্প।

পৰিকল্পনা আৰু অঙ্কণ ঃ

শ্ৰীকন্দৰ্প কুমাৰ চেতীয়া

১ম বাৰ্ষিক, বি, এ।

**সম্পাদনা সমিতি ঃ—**

শ্ৰীযাদৱ বৰুৱা—ভাৰপ্ৰাপ্ত অধ্যাপক,
অধ্যাপক ৰঞ্জিত কুমাৰ ৰয়—উপদেষ্টা।
শ্ৰীৰবিন বৰুৱা— সদস্য
" ডিম্বেশ্বৰ গগৈ "
" কন্দৰ্প কুমাৰ চেতীয়া "
" দিব্য সোনোৱাল "
" ৰমেন বৰুৱা "
" মাখন শইকীয়া "
আৰু মিচ্—সুভানা বেগম—সদস্য।

প্ৰকাশক—শ্ৰীডম্বৰু বড়া
ব্লক সাজিছে আৰু ছপাইছে—
গুৱাহাটীৰ শ্ৰীগুৰু প্ৰেছত

আলোচনী ছপা কৰিছে
ডিব্ৰুগড়ৰ এটেইকল প্ৰিণ্টাৰ্চৰ
পৰিচালক :—শ্ৰীহায়দৰ হুছেইন
" গোপাল চন্দ্ৰ দাস।

সম্পাদক

শ্ৰীডম্বৰু বড়া

## —ঃ অৰ্পণ ঃ—

The splendours of the firmament of time
May be eclipsed, but are extinguished not ;
Like stars to their appointed height they climb,
And death is a low mist which cannot blot the
brightness it may veil.

*'Adonais'— Shelley.*

অসম সাহিত্য সভাৰ সাধাৰণ সম্পাদক, দেৱীচৰণ
বৰুৱা কলেজৰ অসমীয়া ভাষা সাহিত্যৰ প্ৰধান অধ্যাপক,
মৰিয়ণী কলেজৰ প্ৰতিস্থাতা অধ্যক্ষ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্য-
পুথি প্ৰস্তুতি সমন্বয়
সমিতিৰ সচিব,
সমাজকৰ্ম্মী সু-
সাহিত্যিক স্বৰ্গীয় হৰিপ্ৰসাদ
নেওগদেৱৰ পুণ্য স্মৃতিত এই সংখ্যা
আলোচনী সশ্ৰদ্ধ অৰ্পণ কৰা হ'ল।

জন্ম—
১৯২৯ চন
—যোৰহাট—

মৃত্যু—
১৯ ফেব্ৰুৱাৰী, ১৯৭৩
—ডিব্ৰুগড়—

# MESSAGE

SECRETARY TO THE GOVERNOR OF ASSAM,
RAJ BHAVAN,
SHILLONG—I.
August 20, 1973

No.GSA/Misc/I/73

To

The Editor
Kanoi College Alochani,

Dear Sir,

I am desired by the Governor to refer to your letter of July 27, 1973 and to say that he is glad to learn that the students of the D. H. S. K. College, Dibrugarh are bringing out their Annual College Magazine. He wishes the Magazine all success.

Yours Faithfully,
**Dilip Singh.**
Secretary to the Governor of Assam.

——0——

MINISTER FOR EDUCATION, STUDENTS AND
YOUTH WELFARE. CULTURAL AFFAIRS,
TRANSPORT AND TOURISM,
ASSAM SHILLONG.
Dated 30th August, 1973.

I have great pleasure in sending this message of good wishes on the occasion of publishing the Annual Magazine of your College.

Education is not merely the training and ripening of the intellect. It is also an attempt at exalting the mind and spiritualising the glories of material life. With this end in view an attempt is made to change the education system to make learning more practical. A magazine published in an atmosphere of understanding and purity can play a vital role in moulding public opi n.

I wish the magazine all success.

**H. N. Talukdar,**
Minister, Education. Assam.

# ॥ বিষয় সূচী ॥

* কানৈ কলেজ আলোচনী ২৭ তম সংখ্যা * ১৮৯৫ শক * ১৯৭২—৭৩ চন *

সম্পাদকীয়

পৃষ্ঠা


॥ কবিতা ॥

| | | | |
|---|---|---|---|
| ১। | এক দীপ্ত সূর্য্য : এক নতুন পুৱা ... | লীলেশ্বৰ গগৈ ... | ১ |
| ২। | এটি অনুৰোধ ... | টঙ্কেশ্বৰ হাজৰিকা ... | ৭ |
| ৩। | অব্যক্ত বেদনা ... | ক্ৰুৱ কুমাৰ সন্দিকৈ ... | ৮ |
| ৪। | আহ্বান ... | অশোক কুমাৰ গগৈ ... | ২১ |
| ৫। | চাৰিটা চুটি কবিতা ... | কন্দৰ্প কুমাৰ চেতীয়া ... | ২২ |
| ৬। | দৃষ্টিপাত ... | প্ৰহ্লাদ চন্দ্ৰ তাচা ... | ২৩ |
| ৭। | চহৰত চাহাৰা নামে ... | ৰিপণ মেধি ... | ৩৭ |
| ৮। | অপেক্ষা ... | তমিজা ৰহমান ... | ৩৮ |
| ৯। | এটা প্ৰেমৰ কবিতা ... | হিতেশ বিকাশ গগৈ ... | ৪০ |

॥ গল্প ॥

| | | | |
|---|---|---|---|
| ১। | আধা আঁকা ছবি ... | প্ৰভাত চন্দ্ৰ দাস ... | ৯ |
| ২। | আৰু এটা গল্প ... | বিপিন কুমাৰ বৰা ... | ২৪ |
| ৩। | এটা দিনৰ প্ৰতীক্ষাত ... | ডম্বৰু বড়া ... | ৫৫ |
| ৪। | ভাগ্য চক্ৰ .. | নন্দেশ্বৰ ফুকন ... | ৭৭ |
| ৫। | লাষ্ট টেঙ্গো ইন্ পেৰিচ্ ... | কুমুদ ৰঞ্জন দাস ... | ৮৪ |

॥ প্ৰবন্ধ ॥

| | | | |
|---|---|---|---|
| ১। | গীতা'ৰ ঈশ্বৰ তত্ত্ব আৰু ঈশ্বৰ বিশ্বাসৰ তাৎপৰ্য্য ... | প্ৰণবানন্দ ভট্টাচাৰ্য্য ... | ২ |
| ২। | দেউৰী জাতিৰ সমাজ আৰু সংস্কৃতি ... | শশীধৰ দেউৰী ... | ১৬ |
| ৩। | ৰাধিকা শান্তী আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ সাম্যবাদ ... | গোপাল চন্দ্ৰ দাস ... | ৩১ |
| ৪। | নতুন শিক্ষা পদ্ধতি ... | মোহন সোনোৱাল ... | ৪২ |
| ৫। | কোনে জানে কপালৰ লিখন ... | অধ্যাপক ডিম্বেশ্বৰ চলিহা ... | ৪৮ |
| ৬। | আমাৰ গ্ৰন্থাগাৰ আৰু ইয়াৰ সমস্যা ... | পুন্যধৰ ৰাজখোৱা ... | ৬০ |

॥ এটি সাক্ষাৎকাৰ ॥

'বাগ্মীবৰ' নীলমণি ফুকনৰ সৈতে ... ... ৬৮

॥ জীৱন চৰিত্ৰ ॥

| | | |
|---|---|---|
| সোঁৱৰো এবাৰ আহা : শ্বহীদ অনিলক ... | শিৱ প্ৰসাদ দাস ... | ৭৪ |
| সুন্দৰৰ বৰচ'ৰা ... | পৰিচালনাত মোহন সোনোৱাল ... | ৮৭ |
| স্মৃতি তৰ্পণ ... | ... | ৯৪ |

# সম্পাদকীয়

## ॥ সাম্প্ৰতিক সাহিত্যৰ ধাৰা ॥

সাম্প্ৰতিক অসমীয়া সাহিত্যৰ মুকলি পথাৰত গুৰু আৰু লঘু সাহিত্যই এক নতুন আলোড়নৰ সৃষ্টি কৰিছে। এই আন্দোলনত প্ৰবৰ্ত্তমান নতুন পুৰুষ চামৰ ভূমিকাই বেচি। কিন্তু এইচাম সাহিত্যিকৰ সৰহভাগ সাহিত্য সৃষ্টিত প্ৰগতীবাদী লিখনিৰ মাজেদি আত্মজিজ্ঞাসাক মূল ভেটি কৰি, সমাজৰ পঙ্কিল অৱস্থাক প্ৰতিফলন কৰাৰ চেষ্টা কমকৈ পৰিলক্ষিত হয়। এটা জাতিৰ চিন্তাধাৰা আৰু পৰিস্থিতি সুন্দৰ ভাৱে সাহিত্যৰ মাজেদি প্ৰতিফলিত কৰিব পৰাটোৱেই সু-সাহিত্যিকৰ লক্ষণ। আৰু সেয়ে বিশ্বজনীন সাহিত্য। অন্যহাতে যি সাহিত্যই গভীৰ মানৱতাবোধ, আত্মোপলব্ধি আৰু আত্মজিজ্ঞাসাৰ মাজেদি এখন ৰাষ্ট্ৰৰ বা সমাজৰ সৃষ্টিমুখী প্ৰবাহমান চিন্তা সোঁতৰ অনুকূলে সমাজৰ পঙ্কিলতা দূৰিকৰণৰ চিন্তা বা চেষ্টা নকৰে সেই সাহিত্যই লঘু অথবা বাহ্যিকমুখী সাহিত্য ৰূপে পৰিগণিত হয়। এই বাহ্যিকমুখী সাহিত্যই আমাৰ জীৱনৰ স্থবীৰতাক জগাই তুলিবলৈ আৰু আমাৰ জীৱনক কোনো উন্নতিৰ ফুলাম পথত অগ্ৰসৰ কৰিবলৈ সমৰ্থ হ'ব নোৱাৰে। সাম্প্ৰতিক সমাজত দুৰ্নীতি, শোষণ আৰু ভেজাল বস্তুৰ অবাধ প্ৰচলনে জাতীয় চেতনাক অধোগতিৰ ফালে আগবঢ়াই নিছে; এনে এখন সমাজৰ বিপৰীতে পৰিশোদ্ধী সমাজ এখনৰ জয়গান গাবলৈ এই বাহ্যিকমুখী সাহিত্য একেবাৰে অক্ষম। সেয়েহে যুগৰ ইতিহাসত আমাৰ সমাজৰ প্ৰতিচ্ছবি ভালদৰে অঙ্কিত কৰিবলৈ অত্যন্ত প্ৰয়োজন হ'ব বিশ্বজনীন সাহিত্যৰ। এনে সাৰ্বজনীন সাহিত্যইহে আমাৰ সমাজৰ কৰুক্ষ অৱস্থাক সঞ্জিৱনী সুধাৰে বুৱাই জাতীয় চেতনাক নৱতম্ চিন্তাধাৰাৰ সোঁতৰ অনুকূলে আগবঢ়াই নিবলৈ আৰু যুগৰ ইতিহাসত সৰল পদক্ষেপে নিজক পৰিচয় দিবলৈ সমৰ্থ হ'ব। তাকে কৰিবলৈ হলে বৰ্ত্তমান সাহিত্যৰ ধাৰা সৃষ্টিশীল হোৱাতো আমি সকলোৱে মনেপ্ৰাণে কামনা কৰোঁ; যাতে ই দুৰ্নীতিগ্ৰস্ত, ভেজাল সমাজৰ প্ৰতিকূলে দৃঢ়তাৰে ঠিয় দি এখন আত্মশোদ্ধী, সমভাবাপন্ন সমাজ গঢ়াত অৰিহণা যোগায়।

## ॥ সাময়িক আন্দোলন আৰু নতুন পুৰুষৰ ভূমিকা ॥

দুৰ্নীতি, ভেজাল, শোষণ, আদি অমানবীয় সমস্যাবোৰে দেশখনত মূৰ দাঙি উঠিছে, এইটো প্ৰতিজন সমাজসচেতন নেলাগে অসচেতন ব্যক্তিমাত্ৰেই লক্ষ্য কৰিছে। দুৰ্নীতিৰ লগে লগে পুঁজিপতি, কোটিপতি সকলে জনসাধাৰণক শোষণ কৰা, খাদ্যবস্তুৰ ভেজাল ব্যৱহাৰ আদিয়ে দেশখনৰ জলন্ত সমস্যা হৈ পৰিছে। এইবিলাক নিৰ্মূলৰ কাৰণে চৰকাৰে উদ্ভাৱন কৰা নতুন নতুন পৰিকল্পনা বাস্তৱ কাৰ্য্যৰ

প্ৰথম পৃষ্ঠাত ডাঙৰ ডাঙৰ আখৰেৰে প্ৰকাশ হোৱাৰ পাছত কাৰ্য্যক্ষেত্ৰত কুটুতাৰ যেনহৈ উটি যায়। এই বিলাক সমস্যাৰ সমাধানৰ পথ চৰকাৰে আজিলৈকে সুনিৰ্দিষ্টভাৱে উদ্ভাৱন কৰিব নোৱাৰিলে। ভেজাল বস্তু খাই শাৰীৰিক অৱনতি ঘটাই এজন নাগৰিকে এখন দেশৰ ভবিষ্যত উন্নতিৰ পথ কল্পনা কৰিব পাৰে জানো? কিন্তু এতিয়া প্ৰশ্ন হয়, সঁচাকৈ জানো এই দুৰ্নীতিক নিৰ্মূল কৰিব নোৱাৰি? পাৰি। তাৰ বাবে লাগিব জনগণৰ এক ঐক্যবদ্ধ কৰ্মপন্থা। অকল দেশৰ ৰাজনৈতিক সকলৰ ওপৰতে এই সমস্যা সমাধানৰ সম্পূৰ্ণ ভাৰ এৰি দি জনসাধাৰণ শুই থাকিলে নচলিব। কাজেই দুৰ্নীতি পুঁজিপতিৰ শোষণ নিৰ্মূল কৰিবলৈ আমাক দৰকাৰ হ'ব এক সৰল, সুপৰিকল্পিত, সংযত আন্দোলন।

বৰ্ত্তমান এই আন্দোলনত নতুন পুৰুষ চামৰ ভূমিকা নুই কৰিব নোৱাৰি। দেশখনৰ ভবিষ্যত নিৰ্ভৰ কৰে এই চাম ব্যক্তিৰ ওপৰত। এই সকল নতুন পুৰুষেই ভবিষ্যতত এখন সৰল দেশ গঠন আৰু পৰিচালনা কৰিব লাগিব। এখন গণতান্ত্ৰিক দেশত দুখীয়া কৃষক-শ্ৰমিক শ্ৰেণীৰ লোকেও সমান মৰ্য্যাদা পোৱাৰ অধিকাৰ থাকিব লাগিব। তাকে কৰিবলৈ হলে আমি প্ৰথমে ঐক্যৰ পাশত আৱদ্ধ হৈ সৰল ব্যক্তিত্ব আৰু পৰিকল্পনাৰে কৰ্ম্মৰত হব লাগিব। দুৰ্নীতিৰ কিছুমান প্ৰত্যক্ষ প্ৰমান চৰকাৰৰ দৃষ্টিগোচৰ কৰিয়েই ক্ষান্ত থাকিলে নহব, ইয়াৰ দূৰীকৰণৰ ব্যৱস্থা নিজেও উদ্ভাৱন কৰিব লাগে। ক্ষমতাৰ গাদীত বহি দেশৰ দুখীয়া শ্ৰেণীৰ হকে উন্নতিৰ সপোন দেখা, সমাজবাদী বক্তৃতাৰ ফুলজাৰিৰে দেশৰ জনসাধাৰণক তোষামোদ কৰা ব্যক্তি সকলক আমি প্ৰশ্ৰয় দিব নালাগিব। সেইসকল ব্যক্তিয়ে জনসাধাধৰণৰ আশাৰ অনুকূলে কোনো পন্থা স্বেচ্ছাই হাতত লব নোখোজে।

## ॥ বান পানীৰ বতৰা ॥

১৯৬২ চনত "আমাৰ প্ৰতিনিধিৰ" সম্পাদক শ্ৰীপদ্ম বৰকটকীদেৱে সম্পাদকীয়ত লিখিছিল—„প্ৰতি বছৰে বানপানী অহালৈ অপেক্ষা কৰি অহাৰ পিচত ৰাইজৰ কাৰণে সাহায্য বিচাৰি আবেদন কৰি নিজ 'তৎপৰতাৰ' কাৰণে প্ৰশংসা অৰ্জন কৰা এনেকুৱা চৰকাৰ আজিৰ বিজ্ঞানৰ জয়জয় দিনত পৃথিবীত থকাটো উচিত নে অনুচিত ভাবিব লগীয়া কথা। কিন্তু তাতকৈও ডাঙৰ কথা হৈছে, ৰাইজক কোঙা কৰাৰ এই সজ্ঞান বা অজ্ঞান দুৰভিসন্ধিৰ অৱসানৰ কাৰণে প্ৰতিজন অসমীয়া সাজু হোৱাটো। আমি চৰকাৰক সোঁৱৰাই দিব লাগে যে বানপানী অহাৰ পিচত 'সাহায্য' আমি নিবিচাৰো; আমি বিচাৰো ৰানপানী বন্ধ কৰাৰ কাৰণে সাহায্য"।

সেই একেখন আলোচনীৰ পাততেই ১৯৬৩ চনত "প্ৰসঙ্গক্ৰমে"ত ওপৰৰ কথা কেইটাকে উদ্ধৃতি দি লিখিছিল—"কথাখিনি আজিও সত্য আৰু কিজানি দূৰ ভবিষ্যতলৈও সত্য হৈ থাকিব"। সেই একে উপলব্ধিৰেই আমিও কওঁ "কথাখিনি আজিও অসত্য নহয়। এতিয়া প্ৰশ্ন হয় অদূৰ ভবিষ্যতেও এই কথাখিনি সত্য হৈয়ে থাকিব নেকি? আজি ১৯৬২ চনৰ পৰা ১৯৭৩ চনলৈ এঘাৰ বছৰ সময় অতিক্ৰম

কৰাৰ পাচতো অসমৰ বানপানীৰ কথা চিৰ নতুন হৈয়ে আছে। অসমৰ এখন মাত্ৰ মুখ্যনদী বুঢ়ালুইতক নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে কেন্দ্ৰ আৰু জনসাধাৰণে সাহায্য দিম বুলি প্ৰতিশ্ৰুতি দিয়া স্বত্বেও এঘাৰ বছৰেও কোনো ব্যৱস্থা নকৰিলে আৰু এই এঘাৰ বছৰত অসমৰ গোটা জনসাধাৰণে অসম চৰকাৰৰ মুখলৈ চাই চাই বানপানীৰ গৰাহত পানীত হাঁহ নচৰা অৱস্থাৰ মাজত দিন অতিক্ৰম কৰিলে। অসম চৰকাৰেও জনসাধাৰণৰ এই দীঘলীয়া মৌনতাৰ আলম লৈ সকলো বছৰে ভুৰা দি গ'ল। এতিয়া কথা হৈছে ইয়াৰ পাছতো জনসাধাৰণক ভুৰা দি যাব নেকি? এই ক্ষেত্ৰত অসমৰ জনসাধাৰণে আৰু যুঁজিব লাগিব। সুদীৰ্ঘ এঘাৰ বছৰৰ বানপানীয়ে চৰকাৰৰ ক্ষমতাৰ ভেটি এতিয়াও স্পৰ্শ কৰাগৈ নাই।

ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰাৰ পৰিকল্পনা, কাৰ্য্যাৱলীৰ ব্যৱস্থা কৰিলেই অকল নহব; আমাক লাগে সেই পৰিকল্পনাৰ আৰু কাৰ্য্যাৱলীৰ প্ৰত্যক্ষ প্ৰমাণ। ফাইলৰ বন্ধা ফিটাৰ মেৰ পাকত পৰিকল্পনা সুমোৱাই ৰাখিলে কোনো কাম নহব।

অৱশ্যে কিছুমান বিজ্ঞানসন্মত ব্যৱস্থা পঞ্চম পৰিকল্পনাৰ কালছোৱাত চৰকাৰে এতিয়া হাতত লৈছে বুলি অ'ত ত'ত জানিব পৰা গৈছে। আমি আশাবাদী মনে আশা কৰিছো এইবাৰ ব্ৰহ্মপুত্ৰ যেন নিয়ন্ত্ৰণ হ'ব। নহলে অসমৰ জনসাধাৰণ ইয়াৰ পাছৰ পৰা আৰু মৌন হৈ নেথাকে। বৰকটকী দেৱৰ ভাষাৰে—"আমি পাহৰিলে নচলিব যে ৰাইজ আছে কাৰণেহে চৰকাৰ আছে; অসম খন কেৱল কাজিৰঙা হোৱা হলে চৰকাৰৰো প্ৰয়োজন নহলহেঁতেন"।

## ॥ ভাৰত-পাক্ চুক্তি ॥

যোৱা ২৮ আগষ্ট '৭৩ তাৰিখে নতুন দিল্লীত ভাৰতীয় প্ৰতিনিধি দলৰ নেতা শ্ৰীপি, এন, হাক্সাৰ আৰু পাক্ প্ৰতিনিধি দলৰ নেতা শ্ৰীআজিজ আহমদৰ মাজত স্বাক্ষৰিত হোৱা চুক্তিখন ভাৰত-পাক্ আৰু বাংলা দেশৰ '৭১ চনৰ যুদ্ধৰ পাচৰ মানবীয় সমস্যাৱলী সমাধানৰ ক্ষেত্ৰত তিনিওখন দেশৰ ইতিহাসত নিঃসন্দেহে এক গুৰুত্বপূৰ্ণ ঘটনা। যোৱা ১৯৭১ চনৰ যুদ্ধৰ পাচত তিনিওখন দেশৰ আভ্যন্তৰীণ সমস্যা-ৰাজি বৰ উৎকটভাৱে দেখা দিছিল। যুদ্ধবন্দীৰ মুক্তি, বাংলাদেশক পাকিস্তানৰ স্বীকৃতিদান আদিকলৈ বহুতো অ'ৰিয়া-অৰি চলি আছিল। এই ক্ষেত্ৰত চুক্তিখন বহুদূৰ সফল হৈছে বুলিয়েই কব পাৰি। এই চুক্তিৰ ফলতেই তিনিওখন দেশৰ যুদ্ধবন্দী সকলৰ বন্ধপথৰ দ্বাৰ মুকলি হৈ গ'ল। ইয়াৰ আগেয়ে '৭২ চনত চিমলা চুক্তিয়ে তিনিওখন দেশৰ পৰিস্থিতি উন্নত কৰিবলৈ বিশেষ কোনো কৰ্ম্মপন্থা হাতত লোৱা নাছিল; সেয়ে চিমলা চুক্তিৰ পাচত তিনিওখন দেশৰ মাজত যেনেদৰে বন্ধুত্ব গঢ়ি উঠিব লাগিছিল সেইয়া পৰিলক্ষণীয় যে নহল সেই কথা সকলোৱে লক্ষ্য কৰি আহিছে।

এই বিলাক কেইবাটাও দিশত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ কাৰণে আৰু চিমলা চুক্তিৰ আধৰুৱা চৰ্ত্ত বিলাকৰ কাৰ্য্যকৰিৰ ক্ষেত্ৰত বিশেষ সহায়ক হোৱাৰ কাৰণে আমি ভাৰত পাক্ চুক্তিক অভিনন্দন জনাইছো। এই ঐতিহাসিক চুক্তিৰ জৰীয়তে উপমহাদেশখনৰ তিনিওখন দেশৰ ঐক্য আৰু পাৰস্পৰিক বুজাপৰাৰ ভেটি কট্‌কটীয়া হওক।

## ॥ আমাৰ মাজ মজিয়াৰো দুই-এটি কথা ॥

**লালচন্দ কানৈ সোঁৱৰণী Auditorium :—**

পৃথিৱীত এনেকুৱা কিছুমান আশাশুধীয়া লোক আছে যি বিলাকে দেশৰ, দহৰ, তথা সমাজৰ কাৰণে নিজৰ সৰ্বস্ব অৰ্পণ কৰি দিব পাৰে। সেই বিলাক ব্যক্তিয়েই পৃথিৱীত 'দাতা' ৰূপে নিজকে পৰিচয় দিব পাৰে। তেনে এজন মহান 'দাতা' স্বনাম ধন্য শ্ৰীসুৰজমল কানৈ দেৱে তেওঁতৰ যোগ্য পুত্ৰ স্বৰ্গীয় লালচন্দ কানৈৰ স্মৃতিৰ চিনস্বৰূপে আমাৰ মহাবিদ্যালয়ৰ প্ৰাঙ্গনত এটি Auditorium সাজি দিবৰ বাবে গাত লৈছে। যোৱা ৩ জুলাই '৭৩ তাৰিখে Auditcrium ৰ আধাৰশিলা স্থাপন কৰা হয়। বৰ্তমান ইয়াৰ কাম পূৰ্ণ গতিৰে আগ বাঢ়িছে। কানৈদেৱৰ দানেৰে সজা এই 'Auditorium' এ আমাৰ বহুদিনীয়া এটি অভাৱ পূৰণ কৰিব।

সেই জন মহান দাতা যি জনে তেওঁতৰ অগ্ৰজ হনুমানবক্স কানৈদেৱৰ সৈতে আমাৰ মহাবিদ্যালয়ৰ বৰ্তমান ভৱনটো সজাইছিল তেওঁত দীৰ্ঘজীৱী হওক এইয়ে ভগৱানৰ ওচৰত আমাৰ সৰল প্ৰাৰ্থনা।

## ঃ মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা ঃ

আমাৰ মহাবিদ্যালয়ৰ ভিতৰচ'ৰাত আলোকপাত কৰিবলৈ যাওঁতে প্ৰথমে গ্ৰন্থাগাৰৰ কথা আহি পৰে। একোখন মহাবিদ্যালয়ত একোটা সুপৰিচালনাৰ দ্বাৰা পৰিচালিত গ্ৰন্থাগাৰ কিমান প্ৰয়োজন তাক নকলেও হ'ব। ইয়াৰ উপৰি লাগে এটি আহল বহল পঢ়াকোঠা, আৰু তাত কেইখন মান ফেনৰ ব্যৱস্থা, নিজা এখন খেলপথাৰ, নিজা এটি কেন্‌টিন্ 'union' ৰ কাৰণে এটি সুকীয়া কোঠা, ছাত্ৰ-ছাত্ৰীৰ সুকীয়া দুটি জিৰণি কোঠা, বিজ্ঞানাগাৰৰ যান্ত্ৰিক আসোঁৱাহ আৰু ছাত্ৰ-ছাত্ৰীৰ নিবাস দুটিৰ যি বিলাক অভাৱ অভিযোগ আছে সেই বিলাক অনতিপলমে পুৰণৰ ব্যৱস্থা কৰিবলৈ আমি কৰ্তৃপক্ষক টানি অনুৰোধ জনালো। শেষত, বৰ্তমান অচলা অৱস্থাত পৰি থকা "যতীন দুৱৰা ছাত্ৰ নিবাস" টো সোনকালে মুকলি কৰি ছাত্ৰ থকাৰ সুবিধা কৰি দিব বুলি কৰ্তৃপক্ষৰ ওচৰত আমাৰ আশা থাকিল ॥

## ঃ ক্ষমা প্ৰাৰ্থনা ঃ

এইবাৰৰ আলোচনীৰ কাৰণে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ফটোখন সধাৰণ সম্পাদক শ্ৰীমিত্ৰদেৱ শৰ্ম্মাক মই অনুৰোধ কৰা স্বত্বেও সোনকালে তুলি দিব নোৱাৰিলে। পাচত সহকাৰী সাধাৰণ সম্পাদক শ্ৰীগিৰিণ চেতিয়াই ফটোখন দেখিকৈ হলেও তুলি দিবলৈ গাত লোৱাত সেইখন ফটো পুনৰ ব্লক ছপাই আনি আলোচনীত দিবৰ বাবে আমাৰ আলোচনীৰ কাম কেইবাদিনৰ পিছলৈ পঠিয়াই দিব লগাত পৰিল। সেয়েহে চেপ্তেম্বৰৰ শেষৰ ফালে আলোচনীখন প্ৰকাশ কৰিম বুলি ভাবিও নোৱাৰিলো। তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা খোজাৰ বাদে আন উপায় নাই। যদিও দোষ সম্পাদকৰ নহয়।

## —ঃ অৰ্পণ ঃ—

The splendours of the firmament of time
May be eclipsed, but are extinguished not;
Like stars to their appointed height they climb,
And death is a low mist which cannot blot the
brightness it may veil.

*'Adonais:'— Shelley.*

অসম সাহিত্য সভাৰ সাধাৰণ সম্পাদক, দেৱীচৰণ
বৰুৱা কলেজৰ অসমীয়া ভাষা সাহিত্যৰ প্ৰধান অধ্যাপক,
মৰিয়ণী কলেজৰ প্ৰতিষ্ঠাতা অধ্যক্ষ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্য-
পুথি প্ৰস্তুতি সমন্বয়
স'মতিৰ সচিব,
সমাজকৰ্ম্মী সু-
সাহিত্যিক স্বৰ্গীয় হৰিপ্ৰসাদ
নেওগদেৱৰ পুণ্য স্মৃতিত এই সংখ্যা
আলোচনী সশ্ৰদ্ধ অৰ্পণ কৰা হ'ল।

জন্ম—
১৯২৯ চন
—যোৰহাট—

মৃত্যু—
১৯ ফেব্ৰুৱাৰী, ১৯৭৩
—ডিব্ৰুগড়—

# কবিতা

## এক দীপ্ত সূৰ্য্য ঃ এক নতুন পুৰা

উত্তপ্ত মৰুভূৰ ধূলিকণা গচকি গচকি
'কাৰাভান' দল যায় আগুৱাই
সিহঁতৰ চুচকুত
স্বপ্নৰ হেজাৰ ইতিকথা
দূৰৰ বিহঙ্গ ব্যাকুল।

জীৱনৰ সচাঁ কথাৰে
স্থবিৰ সেই ইতিহাস।

......মন ফাগুণৰ গোলাপী গন্ধত
আত্মহাৰা যাযাবৰী নিশাৰ চিন
ৰৈ যাব শতেক কাল
অমানিশা, তোমাৰ স্মৃতিৰে।

ছাঁয়াঘন জীৱনৰ পথ
"পলৰীয়া সপোনৰ ভীৰ"
অবৰুদ্ধ জীৱনৰ গতি
আহত চেতনা।

কিন্তু মণিমালা,
তোমাৰ চকুৰ সোণালী পৰ্দাত
যি সুৰৰ বন্যা নামিছে
য'তি জানো আছে তাৰ?

আজি আমি অস্তিযাত্ৰী দল
আকাশৰ সীমনাত দিনাঙ্কুৰৰ
নতুন ছবি বিচাৰি।
পৃথিবীৰ বাটে-ঘাটে
অলিখিত
হাজাৰ আত্মাৰ বিগ্ৰহ
আউসীৰ বিদিষা ৰজনীত।

সেয়েহে, জীৱনত বৰ বেছি প্ৰয়োজন
এক দীপ্ত সূৰ্য্যৰ, এক নতুন পুৰাৰ।

শ্ৰীলীলেশ্বৰ গগৈ
৩য় বাৰ্ষিক (কলা)

প্ৰবন্ধ

# 'গীতা'ৰ ঈশ্বৰ তত্ব আৰু বিশ্বাসৰ তাৎপৰ্য্য

: প্ৰণবানন্দ ভট্টাচাৰ্য্য :
: ৩য় বাৰ্ষিক ( কলা ) :

"সংসাৰ সাগৰং ঘোৰং তৰ্ত্তুমিচ্ছতি যো নৰঃ ।
গীতানাৱং সমাসাদ্য পাৰং যাতি সুখেন সঃ ॥ ৭
—গীতামাহাত্ম্যম্

"সংসাৰ ৰূপ সমুদ্ৰ পাৰ হোৱা খু'ব কঠিন । যি লোক গীতা ৰূপী নাৱেৰে সেই সমুদ্ৰ পাৰ হবলৈ বিচাৰে, তেওঁ সহজেই পাৰ হ'ব পাৰে ।"

মহাভাৰতৰ অন্তৰ্গত হলেও গীতা এখন উপনিষদ । সৃষ্টি, স্থিতি, প্ৰলয়, পৰমাত্মা আৰু জন্মান্তৰ বাদ সম্পৰ্কে দাৰ্শনিক তত্ব সমূহেই গীতাৰ সাৰ বস্তু । গীতাৰ একেশ্বৰবাদ সৰ্ব্বশেষত এটা বাক্যত প্ৰতিফলিত হৈছে যে, "সৰ্ব্ব-ধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ" ইতি । বিশ্বৰ সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ মূলতে হ'ল এক অদ্বিতীয় পৰমপুৰুষ । ভাৰতীয় দৰ্শন শাস্ত্ৰ সমূহত এই ঈশ্বৰক প্ৰভূ, আত্মা পৰমাত্মা, বিভূ ইত্যাদি নানা ভাবে বৰ্ণনা কৰা হৈছে । সেই ঈশ্বৰ বা পৰম পুৰুষে প্ৰকৃতিৰ সহযোগত বিশ্বৰ জীৱজগৎ সৃষ্টি কৰিছে । এই সম্পৰ্কে প্ৰথমে কাপিল - সাংখ্য দৰ্শনৰ মতামত তুলি ধৰা হওক । কিয়নো সাংখ্য আৰু গীতাৰ মূল তত্ত্বৰ মাজত এটা তুলনা মূলক আলোচনাৰ (Comparative study) প্ৰয়োজন । ঈশ্বৰ তত্ব সম্বন্ধে কাপিল - সাংখ্য মত অধিক উল্লেখযোগ্য বুলি আধুনিক পণ্ডিত সকলে বিশ্বাস কৰে । সাংখ্য দৰ্শনৰ মতে মূলতত্ব অৱশ্যে এক ব্ৰহ্ম নহয়; মূলত দুই-পুৰুষ আৰু প্ৰকৃতি । প্ৰকৃতি আৰু পুৰুষ উভয়েই অনাদি আৰু নিত্য । প্ৰকৃতি জড়, গুণময়ি, পৰিনামিনী,

প্ৰসৱ ধৰ্ম্মিনী অৰ্থাৎ স্বয়ং সৃষ্টি কৰ্ত্তা। পুৰুষ চেতন, নিৰ্গুণ, অপৰিনামী, অকৰ্ত্তা, উদাসীন, সাক্ষী মাত্ৰ। পুৰুষ - প্ৰকৃতিৰ সংযোগেই হ'ল সৃষ্টি। এই দুঃখ দুৰ্দ্দশাময় সংসাৰ। প্ৰকৃতি - পুৰুষৰ পাৰ্থক্য জ্ঞানেই হ'ল মুক্তি। ("তদ্বিপৰিতঃ—শ্ৰেয়ান্ ব্যক্তা-ব্যক্তজ্ঞবিজ্ঞানং"—সাংখ্যকাৰিকা—)? মানৱ জন্ম সম্পৰ্কে সাংখ্য দৰ্শনত এই ধৰণৰ মতামত প্ৰকাশ পাইছে যে —কোনো জীৱই ৮৪ যোনী অতি-ক্ৰম কৰিহে মানৱ জন্ম পায়। ইয়াক প্ৰকৃতি পৰিনামবাদ বুলি কোৱা হয়। আধুনিক যুগৰ ডাৰ্ৱিন, স্পেনসাৰ, হেকেল্ আদি পাশ্চাত্য বৈজ্ঞা-নিক সকলে ব্যাখ্যা কৰা বিবৰ্ত্তন বাদ (Evolation theory) আৰু সাংখ্যৰ প্ৰকৃতি পৰিনামবাদ প্ৰায় একেই। উভয়েই ঈশ্বৰক অকৰ্ত্তা হিচাপেই অভিহিত কৰিছে।

কিন্তু গীতাই ঈশ্বৰক অকৰ্ত্তা হিচাপে অভিহিত নকৰি এইদৰে কৈছে যে—পৰমাত্মাৰ সগুণ আৰু নিৰ্গুণ এই দুটা গুণৰ সমন্বয়ত সৃষ্টি সম্ভৱ হৈছে। গীতাৰ সপ্তম অধ্যায়ত শ্ৰীভগবানে কৈছে—

"ভূমিৰাপোঽনলো বায়ুঃ খং মনোবুদ্ধিৰেবচ।
অহঙ্কাৰ ইতীয়ং মে ভিন্না প্ৰকৃতিৰষ্টধা" ॥৪
"অপৰেয়মিত স্বন্যাং প্ৰকৃতিং বিদ্ধি মে পৰাম্।
জীবভূতাং মহাবাহো যয়েদং ধাৰ্য্যতে জগত" ॥৫

"ক্ষিতি, অপ, তেজ, মৰুৎ আৰু ব্যোম, মন, বুদ্ধি, অহঙ্কাৰ, এইদৰে মোৰ প্ৰকৃতি আঠ ভাগত বিভক্ত। হে মহাবীৰ! এই আঠবিধ প্ৰকৃতিৰ নাম 'অপৰা' (নিকৃষ্ট, জড়) প্ৰকৃতি। ইয়াৰ বাহিৰেও মোৰ আৰু এটা প্ৰকৃতি আছে, তাৰ নাম 'পৰা' (শ্ৰেষ্ঠা) প্ৰকৃতি। এই জীৱৰূপ চেতাত্মিকা প্ৰকৃতিৰ পৰাই জগৎ বিধৃত হৈছে।"

—এই দুটা শ্লোকৰ ভিতৰতে সৃষ্টি তত্ত্বৰ প্ৰকৃত ব্যাখ্যা অন্তৰ্নিহিত হৈ আছে। বিজ্ঞানৰ Evolu-tion Theory আৰু সাংখ্যাৰ প্ৰকৃতি পৰিনামবাদৰ লগত এই তত্ত্বৰ এটা বিশেষ সামঞ্জস্য আছে। সাধাৰণ ভাবে আমি ইয়াকে বুজো যে পুৰুষ আৰু প্ৰকৃতিও একজন ঈশ্বৰৰেই "পৰা" আৰু 'অপৰা' শক্তিদ্বয়। সেই ঈশ্বৰেই নিৰ্গুণ হৈও সগুণ ('নিৰ্গুণোগুণী')। নিৰ্গুণ ভাবে তেওঁ অক্ষৰ, আত্মা, সম, শান্ত, নিষ্ক্ৰিয়, নিৰ্ব্বিকাৰ। তেওঁ জীৱৰ পাপ-পূণ্য গ্ৰহণ নকৰে; পুনৰপি সগুন ভাবে তেওঁ সৃষ্টি - স্থিতি-প্ৰলয় কৰ্ত্তা, কৰ্ম্মফল দাতা, যজ্ঞ তপস্যাৰ ভোক্তা জীৱৰ "গতিকৰ্ত্তা প্ৰভূঃ সাক্ষী নিবাসঃ শৰণং সুহৃৎ" অৰ্থাৎ ভক্তৰ ভগৱান। বেদান্ত দৰ্শনৰো ঈশ্বৰ সম্বন্ধে প্ৰায় একেই মত। সৃষ্টিকৰ্ত্তা ভগৱানৰ 'পৰা' প্ৰকৃতি পুনৰ তিনিটা গুণৰ অধিকাৰী সত্ব, ৰজ আৰু তম্। তিনিওটা গুণেই জীৱৰ গাত প্ৰতিফলিত হয়। মানুহৰ ক্ষেত্ৰত সূত্ৰটো এনে ধৰণৰ যে—জীৱই বাৰে বাৰে জন্ম গ্ৰহণ কৰি প্ৰথম অৱস্থাত তম্ গুণ, তাৰ পিচত তম্ আৰু ৰজ গুণ আৰু শেষত সত্ব, ৰজ, তম গুণপ্ৰাপ্ত হয়। সেই জীৱই মানুহ ৰূপে জন্ম গ্ৰহণ আৰু সৰ্ব্বশেষত ৰজ আৰু তম্ গুণ অতিক্ৰম কৰি সত্বগুণ প্ৰাপ্ত হৈ 'জ্ঞানী' ৰূপে অভিহিত হয়। প্ৰকৃতিৰ পৰাই জীৱৰ গাত অহং ভাব (মইভাব) প্ৰাপ্ত হয়। গীতাৰ মতে এই অহং ভাবেই হ'ল অজ্ঞানতা বা মায়া। মায়াই হ'ল পৃথিবীৰ দুখ - দুৰ্দশা - নিৰ্য্যাতনৰ মূল কাৰণ। মায়া মুক্ত হলেই জীৱই মুক্তি পায়।

জগৎ দুৰ্দ্দশাময়। এই দুৰ্দ্দশাময় জগতত শ্ৰেষ্ঠ জীৱৰূপে জন্ম গ্ৰহণ কৰিও মানুহে নানা দুখ-দুৰ্দ্দশা বুকুত সাৱটি ল'ব লগা হৈছে। কোনোৱে দাৰিদ্ৰৰ ভাৰ কান্ধত লৈ, কোনোৱে মৰাত্মক ৰোগত ভোগী

পঙ্গু হৈ আৰু কোনোৱে হয়তো অন্তৰ্দাহী - অন্ত-ৰ্দ্দগ্ধ পৰি চৎফটাব লাগিছে। এই দৰেই মায়াৰ দ্বাৰা আক্ৰমিত হৈ আত্মা সমূহে কষ্ট পাব লাগিছে। গীতাই কৈছে যে, এই আত্মা সমূহৰ শান্তিৰ বাবেই এক পৰমাত্মাক ধ্যান কৰা প্ৰয়োজন। পৰমাত্মা বা ঈশ্বৰত অটল ভক্তি নাৰাখিলেই পাৰ্থিব মায়া-মোহ বিলাকে আমাক আগুৰি ধৰি দুঃখৰ সাগৰত পেলাই দিয়ে। কিন্তু পাৰ্থিব কামনা - বাসনা বোৰে জানো সহজতে জীৱক ৰেহাই দিয়ে! গীতাই বাৰে বাৰে কৈছে যে, কৰ্ম্মৰ দ্বাৰাই লাহে লাহে এই কামনা - বাসনা বোৰ ত্যাগ কৰা কৰ্ত্তব্য। গীতাৰ আদ্যোপান্ত যদিও কৰ্ম্মপ্ৰেৰণা, যুদ্ধপ্ৰেৰণা তত্ৰাচ গীতাৰ শেষ কথা ঈশ্বৰবাদ।

নিম্ন লিখিত শ্লোক দুটাত—

"তস্মাৎ সৰ্ব্বেষু কালেষু মামনুস্মৰ যুধ্য চ।
ময্যৰ্পিত মনোবুদ্ধিৰ্মা মৈৰ্ষ্য স্যাসং শয়ঃ॥ ৭
(৮ ম অধ্যায়)

শ্ৰীকৃষ্ণই অৰ্জ্জুনক কৈছেঃ— "তুমি সদায় মোকেই স্মৰণ কৰা আৰু যুদ্ধ কৰি যোৱা (স্ব ধৰ্ম-পালন কৰা), মোৰ ওপৰত মন আৰু বুদ্ধি অৰ্পণ কৰিলে তুমি নিশ্চয় মোকেই লাভ কৰিবা"।

পুনৰপি—

"চেতসা সৰ্ব্বকৰ্ম্মাণি ময়ি সংন্যস্য মৎ পৰঃ।
বুদ্ধিযোগমুপাশ্রিত্য মচ্চিত্তঃ সততংভব॥"৫৭॥
(১৮শ অধ্যায়)

"মনে মনে সকলো কামৰ ভাৰ (কৰ্ম্মফল) মোৰ ওপৰতে অৰ্পণ কৰি একেমনে একচিত্তে মোক সেৱা কৰি সাম্য - বুদ্ধি - ৰূপ যোগ অবলম্বন কৰি; সদায়েই মোকেই হৃদয়ত চিন্তা কৰা"।—এইদৰে এক ঈশ্বৰৰ ধ্যানৰ দ্বাৰাই কৰ্ম্ম বন্ধন বা পাপ নোহোৱাকৈ থাকিব পৰা কথাষাৰেই প্ৰতিপন্ন কৰা হৈছে।

গীতাৰ উপদেশ হ'ল—সুখ - দুখৰ অতীত হোৱা, নিৰ্দ্বন্দ, নিত্য সত্বস্থ, নিৰ্যোগক্ষেম আৰু আত্মবান হোৱা আৰু ইয়েই অধ্যাত্ম তত্ত্বৰ শেষ কথা। ইয়াতে ঋষি অৰবিন্দৰ এষাৰি মন্তব্য তুলি দিয়া হওক—"That which the 'Gita' teaches us is not a human but a divine action; not the performance of social duties but the abundonment of all other standards of duty or conduct for a selfless performance of divine will working through our nature."

"......In other words, the 'Gita' is not a book of practical ethics but of spiritual life." (Sree Aurobindu—"Essay on the Gita.")

ওপৰোক্ত মন্তব্যটিত গীতাৰ কৰ্ম্মপ্ৰেৰণা আৰু ঈশ্বৰ বাদ সম্পৰ্কে ধাৰণা কৰিব পাৰি।

গীতাৰ সমস্ত উপদেশ সমূহ গীতা শাস্ত্ৰী জগ্‌দীশ চন্দ্ৰ ঘোষদেৱে এই দৰে নিৰ্ণয় কৰিছে যে,—

"১। ধৰ্ম্মত উদাৰতা, ২। কৰ্ম্মত নিস্কামতা, ৩। জ্ঞানত ব্ৰহ্মসদ্ভাৱ, সৰ্ব্বভূতৰ ওপৰত ভগৱদ্ভাব ৪। যোগত বা ধ্যানত ভগবানৰ ওপৰত চিত্ত - সংযোগ, ৫। ভক্তিত ভগবৎ শৰণাগতি ৬। নীতিত আত্মৌপৰ্য্য দৃষ্টি সাম্য বুদ্ধি, ৭। উপাসনা ভগবৎ কৰ্ম্ম জীৱসেৱা ৮। সাধনা—ত্যাগানুশীলন।"

উপৰোক্ত উপদেশ সমূহ অনুশীলন কৰিব পাৰিলেই ভগবানৰ সান্নিধ্য লাভ কৰিব পাৰি। আত্মাশুদ্ধিয়েই হ'ল মুক্তিৰ পথ। আমাক শুদ্ধ কৰিবলৈ নিস্কাম কৰ্ম্মৰ প্ৰয়োজন। ভগৱৎ প্ৰেমৰ যোগেদিহে নিস্কাম কৰ্ম্মৰূপ যোগভ্যাস কৰিব পাৰি। কাৰণ কৰ্ম্মফল সদায় এক ঈশ্বৰত সমৰ্পন কৰিবলৈ গীতাত শ্ৰীভগবানে নিজেই কৈছে। সেই ঈশ্বৰ বিশ্বাস দৃঢ় কৰিবলৈ আমাক যি নীতি নিয়ম লাগে সেয়া হ'ল শাস্ত্ৰোক্ত (বেদ আদিত লিপিবদ্ধ) নিয়ম সমূহ, যজ্ঞ, পূজা-পাৰ্ব্বণ ইত্যাদি। এইটো উল্লেখযোগ্য যে, শাস্ত্ৰীয় বিধি সমূহ গীতাতকৈ বহুতো আগেয়ে ঈশ্বৰ বিশ্বাস দৃঢ়ি কৰণৰ বাবে সজ আৰু শাস্ত্ৰোক্ত পূজা-পাৰ্ব্বণ আদি কৰাত গীতাৰ সম্পূৰ্ণ মত আছে। পৰবৰ্ত্তীকালৰ বিভিন্ন শক্তি পূজা আৰু কিছুমান জঘন্য নিয়মৰ পূজা (নৰবলি আদি) কিছুমান শাস্ত্ৰ বিৰোধী, স্বাৰ্থপৰ মানুহৰ স্ব-স্বাৰ্থ পুৰণৰ বাবে উদ্ভাবিত নিয়ম। এইবোৰ অনুসৰণ কৰিলে পাপৰ বাহিৰে পূণ্য কেতিয়াও হ'ব নোৱাৰে।

বৰ্ত্তমান, যান্ত্ৰিক সভ্যতাৰ যুগত মানৱ সম্বন্ধ ক্ৰমে সমস্যা বহুল হৈ আহিছে। জীয়াই থকাৰ উৎস বিচাৰি ব্যস্ত হৈ থাকোতে মানুহৰ ধৰ্ম্মৰ প্ৰতি মনোনিবেশ কৰিবলৈ সময় নোহোৱা হৈছে। মানুহৰ মনৰ পৰা ভগৱৎ প্ৰেম যিমানে কমি গৈছে সিমানেই তেওঁলোকে স্বাৰ্থপৰ হৈ উঠিছে। এইদৰে কামনা যুক্ত কৰ্ম্ম কৰোতে মানুহ হৈ পৰে মোহান্ধ, অধিক সম্পত্তিৰ আশাত পাপ পূণ্যৰ কথা পাহৰি যায়, যাৰ ফলত সভ্যতাৰ চৰম শিখৰত উঠিও মানৱে দুখ দুৰ্দ্দশাৰ মায়াজালত বান্ধ খাই পৰিছে। এই মৰ্ম্মৰ উপলব্ধি কৰিয়ে হয়তো আজিৰ সমাজ-বাদে কবলৈ বাধ্য হৈছে যে—"অধিক সম্পত্তি সঞ্চয় কৰা মানে চোৰ কৰা"—(Property is theft)। ভগৱৎ শাস্ত্ৰতো সেই কথাই কোৱা আছে—

"যাবদ্‌ভ্ৰিয়তে জঠৰং তাবৎ স্বত্বং হি দেহিনাম্।
অধিকং যোহভিমন্যতে স স্তেনো দণ্ডমৰ্হতি॥

এই দুঃসময় সংসাৰৰ সম্পূৰ্ণ পৰিবৰ্ত্তন যদি আনিব পাৰে তেন্তে পাৰিব একমাত্ৰ ভগৱৎ চিন্তাই যি চিন্তাৰ দ্বাৰা অন্তৰ শুদ্ধ কৰিব পাৰি। গীতোক্ত উপদেশ সমূহ পালন কৰাই হ'ল আত্মাশুদ্ধিৰ এক মহৎ পথ। নাস্তিকতাবাদক আশ্ৰয় দি এখন সুস্থ সমাজৰ গঢ় দিয়াটো গছত গৰু উঠাৰ দৰেই অসম্ভৱ। পাশ্চাত্যৰ কিছুমান পণ্ডিতে ক'ব খোজে যে, গীতোক্ত উপদেশৰ দ্বাৰা এক সুস্থ সমাজ গঢ়াটো Plato ৰ ideal state ৰ দৰে মাত্ৰ এটা কল্পনা প্ৰসূত কথা। কিন্তু ভাৰতীয় শাস্ত্ৰই কয় যে, ই দুৰ্ল্লভ আৰু কষ্টকৰ সঁচা কিন্তু অসম্ভৱ নহয়। যিদিনাই বিশ্বৰ সমগ্ৰ জনগণে পাৰ্থিব মায়া মোহ ত্যাগ কৰি, গীতোক্ত "স্ব-ধৰ্ম্ম" পালনৰ দ্বাৰা অন্তৰ শুদ্ধ কৰি এক ধ্যানে, এক প্ৰাণে ঈশ্বৰ ভক্তিত বিলীন হৈ যাব সিদিনাই পৃথিবীতো দুঃখৰ অন্ত পৰি সত্যযুগ প্ৰৱৰ্ত্তন হ'ব। গীতাত যি স্ব-ধৰ্ম্ম পালনৰ কথা কোৱা হৈছে সেয়া জাতি (বৰ্ণ) ভেদে কৰ্ত্তব্য কৰা বুজায় যদিও মূলতত্ব সেইটো নহয়। প্ৰত্যেকে নিজৰ প্ৰকৃতি, শিক্ষা দীক্ষা যোগ্যতা অনুসৰি নিজ কৰ্ম্ম নিষ্কাম ভাবে পালন কৰাই গীতোক্ত 'স্ব-ধৰ্ম্ম' পালন কৰা। তাৰ দ্বাৰা একজনমত নহলেও জনমে জনমে ক্ৰমোন্নতিৰ ফলত জীৱই মুক্তি পায়। পৰধৰ্ম্মত (other's duty) মনোনিবেশ কৰাই হ'ল পাপ। তাৰ দ্বাৰা নিজৰো শক্তিক্ষয় আৰু অইনৰো অপকাৰ। সেই বুলি পৰৰ উপকাৰ কৰাটো পৰধৰ্ম্ম নহয়, ইও 'স্ব-ধৰ্ম্ম'ই।

"To die performing duty is no ill
But who seeks other roads shall wonder
still."

(Arnold—The song Celestial)

সামৰণিত কোৱা হওক যে, এক ঈশ্বৰৰ 'পৰা' আৰু 'অপৰা' শক্তিৰ পৰা জীৱ জগতৰ উৎপত্তি। 'অপৰা' শক্তিৰ পৰা জীৱদেহ (ক্ষিতি, অপ, তেজ, মৰুৎ ব্যোম) আৰু অন্তৰ (মন, বুদ্ধি, অহঙ্কাৰ) গঠিত হৈছে। 'পৰা' প্ৰকৃতিৰ পৰা সত্ত্ব, ৰজ, তম গুনৰ উৎপত্তি। মানুহ আৰু অন্যান্য জীৱই জন্মৰ পিচতে মায়াসক্ত হয়। মায়াত আসক্ত হৈ কাম কৰাই হ'ল পাপ, আৰু মায়া মুক্ত হ'বলৈ চেষ্টা কৰাই হ'ল পূণ্য। পূণ্যৰ ফলত মানুহে (জীৱই) প্ৰকৃতি পুৰুষৰ ভেদজ্ঞান উপলব্ধি কৰি মুক্তি পায় আৰু পাপৰ ফলত বাৰে বাৰে পৃথিৱীত জন্ম গ্ৰহণ কৰে। গীতাত কোৱা "স্ব-ধৰ্ম্ম" পালনৰ দ্বাৰা জীৱই এক জনমত নহলেও জনমে জনমে ক্ৰমোন্নতিৰ ফলত মুক্তি পায়। এই জন্মান্তৰবাদত বিশ্বাসৰ নাম হ'ল আস্তিক্য বুদ্ধি। ই হিন্দু ধৰ্ম্মৰ এক বিশেষ লক্ষণ। জন্মান্তৰবাদ হিন্দু ধৰ্ম্মৰ মেৰু-দণ্ড স্বৰূপ। ইয়াক অস্বীকাৰ কৰিলেই সকলো শাস্ত্ৰীয় ব্যৱস্থাই পঙ্গু হৈ যাব ; শাস্ত্ৰীয় বিচাৰো সম্ভৱ নহব। পৰম পুৰুষ, পৰমানন্দ, অদ্বিতীয় ঈশ্বৰত অটল বিশ্বাসেই হ'ল দুঃখময় সংসাৰত থাকিও এক অনাবিল সুখ-স্বাচ্ছন্দ্য লাভ কৰাৰ একমাত্ৰ উপায় আৰু ইয়াৰ দ্বাৰাই সংসাৰৰ মায়া মোহ ত্যাগ কৰি জীৱই মুক্তি লাভ কৰে॥

অন্ধবিশ্বাসে মানুহক কৰে মূৰ্খ, কিন্তু বিশ্বাসহীনতাই মানুহক কৰে পাগল"। (হেণৰী ফিলডিং)

# এটি অনুৰোধ

: টঙ্কেশ্বৰ হাজৰিকা :
: ২য় বাৰ্ষিক ( কলা )

বন্ধু !
শূণ্যতাই যদিও মনাকাশ
আৱৰি ধৰে,
নিৰাশাত বিভ্ৰান্ত হৈ
যদিওবা হৃদয়
উচুপি উঠে ;
দুখৰ সপোন নৰচিবা।
ব্যস্ততাৰ পৃথিবীত
সময়ৰ শকুণি মন

বন্ধু ,
কৰ্ত্তব্যৰ আহ্বান,
গাবা মাথো
জীৱ ৰ বিজয় গান
ভীৰুতাৰে
নকৰি পলম ●

# অব্যক্ত বেদনা

ধ্রুৱ কুমাৰ সন্দিকৈ
প্ৰাক্ - বিশ্ববিদ্যালয়
( কলা শাখা )

নিশাৰ মিট্-মিট্ আন্ধাৰত
এজাক মানুহ দেখিছিলো ;
স্বপ্ন নহয়, বাস্তৱৰ মাজ মজিয়াত,
সিহঁতে হয়তো
বিচাৰি আহিছিল প্ৰতিশ্ৰুতি আৰু জীৱন।
মই তেতিয়া ভাগৰি পৰা দেহাটোক
এক কৰি
বহি আছিলো অকলশৰে—
এক মহানগৰীৰ নিৰ্জ্জনতাত
এজন নেতাক
হেজাৰ বাৰ সিহঁতে কিবা কিবি সুধিছিল
বুজি মই পোৱা নাছিলো
শুনিছিলোহে মনে মনে।
হ'ব পাৰে—
সিহঁতক মাটি লাগে, ঘৰ লাগে, বস্ত্ৰ লাগে
বা খাদ্য লাগে আৰু
হয়তো অস্ত্ৰ লাগে যুঁজিবলৈ।
হঠাৎ নিৰ্জ্জনতা হেৰাই গ'ল, মানুহবোৰ
মোৰ কাষেদি
এলানি পকৰাৰ দৰে দৌৰি দৌৰি
আতৰি গ'ল,
মই মাত্ৰ চাই ৰলো, কেৱল চাই ৰলো
ক'ব নোৱাৰিলো,
মই যে বোবা।

গল্প ]

: ক্ষন্তেকীয়া জীৱন আৰু ছদিনীয়া যৌৱনে তাইক কি দিলে? ... ... মাত্র এটা পঙ্গু অৱস্থা যাৰ বাবে তাই জীৱন্ত হৈও মৃত প্ৰায়। ... ...

: উৰ্ম্মিলাৰ মনটো বেদনাৰে ভৰি পৰিছিল ... ... দেউতাকে ভাস্কৰক কৈছিল —পঙ্গু এজনী তিৰোতাৰ বাবে তোৰ জীৱনটো ধ্বংস নকৰিবি ... ... তোৰ এটা ভৱিষ্যত আছে।

: ভাস্কৰৰ কোঠাৰ আচবাব বোৰ নতুন নতুন লাগিছিল......উৰ্ম্মিলাই আঁকা ছবি খন ভাস্কৰ আৰু অলিৰ মিলনে সম্পূৰ্ণ কৰিব পাৰিলে জানো? উৰ্ম্মিলাৰ মনৰ ছবিখন ৰং আৰু তুলিকাৰ অভাৱত......হৈ ৰ'ল। ]

# আধা আঁকা ছবি

ঃ প্ৰভাত চন্দ্ৰ দাস ঃ
১ম বাৰ্ষিক স্নাতক
( কলা শাখা )

বেড্ চুইচ্‌টো টিপি লাইটটো জ্বলাব লৈও উৰ্ম্মিলা ৰৈ গ'ল। তাইৰ জীৱনত আৰু পোহৰৰ ক'ত প্ৰয়োজন। বেচ ঠাণ্ডা পৰিছে; উৰ্ম্মিলাই অৱশ হাতেৰে লেপ্‌খন ভালকৈ ললে। ৰাতি হয়তো বহুত হ'ল। ইমান পৰে ভাস্কৰে হয়তো টোপনিত সকলো পাহৰি পেলাইছে। ভাস্কৰ তাইৰ ইমান ওচৰত আছে যদিও আজি যেন বহুত দূৰত। ইমান মৰমৰ ভাস্কৰক যে আৰু তাই মৰমেৰে বুৰাই ৰাখিব নোৱাৰে। তাইৰ চকুহুটা সেমেকি পৰিল। তাই কিমান যে আত্মসন্তুষ্টি লভিছিল নিজৰ ধুনীয়া যৌৱনটোক লৈ। বহুতো সেউজীয়া কল্পনাৰে ৰঙা, নীলা সপোন দেখিছিল। কিন্তু সকলো বোৰ যে তাইৰ বাবে কালৰ কৰাল গ্ৰাহত লয় প্ৰাপ্ত হ'ল। ক্ষন্তেকীয়া জীৱন আৰু ছদিনীয়া যৌৱনে তাইক কি দিলে? মাত্র এটা পঙ্গু অৱস্থা যাৰ বাবে তাই আজি জীৱন্ত হৈও মৃত প্ৰায়।

চার্চ্‌ৰ ঘণ্টাত ঢং ঢং কৈ বাৰটাৰ সংকেত দিলে। উৰ্ম্মিলাৰ চকু ভাগিল। গাৰুটো খেপিয়াই চালে, আধা আঁধি চকুৰ পানীৰে তিতি গৈছে। কেতিয়া যে ইমান চকুলো ওলাল তাই কবই নোৱাৰিলে। ল'ৰেকৈ বাগৰ এটা সলাই মূৰ শিতানতে থকা খিৰিকী খন খুলি দিলে। ফেৰ্‌ফেৰীয়া এজাক বতাহে তাইৰ শৰীৰ টো কপাঁই তুলিলে। বাহিৰত ঘোপমৰা আন্ধাৰ। এই আন্ধাৰতে তাইৰ ভাস্কৰ হেৰাই গ'ল। ওচৰৰ কোঠাৰ পৰা ভাস্কৰ আৰু অলিৰ মধুৰ ফুলশয্যাৰ টুকুৰা টুকুৰ শব্দবোৰ ভাঁহি আহিছে। ভাস্কৰৰ কাৰণে আজি আন-এটা মধুৰ নিশা। এই ফুলশয্যাৰ ৰাতিৰ দৰে ভাস্কৰ আৰু তাইৰো এদিন ফুলশয্যাৰ নিশাই ৰাতিৰ টোপনি নাইকীয়া কৰিছিল। সেই উন্মাংগৰী নিশাৰ মধুৰ স্মৃতি তাই কেতিয়াও নাপাহৰে। তাইৰ অসহ্য লাগি গ'ল। কিবা এটা বেদনাই তাইক যেন মাৰি পেলাব। যৌৱন উদ্বেলিত পুৰণি কটন কলেজৰ মধুৰ স্মৃতি তাইৰ মানস পটত পুনৰ ভাঁহি উঠিল। কিমান যে মধুৰ আছিল সেই দিনবোৰ ?

তেতিয়া প্ৰথম বাৰ্ষিকৰ ছাত্ৰী তাই। কলেজৰ নামি 'Sports man'। ইয়াৰ ওপৰিও ভাল গান গায়। কলেজৰ বিচিত্ৰ অনুষ্ঠানত তাইৰ আইটেম্‌ থাকিবই। ভাস্কৰা আছিল একে কলেজৰে তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। নামকৰা Sports man আৰু Best actor one act play। তাৰ অভিনয়ত সকলোৰে মুগ্ধ। ভাস্কৰৰ নাটক থকা দিনা হল ঘৰ লৰা ছোৱালীয়ে নদৰা হয়।

উৰ্ম্মিলা আৰু ভাস্কৰৰ পৰিচয় হয় বছেৰেকীয়া কলেজ সপ্তাহত। দিনত হোৱা ৫০০ মিটাৰ দৌৰত প্ৰথম হোৱা ভাস্কৰক দেখিয়েই উৰ্ম্মিলাৰ মনত আলোড়নৰ সৃষ্টি কৰিছিল। আৰু সেই দিনা ৰাতিৰ নাটক প্ৰতিযোগিতাত বিচাৰক মণ্ডলীয়ে "ভাস্কৰ বৰুৱা সৰ্বশ্ৰেষ্ঠ অভিনেতা" বুলি ঘোষণা কৰাৰ পাচত সকলোৰে আনন্দত ভাস্কৰক জয়দি অভিনন্দন জনাইছিল, লগতে তাইও! ভাস্কৰৰ জয়ত তাই গৌৰৱ অনুভৱ কৰিছিল। তাইৰ মুখত এটা ধুনীয়া হাঁহি ফুটি উঠিছিল। ভাস্কৰক তাইৰ খুউব ভাল লাগি গৈছিল। সেইদিনাৰ পৰাই তাইক ভাস্কৰৰ ছবিখনে সকলো সময়তে বাৰে বাৰে আমনি কৰিছিল।

কেইদিন মানৰ পাছত উৰ্ম্মিলা, অলি আৰু ভাইটি "জু" চাবলৈ গৈছিল। উৰ্ম্মিলাই হলো বান্দৰৰ গৰাঙটোৰ ওচৰত থিয়হৈ সিহঁতৰ তামাচাবোৰ একান্ত মনে চাই আছিল। —"মিচ বৰুৱা"। হঠাৎ তাইক কোনোবাই মতা যেন অনুমান কৰি ঘূৰি চাই অজানিতে মনটো ভাল লাগি গ'ল। "অ' ভাস্কৰদা 'জু' চাবলৈ আহিলো ভাইটিয়ে বৰ আমনি কৰিছিল বাবে। আপুনি ক'ৰ পৰা" ?—ভাস্কৰৰ ওচৰত থিয়হৈ উৰ্ম্মিলাই মাত দিছিল। "কাউণ্টাৰত কাম কৰা এজন বন্ধুক লগ কৰিং

বলৈ আহিছিলো। পিচে লগ নেপালো। আপোনাৰ ভাইটি - ভন্টি কলৈ গ'ল ?" "সিঁহত হৰিণা চাবলৈ গৈছে" উৰ্ম্মিলাই আৰু কি কব ভাবি নেপালে। অন্তৰে ভালপোৱা এজনক অতি কাষতে পালে অন্যমনস্কতাৰ সৃষ্টি হয়েই, এইতো হয়তো তাইৰ ভুল নহয়। অলপ মৌনতাৰ পাচত ভাস্কৰেই মাত লগালে- "আহো দেই অলপ কাম আছে"। "ময়ো যাওঁ বৰ; বেয়া নেপাই যদি অলপ মোৰ লগত আহক চোন ভন্টিহঁতক বিচাৰি যাওঁ"। ভাস্কৰে কোনো আপত্তি নকৰিলে। দুয়ো ওচৰা-ওচৰিকৈ অ'গবাঢ়িল। "বলক ভাস্কৰদা আমাৰ ঘৰলৈকে যাওঁ। মায়ে আপোনাক লগ পালে খুউব ভাল পাব। আপোনাৰ অভিনয়ৰ দক্ষতাক মায়ে খুউব প্ৰশংসা কৰিছে জানে ?" "মোৰ অভিনয়ক শলাগিছে! আপোনাৰ মায়ে মোক কেনেকৈ চিনি পালে" ? "কিয়, দৈনিক অসমত এখন ফ'টো আৰু আপোনাৰ চমু পৰিচয় দিছিল নহয়। আপোনাৰ 'পজ' দেখিয়েই মায়ে আপোনাক চিনি পালে। "Best Actor" বুলি এতিয়াতো আপোনাক আৰু ভাল পাব"। ভাস্কৰে উৰ্ম্মিলাৰ অনুৰোধ প্ৰত্যাখান কৰিব নোৱাৰিলে। সি উৰ্ম্মিলাৰ মাক-দেউতাকৰ সৈতে ভালকৈ চিনাকী হোৱাৰ পাচত ৰাতি এঘাৰ মান বজাত যেতিয়া ঘৰলৈ বুলি খোজ লৈছিল তেতিয়া উৰ্ম্মিলা আৰু তাইৰ ভনীয়েক অলিয়ে গেটৰ ওচৰলৈকে আগবঢ়াই দি কৈছিল---"আকৌ আহিব দেই। নেপাহৰিব আক' "।

দিন যোৱাৰ লগে লগে ভাস্কৰৰ উৰ্ম্মিলা-হতঁৰ ঘৰলৈ যোৱাতো ঘন হৈ আহিছিল। ভাস্কৰৰ সৈতে উৰ্ম্মিলাহতঁৰ ঘৰৰ এটা আত্মীয়তা গঢ়ি উঠিছিল। ইতিমধ্যে উৰ্ম্মিলা আৰু ভাস্কৰৰ ভালপোৱাও বেচি গাঢ় হৈ পৰিছিল।

ভাস্কৰৰ ৰুমৰ কেলেণ্ডাৰৰ পৰা কেইবা-খনো পাত ইতিমধ্যে খহি পৰিছিল। সি বি, এ, পাছ কৰিলে। পঢ়াত বৰ ভাল নাছিল কাৰণে কোনোমতেহে পাছ কৰিছিল। ভাস্কৰৰ কৃতকাৰ্য্যতাই উৰ্ম্মিলাৰ মনত জোৱাৰ তুলিছিল। সন্ধিয়া মিঠাইৰ টোপোলা এটা লৈ ভাস্কৰ উৰ্ম্মিলাহঁতৰ ঘৰ পাইছিলগৈ মনৰ আনন্দতে। স্ফুৰ্ত্তিৰ মাজেৰে সন্ধিয়াতো সিহঁতে পাৰ কৰি দিছিল। ভাইটিয়ে তাক চিনেমা চোৱাবলৈ দাবী কৰিছিল। অলি আৰু উৰ্ম্মি-লাই গান গাইছিল। তাৰ পাচত ঘৰখনৰ অনুৰোধ এৰাব নোৱাৰি তাতে ভাত খাই প্ৰায় 'ন'মান বজাত ঘৰলৈ উভতিছিল।

বি, এ, পাছ কৰাৰ পাচত ভাস্কৰে আৰু পঢ়াৰ কথা নেভাবি দেউতাকৰ, তেজপুৰত থকা কাৰখানাটোকে চাবলৈ লাগিল। দেউতাকৰ, অজস্ৰ ধন। খাওঁ বুলিলে সি গোটেই জীৱন-টো বহি বহি খাব পাৰে। কাৰখানাটো চন্তা-লিব লোৱাৰ পাচতেই ভাস্কৰে দেউতাকৰ অনুমতি লৈ এখন ধুনীয়া প্লাইমাউট গাড়ী কিনিছিল, আৰু সেই গাড়ী খন উৰ্ম্মিলাহঁতৰ

গেট্‌ৰ মুখত ৰোৱাতো এটা নিত্য কৰ্ম্ম হৈ পৰিছিল।··· ··· ···

তাৰ পাচত এটা দিনত সিহঁতৰ বিয়া হৈ গ'ল। দৰা পক্ষ আৰু কইনা পক্ষৰ কোনো আপত্তি নাছিল। এনেকৈয়ে এহাল প্ৰেমিক-প্ৰেমিকাই মধুৰ জীৱনৰ পাতনি মেলিছিল। সিটো কোঠাৰ পৰা ভুঁহি অহা কেইটামান শব্দই তাইৰ ভাৱনাত যতি পেলালে ——

"টোপনি ধৰিছে অলি"?······

"ওহুঁ নাই ধৰা"।······

ঠিক এনেকৈয়েই ভাস্কৰে ফুলশয্যা নিশা উৰ্ম্মিলাক কৈছিল, ঠিক তাইয়ো এইদৰে উত্তৰ দিছিল। তাইৰ এটা গভীৰ হুমুনিয়াহ ওলায় আহিল।

বিয়াৰ এমাহ মানৰ পাচত ভাস্কৰ কিবা এটা কামত ডিব্ৰুগড়লৈ গৈছিল। লগতে তাইয়ো গৈছিল। ডিব্ৰুগড়ত লুইতৰ পাৰত আবেলি ফুৰি ফুৰি সিহঁতে ভৱিষ্যতৰ সোণালী সপোন ৰচিছিল। ডিব্ৰুগড়ত সিহঁতে এক সপ্তাহ থকাৰ পাচতেই উৰ্ম্মিলাৰ জীৱনলৈ আহিছিল সেই নিষ্ঠুৰ দিনটো। আবেলি হোটেলৰ পৰা ওলাই আহিয়েই ৰাষ্টাত মটৰ চাইকেলে এটা ল'ৰাক খুন্দা মৰা দেখিছিল। তাইৰ মনটো সেমেকি পৰিছিল। গাড়ীত উঠা আগ মুহূৰ্ত্তত তাইৰ সোঁ চকুটো ঘনে ঘনে লৰিছিল। গাড়ীত উঠি তাই ভাস্কৰক কৈছিল—"আজি নগলে নহয় নেকি?" "হঠাতে মন পৰিবৰ্ত্তন হ'ল যে, ডিব্ৰুগড় খন ভাল লাগি গ'ল নেকি" হাঁহি হাঁহি ভাস্কৰে কৈছিল। একেবাৰে কাষতে বহি থকা উৰ্ম্মিলালৈ চাই সি গাড়ী চলাই দিলে। ৰাষ্টাটো মুকলি হৈ থকাৰ কাৰণে সি ঘন্টাত ৫৫ ৬০ মাইল বেগেৰে গাড়ী চলাইছিল। উৰ্ম্মিলাৰ বমি বমি লাগিছিল। চকু দুটা মুদি নিস্তুপ হৈ বহি আছিল। "কি হল উৰ্ম্মি বৰ মনে মনে বহি আছা যে? গা বেয়া লাগিছে নেকি?" "ওঁ' মূৰটো ঘুৰাইছে বমি বমি লাগিছে"।

"যোৰহাটত ৰেষ্ট ললে ভাল পাবা আৰু বেচি দূৰ নাই, এতিয়াই পাম" এই বুলি সি 'এক্সেলেটাৰ' ডবাই দি জেপৰ পৰা এনাচিন্‌' টেব্‌লেট্‌ এটা উলিয়াই বাওঁ হাতেৰে ষ্টিয়াৰিং ধৰি সোঁহাতেৰে উৰ্ম্মিলাৰ ফালে আগুৱাই দিছিল।

"এইটো খায় দিয়া"··· ·····

উৰ্ম্মিলাই চকুমেলি লবলৈ হাত আগবঢ়াই দিয়েই হঠাৎ গাড়ী গাড়ী বুলি চিঞৰি, ষ্টিয়াৰিং ডাল খামুচি ধৰি তীব্ৰবেগে আহি থকা লিলেনখনক চাইড দিব বিছাৰিছিল। ভাস্কৰে কি হৈছে কি নহৈছে ভবাৰ আগ মুহূৰ্ত্তে লিলেনৰ প্ৰচণ্ড খুন্দাত সিহঁতৰ গাড়ী খন দিশহাৰা হৈ ব্ৰীজৰ এঢলীয়া ৰাষ্টাটোৰে তীব্ৰ বেগে নামি গৈছিল। তাই চিঞৰ মাৰি জ্ঞান হেৰুৱাইছিল।·········

জ্ঞান পাইয়েই তাই গোটেই শৰীৰত এটা তীব্ৰ বিষ অনুভৱ কৰিছিল। তাইৰ

চকুযোৰ যেন কোনোবাই বান্ধি থৈছিল। বুকুৰ কামিহাড়বোৰ যেন খহি পৰিছিল। তাই অসহ্য বেদনাত ত'ত নেপাই চকু মেলিব খুজি বিফল হৈছিল। বহু প্ৰশ্নই তাইৰ মনত জুমুৰি দি ধৰিছিল।

তাই ক'ত আছে? কি হৈছে তাইৰ? ভাস্কৰ ক'ত? কাৰোবাৰ গুণ গুণনি শুনি তাই সুধিব বিচাৰিছিল। কিন্তু এটি গেঙনিৰ বাদে তাইৰ মুখৰ পৰা একো মাত নোলাল। লগে লগে কাৰোবাৰ এখন দৰদী হাতে তাইৰ গালে মুখে আলফুলকৈ বগাই ফুৰা অনুভৱ কৰিছিল। তাৰ পিচতে কাৰোবাৰ উচুপনি শুনিছিল তাই। লগে লগে তাইৰ মনত পৰিছিল সিলেনে প্ৰচণ্ড খুন্দা মৰা আৰু তীৱবেগে সিহঁতৰ গাড়ীখন তললৈ নামি যোৱা। তেন্তে তাই মৰা নাই? কিন্তু ভাস্কৰৰ কি হ'ল?

সম্পূৰ্ণ তিনিমাহ হাস্পতালত থকাৰ পাচত যেতিয়া উৰ্ম্মিলাৰ ভাল হোৱাৰ কোনো লক্ষনেই দেখা নাপালে তেতিয়া ভাস্কৰে তাইক ঘৰলৈ লৈ আহিব লগাত পৰিল। উৰ্ম্মিলা সম্পূৰ্ণ পঙ্গু হৈ পৰিছিল। চকুৰে মুঠেই দেখা নাহিল। সেয়েহে ঘৰলৈ আহি তাই বিচনাতে পৰি থাকিব লগাত পৰিছিল।

এমাহ মানৰ পাচত ভাস্কৰ কামলৈ পুনৰ গৈছিল। উৰ্ম্মিলাৰ আল পৈচান ধৰিবৰ বাবে মাহেকীয়া বন্দোবস্তত এজনী আয়া ৰাখিছিল। তাইৰ ওপৰত সম্পূৰ্ণ ভাৰ দি সি কামলৈ গৈছিল।

উৰ্ম্মিলাৰ দিনটো অসহ্য লাগিছিল। আয়াজনীৰ লগত নো কিমান কথা পাতিব। আজি কালি তাইৰ বান্ধৱীবোৰো ববকৈ নাহে; ৰূপালী, বন্তিহঁত আহিলেও কামৰ অজুহাত দেখুৱাই গুচি যায়। আগেয়ে তাইৰ লগত কথা পাতি ঘণ্টাৰ পিচত ঘণ্টা পাৰ কৰি দিয়া তাইৰ বান্ধৱী বোৰবো আজি কালি সময় নোহোৱা হ'ল। হাজাৰ ল'ৰাৰ সপোন কুঁৱৰী উৰ্ম্মিলা বৰুৱাক আজি কোনেও উভতি নাচায়। তাইৰ চেহেৰা বুঢ়ী মানুহৰ দৰে হৈ পৰিছিল। কামিহাড়বোৰ জোবা লগাই দিয়াত তাই খোজ কাঢ়িলে কুঁজী হৈ পৰিছিল। নিজান কোঠাত বন্দিনী হৈ থকা উৰ্ম্মিলাৰ মনটো বেদনাৰে ভৰি পৰিছিল, জ্যোতিহীন দুচকু সেমেকি পৰিছিল।

কষ্টৰ মাজেদিয়েই তাইৰ বহুত দিন পাৰ হৈ প'ল। দিনবোৰ যোৱাৰ লগে লগে ভাস্কৰৰ মনটো অশান্ত হৈ পৰিছিল। তাৰ দৃঢ় সংকল্পত আত্মীয় স্বজনে বাধা জন্মাইছিল। সকলোৰে মুখত এটা কথা, সি পুনৰ বিয়া কৰাব লাগে। দেউতাকে তাক কৈছিল "অবুজ নহবি এজনী তিৰোতাৰ কাৰণে তোৰ জীৱনটো ধ্বংস নকৰিবি, তোৰ এটা ভৱিষ্যত আছে।"

এইবোৰ কথা শুনি ভাস্কৰৰ মনত বৰ আঘাত লাগিছিল। আৰ মনৰ কথা কোনে

বুজিব। উর্ম্মি থাকোতে সি কেতিয়াও বিয়া কৰাব নোৱাৰে। হওঁক উর্ম্মি পঙ্গু। উর্ম্মিক সি কিমান ভাল পায়। এক মাত্র ভগৱানৰ বাহিৰে কোনেও নেজানিছিল। তথাপিও সি বিমোৰত পৰিছিল উর্ম্মিলাৰ কাৰণে। তাই সদায় কান্দি কান্দি তাক কয় পুনৰ বিয়া কৰাব লাগে বুলি। কাৰণ তাই জীয়াই থাকিও মৃত প্ৰায় হোৱাত ভাস্কৰক একো আলপৈচান ধৰিব পৰা নাই। ভাস্কৰে যি ছুৱালী হোৱাজনীক বিয়া কৰাব, তাইক উর্ম্মিলাই হাঁহিমুখে ভনী বুলি গ্ৰহণ কৰিব। অশান্ত ভাস্কৰক তাই বুজাইছিল—অশান্ত বেদনাত সি চিঞৰি উঠিছিল—"মোক—বিয়াৰ কথা নকবা উর্ম্মি, 'প্লিজ'। মানুহৰ বিয়া জীৱনত এবাৰেই হয়। তোমাৰ মোৰ বিয়া হৈছে, মই তোমাক লৈয়েই সুখী"।

আবেলি সি উর্ম্মিলাৰ বাবে, শেষ হোৱা ঔষধ আনিবলৈ গৈছিল। ৰান্ধনী ল'ৰাটোক সেই সময়চোৱা উর্ম্মিক চাবলৈ কৈ গৈছিল। আহোঁতে এন্ধাৰ হৈছিল, ড্ৰইংৰুমত বহুত মানুহ কথা পাতি থকা শুনি সি ব্যস্ত-ভাবে সোমাই গৈছিল। উর্ম্মিলাৰ কাষতে বহি আছিল তাইৰ মাক আৰু অলি, কাষৰ চুকা-খনতে বহি আছিল তাৰ দেউতাক। উর্ম্মিলাৰ মাকে তাক দেখি হোৱাৰ কথা সুধিছিল। "বাটতে বন্ধু এজনক লগ পোৱাত অলপ দেৰি হ'ল" — ভাস্কৰে কলে — "আপোনালোক কেতিয়া পালেহি"। "তুমি ওলাই যোৱাৰ পিচতে পালোহি"। সি তেওঁলোকৰ কাষৰ চুকাখনতে বহি পৰিছিল। অলিয়ে তালৈ চাই হাঁহি মাৰি ওলাই গৈছিল।

ভাস্কৰৰ কোঠাৰ আচবাববোৰ নতুন নতুন লাগি গৈছিল। তাৰ পাচতে উর্ম্মিলালৈ চাইছিল। চুলিখিনি ধুনীয়াকৈ ফনিয়াই দিছে। শিৰত সেন্দুৰৰ উজ্জল ৰেখা। চকা কাপোৰ এজোৰ পিন্ধাই দিছে। সি বুজিছিল এইয়া অলিৰ কাম। তাৰ পিচত সি অলিৰ দেউতাক আৰু মাকৰ সৈতে কথা পাতিছিল। অলপ পাচতে অলিয়ে তাক মুখ ধুবলৈ ভিতৰলৈ মাতিলে। মুখ হাত ধুই বাথ কমৰ পৰা ওলাই আহোঁতে অলিয়ে এটা হাঁহিৰে তালৈ টাৱেলখন আগবঢ়াই দিছিল।

সেইদিনা ৰাতি অলিয়ে ভাত ৰান্ধিছিল। ভাস্কৰৰ মনটো ভাল লাগিছিল। বহুত দিনৰ মূৰত নিজৰ মানুহৰ হাতে ভাত খায় ভাস্কৰে এটা আমেজ অনুভৱ কৰিছিল। উর্ম্মিলাৰ মনটোও সেইদিনা ভাল লাগিছিল।

ভাত খায় উঠাৰ পাচত দেউতাকে গহীন ভাবেৰে কলে—"এই বহাগৰ দহ তাৰিখে তোৰ বিয়াৰ দিন ঠিক কৰিলো"। সি একো নুবুজাৰ দৰে দেউতাকৰ মুখলৈ ৰ'লাগি চাই-ছিল। "দুখ নকৰিবা, অলিয়ে উর্ম্মিক কেতি-য়াও কষ্ট নিদিয়ে"—উর্ম্মিৰ মাকৰ কথাত তাৰ মনৰ সন্দেহ আতঁৰিল। সি বুজিছিল অলিৰ-সৈতে তাৰ পুনৰ বিয়া ঠিক কৰিছে। সি কপাঁ

কপাঁ মাকেবে কৈছিল—"কিন্তু উৰ্ম্মিৰ"? দেউতাকে তাক বুজাই ছিল—"আমি তোৰ মন বুজিছে। উৰ্ম্মিলা সদায়েই তোৰেই হৈ থাকিব। এই বিয়াত উৰ্ম্মিলাৰ উৎসাহহে বেছি। উৰ্ম্মিলাক চাবলৈ এজনী আপোন মানুহ নালাগে জানে।"?

ভাস্কৰে ভাবিছিল—এবা উৰ্ম্মিৰ বাবে এজনী নতুন মানুহৰ দৰকাৰ। সি তাৰ নিজৰ কাৰণে নাভাৱে, মাত্র উৰ্ম্মিলাৰ সুখৰ কাৰণেহে। সি কোঠাটোৰ পৰা লাহে লাহে ওলায় আহিছিল।

সেইদিনা উৰ্ম্মিলাই অবুজ ভাস্কৰক বহুত ৰাতিলৈকে বুজাইছিল—"আপুনি অলিক বিয়া কৰাওক। অলিৰ মাজেৰে মোৰ অভাৱ পূৰাব লাগিব। অলি মোৰ ভনী যেতিয়া তাইৰ মাজেৰেই আপুনি আগৰ উৰ্ম্মিক বিচাৰি পাব"। ভাস্কৰে তাইৰ কথাত মাত মাতিব পৰা নাছিল। মাথো, সজোৰেৰে তাইক বুকুৰ মাজত সাৱটি লৈছিল।

বহাগৰ এটি নিশা। আকৌ সি দৰা সাজি উৰ্ম্মিলাহঁতৰ ঘৰলৈ গৈছিল অলিক বিয়া কৰাই আনিবলৈ। এদিন উৰ্ম্মিকো তেনেকৈ সহধৰ্ম্মিনী ৰূপে বিয়া কৰি আনিছিল। সেই দিনা তাৰ অন্তৰত আছিল হাজাৰ ৰঙীণ স্বপ্ন। কিন্তু এতিয়া তাৰ মনৰ মণিকোঠত বেদনাৰ কোন্দলী উৰিছিল। কোনো আনন্দৰ আমেজ নাই ইয়াত।

আজি অলি আৰু ভাস্কৰৰ মধুচন্দ্ৰমাৰ নিশা। ন-কন্যাৰ বেশেৰে সাজি কাচি আহিছে উৰ্ম্মিলাৰ মৰমী ভনীয়েক অলি। তাই আহিছে উৰ্ম্মিলাৰ ক্ষতি পূৰণ কৰিবলৈ।

ইটো কোঠাত থকা অলিৰ ওচৰলৈ যোৱাৰ আগেয়ে ভাস্কৰে উৰ্ম্মিলাক সাৱটি সৰু লৰাৰ দৰে হুক হুকাই কান্দিছিল। উৰ্ম্মিলাই কিন্তু বহুত বুজাই বঢ়াই একৰকম জোৰকৈ অলিৰ কাষলৈ পঠিয়াই দিছিল ভাস্কৰক। ইটো কোঠাত যে তাইৰ ভনীয়েক অলিয়ে মনত অফুৰন্ত জোৱাৰলৈ ভাস্কৰলৈ বাট চাই আছে। যাওঁ নেযাওঁ কৰি ভাস্কৰ উঠি গৈছিল উৰ্ম্মিৰ কাষৰ পৰা। উৰ্ম্মিলাৰ খুউব জোৰেৰে এবাৰ প্ৰাণ খুলি হাঁহিবৰ মন গৈছিল। কিন্তু নোৱাৰিলে। কিবা এটা অবুজ বেদনাই তাইক অৱশ কৰি তুলিলে। তাইৰ বুকুখন হাঁহাকাৰ কৰি উঠিল। কলিজাটো যেন কোনোবাই তাইৰ বুকুৰ পৰা উলিয়াইহে দিলে।

ওচৰৰ চাৰ্চৰ ঘণ্টাত তিনিটাৰ কোব পৰিল। উৰ্ম্মিলা চক্ খাই উঠিল। ইমান পৰে তাই বাৰু কি ভাবি আছে। ভাবিয়েই বা লাভ কি। তাইৰ জীৱনটো হয়তো ৰং আৰু তুলিকাৰ অভাৱত আধা আঁকা ছবি হৈ ৰ'ল। তাতে তাইৰ ক্ষতি কি। হয়তো অলিৰ মাজেৰে ভাস্কৰে তাইৰ আধা আঁকা ছবিখন সম্পূৰ্ণ কৰি তুলিব। সিটো কোঠাৰ পৰা ভাস্কৰ আৰু অলিৰ মৃদু উশাহ নিশাহৰ শব্দ ভাঁহি আহিছিল। সিহঁতে হয়তো এতিয়া গভীৰ টোপনিত। শোৱক! ভাস্কৰে হয়তো বহুত দিনৰ মূৰত আজিয়েহে শান্তিৰে শুবলৈ পাইছে। ভাস্কৰৰ গাৰুটোকে গভীৰ ভাবেৰে বুকুত সাৱটি লৈ উৰ্ম্মিলাই চকু দুটা মুদি টোপনি যাবলৈ চেষ্টা কৰিছিল। ● ● ●

প্ৰবন্ধ ]

# দেউৰী জাতিৰ সমাজ আৰু সংস্কৃতি

★ ★ ★

: শশীধৰ দেউৰী :
: ৩য় বাৰ্ষিক ( কলা ) :

বিভিন্ন জাতি উপজাতিৰ মিলনত অসমীয়া জাতীয় সংস্কৃতি গঢ়লৈ উঠিছে। বুৰঞ্জীয়ে ঢুকি পোৱা দিনৰ পৰাই অসমত দেউৰী জাতিটো অসমীয়াৰ অবিচ্ছেদ্য অঙ্গ হিচাপে পৰিগণিত হৈ আহিছে।

দেউৰী শব্দৰ প্ৰকৃত অৰ্থ বৰ্ত্তমানলৈকে ঠিৰাং হোৱা নাই। এই শব্দ কেতিয়া ক'ৰ পৰা কেনেকৈ উদ্ভৱ হ'ল সেইটোও স্পষ্টকৈ ক'ব নোৱাৰি। কিন্তু দেউৰী সকলৰ মতে 'দে—উ—ৰী' তিনি অংশৰ মিলনত দেউৰী শব্দৰ সৃষ্টি হৈছে। ইয়াৰ প্ৰথম অংশ পুৰুষ আৰু দ্বিতীয় অংশ প্ৰকৃতি। পুৰুষ প্ৰকৃতি ( কুন্দিমামা ) দেউৰী বিলাকৰ আৰাধ্য দেৱতা। যেতিয়াৰ পৰাই পুৰুষ প্ৰকৃতিৰ সৃষ্টি হ'ল তেতিয়াৰ পৰাই দেউৰী জাতিৰ উৎপত্তি হ'ল। পুৰুষ আৰু প্ৰকৃতিৰ অংশৰ পৰা দেউৰী জাতিৰ উৎপত্তি। দেৱতাৰ অংশৰ পৰা উৎপত্তি হোৱাৰ বাবে দেউৰী বুলি কোৱা হয়। সেই কাৰণে দেৱতাক কেনেকৈ পূজা-পাতল কৰিব লাগে সেই বিষয়ে দেউৰী বিলাকে ভালকৈ জানে। সেই জ্ঞান দেউৰী সকলৰ নিজস্ব বা জন্মগত। আনৰ পৰা আহৰণ কৰা গুণ নহয়।

"কুঁউম" এই অৰ্থ "ডিম্বাকৃতি'। "কুঁউম"ৰ পৰাই ওলাইছে "মগুচ্ছা" (কুন্দি), মগুচ্ছাচী" (মামা) কুন্দিমামা—পুৰুষ প্ৰকৃতি। হিন্দুৰ মতে এই পুৰুষ প্ৰকৃতিয়েই শিৱ-সতী। সেই মহাদেৱ দেৱীৰেই অংশ দেউৰী জাতি। স্বয়ং দেৱৰ পৰা উৎপত্তি বাবেই 'দেউৰী'। শ্ৰীডম্বৰুধৰ দেউৰীৰ 'দেউৰী সংস্কৃতি'ত উদ্ধৃত এটি প্ৰবাহৰ পৰাই জানিব পাৰি যে, দেউৰী সকলে আদিম যুগৰে

পৰাই বিভিন্ন দেৱ দেৱতাৰ সেৱা কৰাৰ মূলতে হ'ল তেওঁলোক দেৱৰ পুত্ৰ। দেউৰী সকলে নিজক দেউৰী চুতীয়া বুলিও কয়। পিচৰ যুগত চুতীয়া নাম কেনেকৈ হ'ল ভালকৈ জনা নাযায়। মূলতে দেউৰী আৰু চুতীয়া সকল যে একেই আছিল সেই কথা সত্য আৰু হিন্দু চুতীয়া, বিহিয়া চুতীয়া, আহোম চুতীয়া, বেবেজিয়া চুতীয়া আদি সকলো দেউৰী চুতীয়াৰ এক অবিচ্ছেদ্য অঙ্গ।

কুণ্ডিলৰ, বৰ্ত্তমান শদিয়াৰ প্ৰাচীন সভ্যজাতি বুলি দেউৰী সকল জনাজাত। দেউৰী সকলে নিজে দিচাং আৰু সোৱনশিৰি নৈৰ পৰা তিৰ্ব্বত ব্ৰহ্মালৈকে এক বিস্তৃত আৰু সু-প্ৰতিষ্ঠিত বিদৰ্ভ বা চুতীয়া ৰাজ্য ভোগ কৰিছিল। সেই বিদৰ্ভ ৰাজ্যৰ ৰাজধানী আছিল বৰ্ত্তমান শদিয়াৰ লোহিত জিলাৰ ভীষ্মক নগৰ। দেৱ-দেৱীৰ পূজা সেৱাত তেওঁলোকৰ যেনেদৰে জ্ঞান আছিল, তেনেদৰে ৰাজ্য শাসন কৰাতো দক্ষতাৰ চিনাকি দিব পাৰিছিল। সেয়েহে বিদৰ্ভ ৰাজ্যত প্ৰচুৰ ধন সোণেৰে উপচি পৰিছিল সেই কথা বুৰঞ্জীয়েও নুই কৰিব নোৱাৰে। কেইবা শতাব্দী জুৰি হোৱা আহোম আৰু দেউৰী চুতীয়া সংঘৰ্ষত দেউৰী বা চুতীয়া সকল নিঃশেষ হৈ যায়। আৰু শেষত বৈবাহিক সম্বন্ধ গঢ়ি উঠে। ফলস্বৰূপে হিন্দু-চুতীয়া আদিৰ সৃষ্টি হয়। দেউৰী চুতীয়া সকলেহে প্ৰাচীন দেউৰী সকলৰ নীতি নিয়ম, ভাষা, কলা কৃষ্টি ৰক্ষা কৰি আহিছে। বাকী চুতীয়া সকলে নিজস্বতা হেৰুৱালে। কাজেই চুতীয়াৰ মাজত ভিন্নতা সোমাই পৰিল।

সমাজ :—দেউৰী সকলৰ সমাজ গঠনত এক নিজস্ব বৈশিষ্ট্য আছে। দেউৰীৰ একোখন ঘৰত ১০।২০ জনৰ পৰা ১২০।১৩০ জন পৰ্য্যন্ত মানুহ থাকে। সময় আৰু যুগৰ পৰিস্থিতিলৈ এই নিয়ম ব্যতিক্ৰম হৈছে যদিও ৮০।৯০ জনলৈকে একে লগে বাস কৰে। ঘৰৰ দিশ সাধাৰণতে পূবা-পশ্চিমাকৈ সজা হয়। কাঠ আৰু বাঁহ-বেতৰ সজুলিৰে ঘৰ সজা হয়। ঘৰৰ আগফালে ভৰাঁল ঘৰ আৰু ঢেঁকী-শাল। সাধাৰণতে ঘৰবোৰ চাংঘৰ। ঘৰটোৰ মাজে মাজে শোৱা, থকাৰ পৃথক পৃথক কোঠালি থাকে। প্ৰতিজন বিবাহিতাৰ বাবে একোটা কোঠালিৰ ব্যৱস্থা কৰা হয়। ঘৰত এখন মাত্ৰ হুৱাৰৰ ব্যৱস্থা থাকে। এমূৰে পাকঘৰ। কাঁহ পিতলৰ বাচন বৰ্ত্তনেই ব্যৱহাৰৰ প্ৰধান সামগ্ৰী। খোৱা বোৱাৰ সময়ত সকলোৱে একে সময়তে আহাৰ গ্ৰহণ কৰে। খোৱা-বোৱাৰ সময়ত বয়স অনুসৰি এপিনৰ পৰা বহে, সেই অনুপাতে মাইকীবোৰে ভাতৰ কাঁহী দি যায়, লগতে "মেঁচুৰা" এটা এটা দি যায়। এই 'মেঁচুৰা'ৰ ওপৰতে ভাতৰ কাঁহী তুলি খায়। আগৰ দিনত "মেঁচুৰা" সোনেৰে তৈয়াৰী কৰিছিল আজিকালি বেতেৰে সজা হয়। তিৰোতা সকলে সমূহীয়াকৈ বা পাল পাতি ভাত ৰান্ধে। ভাতৰ পৰা তৈয়াৰী এবিধ স্বাস্থ্যকৰ ঘৰুৱা মদ (চুঁঝে) দেউৰী বিলাকৰ প্ৰধান খাদ্য। এই বিধ মদ ১০১ বিধ বনৌষধেৰে তৈয়াৰী কৰা হয়। পানী আৰু চাহ ব্যৱহাৰ কৰাৰ দৰেই দেউৰী সকলে মদ ব্যৱহাৰ কৰে। চাহৰ ব্যৱস্থা একেবাৰে নাই বুলিলেই হয়। 'চুঝে'ত এক বেলেগ জীৱনী শক্তি আছে বুলি দেউৰী বিলাকে বিশ্বাস কৰে। ম'হ, গৰু, ছাগলী, কুকুৰ, গাহৰি, হাঁহ, পাৰ, কুকুৰা আদিয়েই পোহনীয়া জীৱ জন্তু। হাতী দেউৰী জাতিৰ বৰ আদৰৰ জন্তু।

ঘৰৰ মূৰব্বী জনৰ উপদেশমতে ঘৰখন চলে। আয়-ব্যয়ৰ হিচাপ-পত্ৰ মূৰব্বী জনৰ হাতত থাকে। ঘৰৰ সমূহীয়া আয়-ব্যয় ঘৰখনৰ যাবতীয় কাম কাজৰ

বিষয়ে সকলোৱে মুৰব্বীজনৰ লগত বহি আলোচনা কৰে। সমাজত কিছুমান কঠোৰ নীতি - নিয়ম আছে। সেই নীতি - নিয়ম বিলাকে দেউৰী বিলাকক চিৰদিন বেয়া বা দুস্কাৰ্য্যৰপৰা আঁতৰত ৰাখিছে। তাই-বোৱাৰী আৰু ৰৰজনাৰ মাজত জুই আৰু পানীৰ দৰে। শহুৰ - শাহুৰ ক্ষেত্ৰটো বহুত নিয়ম আছে। বিয়া-বাৰুৰ বিশেষ সম্বন্ধ বংশগত হিচাপে সম্পাদন কৰা হয়। একে বংশৰ লগত চন্দ্ৰ - সূৰ্য্য থাকে মানে বিয়া নহয়। যদি কোনোৱে ইয়াৰ বিপৰীতে কৰ্ম্ম কৰে, তেনেহলে সিইঁতক দেউৰী সমাজে সমাজৰ পৰা বাদ দিয়ে।

দেউৰীবিলাকে পুৰুষ - প্ৰকৃতিৰ উপৰিও অন্যান্য কিছুমান দেৱতাকো পূজা সেৱা দিয়ে। পূজা সেৱাবোৰ চলাবৰ বাবে চাৰিজন দেউৰী থাকে। বৰ-দেউৰী, সৰু-দেউৰী, বৰ-ভৰালী, সৰু ভৰালী, এই চাৰিজনেই প্ৰধান। দেউৰী সকলৰ নিজৰ ভাষা আছে, এই ভাষা মিছিং জনজাতি বা অন্য পাহাৰৰ জনজাতিৰ লগতো সাদৃশ্য নাই। এই ভাষাটো বড়ো ভাষাৰ লগত অলপ সাদৃশ্য আছে, কিন্তু সাদৃশ্যতকৈ বৈসাদৃশ্যহে বেছি। দেউৰীসকলৰ নিজস্ব পিন্ধন - উৰণ আছে। তিৰোতা বিলাক বোৱা-কটাত অতি পাৰ্গত। সকলো ধৰণৰ সাজ-পাৰ তিৰোতাবিলাকে যোগান ধৰে। আজিকালি আদিম যুগৰ বস্তুবোৰ সাঁচি ৰাখি আধুনিক সাজ-পাৰ পিন্ধিবলৈ লৈছে। মৃতকৰ সৎকাৰ পদ্ধতি হিন্দুবিলাকৰ লগত অলপ সাদৃশ্য আছে। মানুহ মৰিলে দেউৰীবিলাকে সাধাৰণতে পোৰে, মিছিং সকলৰ দৰে নুপুতে। মানুহ পোৰোতে চিতাত সাতজাপ থৰি দি চিতা সাজে। মাইকী মানুহৰ কাৰণে পাঁচ জাপদি চিতা সজা হয়। যোল বছৰতকৈ কম বয়সত মানুহ মৰিলে নোপোৰে; পোতি থয়। হাইজা বা অইন বেমাৰত মৰিলেও পোতি থয়। মানুহ মৰিলে সাতদিনলৈকে ব্ৰত পালন কৰে। চিতাৰ ওপৰত থোৱাৰ আগতে মৰাশটো চিতাৰ চাৰিওকালে সাতবাৰ প্ৰদক্ষিণ কৰায়। পুতেকে মুখাগ্নি কৰে। মৃত্যুৰ পিছত মানুহটোক বাহিৰলৈ টনা আজোৰা কৰি দেউৰী বিলাকে ছুলিয়ায়। চন্দন, ঘিউ, আমথৰি শ-দাহৰ কাৰণে পবিত্ৰ বস্তু। দহাকাজ আঠদিনৰ মূৰতো কৰিব পাৰে, নাইবা বহুদিনলৈকে নকৰাকৈ থাকিব পাৰে। শক্তি অনুযায়ী দহাকাজ একৰ পৰা দহবছৰৰ পিছতো কৰিব পাৰে। দহাকাজ কৰোতে দেউৰী বিলাকৰ মদ, ভাত, কুকুৰা, গাহৰি, ছাগলী, হাঁহ আৰু তামোল-পাণ আদি কৰি টকা-পইচা বহুত দৰকাৰ হয়।

নিজ নিজ সম্প্ৰদায়ৰ মাজত কাজিয়া আদি লাগিলে দেউৰী বিলাকে সততে চৰকাৰৰ আশ্ৰয় নলয়। নিজৰ সমাজৰ মাজত নিজাকৈ মেল থাকে। এই মেলবোৰ এক প্ৰকাৰ উচ্চ বিচাৰালয় বুলি কব পাৰি। প্ৰথমে সকলো ৰাইজে গোটখাই এই মেলত দোষী - নিৰ্দোষী বিচাৰ কৰে। চৰকাৰৰ আদালতৰ আশ্ৰয় লোৱা মানে দেউৰী বিলাকৰ মতে গোটেই জাতিটোক অৱহেলা কৰা। আজিকালি কিছুমান কুট-বুদ্ধিয়ক মানুহৰ চক্ৰান্তত পৰি ৰাইজৰ মেলৰ উপৰিও চৰকাৰৰ আদালতলৈ যায়। অৱশ্যে এইটো সমাজৰ ভাল লক্ষণ নহয়। দেউৰীবিলাকে নিজৰ সমাজৰ দৈনন্দিন ঘটি থকা ঘটনা আনক জানিবলৈ দিয়া বৰ বেয়া কথা বুলি বিবেচনা কৰে।

খেতি - বাতিয়েই দেউৰী বিলাকৰ প্ৰধান জীৱিকাৰ পথ। চাকৰি - বাকৰি কৰিবলৈ দেউৰী বিলাকে ভাল নাপায়। আনৰ তলত গোলামী কৰা মুঠেই সহ্য কৰিব নোৱাৰে। দেউৰীবিলাকৰ সকলোবোৰেই পৰিশ্ৰমী। সেই কাৰণে খোজনীয়া

মগনীয়া দেউৰী সমাজত নাথাকেই। সমাজৰ অৱস্থাহীন লোকবোৰেও নিজৰ সম্প্ৰদায়ৰ বাহিৰে আন সম্প্ৰদায়ৰ তলত হাত নেপাতে। সকলো দুখ-সুখ নিজৰ জাতিৰ ভিতৰতে সামাধা কৰে।

দেউৰী সকলৰ বিহু (বিচু):—বিহু উৎসৱ দেউৰী সকলৰ অতি আনন্দৰ উৎসৱ। অন্য অসমীয়া আৰু মিছিংসকলে যেনেদৰে বিহু পাতে, দেউৰী সকলেও পাতে। কিন্তু দেউৰী সকলৰ বিহু অসমীয়া সকলৰ দৰে নহয়। নামত বিহু হলেও আকাৰ প্ৰকাৰবোৰ বহুত বেলেগ। দেউৰী বিহুত নিজস্ব বৈশিষ্ট্য আছে, দেউৰী সকলৰ দুটা এটা নাচ অৰুনাচলৰ 'আদি' সকলৰ লগত সাদৃশ্য দেখা যায়। বিশেষকৈ দেউৰী সকলৰ "আবৰ্ বৰ্" আৰু 'লহৰীয়া' বিহু পাদাম সকলৰ পুনঙৰ দৰে। দেউৰীসকলৰ তিনিটা বিহু ১। কাতি বিহু (কাতিয় বিচু) ২। মাঘবিহু (মাগিয় বিচু) ৩। বহাগবিহু (চাজেবা বিচু) ইত্যাদি।

কাতি বিহু সাধাৰণতে অন্য অসমীয়া সমাজৰ দৰে কাতি বিহুৰ দিনাই পালন কৰে। কিন্তু এই বিহুত বিশেষ তেনেধৰণে খোৱা-বোৱা কৰা নহয়। মাত্ৰ ঘৰে-ঘৰে আশী/নৱৈটা মিঠাতেলৰ চাকি জ্বলোৱা হয়। সেইদিনা প্ৰত্যেকখন ধাননি পথাৰতো একোটাকৈ মিঠাতেলৰ চাকি জ্বলোৱা হয়। ভৰাঁল, ঢেকীশাল, তাঁতশাল, ঘৰৰ দুৱাৰ, ৰান্ধনীঘৰ, প্ৰত্যেক কোঠালী, বাকচ্-পেৰা, পঢ়াকোঠা আৰু গৰু গোঁহালী ম'হখুটী আদি সকলোতে মিঠাতেলৰ চাকি একোটাকৈ জ্বলোৱা হয়। ঘৰৰ আগত শাৰী শাৰীকৈ চল্লিশ/পঞ্চাশ টা চাকি জ্বলোৱা হয়।

মাঘবিহু মাঘ মাহৰ প্ৰথম বুধবাৰে আৰম্ভ হয়। সংক্ৰান্তিত বিহু পতা দেউৰী সকলৰ নিয়ম নাই। বিহু উৰুকাৰ দিনা গধুলি মেজি সাজে আৰু বিহু দিনা পুৱাই সেই মেজি জ্বলোৱা হয়। বিহু-দিনা সকলে ডাঙৰক, পুতেক-জীয়েকে মাক, বাপেকহঁতক তামোলপাণ অৰিহণা দি সেৱা কৰি আশীৰ্ব্বাদ লয়। বিহু তিনিদিনৰ পৰা সাতদিনলৈ থাকে। বিহু আৰম্ভ দিনা দেওশাল বা গোসাঁনী শালত দেৱ-দেৱীৰ উদ্দেশ্যে পূজা-পাতল দিয়া হয়। চামে-চামে মানুহবোৰ জোম পাতি প্ৰত্যেক ঘৰতে বিহু খায়। বিহু কেইদিন আবেলি তিনিমান বজাৰ পৰা ডেকা-গাভৰু মিলি গাঁৱৰ মাজত বা ভাল ঠাইত খিলা খেলৰ প্ৰতিযোগিতা পাতে। মাঘ-বিহুৰ পিছৰ পৰাই সকলোৱে খেতি পথাৰত মনোযোগ দিয়ে

বহাগৰ বিহু দেউৰীসকলৰ লেখত ল'বলগীয়া বিহু। এই বিহু পাতিবলৈ দেউৰী ডেকা-গাভৰু বোৰ ফাগুন মাহৰ পৰাই ৰাতি ৰাতি "বৰ ভড়ালীৰ" ঘৰত নাইবা বৰ-দেউৰী'ৰ ঘৰত বিহু নাচে। ই এক প্ৰকাৰ আখৰা কৰাৰ দৰেই। গধূলি ভাত খাই সকলো ডেকা-গাভৰু একগোটহৈ এই বিহু উপভোগ কৰে। এই বিহুত ডেকা-গাভৰুৰ মন-প্ৰাণ কমুৱা তুলাৰ দৰে উৰে। আগৰ দৰেই মাহৰ প্ৰথম বুধবাৰে বিহু আৰম্ভ হয়। সেই দিনা ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে আহি ৰাতি বিহু কৰি কৰি ৰাতিপুৱাই দিয়ে। ৰাতিপুৱাই লৰাবোৰে গৰু গা-ধুৱায় আৰু গৰুৰ গলত গলমণি পিন্ধোৱাৰ দৰে তৰা গছৰ পৰা বতা সৰু পঘা পিন্ধায়। ৰাতিপুৱা গা-পা ধুই পিতৃ-মাতৃক সেৱা কৰি কুকুৰা কণী যুজাঁয়। কেতিয়াবা প্ৰত্যেক ফৈদৰ মাজত কুকুৰা যুজুঁৱা হয়। যি ফৈদৰ কুকুৰা যুঁজত জিকে, সেই ফৈদৰ কাৰণে শুভবছৰ বুলি দেউৰী বিলাকৰ বিশ্বাস। বহাগ বিহু সাতদিন ধৰি পালন কৰা হয়। চামে-চামে জোমপাতি খোৱা-বোৱা কৰে প্ৰত্যেক ঘৰে ঘৰে।

আবেলি তিনিমান বজাৰ পৰা সকলোৱে গা ধুই পৰিষ্কাৰ আৰু পবিত্ৰ মনেৰে গোসানীশালত বিহু মাৰে। সন্ধিয়াৰ লগে লগে গোসানীশালৰ পৰা বিহু মাৰি আহি আগৰ ৰাতি বিহু মৰা ঠাইত বিহু মাৰি প্ৰায় ৰাতি সাত মান বজাত সকলোৱে ঘৰা-ঘৰি হয়। ৰাতি পুনৰ আগৰ দৰে আহি বিহু নামাৰেহি। এইদৰে এসপ্তাহ বিহু মাৰি মাৰি বিহু গাওঁৰ পশ্চিম ফালে উৰুৱাই থৈ আহে। বিহু উৰুৱাই পুনৰ আহি আগৰ বিহু মৰা ঠাইত বহু ৰাতিলৈকে ডেকা-গাভৰুৱে বিহু মাৰে। সেই দিনাৰ পৰা চেনেহৰ বহাগ বিহুটিক এবছৰৰ বাবে বিদায় দিয়ে। সেই শেষৰ দিনা দেওধাই আহি গাওঁৰ ভৱিষ্যতৰ শুভ বতৰা দিয়ে। বিহু আৰম্ভ দিনা যিদৰে আনন্দপূৰ্ণ, ঠিক তেনেদৰে বিহু বিদায়ৰ দিনটো আনন্দ আৰু বিষাদৰ সংমিশ্ৰন। বিহু বিদায় দিনা দেউৰীবিলাকে প্ৰাণভৰি ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালী মিলি গোটেই বছৰৰ কাৰণে উপভোগ কৰে আৰু বিষাদ মনেৰে বিদায় দিয়ে।

দেউৰী হুচৰীও বৈশিষ্ট্যপূৰ্ণ। দেউৰী হুচৰী অইন সম্প্ৰদায়ৰ দৰে নহয়। দেউৰী হুচৰী গাবলৈ হলে এটা চৰকাৰৰ দৰে সংগঠনৰ দৰকাৰ হয়। যধে-মধে হুচৰী গোৱা নহয়। হুচৰী গাবলৈ হলে একোটা পুলিচ বাহিনী, এটা নাচনীৰ দল, এজন অভিজ্ঞ গায়ক, পৰিচালনা কমিটি, ধন ভৰালী আদিৰ দৰকাৰ। তাৰ উপৰিও গাৱঁৰ চাৰি দেউৰীয়ে গাওঁৰ অৱস্থা, খেতি-বাতিৰ অৱস্থা, জৰ নৰিয়াৰ অৱস্থা চাই, ডেকা ল'ৰাৰ হুচৰী অনুমোদন দিয়ে। যেতিয়া সমূহীয়া ৰাইজক পুঁজিৰ দৰকাৰ হয়, তেতিয়াহে হুচৰী গোৱা হয়। অৱস্থাপন্ন আৰু অৱস্থাহীন চাই ৰাইজে শৰাই দিব লগীয়া টকাৰ মাননী বান্ধি দিয়ে। হুচৰীৰ নামতিৰ আৰু নাচনীৰ সাজ-পাৰ বেলেগ ধৰণৰ। এইবোৰ সাধাৰণতে অতীতৰ দেউৰী সাজ-পাৰবোৰ পিন্ধা হয়। এইবোৰ দেউৰী সংস্কৃতিৰ চানেকি। হুচৰী গাওঁতে তিনি/চাৰিডাল দীঘল গোটাবাঁহ পোতা হয়। বাঁহ কেইডালৰ মূৰে মূৰে দুটা খুটাৰ ওপৰত ৰখা হয়। ঘৰৰ মুখা-মুখিকৈ চোতালৰ আগত বাঁহ কেইডাল পাতে। তাৰ মাজৰ এডোখৰ আয়তক্ষেত্ৰ বা বৰ্গক্ষেত্ৰৰ ঠাইত হুচৰী গোৱা হয়। তাতেই নামতীয়ে ঘুৰি ঘুৰি হুচৰী নাম লগাই দিয়ে। বাকী বিলাকে কেওকালে থিয় হৈ হাতত এডোখৰ টকা মাৰিবৰে কোবাই শব্দ কৰে। যধে মধে, য'ৰ ত'ৰ বাঁহ আৰু আগমৰা বাঁহ লগোৱা নিষেধ। হুচৰীৰ নামেৰে সুৰৰ লগত টকা মাৰিব শব্দ মিলাই ছেও-ধৰি পদ চালনাৰ ছন্দোবদ্ধ নৃত্যৰে গিৰিপ্-গিৰিপ্-কৈ হুচৰী গোৱা হয়। হুচৰীৰ এই ৰীতিটো দেউৰী বিলাকৰেই এদনীয়া সৃষ্টি। তাৰ ঐতিহ্য আজিও ৰক্ষা কৰি আছে।

**ভুল ধাৰণা** :—আমাৰ বহুত বন্ধু-বান্ধবকে ধৰি আনকি জ্ঞানী-পণ্ডিত সকলেও কেতিয়াবা দেউৰী জাতিৰ বিষয়ে ভুল কৰে। বহুতে দেউৰী বুলি ক'লে সাধাৰণতে অসমৰ মিছিং বা মিৰি সকলৰেই এটা অংশ বুলি ভুল ধাৰণা কৰে। আচলতে মিছিং আৰু দেউৰী সকলৰ মাজত বহুত পাৰ্থক্য আছে। কিঞ্চিতমান সাদৃশ্য অংশতো নথকা নহয়। চাংঘৰ সাজি বাস কৰে, মদ, গাহৰি, কুকুৰা খায়। এই সামঞ্জস্য থকা কাৰণে বহুতে দেউৰী বিলাকক মিৰি বুলি ক'ব খোজে। দেউৰী, মিৰি দুটা বেলেগ বেলেগ সম্প্ৰদায়। দেউৰী আৰু মিৰিৰ মাজত মৌলিক কিম্বা নীতিগত পাৰ্থক্য আছে। তেওঁবিলাকৰ সামাজিক নীতি-নিয়ম, কৰ্ম্ম-ধৰ্ম্ম, দয়-দস্তুৰ, ভাষা, কলা, কৃষ্টি কাৰো লগত মিল নাই। যদিও বহুত ক্ষেত্ৰত নিমিলে তথাপি মিৰি-দেউৰী একেলগে ওলোৱা সোমোৱা কৰি থাব পাৰে। প্ৰতিবেশী হিচাপে দেউৰী আৰু মিৰি দুয়ো সম্প্ৰদায়ৰ মাজত প্ৰাচীন কালৰ পৰা স্থায়ীভাবে ঘনিষ্ঠ আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছে ॥



S- U. O. JALALUDDIN AHMED

40, Assam Armd Sqn. N.C.C.

Attended all India Summer Training Camp held at Bangalore (Mysore), 1972, and also he has attended Directorate Camp held at Barapani (Shillong) 197'.



U. O. UPEN KUMAR SINGH,

Attended all India Summer Training Camp held at Bangalore (Mysore) 1972, and also he has attended Directorate Shooting Camp held at Happy valley (Shillong) 1971.




Md. SAMIUDDIN KHAN,

Best Gymnastic "Mr. Kanoi" (1972—73)



U. O. A. D. TAMANG

10, Assam Bn. N.C.C.

Attended (R.D.C.) Camp at New Delhi and Advanced Leadership course held at Kalimpong ( West Bengal ) 1973. He was Cadet Adjutent and special Guard commander among the Indian cadets in A. L. course.



Mr. ATUL PEGU,
The Best Thrower of the year in the Inter College Sports Meet.



Mr. KHAGEN SAIKIA,
The Best Long Distance Runner of the year in the Inter College Sports Meet.

# Kanoians at the Play Ground.



Mr. DEBABRATA CHETIA
Table Tennis Chempion, 1972–73.



Miss. JHARNA SAIKIA,
Best Lady Athlete of this year.

কবিতা ]

★

# আহ্বান

★

★

অশোক কুমাৰ গগৈ
১ম বার্ষিক, স্নাতক ( কলা )

★

তুমি ধ্বংসৰ তাণ্ডৱলীলা দেখিছা,
বীভৎস হত্যাকাণ্ড দেখিছা,
ভিয়েৎনামৰ বুকুত
হানয়ৰ উপকণ্ঠত,
হাইফং বন্দৰত—লুইতৰ পাৰে পাৰে;
দেখিছা—
আমেৰিকাৰ অবৈধ-নীতি, নৃশংস-হুঙ্কাৰ,
মানৱতা হত্যা কৰাৰ (?)
তুমি দেখা নাই
সেইয়া যে- লুইত-কাবেৰীৰ পাৰে পাৰে---
গঙ্গা-যমুনাৰ আশে-পাশে—
নিপীড়নৰ এক নিদাৰুণ অত্যাচাৰ
ভাৰতৰ ঘৰে ঘৰে, চহৰে নগৰে ?
তেন্তে তুমি মৌন কিয় ?
হেৰা, নবীন তেজ
আহা হৈ আগুৱান
ভিয়েৎনামী সাহেৰে
ভিয়েৎনামী সংকঁল্পেৰে
ভিয়েৎনামী মনোবলেৰে
এটি স্ফুলিংগ হৈ
গঢ়িবলৈ ৰক্ত নিচান;

মণি-পিয়লীৰ
কুঁশল-কনকলতাৰ, লৈ অঙ্গীকাৰ;
এলান্ধুকলীয়া ঘৃণিত বিবেকবোৰ
মুখাপিন্ধাবোৰ
পুৰি ছাঁই কৰি দিবলৈ
কালৰ অজামিলবোৰ ।
নহলে—
বিশ্বৰ বিবেকে ৰৰকে গৰিহণা দিব—
তোমাৰ চেতনা নাই
তোমাৰ মনোবল নাই
তুমি অকাজভাগী—,
তুমি ফোঁপ-যহী—॥

* *

# চাৰিটা চুটি কবিতা

কন্দৰ্প কুমাৰ চেতিয়া
১ম বাৰ্ষিক, স্নাতক ( কলা )

(১)

এটা কবৰ
পুৰনি কোনোবা একালৰ
নিসংগ ।
শান্তি চিৰ বিৰাজমান
লোকালয়তকৈ দূৰ
বহুদূৰ,
নজগাবা
শান্তি কেৱল শান্তি ।

(২)

আন্ধাৰ নামিছিল পৃথিবীৰ কোলা৲ে
সুধিবৰ মন গ'ল
এই আন্ধাৰৰ বিস্তৃতি আৰু মোৰ মনৰ স্থিতিৰ
মাজত পাৰ্থক্য ক'ত ?
জোনাকীৰ দল দেখিলো
বুজিলো—
জড়তাৰ কোঠালীত
সেই আন্ধাৰৰ সৈতে
মোৰ মনৰ মিতালি ॥

(৩)

শীতত ঠেৰেঙা লগা
এটোপাল নিয়ৰ
বৰ কষ্টৰে সৰি পৰিল
তললৈ ।
গোটেই ৰাতি উজাগৰে
কষ্ট পোৱা
চেষ্টা অথলে গ'ল,
বেচেৰা !

(৪)

দুখীয়া পজাঁটিলৈ আনন্দ নামিছিল
নৱজাত সন্তানৰ ক্ৰন্দন ধ্বনিত
বৈ বৈ বাজিছিল
পৃথিবীক নতুনকৈ দেখা
আৰু বুজি পোৱাৰ সুৰ
বিশ্বাসঘাটক নিয়তিয়ে হাঁহিলে
এটা নিষ্ঠুৰ শেঁতা হাঁহি । *

# দৃষ্টিপাত

প্ৰহ্লাদ চন্দ্ৰ তাচা
১ম বাৰ্ষিক, স্নাতক ( কলা )

এটি গলি
চহৰৰ এটি অখ্যাত গলি
চতুৰ্দিশত অন্ধকাৰৰ অট্টহাস
নীৰৱে, অকলে আৰম্ভিলো মই
মোৰ যাত্ৰা সেই গলিয়েদি।
উৰ্বৰা পৃথিৱীৰ বুকুত
মানৱ সভ্যতাৰ ন-গজালি।
নাইট ক্লাবত
ইণ্ডিয়ান মেম চাহাবৰ মজলিচ,
ভাৰতীয় সভ্যতাৰ উচ্চ নিদৰ্শন
ঐন্দ্ৰজালিক পৰিবৰ্ত্তন।

এটি আৰ্ত্তনাদ
হায়! ইমান করুণ
হঠাৎ থমকি ৰলো মই
নিশাৰ আঁৰত, অন্ধকাৰৰ বুকুত
দাৰুণ যন্ত্ৰণাৰ বিকট চিৎকাৰ
দৃষ্টিপাত কৰিলো মই
এটি কগ্ন নাৰীৰ ওপৰত
কামাতুৰ পুৰুষৰ ধৰ্ষণ।

দুয়োফালে মনোৰম অট্টালিকাৰ শাৰী
তাৰ মাজেদিয়ে মোৰ যাত্ৰা
তৃতীয় মহলাত ৰেডিঅ'ৰ গান
অৰ্গেনত ৰবীন্দ্ৰ সঙ্গীতৰ সুৰ
আৰু তাৰ তলৰ
ফুটপাথত
শূণ্য ভিক্ষা পাত্ৰলৈ পৰি থকা
মৃতপ্ৰায় নৱ কঙ্কালৰ শাৰী
নৱকঙ্কাল ?
এৰা, জীৱন্ত নৱকঙ্কাল।
মোৰ যাত্ৰা সেই গলিয়েদি
দেখিছোঁ মই—
মানৱ আৰু দানৱৰ
একেডাল নলীয়েদি পানী যায়;
ব্লেক মাৰ্কেটিং কৰি
'দাতা' আখ্যা পোৱা বহুতো
শেঠজীৰ অট্টালিকাৰ কাষত
দেৱতাৰ মন্দিৰ।

মোৰ ফালে আগবাঢ়ি অহা
এটি মানুহৰ দল দেখি
স্তম্ভিত হলো মই
বেচ শকত আৱত মানুহবোৰ
কৰ্ণপাত কৰিলো মই সিহঁতৰ কথালৈ
সিহঁতৰ মুখত—
গণতান্ত্ৰিক সমাজবাদৰ ফুলজাৰি
মাৰ্ক্স-লেনিনৰ ফৰ্ম্মুলা
কান্ট-হেগেলৰ দৰ্শন
আন্তৰ্জাতিক ৰাজনীতিৰ শীতল ৰণ
প্ৰগতিবাদী যুৱকৰ প্ৰতি
বৈপ্লৱিক আহ্বান
আৰু ?
আৰু এটি
আকৰ্ষণীয় শ্লোগান
'গৰিবী হটাও'।

গল্প ]

: বিজয়ানন্দৰ হৃচকুত হঠাৎ এটা বিমূৰ্ত্ত দৃশ্যই ভূমুকি মাৰি গ'ল ।....... আগৰ দুদিনত এটা দীঘল গল্পকৈ বিষন্ন সময়ত যেনেদৰে আমোদ দি আছিল ঠিক আজিও সি......তেনে এটা গল্পৰ কথাকে ভাবি মনটো দাৰ্জিলিঙৰ পৰা কাঞ্চিনজংঘালৈ তৰঙ্গায়ীত কৰি পঠিয়াইছিল ।...........

: গীতাৰ আপেল বৰণীয়া সুগোল মুখ খনত চকু থওতে তাইক কিছু ক্ষুণ্ণ হোৱা দেখিছিল বিজয়ানন্দই ।......

: অমৰেন্দ্ৰই ভাবিছিল তাৰ মৰমী জনীয়ে পাহৰি নাযাব । কিন্তু......

: আমি যদি পৰিবৰ্ত্তন বিচাৰো অপ্ৰিয় হলেও সত্যক প্ৰকাশ কৰিব লাগিব ।...

: শ্বহীদ অমৰেন্দ্ৰ আৰু গীতা......

: গীতা আৰু সি......

# আৰু এটা গল্প

: বিপিন কুমাৰ বৰা :
: ২য় বাৰ্ষিক ( কলা ) :

এটা মোগলাই পৰঠা খোৱাৰ পিচত ওচৰতে আন এজনে অমলেট্ খোৱা দেখি, এই সময়ত অমলেট খোৱা হে উচিত আছিল বুলি ভৱ, অথবা জৈন হোটেলত এটা ধুচা খাই পেটটো গৰম কৰি লোৱাতকৈ এই গৰমত 'দহি বৰা'হে খাব লাগিছিল বুলি ভবা মনটোৱে অৱসন্ন অনুভৱ কৰাৰ দৰে বিজয়ানন্দৰ মনটোৱেও দাৰ্জিলিঙৰ লয়েড বোটানিকেল গাৰ্ডেন আৰু হিমালয়ান জু'ল-জিকেল পাৰ্ক পৰিদৰ্শন কৰি, থকা ঠাই হিমালয়ান গ্ল'ৰিৰ বাঙলোটোলৈ ঘুৰি আহি ভাবি ভাবি আশ্বস্ত অনুভৱ কৰিছিল;—সি যদি টাইগাৰ হিলচ্ৰ নামনিত গজি থকা এডাল আৰ্কিড হোৱা হেতেন (!). কোনোৱা

কলেজীয়া ল'ৰাই বিৰ্চাছৰ বাবে স্পেচিমেন্ সংগ্ৰহ কৰিবলৈ আহি আৰ্কিড ডাল সংগৃহীত কৰি আলফুলীয়াকৈ কোনোবা বোটানিকেল্ গাৰ্ডেনত সজাই থলেহেতেঁন, অথবা কাজিৰঙা অভয়াৰণ্যৰ এটা সাৰেং চৰাই হোৱ হেতেঁনো পি নিশ্চয় উন্মুক্ত মনে সবুজ পাতৰ আঁৰে আঁৰে ক্যাবেৰা ডেঞ্চ দি সুশ্ৰাব্য গীত গাই কাজিৰঙাৰ আবেলিৰ শোভা চাবলৈ যোৱা যাত্ৰীক বহুপৰ মোহিত কৰি থব পাৰিলে-হেঁতেন। কিন্তু এতিয়া দাৰ্জ্জিলিঙৰ এক্স কাব-চনত আহি তাৰ মানহ সত্বাত বাৰে বাৰে মোহ লগা বস্তুৰ দৰে অসমৰ দৃশ্যবোৰ বিমূৰ্ত্ত হৈ উঠিছে। হিমালয়ান গ্ল'ৰিৰ ক'ৰিড'ৰত বৈ বন ফৰিঙৰ দৰে তাৰ চকুৰ বিস্ফাৰিত দৃষ্টি সবল গছেৰে ভৰা এটা পাহাৰৰ পৰা আন এটা পাহাৰলৈ জপিয়াব লাগিল। আৰু ঠিক কিছুসময় ব্যৱধানত লক্ষীমপুৰৰ কোনোবা সোণাপুৰ গাওঁত আহাৰমহীয়া মুষলধাৰে বৰষুণ হোৱাৰ দৰে দাৰ্জ্জিলিঙৰ এজাক বৰষুণে তাৰ অস্থিৰ মনটো সেমেকাই তুলিলে। ক'ৰিডৰত পাইচাবি কৰি বিজয়া-নন্দই সোঁহাত খন মুঠি মাৰি কোনোবা এবাৰত অতিষ্ঠ অনুভৱ কৰি পেলাইছে; অন্ততঃ তাক কিবাএটা পৰিবৰ্ত্তন লাগে। সিহঁতৰ দলটোৰ ৰথিন, যৰেন্দ্ৰ, শৈলেন্দ্ৰ, ৰুৰুণা, ৰূপা, মামণি, গীতা, মমতাই এতিয়া-মানে ছাগৈ তিনিদিনিয়া ভ্ৰমণৰ গতানুগতি-কতাত পৰিবৰ্ত্তন আনিবলৈ বিতৰ্ক মূলক আলোচনা চলায় আছে। আচলতে জীৱনৰ গতানুগতিক আমেজবোৰ আমুৰাই গলে সকলোকে এটা পৰিবৰ্ত্তন লাগে। যি পৰি-বৰ্ত্তনে স্তিমিত হৈ যোৱা জীৱন বোধত উত্তে-জনা আনি দিব পাৰে।

উত্তেজনা আৰু পৰিবৰ্ত্তন লাগে। অসমত উত্তেজনাৰ সৃষ্টি হ'ল। অৱশেষত চিলঙৰ পৰা দিছপুৰলৈ অস্থায়ী ভাবে স্থায়ী ৰাজধানী নামিল। তাৰ বাহিৰে আৰু কিবা এটা পৰি-বৰ্ত্তন হ'লনে? ইমানখিনি আন্দোলন, সত্যাগ্ৰহ কৰাৰ পিছতো পৰিবৰ্ত্তনে গতি নললে। অসমৰ ভৌগলিক চাৰিসীমাৰ পৰা অহা সিহঁতৰ দলটোৱে নতুন ৰাজধানী দিছপুৰত ঘোষণা হোৱা নিউজটো পাই দৰ্জ্জিলিঙৰ হিমালয়ান গ্ল'ৰিৰ কোঠাতেই গোজৰি গোমৰি উত্তপ্ত হৈ পৰিল।

—"ধূৰ চালা, গাওঁ কে গাওঁ উঠি আহি আন্দোলন কৰি কি লাভ হ'ল। বুকুৰ তেজ দিলেও ভাষা নিদিও বুলি চিঞৰি-বাখৰি কি হ'ল?"

—"কিন্তু যিহৰ বাবে বুকুত উত্তাপ লৈ জনৈক শ্বহীদ হ'ল, সেই শ্বহীদৰ ইজ্জৎ কোনে ৰক্ষা কৰিলে"! ইত্যাদি কথোপকথোনৰ মাজৰ পৰায়ে ৰূপাই চিঞৰি উঠিল—" আচলতে কি জানা, এই যে যি কোনো আন্দোলন কৰি শ্বহীদ হোৱা বোৰক 'সিহঁতে' বাহিৰত

হে শ্বহীদ বুলি কৈ হাঁহবাও কাঢ়ি ফুৰে, কিন্তু ভিতৰত এক এটা 'বলিৰ পাঠা' বুলিহে গণ্য কৰে"।

—"আৰু কি, ল'জীকত পোৱা নাই জানো 'মানুহ মৰণশীল, আমিও মানুহ, আমিও মৰিম; অৱগুণ্ঠিতা কোলাত সোমো-ৱায় উন্মুক্ত পিয়াহ খোৱায় ডাঙৰ দীঘল কৰা মা জনীও মৃত্যু হ'ব। হাতী খাৱনে খোওৱা আৰু বাঘৰ চাৱনে খোৱা দেউতাও মৰিব, পুৱা গধূলি পঢ়িবলৈ মেজৰ কাষত বহি চুলিয়াচুলি আৰম্ভ কৰি দিয়া ভন্টি-ভাইটিও মৰিব। গতিকে এইবোৰ মৰণত কোনো উত্তাপ নোহোৱাৰ দৰে শ্বহীদৰ মৰণতো কোনো, 'সিহঁতে' বিশেষত্ব নিদিয়ে"।

বথিনে জেৰ টানি ক'লে—"এই সময়তে আৰু কেইজনমান ছাত্ৰ নেতাৰ বৰ প্ৰয়োজন আছিল; মানুহ বোৰক জগায় তুলিবলৈ"।

—"বাদ দিয়া ছাত্ৰ নেতাৰ কথা, টকা পালেই নেতা-ফেতা নিপাত মাৰে। ডিব্ৰুগড় কি আছিল আৰু এতিয়া কি হ'ল। পানী-চলা জুইৰ দৰে নেতা কেইটা কেচাঁ পৰিল"। শৈলেন্দ্ৰৰ কণ্ঠৰ স্পষ্টতাই সকলোৰে মন স্পৰ্শ কৰিলে। বহুপৰ নিমাত হৈ থকা বিজয়ানন্দই ক'লে—"আমাৰ ছাত্ৰ কি নেতা কি কাৰো নিজৰ প্ৰিন্সিপে'ল আৰু মৰেলিটি এটা নাই। ইকনমিক্সৰ এটা দিশৰ পৰা ইয়াৰ ফৰমূলাটো সহজে উদ্ঘাটন কৰিব পাৰি যেনে, ধৰা—তোমাৰ হাতত যেতিয়া পইচা থাকে তোমাৰ কাপোৰ কানিবোৰ নিজে ধুই ধোবাক ধোৱাবা। তাৰ পাচত তুমি লাহে লাহে ইমান-খিনিলৈ উঠি যাবাগৈ যে গেঞ্জিটো, ব্ৰেচিয়াৰটো, আণ্ডাৰপেণ্টটো ধোবাক দিয়াৰ পাচত নিজৰ গাটোও যেন ধোৱাবই ধোৱাবা! আনহাতে পইচাৰ অভাৱত ফিল্টাৰ উইলচ টানিবলৈ এৰি চামিনাৰৰ পৰা ডিগ্ৰেট হৈ শুকান বিড়ি টানি পেলাবা—এইয়ে হ'ল আমাৰ স্বভাৱ।"

গুপা-গুপিকৈ জোমহৈ বহি থকা বাকী কেইজনৰ মুখতো বিজয়ানন্দৰ কথাৰ ৰসিকতাত হাঁহি বিৰিঙি উঠিল।

—"সেইবোৰ যি কি নহওক অসমীয়া মানুহৰ উত্তৰাধিকাৰী হিচাপে পাই অহা স্বভাৱ জাত প্ৰবৃত্তি যেনে—এই ধৰা এম, এল, এ, মন্ত্ৰী-তন্ত্ৰী এটা হোৱাৰ চখটো বৰ বেচি"—মামণিয়ে যোগ দিলে।

ইতিমধ্যে সিহঁতৰ প্ৰত্যেকৰে সন্মুখৰ টিপয়ত আবেলিৰ চাহৰ ব্যৱস্থা হ'ল। চুপ-চুপ কৈ চাহত চুমা দিয়াৰ পৰাই ইজনে সিজনলৈ পলক্‌নেত্ৰে চালে। অন্ততঃ এই চাহ মেলত প্ৰফেচাৰ প্ৰণৱ ফুকন আৰু মেডাম্ শাফেলীৰ উপস্থিত থকাতো একান্ত প্ৰয়োজন আছিল। তেওঁলোক এতিয়া ক'ত বাৰু? সিহঁতে এই

কথা অনুভৱ কৰিছিল যদিও মুখ খুলি নকলে। এহাল ইয়াং কাপ'লৰ দৰে ৰৰযুগত তিতি ভিতি অলপ সময়ৰ পিচতে ওলালহি প্ৰফেচাৰ ফুকন আৰু মেডাম্ শাফেলী। জিজ্ঞাসু দৃষ্টিৰে বাহিৰলৈ চাই সিহঁতৰ দলটো কেণ্টেলবাৰৰ মনৰ দৰে নিথৰ হৈ পৰিল। প্ৰতিযোৰ চকুতেই যেন এটা ঈৰ্ষাৰ ভাৱ। বিজয়ানন্দৰ হুচকুত হঠাৎ এটা বিমূৰ্ত্ত দৃশ্যই ভুমুকি মাৰি গ'ল। সি সন্তৰ্পণে চকুৰ দৃষ্টি ঘূৰাই আনি গীতালৈ চাই এটা দীঘল হুমনিয়াহ কাঢ়িলে। অৱশেষত কোঠাটোৰ নিৰ্জ্জনতা ভাঙি করুণাই কৈ উঠিল—"ঐ বিজয় এটা গল্প কবা; গল্প?" বিজয়ানন্দৰ গল্প কোৱাৰ এক নিজস্ব ভঙ্গী আছে বুলি কলেজীয়া দিনৰ পৰায় সিহঁতে জানে। সেয়ে আটায়ে একেমুখে কৈ উঠিল—"কোৱা; এই সময়ত তোমাৰ গল্প এটা শুনাৰ বৰ ইচ্ছুক হৈছো।" আগৰ দুদিনত এটা দীঘল গল্পকৈ বিষণ্ণ সময়ত যেনেদৰে আমোদ দি আহিছিল ঠিক আজিও সি অলপ আগতে তেনে এটা গল্পৰ কথাকে ভাবি মনটো দাৰ্জ্জিলিঙৰ পৰা কাজিৰঙালৈকে তৰঙ্গায়ীত কৰি পঠাইছিল। গতিকে সিহঁতে উংথাপন কৰা প্ৰশ্নটো দুই নকৰি এটা গল্প ক'বলৈ আৰম্ভ কৰিলে বিজয়ানন্দই।

"আজি তোমালোকক মই এটা সঁচা গল্প কৈ শুনাম। বিজন ল'বাৰ কলেজত সুনাম নাছিল, যিটো লৰাই কলেজৰ চাৰিটা বছৰত কাৰো প্ৰেমৰ সান্নিধ্যলৈ যাব নোৱাৰাৰ বাবে (ক্ষুত্তিতে) নিজৰ কপাঁল খনত চপৰিয়াই কৈছিল—"চাৰিটা বছৰ তেনেই চাহাৰা হৈ গলো, কলেজীয়া জীৱনৰ কোনো আমেজ নাপালো; সেই জন লৰাই আজি কেইমাহ মানৰ আগতে দেশ সেৱাত ৰত হৈ মৃত্যুক বৰণ কৰিলে। যাৰ কোনো এক্সট্ৰা কেৰিকোলাৰ প্ৰতিভাও নাছিল, নাজানিছিল গীত গাব, নাজানিছিল কোনো যুৱতী ছাত্ৰীৰ দৃষ্টি আঁকৰ্ষণ কৰিব অথবা চেক্ৰেটাৰীৰ বাবে নিৰ্ব্বাচনত নামি ক্যাংচনত, কেন্‌টিনত, কমনৰুমত, লেবৰেটৰীত জমাব নাজানিছিল, সেই জন লৰাৰ বিষয়ে মই এটা সচাঁ গল্প ক'ম। এনে ধৰণৰ লৰা বহুত কলেজত থাকে; যি জীৱনৰ শেষ চোৰাত দেশৰ হকে নিজৰ দেহ বিসৰ্জ্জন দিব পাৰে।"

যোৱা নিৰ্ব্বাচনৰ কথা। কলেজ এৰি এবছৰ ক'ত হাকিমৰ ওচৰত চেলুট মাৰি, ইন্‌টাৰভিউ দি চাকৰি এটা যোগাৰ কৰিব নোৱাৰি নিবহুৱা হৈ ঘৰতে আছিল যদিও অতি কম সময়ৰ ভিতৰতে সি তাৰ অঞ্চলটোৰ জন সাধাৰণৰ মাজত বৰ প্ৰিয়হৈ পৰিছিল। মধ্যবিত্ত ঘৰৰ চৌখিন লৰা হলেও মানুহৰ অন্তৰ বুজি সকলোৰে লগত মিলি যাব পৰা গুণটো তাৰ আছিল। ৰাইজৰ সন্তোষজনক কেইটামান কাম কৰি তেওঁ ৰাইজৰ পৰা মৰম আদায় কৰিব জানিছিল। এনে এজন কৰ্ম্মক্ষম নিষ্ঠাবান উদ্যোগী ডেকাৰ পৰা অঞ্চলৰ ৰাইজে ভৱিষ্যতে বহুখিনি আশা

কৰিছিল। আৰু ভাবিছিল এই জনেইহে ৰাইজৰ প্ৰকৃত প্ৰতিনিধিত্ব কৰিব পাৰিব। কিন্তু ৰাইজৰ সেৱা কৰিব নাপাওঁতেই যাৰ মৃত্যু হৈছিল তাৰ নাম আজিও শ্বহীদ অমৰেন্দ্ৰ নামে জনাজাত।

—"শ্বহীদ অমৰেন্দ্ৰ!" সকলোৱে উৎসুকতা আৰু উৎকণ্ঠাৰে কৈ উঠিল। ৰাজনীতি ভাল পাওঁ বুলি দৃঢ় মত দিয়া গীতা জনীও এইবাৰ গল্প শুনিবলৈ অধৈৰ্য্য হোৱা যেন দেখা গ'ল। এজন এজন কৈ চকু ফুৰাই নি গীতাৰ আপেল বৰণীয়া সুগোল মুখ খনত চকু থওঁতে তাইক কিছু ক্ষুণ্ণ হোৱা দেখিছিল বিজয়ানন্দই। হয়তো গল্প শুনাৰ অপেক্ষাত নতুবা কলেজৰ দিনৰ পৰাই বিজয়ক ভাল পাই অহাৰ বিনিময়ত গল্প কওঁতে তাৰ উদ্‌গীৰিত হৈ অহা বেদনাক সমবেদনা জনাবলৈ। মুখত চিনিকেল বিষাদৰ হাঁহি এটা মাৰি পুনৰ আৰম্ভ কৰিলে—

—"সাধাৰণ নিৰ্ব্বাচনৰ ঠিক তিনি মাহ মানৰ আগতে সি এজনী ছোৱালীৰ প্ৰেমত পৰিল। সি যে প্ৰেমত পৰিব মই ভাবিবই পৰা নাছিলো। কিন্তু প্ৰেমত পৰিল সি। সেই প্ৰেমৰ এনে এটা দিন আছিল যেন মৰমী মুখৰ ছবিয়ে আচ্ছন্ন কৰি ৰাখিছিল তাৰ সপোন আৰু দিঠকৰ বহুতো সবাক ক্ষণ। প্ৰতিদিন চাৰি চকু মিলনৰ নিৰ্ম্ম মুকুতাত সঘনে প্ৰকট হৈ উঠিছিল যেন—

Love rules the Court, the Camp, the Grove,
And men below, and saintes above
For love is heaven, and heaven is love.

আৰু এদিন। তাৰ মৰমীয়ে নিমন্ত্ৰণ কৰিলে ডিনাৰৰ বাবে। সেই দিনা সি অসীম আনন্দ বোধ কৰিছিল, এই কাৰণেই যে—তাইৰ মাক-দেউতাকে তাৰ প্ৰতি কৰা অমায়িক ব্যৱহাৰত সি বিচাৰি পাইছিল এক বিৰল মমতা। অমৰেন্দ্ৰক মৰমীৰ দেউতাকে কাষত বহুৱাই লৈ কৈছিল—"অমৰ, তোমাৰ কথা জানি মই বৰ সুখী হৈছো। তোমাৰ দৰে স্মাৰ্ট, সমাজ সেৱক তথা নিষ্ঠাবান নেতা জনগণে বিচাৰে। ঈশ্বৰে তোমাক সুমতি দিয়ক। অহা নিৰ্ব্বাচনত মই আমাৰ সমষ্টিৰ প্ৰতিনিধিত্ব কৰিম বুলি ভাবিছো। নিৰ্ব্বাচনত জয় হ'ব পাৰিলে মন্ত্ৰীৰ গাদী এখনো পোৱাৰ আশ্বাস পাইছো। তুমি যদি অলপ সহায় কৰি দিয়া তেন্তে মই চিৰকৃতজ্ঞ হম। মই জানো তোমাৰ বাক্য এই সমষ্টিৰ অধিকাংশ মানুহেই নুই নকৰে। তুমি আৰু মই দুয়ো মিলি আমাৰ অভাৱবোৰ পূৰণ কৰি লম আৰু ইয়াৰ দ্বাৰা তুমি ভবিষ্যতে তেওঁলোকৰ আৰু প্ৰিয়পাত্ৰ হ'ব পাৰিবা"। তেওঁৰ দীঘলীয়া বক্তৃতা শুনি অমৰেন্দ্ৰই কৰ্ত্তব্য হিচাপেই গ্ৰহণ কৰিলে।

আৰু এদিনৰ কথা। তাৰ মৰমীয়ে দেউতাকৰ অনুমতি লৈ কাজিৰঙাৰ অভয়া-

বণ্যৰ শোভা উপভোগ কৰাৰ অজুহাতত টুৰিষ্ট বাংলুৰ সু-সজ্জিত কোঠাত বিনা দ্বিধাৰে এৰাতি অতিবাহিত কৰি দিলে যেন তেওঁলোক সোনকালেই বিয়া হব খোজা এহাল য়াং ক'পলচ হে। সেইটোৰেই আছিল তাৰ বাবে নাৰী দেহৰ গোপণ গবাক্ষৰ আৱিস্কাৰ কৰা প্ৰথম অভিজ্ঞতা। তাৰ বহু দিনৰ পাচত অমৰেন্দ্ৰই মোক মাথো হতাশাৰে কৈছিল— "আহ! কি যে আছিল সেই নিশা……আৰু আজি কি হ'ল— I understand thy kisses and then mine, And that's a feeling disputation.

মই কিন্তু তাৰ কথা সম্পূৰ্ণ বিশ্বাস কৰিবলৈ টান পাইছিলো। কাৰণ প্ৰথমেই মই কৈ আহিছো যাৰ প্ৰাক্-পঁশিচ বছৰীয়া যৌৱনৰ অভিজ্ঞতাত কোনো প্ৰেমৰ ঐতিহাসিক পটভূমি নাই, সি কেনেকৈ ইমান দুৰ আগবাঢ়িল। মই ভাবো এই ক্ষেত্ৰত তাৰ প্ৰেমিকাই মূল উৎসাহ যোগাইছিল।

নিৰ্ব্বাচনৰ দিন ওচৰ চাপি আহিল। অমৰে দিনে ৰাতিয়ে নিজৰ কৰ্ত্তব্য আওকান কৰি কেন্‌ভাৰ্চত লাগিল। লগত আছিল তাৰ প্ৰেমিকাৰ দল। কিয়নো আজি কালি নিৰ্ব্বাচনবোৰত লৰাতকৈ ছোৱালীৰহে বেচি প্ৰয়োজন। মানুহক কম সময়ৰ ভিতৰতে আকৰ্ষণ কৰিব পৰা অস্ত্ৰপাত হ'ল ছোৱালী।

নিৰ্ব্বাচন হৈ গ'ল। ফলাফলো ঘোষণা হ'ল। মৰমীৰ দেউতাক জিকিল। মন্ত্ৰীৰ গাদী এখনো পালে। কিন্তু আগৰ প্ৰতিশ্ৰুতিৰ কথা পাহৰি যোৱাটোৱেই শেষ নহয়. অমৰেন্দ্ৰৰ পৰা গা এৰা দিও থাকিল। ৰাজধানী দিছপুৰলৈ নামিল। দিছপুৰৰ কোনোবা এখিনিত মন্ত্ৰীজনে ঘৰ দুৱাৰ সাজি নিগাজিকৈ থাকি ললে। অমৰেন্দ্ৰই ভাবিছিল তাৰ মৰমীজনীয়ে পাহৰি নাযাব। নাযাব নহয় পাহৰিব নোৱাৰিব। কিন্তু তাই সকলো কথাকে উপেক্ষা কৰি আতৰি গ'ল। সি বুজিব পৰা নাছিল সেইবোৰ দিঠক নে সপোন। প্ৰেম নে অভিনয়, যদি অভিনয় আছিল সি বহুত ভুল বুজিলে। মৰমীৰ প্ৰত্যাখানত তাৰ বুকু ভাঙি গ'ল।

জীৱনৰ চুটি কমিটমেণ্টৰ দাম। নিষ্প্ৰভ নকৰি আগন্তুক আন্দোলনত জপিয়াই পৰিল অমৰেন্দ্ৰ। শ্বহীদ অমৰেন্দ্ৰ!"

ইমানকে কৈ বিজয়ানন্দৰ বাক-পটুগতি মন্থৰ হ'ল।

তন্ময়তাৰে গল্প শুনি থকা বৰেন্দ্ৰই চিঞৰি উঠিল—"অমৰেন্দ্ৰক প্ৰতাৰণা কৰা সেই মন্ত্ৰীজন আৰু ছোৱালীজনী কোন! আমাৰ পৰা কিয় তেওঁলোকৰ নামবোৰ লুকায় ৰাখিছা? কোৱা, সিহঁত কোন?"

এটা তিৰ্য্যক চাৱনীৰে বিজয়ানন্দই আটাইকেইজনলৈ চাই ক'লে—"মই সিহঁতৰ নাম কব পাৰো, কলেই কিন্তু আৰু এটা গল্প হ'ব।"

শ্লগান দিয়াৰ দৰে সকলো কেইজনে চিঞৰি উঠিল—"কোৱা সেই দুৰ্বৃত্তৰ নাম।"

বিজয়ানন্দই আকৌ এবাৰ গীতাজনীলৈ চালে। কলেজীয়া জীৱনৰ আৰম্ভনিৰ পৰাই পাই অহা গীতা জনীলৈ বৰ মৰম লাগিল তাৰ। ইমান নিমজ! ইমান মসৃন তাৰ গীতা জনী! সি তাইৰ দুচকুত এটা অস্বস্থিৰ ভাব ক্ৰমশঃ বৃদ্ধ, প্ৰাঞ্জৰ দৰে হৈ যোৱা দেখিছিল।

দাৰ্জ্জিলিঙৰ সবুজ দৃশ্যত দৃষ্টি নিৱদ্ধ কৰি গভীৰ কণ্ঠেৰে ক'লে—"আমি যদি পৰিবৰ্ত্তন বিচাৰো তেন্তে অপ্ৰিয় সত্য হলেও প্ৰকাশ কৰিব লাগিব। তেন্তে শুনা, সেই-জন মন্ত্ৰী শ্ৰীৰঘুনন্দন চৌধুৰী আৰু তেওঁৰ জীয়েক·········।"

মন্ত্ৰী শ্ৰীৰঘুনন্দন চৌধুৰীৰ নামটো শুনি উৎকৰ্ণ হৈ থকা আটাই কেইজনে সচিকৎ হৈ উঠিল। মুহূৰ্ত্তৰ নিস্তব্ধতা ভাঙি বলেৰে হেচি ৰখা গীতা চৌধুৰীৰ উচুপনিটো স-শব্দে ওলায় আহিল। উচুপি উঠা গীতা জনীলৈ চাই আটাইয়ে নিস্তেজ হৈপৰিল— দাৰ্জ্জিলিঙত সিচঁৰিত হৈ থকা টুকুৰা টুকুৰ বৰফৰ দৰে।

বিজয়ানন্দৰ চকুত ভাহি উঠিছে—কাজিৰঙা······অমৰেন্দ্ৰ আৰু গীতা······দাৰ্জ্জিলিঙ······প্ৰফেচাৰ ফুকন আৰু মেডাম শাফেলী······গীতা আৰু সি!

* * * * * * * * * *

"বুদ্ধিমত্তা বহুত মানুহৰেই আছে—প্ৰতিভা কৰবাত কোনোবা এজনৰহে থাকে।"

(চমাৰ চেট মম্)

* * * * * * * * * *

প্ৰবন্ধ ]

# ৰাধিকা শান্তী আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ সাম্যবাদ

শ্ৰীগোপাল চন্দ্ৰ দাস
বি, এ, প্ৰথম বাৰ্ষিক

★

ভাৰতৰ নাৰী সভ্যতা অতি প্ৰাচীন। বৈদিক যুগতেই ভাৰতৰ নাৰীয়ে বিভিন্ন যাগ-যজ্ঞৰ মন্ত্ৰ আদি ৰচনা কৰি সাহিত্যিক প্ৰতিভাৰ পৰিচয় দিব পাৰিছিল। বৈদিক সংহিতাত কমলা, ঘোষা আদিয়ে ৰচনা কৰা মন্ত্ৰ আছে। বিদুষী দাৰ্শনিক তিৰোতাক তৰ্ক সভাত সভানেত্ৰীৰ পদো দিয়া হৈছিল। মৈত্ৰেয়ী আৰু গাৰ্গীৰ নাম এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। তেতিয়াৰ পৰাই ভাৰতীয় নাৰীয়ে বিজ্ঞান, দৰ্শন, কলা আদি বিভিন্ন দিশত নিজৰ নিজৰ প্ৰতিভাৰ পৰিচয় দিব পাৰিছে। ভাৰতভূমি সতীৰ দেশ। আধ্যাত্মিক উন্নতিৰ দিশত ভাৰত ভূমি বিশ্বৰ সকলো দেশৰ ভিতৰত শ্ৰেষ্ঠ। এই পবিত্ৰ ভূমি ভাৰততেই সীতা, সাবিত্ৰী, দময়ন্তী, জয়মতী, ৰাধিকাৰ জন্ম হৈছিল। লক্ষ্মীবাঈ, মূলা-গাভৰু, কনকলতা আদি মহতী নাৰীসকলৰ জন্মস্থান হৈছে এই পবিত্ৰভূমি ভাৰতবৰ্ষই। এইদৰে অতি

প্ৰাচীন কালৰে পৰা ভাৰতীয় নাৰী সভ্যতা হিমালয়ৰ প্ৰাব বেথাব দৰে প্ৰৱাহিত হ'ব লাগিছে।

যি সকল নাৰীয়ে এই পবিত্ৰ ভূমি অসমত জন্ম গ্ৰহণ কৰিছিল, সেই সকলৰ ভিতৰত সতী ৰাধিকা উল্লেখযোগ্য। সতী ৰাধিকাৰ জন্ম হয় মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মৰ সাত বছৰৰ পাচত। সেই সময়ত সমাজত ধৰ্ম্মৰ নামত মহা অত্যাচাৰ নৰহত্যা, ৰক্তা-ৰক্তিৰ তাণ্ডৱলীলা আৰম্ভ হৈছিল। ঢুথীয়া এটি নদীয়াল পৰিয়ালত ৰাধিকাৰ জন্ম হৈছিল। ৰাধিকাৰ দেউতাক আছিল ধ্বজা আতৈ আৰু মাকৰ নাম যোগমায়া। ৰাধিকাই জন্মৰ অলপ দিনৰ পিচতেই মাতৃৰ স্নেহৰ পৰা বিৰত থাকিব লগীয়া হৈছিল, চিৰদিনৰ বাবে। সময়ৰ লগে লগে ৰাধিকাই যৌৱনত ভৰি দিলেহি। ৰাধিকা আছিল সকলো নাৰীসুলভ গুণেৰে বিভূষিতা এগৰাকী নাৰী। দেহত আছিল সৌন্দৰ্য্য, কমনীয়তা। দেহৰ অঙ্গে অঙ্গে নাৰী সৌন্দৰ্য্য বিকশিত হৈ উঠিছিল। মানুহ গৰাকী আছিল চুটি-চাপৰ, মুখখন পদুম ফুলৰ দৰে। সমাজৰ নীতি-নিয়মৰ মাধ্যমেদি ৰাধিকাৰ শুভবিবাহ সম্পন্ন হৈছিল পূৰ্ণানন্দ নামৰ এজন যুৱকৰ লগত।

সংসাৰৰ লাহবিলাহে চুব নোৱাৰা পূৰ্ণানন্দও আছিল ৰাধিকাৰ উপযুক্ত পাত্ৰ। উপযুক্ত পাত্ৰ-পাত্ৰীৰ মধুৰ সংস্পৰ্শত তেওঁলোকৰ দাম্পত্য জীৱন সদায় মধুৰ আৰু আনন্দমুখৰ হৈ পৰিছিল। ঘৰত মাথোন দুটি প্ৰাণী। ৰাধিকা আৰু পূৰ্ণানন্দ। পূৰ্ণানন্দই নিতৌ মাছ ধৰিবলৈ যায়। মাছ ধৰা বা মৰা বৃত্তিয়েই আছিল পূৰ্ণানন্দৰ একমাত্ৰ জীৱিকা। ৰাতিপুৱা মাছলৈ যায়, ঘৰলৈ গধূলি ঘুৰি আহে। স্বামী-স্ত্ৰী দুয়োয়ে হৰি কীৰ্ত্তন কৰে। কেতিয়াবা কেতিয়াবা ৰাধিকাইয়ো পূৰ্ণানন্দৰ লগত মাছলৈ যায়।

অসমৰ বানপানী সমস্যা এক নতুন সমস্যা নহয়। মহাপুৰুষ শঙ্কৰদেৱৰ সময়তো অসমৰ কেতবোৰ অঞ্চলত বাইজে বানপানীৰ প্ৰবল প্ৰাহত পৰিব লগা হৈছিল। ১৩৯২ শকৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ সূৰ্য্যৱতী আইদেউৰ লগত শুভবিবাহ সম্পন্ন হোৱা কিছুদিনৰ পিচৰ কথা। বৰিষা বৰদোৱাৰ কাষৰ এটি জানেৰে ব্ৰহ্মপুত্ৰৰ পানী প্ৰবল বেগেৰে সোমাই কাষৰীয়া অঞ্চলৰ বাইজৰ অৱস্থা পানীত হাঁহ নচৰা কৰে। এই জানটোৰ নাম আছিল টেম্পৰাণী (টেম্বৰাণী ?) জান। টেম্পৰাণী জানৰ পানীয়ে ইয়াৰ কাষত থকা গাওঁবিলাকক জোলোকে জোলোকে পানী খুৱাইছিল। সেই সময়তেই খেতিয়কৰ শস্য বেয়াভাবে ধ্বংস হ'ল। অসংখ্য গৰু, ছাগলী, হাঁহ, কুকুৰা বানপানীৰ কবলত পৰি মৰিল। ৰাইজৰ অৰ্থনৈতিক ৰাজহাড় ডাল বেয়া ভাবে মুচকি পৰাৰ উপক্ৰম হ'ল। ৰাইজ ভয়ত পেঁপুৱা লাগিল। উপায় নাই। যদি তেওঁলোকে টেম্পৰাণী জানৰ পানী বন্ধ নকৰে বা জানটো বান্ধি পেলাব নোৱাৰে, তেন্তে তেওঁলোকৰ অন্য গতি নাই। সকলোৱে সমবেত হৈ শঙ্কৰ গুৰুৰ ওচৰলৈ সহায় পৰামৰ্শ বিচাৰি লৰি আহিল। গুৰুক তেওঁ-লোকে জনালে তেওঁলোকৰ দুখ-দুৰ্গতিৰ কথা আৰু কলে টেম্পৰাণী জানটো বন্ধা নেযায় তেন্তে তেওঁ-লোকৰ জীয়াই জীয়াই মৰণ। শঙ্কৰ গুৰুৱে জোকৰ মুখত চূন দিবলৈ সুবিধা পালে। লগে লগে সময় মতে স্বৰ্ণ-সুযোগ গ্ৰহণ কৰিলে।

ঠিক সেই সময়ৰ কথা। সমাজৰ 'আভিজাত্য নৈখনতো' প্ৰবল বানপানী। সমাজৰ উচ্চজাতি সকলে সৰু জাতি সকলক, যাক নেকি সামাজিক দুৰ্ব্বলতা, শিক্ষাৰ দুৰ্ব্বলতাৰ, সুযোগলৈ, তথা-কথিত আভিজাত্য সকলে নীচ বুলি কৈছিল;

এই উল্লেখিত সকজাতি সকলক "তেওঁলোকে" তৃণজ্ঞান কৰিছিল। কন্দলি, সৰস্বতী, কবিৰত্ন আদি সমাজৰ উপাধিধাৰী সকলে সাধাৰণ জ্ঞানৰ পোহৰ পাই সাধাৰণ শ্ৰেণীলোকক লেই-লেই চেই-চেই কৰিছিল। "আভিজাত্যৰ নৈথনৰ" পানী শুকুৱাই পেলাবলৈ শঙ্কৰ গুৰুৱে সুবৰ্ণ সুযোগ পালে। টেম্পৰাণী জান বন্ধাৰ লগে লগে এই, তথাকথিত আভিজাত্যৰ শিকলিডালৰ গাঠি সোলোকাই দলিয়াই পেলাবলৈ মনতে পৰিকল্পনা কৰিলে। গুৰুৱে ক'লে— "তোমালোকে সকলোৱে দা, কোৰ, খৰাহি, পাঁচি লৈ মাটি খান্দি জানত পেলোৱা"। গুৰুৰ আদেশ লৈ সকলো বাইজে দা, কোৰ লৈ মাটি খান্দি জানত পেলাবলৈ ধৰিলে। গোজ পুতাই গোজ পুতিলে, মাটি পেলোৱাই মাটি পেলালে, এইদৰে পুৰা উদ্যমেৰে কামত লাগি গ'ল। মনত সকলোৰে আশা জান বন্ধ হ'ব। তেওঁলোকৰ খেতি বাতি ভাল হ'ব। কিন্তু গঞা ৰাইজে কপালৰ ঘাম মাটিত পেলালেহে, ফল নধৰিল। ৰাইজৰ লগত ফেৰ পাতি টেম্পৰাণী জানে আৰু বিৰাট আকাৰ ধাৰণ কৰিলে। ৰাইজ হতবুদ্ধি হ'ল। একো উপায় নেদেখি পুনৰ গুৰুৰ ওচৰলৈ আহিল।

মহাপুৰুষ শঙ্কৰদেৱ অৱতাৰী পুৰুষ। যুগে যুগে ভগৱানে অৱতাৰ লয়। যেতিয়া সমাজত ধৰ্মৰ নামত বিপ্লৱ, অধৰ্মৰ প্ৰাদুৰ্ভাৱ বেচি হয়, জন সমাজত অস্পৃশ্যতাই বাহ লয় তেতিয়া দুষ্টক দমন বা ধ্বংস কৰি, সন্তক ৰক্ষা কৰিবলৈ মহাপুৰুষ সকলৰ আৰ্বিভাৱ হয়। গীতাত শ্ৰীকৃষ্ণ ভগৱানে নিজ মুখেৰেই কৈছে—

"যদা যদা হি ধৰ্মস্য গ্লানিভৱতি ভাৰত।
অভ্যুত্থানম ধৰ্মস্য তদাত্মানং সৃজাম্যহম্॥
পৰিত্ৰানায় সাধুনাং বিনাশায় চ দুস্কৃতাম।
ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে॥"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে এই পবিত্ৰ ভূমি অসমত জন্ম গ্ৰহণ কৰিছিল সত্য, ধৰ্ম প্ৰতিষ্ঠা কৰিবৰ বাবেই। শঙ্কৰগুৰু অৱতীৰ্ণ হৈছিল আভিজাত্যৰ কাৰেংঘৰ সাম্যবাদৰ লাখুটিডালেৰে ধ্বংস কৰিবলৈ। তেওঁৰ উদ্দেশ্য আছিল এক সাম্যবাদী সমাজ গঢ়িতোলা; যি খন সমাজত সকলোৰে সমান অধিকাৰ থাকিব। য'ত নেথাকিব ধনী, দুখীয়াৰ পাৰ্থক্য। সাম্যবাদী সমাজত অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আদি বিভিন্ন ক্ষেত্ৰত মানৱ মাত্ৰেই সমান অধিকাৰ থাকিব।

শঙ্কৰগুৰুৱে তেওঁলোকৰ নিবেদন শুনি ক'লে—"হে ভূঞাসকল, ব্ৰাহ্মণ সকল, কন্দলি, সৰস্বতী, হে পণ্ডিত সকল অৱস্থা অতি ভয়ানক। তোমালোকে এটা গুৰুত্ব কাৰ্য্যভাৰ গ্ৰহণ তথা বহন কৰিব লাগিব। মোৰ বিশ্বাস তোমালোকে এই কাৰ্য্য সমধা কৰিব পাৰিবা। তোমালোকে বল, বুদ্ধি-কৌশলেৰে টেম্পৰাণী জান বান্ধিব নোৱাৰিলা। এতিয়া এই কাৰ্য্য সাধনৰ বাবে এগৰাকী শান্তীৰ (সতীৰ) প্ৰয়োজন। তিনিডাল বাহৰ কাঠিৰে নিৰ্ম্মিত পলহেৰে ব্ৰহ্মপুত্ৰৰ পৰা পানী আনি এই জানত ঢালিব লাগিব। জানত পানী অৰ্পণ কৰিব পাৰিলেহে জান শান্ত হ'ব। ইয়াৰ বিনে অন্য একো গতি নাই। অত-এব তোমালোকে গৈ এগৰাকী শান্তীৰ (সতীৰ) অনুসন্ধান কৰাগৈ। কোনে জানে তোমালোকৰ তিৰোতাবিলাকৰ ভিতৰতেই এজনী শান্তী আবিস্কাৰ কৰিব পাৰা"। গুৰুৰ কথা শুনি সকলোৱে তললৈ মূৰ দোৱাই যাত্ৰা কৰিলে।

ব্ৰাহ্মণ, ভূঞা, পণ্ডিত আদিসকলে নিজ নিজ ঘৰলৈ গৈ গুৰুৰ কথা জনালে। প্ৰথমে যেতিয়া পলহৰ সলনি কলহেৰে পানী আনি জানত পেলোৱাৰ কথা কলে আটাইয়ে সাজি কাচি ওলাল; কিন্তু পাচত তিনিডাল কাঠিৰে তৈয়াৰী কলহ নহয় পলহেৰে পানী অনাৰ কথা কোৱাত আটাইয়ে মুচ্‌কচ্‌ গ'ল। কিছুমানে আকৌ—"কি জানি কেনেবাকৈ শান্তী (সতী) হওঁৱেই বা" এই বুলি ভাবি টেম্পৰাণী জানত পানী ঢালিম বুলি ঠিক কৰিলে। সতী শান্তী বিচাৰিবলৈ শঙ্কৰগুৰুৱে নিজৰ হৰি নামৰ আলধৰা জনকো পঠিয়াইছিল। কিন্তু সিয়ো বহুত ঘুৰি পকি প্ৰকৃত শান্তী সতী আবিস্কাৰ কৰিব নোৱাৰিলে।

সেই দিনাখন মানুহৰ জোম পৰুৱা থোপাৰ দৰে। অগণণ প্ৰজা, মতা-মাইকী, বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, বোৱাৰী, ল'ৰা-ছোৱালী সকলো ব্ৰহ্মপুত্ৰৰ বালিত গোট খাইছে। আজি শঙ্কৰ-গুৰুৰ আগত ব্ৰাহ্মণ, ভট্টাচাৰ্য্য, কায়স্থ আদি উচ্চ-জাতিৰ তিৰোতা সকলে কাঠিৰে নিৰ্ম্মিত পলহেৰে পানী আনি জানত ঢালিব। তেওঁলোক "শান্তী সতী" উপাধিৰে ভূষিত হ'ব। আজি শান্তী সতীৰ প্ৰতিযোগিতা চলিছে। এজনী এজনীকৈ ব্ৰহ্মপুত্ৰৰ পৰা পলহত পানী ভৰাই আনি জানত ঢালিবলৈ প্ৰয়াস কৰিলে। কিন্তু পানী আনেহে আনে, মাজ বাটতে সকলো নিজ স্থানলৈ গমণ কৰে। জানপোৱালৈকে পানী সৰকি শেষ হয়। তিৰোতা-সকলৰ কাণ্ড কাৰখানা দেখি ব্ৰাহ্মণ ভূঞাসকল নিলাজীৰ দৰে জ'ই পৰি যাবলৈ ধৰিলে।

সেই একে দিনাখনেই ৰাধিকাই গিৰিয়েক পূৰ্ণানন্দৰ লগত মাছ মাৰিবলৈ গৈছিল। নাৱত উঠি ৰাধিকাই বৰ ভাল পাইছিল। গিৰিয়েকৰ লগত আজি মাছ ধৰিবলৈ ব্ৰহ্মপুত্ৰইদি ভটিয়াই আহিছে। এনেতে হঠাতে পাৰত মানুহৰ জোম দেখি গিৰিয়েক পূৰ্ণানন্দক ৰাধিকাই সুধিলে— "সৌ মানুহ বিলাকে তাত কি কৰিছে, কিবা সবাহ পাতিছে নেকি? বলকচোন আমিও তালৈ যাওঁ।" পূৰ্ণা-নন্দ গৰ্জ্জি উঠিল—"তই তালৈ যাব নেলাগে"। পিচ মুহূৰ্ত্তত অলপ নম্ৰ হৈ ক'লে—"টেম্পৰাণী জানে ৰাইজলৈ অশেষ দুখ দুৰ্গতি আনিছে। সেয়েহে টেম্পৰাণী জানটো ৰাখিবলৈ শঙ্কৰ গুৰুৱে এগৰাকী শান্তী সতী বিচাৰিছে। এতিয়ালৈকে কোনো শান্তী ওলোৱাই নাই, সেই গতিকে নদীৰ পাৰত মানুহৰ জোম"। ৰাধিকাই পূৰ্ণানন্দক অনেক কাকুতি মিনতি কৰাত পাৰলৈ আহিল। এই সময়তেই, ৰাধিকা আৰু পূৰ্ণানন্দৰ আলোচনা বিলোচনাবোৰ "হৰি" নামৰ শঙ্কৰগুৰুৰ আলধৰা জনে শুনি আছিল। সি গুৰুক সকলো কথা জনালেহি। ইতিমধ্যে ৰাধিকা গুৰুদেৱৰ ওচৰলৈ আহিল আৰু সকলো কথাৰ বুজ ললে। ৰাধি-কাই সকলো কথা শুনাৰ পাচত শঙ্কৰগুৰু আৰু স্বামী পূৰ্ণানন্দক এটি সেৱা জনাই, পলহ লৈ পানী আনিবলৈ গ'ল। ৰাইজৰ চকু ৰাধিকাৰ ওপৰত, ৰাধিকাৰ পলহৰ ওপৰত।

ৰাধিকাই পলহত পানী আনি গুৰুদেৱ আৰু ৰাইজৰ আগত উপস্থিত হলহি। সকলো অবাক। পলহত পানী সম্পূৰ্ণ। ডিঙি পাবলৈ মথোন চাৰি-আঙুল বাকী। ৰাইজৰ মাজৰ পৰা জয়ধ্বনি আহিল। শঙ্কৰগুৰুৱে অতি বিনয়েৰে সুধিলে—"ৰাধিকা, পলহত মাথোন চাৰি আঙুল পানী আৰু লাগে, কোৱা আই, কি জানি তোমাৰ অন্তৰত

কিঞ্চিত মানো পাপ ভাব আছে"। ৰাধিকাই কিছুমান সময় নীৰৱ হৈ ক'লে—

"আমাৰ স্ব-স্বামী এন্তে ঘৰে নাহি কয়।
বহিনী জমাই আসি গৃহে মিলি লয়॥
ৰান্ধিলোহো ভাত, পাত কাটি দেওতা নাই।
তাকে কাটিবাক্ কাচি দিলোহো পেহলাই॥১৭১৯
কাচি দেওতে মোৰ মুখ জমাই দেখিল।
এহি পাপ গুটি বাপ আমাৰ সিজিল॥
(ঃ ৰামচৰণ ঠাকুৰ ঃ)

(দন্তবক্ৰৰা, ১ম সংস্কৰণ(

অন্তৰৰ সামান্য পাপ, যাক নেকি এটা সৰু দোষ বুলিও ক'ব নোৱাৰি, ৰাধিকাই মুক্ত কণ্ঠে গুৰুৰ আগত প্ৰকাশ কৰিলে। দ্বিতীয়বাৰ পুনৰ গুৰুক সেৱা জনাই পানী আনিবলৈ গ'ল। কিন্তু কি আচৰিত, পলহটোৰ মুখলৈকে পানী ভৰি অহাৰ ওপৰিও আৰু চাৰি আঙুল পলহৰ মুখৰ ওপৰত টিপ্ টিপাই আহিল। ৰাধিকাই পলহত পানী আনি গুৰুৰ আগত থলেহি। চাৰিওফালে "জয় সতী ৰাধিকাৰ জয়, ধন্য সতী ৰাধিকা" বুলি আকাশ বতাহ মুখৰিত হৈ পৰিল। আৰু ব্ৰাহ্মণ ভূঞা ভট্টাচাৰ্য্য, আদি অভিজাত্য বংশধৰৰ তিৰোতা-সকলে লাজত নেকান্দি থাকিব নোৱাৰি, গুকান গুকান মাতেৰে জয়—দিবলৈ ধৰিলে। ৰাধিকাই জানত পানী পেলোৱাৰ লগে লগে জান শান্ত হ'ল; আৰু "শান্তী সতী" আখ্যাৰে ৰাধিকা ধন্যা হ'ল।

ৰাধিকাই এই মহৎ কাৰ্য্য সমাধা কৰি ৰাজ্যৰ সকলোকে চমৎকৃত কৰিলে। তেওঁৰ এই পবিত্ৰ কাৰ্য্যত সন্তুষ্ট হৈ কান্তেশ্বৰ ৰজাই সাদৰে নিমন্ত্ৰিত কৰি বিশেষভাৱে পুৰস্কৃত কৰিছিল। বহুতে এই বুলি প্ৰশ্ন কৰিব পাৰে, "কি এইটো সত্য কথা জানো। তিনিডাল কাঠিৰে নিৰ্ম্মিত পলহেৰে পানী আনি জানত পেলাব পাৰে"? যদি সতী ৰাধিকাৰ এই সত্য দৃষ্টান্ত অৰ্থাৎ তেওঁৰ সতীত্ব মিছা হয়, তেন্তে সীতাৰ অগ্নি পৰীক্ষা, বেউলাৰ সতীত্ব, জয়মতীৰ সতীত্ব মিছা বুলি অভিহিত কৰিব লাগিব।

ৰাধিকা মাথো এগৰাকী শান্তী সতীয়েই নাছিল, তেওঁ আছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰিকা। তেওঁ অসমৰ কেতবোৰ অঞ্চলত ধৰ্ম্ম প্ৰচাৰ কৰি ফুৰিছিল। বিখ্যাত গায়ীকা হিচাপেও ৰাধিকাই এখন বিশেষ আসন পাইছিল। দক্ষিন ভাৰতৰ মীৰাবাঈয়ে (ৰাজপুতনাৰ) কৃষ্ণ প্ৰেমত মতলীয়া হৈ বৃন্দাবনৰ বন, উপবন গীতৰ ধ্বনিৰে মুখৰিত কৰাৰ দৰে, ৰাধিকাইয়ো অসমত ভক্তিৰসৰ সোঁত সুমধুৰ গীতেৰে প্ৰবাহিত কৰিছিল।

ৰাধিকা আজি নাই। তথাপিও এতিয়াও অসমৰ গাঁৱে ভূঞে ৰাধিকাৰ নাম মানুহৰ মুখত, ইয়াৰ প্ৰমাণ দিয়ে ৰাধিকাৰ বিষয়ে পোৱা লোক-গীত বিলাকে—

চাৰিটি কাঠিৰে
পলটি সাজাইলা
অ' স্বামী ৰাম।
ইষ্টদেৱ সুমৰি
স্বামীকো আৰাধি
অ' স্বামী ৰাম"—
(সতী ৰাধিকা গ্ৰন্থ)

সমাজৰ দ্বাৰা অবহেলিত এটি কৈৱৰ্ত্ত পৰিয়ালত জন্ম গ্ৰহণ কৰি নিজৰ আধ্যাত্মিক তথা অলৌকিক শক্তিৰ দ্বাৰা জগতক চমক লগাইছিল। জগতত

সতী সকলৰ, যেতিয়ালৈকে সতীত্ব পূজা কৰি থাকিব, সেই দিনালৈকে ৰাধিকাৰ সতীত্বও পূজ্য হৈ থাকিব। ৰাধিকা জীয়াই থাকিব অসমত এগৰাকী শান্তী সতী হিচাপে, এগৰাকী বিখ্যাত গায়িকা ও বৈষ্ণৱ ধৰ্ম্মৰ প্ৰচাৰিকা ৰূপে।

মহাপুৰুষ শঙ্কৰদেৱে ৰাধিকাক "সতী শান্তী" আখ্যাৰে বিভূষিত কৰিলে। শঙ্কৰদেৱেই পুন প্ৰথমে অসমত সাম্যবাদৰ ভেটি স্থাপন কৰিছিল। তেওঁৰ সাম্যবাদ আছিল এক সু-গণতান্ত্ৰিক ভেটিত প্ৰতিষ্ঠিত। তেৰাৰ মতে জাতি (বৰ্ণ) কাৰো পৈত্ৰিক সম্পত্তি নহয়। ভগৱানক ভক্তি কৰা প্ৰত্যেক মানুহৰেই জন্মগত স্বত্ব। ভগৱানক ভক্তি কৰিবলৈ কেৱল শ্ৰেষ্ঠ বৰ্ণই নহয় লাগে মাথোন অন্তৰৰ অকৃত্ৰিম ভক্তি। নিজৰ প্ৰতিভা বা গুণ থাকিলে যি জাতিয়েই নহওক, সকলোৱে গোসাঁই, মহন্ত আদি পদবী লোৱাৰ অধিকাৰ আছে। সেয়েহে শঙ্কৰগুৰুৱে নিজৰ প্ৰতিভা বা গুণ, লক্ষ কৰি জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে মহন্তৰ বাব দিছিল। সেই বিলাকৰ ভিতৰত

নগা— নৰোত্তম।
মিৰি— জয়হৰি, নাৰায়ণ।
জালোৱা কৈৱৰ্ত্ত— মালিয়া, পূৰ্ণানন্দ।
ভোট— দামোদৰ, কৃষ্ণৰাম।
মুছলমান— চান্দশাই, হৰিদাস।
নমঃ শূদ্ৰ— শ্ৰীৰাম আতা।
বনিয়া— হৰিদাস আতা।
যৱন— জয়হৰি।
গাৰো— গোবিন্দ আতৈ। ইত্যাদি

আজি আমাৰ মাজত শঙ্কৰগুৰু নাই। যদিও তেওঁ নাই, তেওঁ সাম্যবাদৰ যি মূলমন্ত্ৰ এৰি থৈ গ'ল, সেই সাম্যবাদৰ মূলমন্ত্ৰক কেন্দ্ৰ কৰি ভাৰত তথা বিশ্বৰ বিভিন্ন দেশৰ সংবিধান ৰচনা হৈছে। তেৰাই অতি কষ্টৰে অসমৰ পৰা অস্পৃশ্যতা, অত্যাচাৰ, অনাচাৰ দূৰ কৰি এখন সাম্যবাদী সমাজ গঢ়ি তুলিছিল। জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়ে ভাৰতৰ পৰা অস্পৃশ্যতা দূৰ কৰাৰ পূৰ্ব্বেই তেৰাই অসমৰ পৰা অস্পৃশ্যতা দূৰীকৰণৰ কাৰণে সংগ্ৰাম কৰিছিল। তেওঁৰ অবিহনে আজি জীয়াই আছে তেওঁৰ মহান আদৰ্শ সমূহ। তেওঁৰ সাম্য-বাদৰ নীতি কাৰ্য্যক্ৰমে অনুকৰণ কৰিলেহে অসম তথা ভাৰতত অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আদি বিভিন্ন দিশত "প্ৰকৃত অসম" বা "প্ৰকৃত ভাৰত" গঢ়ি উঠিব। ●

"স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মঙ্গল বিধানৰ সিংহদুৱাৰ হৈছে মাতৃভাষা"।
(যতীন দুৱৰা)

কবিতা ]

# চহৰত চাহাৰা নামে

বিপন মেধি
২য় বাৰ্ষিক কলা, স্নাতক

চাঁহাৰা চাহাৰা লগা চহৰৰ
আলিবাটৰ গলা আলকতৰা
জনতাৰ জোতা আৰু চেন্দেলত কামুৰি ধৰে যিদৰে
ডাষ্টবিনত কুকুৰে চটপ্‌ চটপ্‌কৈ কিবা চোবোৱা
দি চাবুকে চোহে
গাড়ী টনা ঘোঁৰাৰ ঘাঁ লগা মঙহ,
লুণীয়া ঘাম আৰু তেজৰ চেকুৰা।
জেলৰ চেলত খণ্ডাল কয়দীৰ দৰে
চাইকেল, ৰিক্সা আৰু মটৰৰ টায়াৰত
বন্ধ গৰম বতাহ ঘূৰে; দুই এটি ফুটে।
নিশা নোমাল নিগনি কেইটিমান
উৰহৰ তাঁহ যেন জৰীৰ খাটত ঠিক
কাষৰ 'চাহাৰা' হোটেলৰ তেলত
মাছৰ নিচিনা জপিয়ায় আৰু
কোনোবা গলিৰ বেশ্যাই কান্দি কান্দি দিয়া
শেষ উত্তাপকণ লই তৈপত ফুটপাথত
শুই পৰা কিছুমান মানুহৰ দৰেও।
এতিয়া নিশা দহ বাজি কুৰিমিনিট গৈছে।
মুটিয়া যেন ক'লা ৰেলৰ ইঞ্জিনটো
একুৰা জুই আৰু এবাহ আওঠা লই
চিঞৰি চিঞৰি পেচেঞ্জাৰ মাতে।
কিজানি কোনোবা ষ্টেশনত ইঞ্জিনটো
ফোঁপাই-জোপাই ভাগৰি পৰাৰ পিচত
পুৱাক লগ পায় ?
চহৰখন সঁচাই এখন চাহাৰা যেন লাগে।
এমুঠি বেদুইনে শীতল কোঠালী, কোকা-ক'লা আৰু
বিজুলী বিচনী নিবিচাৰে; লাগে এ-আঁজলি চেঁচা-
পানী, এমুঠি পকাঁ খেজুঁৰ আৰু
এবিচনা শীতল টোপনি থকা
মৰুদ্যান এখন।

# অপেক্ষা

তমিজা ৰহমান
১ম বাৰ্ষিক স্নাতক (বিজ্ঞান)

এতিয়া কিমান ৰাতি নাজানো—
মনৰ মাজত
জীৱনৰ পোৱা নোপোৱাৰ হিচাব লৈ,
নিদ্ৰাহীন দুচকুত বাস্তৱ
আঠা লাগি গ'ল।

পোৱাৰ ঘৰত
মাথো,
ডিগ্ৰীটোৰ হাঁহাকাৰ।

এটা সংস্থানৰ অন্বেষণত
অফিচৰ দুৱাৰে দুৱাৰে
চাকৰিদাতাৰ ওচৰত
হাঁহিবোৰটো
কেতিয়াবাই
বন্ধক হ'ল।

অৰ্থৰ তুলাচনীত
সংস্থানৰ স্থান;
'ইন্টাৰভিউ'—
এটা আৱৰণ পোছাকৰ;
ভিতৰত চাকৰিৰ নীলাম বজাৰ।

সেই চাকৰিৰ বাবে প্ৰয়োজনীয়
যোগ্যতাৰ সীমাবদ্ধ
অৰ্থৰ মাজত।

কিনাৰ
আৰ্থিক যোগ্যতা নাই।

কিনিবলৈ,
নৈতিক মনটোৰ
মৃত্যু হোৱা নাই!
তাৰ পিচত
ৰাতৰ বিষত
ৰুগ্না মাতৃৰ
সু-চিকিৎসা নাই।

বিবাহোপযোগ্যা ভগ্নীৰ শিৰত
এতিয়াও
সেন্দুৰৰ হাঁহি নাই।

সন্মুখত মাথো 'নাই'ৰ এক বিশ্ৰী কোৰাচ্।
আছে মাথো,
বুকুৰ মাজত,
প্ৰতিটো নিশ্বাসত সোমাই অহা
ৰুগ্না মাতৃৰ
আশাহতা ভগ্নীৰ,
হুমুনিয়াহ সেমেকা
কোঠাৰ বতাহ;
আৰু হুচকুত
উলংগ বাস্তৱৰ অহা-যোৱা।

*    *    *    *

বাহিৰৰ ক'ৰবাত ফেঁচাৰ কুৰুলি,
নিশা হয়তো পুৱাবৰ হ'ল।
এটা নতুন পুৱাৰ
জন্ম বেদনাৰে (?)
ৰাতুল হৈছে
পূৱাকাশ।
এটা নতুন পুৱাৰ জন্ম হ'ব!
এজাক নতুন বতাহ, নতুন পোহৰ
কোঠালৈ আহিব !!
সেই আশাৰেই পাৰ হৈ গৈছে
সহস্ৰ বিনিদ্ৰ ৰজনী
আন্ধাৰত খেপিয়াই খেপিয়াই
ন-প্ৰভাতৰ, ন-আলোকৰ বাবে
আকুল অপেক্ষাৰে
বৈ আছো মই,
আমি,
আৰু বহুতো।
এই অপেক্ষাৰ শেষ ক'ত—
নাজানো ॥

):×:(

"আকাশত অকস্মাতে ধুমকেতুৰ আবির্ভাব হোৱাবদৰে প্ৰতিভাৰ উন্মেষ কেতিয়াও নহয়। প্ৰতিভাৰ উন্মেষৰ অন্তৰালত আছে যুগৰ প্ৰবাহিত প্ৰচেষ্টা, আদৰ্শ আৰু লক্ষ"

(হেম বৰুৱা)

# এটা প্ৰেমৰ কবিতা

হিতেশ বিকাশ গগৈ
২য় বাৰ্ষিক, কলা
( স্নাতক )

'Oh, fie, Miss, you must not kiss and tell.'
Congreve.

জোন আৰু জোনাকৰ আবেশ মদিৰ নিশা
স্মৃতিৰ গীতালি আৰু ফুল আৰু সুৰভিৰ মিতালিত
শুচিব্ৰতা, তুমি জানো স্ফীতা হবা
আদিতম্ প্ৰেমৰ নিভৃত গৌৰবেৰে ?
সেইকথা তুমি জানা-কিহেৰে জুখিবা তুমি
নিশিগন্ধা হিয়া হাচনাহানাৰ ত'লসৰা ঢুটি এটি পাহি,
সেইকথা তুমি বুজা··· কোন আকাশৰ সীমনাত
আঁকা আছে আল্পনা-কাৰ প্ৰতিশ্ৰুতিৰ বনকৰা এটি ঢুটি হাঁহি
মই মাথো জানো ( এদিন তুমিয়ে কোৱা কথা—)
তুমি হবা বিতস্তা বা তিস্তা, মন অববাহিকাত তোমাৰ
মই যদি হৈ যাওঁ হৰপ্পাৰ প্ৰাচীন পেগোদা ;
তুমি হবা চাট-এল-আৰমৰ অহমিকা
মই যদি লিখি দিওঁ মাথোন তোমাৰ বাবে
স্ফীংক্স বা ইউফ্ৰেটিছৰ জোনাক পিপলা নিশাৰ
এটি মধুৰ কৱিতা।

জীৱন গীতি-মঞ্জৰিৰ বহুত বিশেষ নিশাৰ সোণালী সাকোঁৰেদি
বহুদূৰ আগুৱাম আমি,
আমাৰ আকাশ বিস্তীৰ্ণ; মন বননিত মোৰ তুমি হবা
ফাগুনৰ পিয়লাত স্বপ্ন স্বপ্ন কিবা এক মায়াৰ মদিৰা
মই হম খিৰিকীৰ নীলাভ বেচমৰ পৰ্দাৰ সিপাৰে
তোমাৰ টোপনি নধৰা অনেক ছুভাগ ৰাতি
আকাশৰ মোহনাত জগৰীয়া তৰা।
শুচিব্ৰতা, কিদৰে আঁকিছা তুমি
জীৱন হাইটি দ্বীপৰ বাটে বাটে
আমি দিয়া সামুকীয়া খোজে খোজে সৰি পৰা প্ৰণয় স্কেছবোৰ
তোমাৰ মনৰ ইজেলত ?

ফাগুনৰ ফুলৰ চাদৰ আৰু বহাগৰ কোমল আদৰেৰে
মন বীথিকাৰ সুৰভিৰ আঁৰে আঁৰে
খেলি খেলি লুকা-ভাকু
যদি মই তোমাক জনাওঁ স্বাগতম্
আকুলতাৰ শেষসীমা চুমি—শুচিব্ৰতা
সেইদিনা তুমি জানো চপাবা নাওঁ
মোৰ হৃদয় উপকূলত ?

ৰাতিৰ মেঘৰ বলিয়ালি আৰু মোৰ আমনিৰ বৰ্ণালি
লগ লাগি তোমালৈ আনে যদি জোন যেন অনুৰাগ,
মোৰ বুকুত গুজি, তোমাৰ সুলুকা খোপাৰ ঠুনুকা চুলি
কাণে কাণে কবা
তোমাৰ মনৰ শিৰিখ বনৰ গুলঞ্চী জোপাই
বসন্তক লগ পাই ভাগৰাৰ কথা !

আদিতম্ প্ৰেমৰ সহজতা, নিশা ফুলা প্ৰীতিগন্ধা
ফুলৰ মাদকতাত
মোৰেই বুকুত তুমি ঢালি দিবা,
তোমাৰ বুকুৰ অবুজ নিবিড় খেলি মেলি এপৃথিবী কথা।
সেইদিনা, শুচিব্ৰতা, প্ৰণয়ৰ নদীখন হোৱাংহো হলেও
নিদিবানে বালিভেটা, চিৰন্তন প্ৰতীতি কিম্বা
কলাপী মনৰ গুপুত তৃষ্ণাৰে ?

মই জানো কোনো অভিমান সেইদিনা নকৰিবা তুমি
ভঙা সাথৰৰ মৃদুল সহজতাৰে ব্যৱধানৰ অত্যুচ্চ
প্ৰাচীৰ অতিক্ৰমি,
তুমি ভাগৰি পৰিবা। ভাগৰি ভাগৰি তুমি হাঁহিৰ
গাগৰি ভৰাই
থুপি তৰা ধুৰঁলি হোৱা মোৰ চকুলৈ চাবা,
মই কথা কম সংগোপনে
হাজাৰ হৈমন্তী নিশাৰ পাচৰ বিশেষ নিশাৰ কম বোলা কথা
তন্দ্ৰা তন্দ্ৰা তৃপ্তিৰ মদিৰ উন্মাদনাৰে। *

প্ৰবন্ধ ]

# নতুন শিক্ষাপদ্ধতি

শ্ৰীমোহন সোনোৱাল
২য় বাৰ্ষিক, স্নাতক ( কলা )

প্ৰবৰ্ত্তমান জগতত এখন যুগজয়ী আৰু কালজয়ী সমাজ গঢ়ি তোলাৰ প্ৰচেষ্টাৰে অসমৰ বৌদ্ধিক আকাশত যি মুহু মুহু পৰিবৰ্ত্তনৰ ধুমুহা আহিছে সেই ধুমুহাই অসমৰ জনসাধাৰণৰ মাজত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এটা কথা সুনিশ্চিত যে সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন হলে দেশৰ শিক্ষা ব্যৱস্থাৰ পৰিবৰ্ত্তন হোৱাটোও স্বাভাৱিক। অথচ দেশৰ জনসাধাৰণে শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তনৰ প্ৰয়োজন বুলি বহুতো দিনৰ পৰাই চিঞৰি আহিছে। এই উদ্দেশ্যক সাৰোগত কৰি বহুতো চিঞৰ বাথৰৰ অন্তত এইবছৰ ১৯৭৩ চনৰ পৰা অসমত শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন সাধি চৰকাৰে নতুন পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰিছে। কিন্তু উপযুক্ত পৰিকল্পনাৰ অভাৱ তথা অতি কম সময়ৰ ভিতৰতে শিক্ষা পৰিষদে দেশত যি নীতি প্ৰৱৰ্ত্তন কৰিছে সেই নীতিয়ে ছাত্ৰ, শিক্ষক, অভিভাৱক তথা সকলো লোকক চিন্তিত কৰি তুলিছে। আচলতে শিক্ষাৰ উদ্দেশ্য হৈছে শিক্ষাৰ্থীৰ প্ৰতিভা বিকাশ কৰা। ছাত্ৰৰ নৈতিক, বৌদ্ধিক আৰু শাৰীৰিক গুণৰাশিক যথাযথভাৱে বিকাশ কৰি সমাজৰ, দেশৰ তথা পৃথিৱীৰ যোগ্য নাগৰিক কৰি গঢ়ি তোলাই সুস্থ শিক্ষাব্যৱস্থাৰ ঘাই লক্ষ্য। কিন্তু অসম চৰকাৰে তথা শিক্ষা পৰিষদে ইমান সোন-কালে অসমৰ শিক্ষানীতিক পৰিবৰ্ত্তন কৰি দেশত যি সঙ্কটাপূৰ্ণ অৱস্থা আৰু হুলস্থূলৰ পৰিবেশ সৃষ্টি কৰিছে তাৰ পৰিণাম স্বৰূপে শিক্ষাৰ নামত এক অৰাজকতাৰ সৃষ্টি হৈছে আৰু চৰকাৰৰ অদূৰদৰ্শী মনোভাৱ জনসাধাৰণৰ মাজত বাৰুকৈয়ে ধৰা পৰিছে।

এতিয়া প্ৰশ্ন হয়, চৰকাৰে উপযুক্ত প্ৰস্তুতি নকৰাকৈ আৰু উচিত পৰিকল্পনা ৰচনা নকৰাকৈ অসমত নতুন পাঠ্যক্ৰমৰ প্ৰৱৰ্ত্তন কৰিলে কিয়? যাৰ দ্বাৰা আজি শিক্ষাৰ দৰে এটি পবিত্ৰ অনুষ্ঠান কলঙ্কিত হৈ পৰিছে আৰু ছাত্ৰ-শিক্ষক তথা অভি-ভাৱকে পদে পদে সঙ্কটৰ সন্মুখীন হ'বলগীয়া হৈছে। আনহাতে কোঠাৰী আয়োগৰ পৰামৰ্শাৱলী কোনো গুণে বেয়া নহয়। কিন্তু চৰকাৰে কোনো নভবা নিচিন্তাকৈ কাম হাতত লোৱাৰ কাৰণে কোঠাৰী

আয়োগৰ উপযুক্ত পৰামৰ্শাৱলীৰ ওপৰতো কুঠাৰঘাত কৰিছে। আচলতে আমাৰ চৰকাৰবোৰ বিবেচনাহীন। স্বাধীনতাৰ আগৰে পৰা আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত যি বিলাক খুঁত হৈ গ'ল সেইবিলাক আজিও আমাৰ মাজত প্ৰচলিত হৈ আছে। Lord Bentinck ৰ শাসন কালত Lord Macaulay ই যিখন আচনি লিখিছিল সেই আচনিৰ চাপ আমাৰ মাজত আজিও থাকি গ'ল। ইয়াৰ পিচত দেশ স্বাধীন হ'ল। স্বাধীনতাৰ পাচত Dr. S. Radhakrishnan ৰ সভাপতিত্বত বিশ্ববিদ্যালয়ৰ শিক্ষা বিকাশ সম্পৰ্কে পৰামৰ্শ দিবলৈ এটা আয়োগ গঠন হ'ল। কিন্তু এই আয়োগে শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত কোনো সফলতাৰ পৰিচয় দিব নোৱাৰিলে। ফলত ১৯৫২ চনত ভাৰতৰ মাধ্যমিক শিক্ষাৰ উন্নতি আৰু সম্প্ৰসাৰণৰ কাৰণে Dr. L: Murdalia ৰ সভাপতিত্বত এখন আয়োগ নিযুক্ত হ'ল। এই আয়োগৰ প্ৰধান উদ্দেশ্য আছিল প্ৰত্যেক ব্যক্তিৰ সৰ্ব্বাঙ্গীন উন্নতি কৰা, সুচৰিত্ৰবান নাগৰিক, শিক্ষা কাৰিকৰী বিদ্যাৰ উৎকৰ্ষতা আৰু নিভাজ দেশাত্মবোধ গঢ়ি তোলা। এই শিক্ষা আয়োগৰ পৰামৰ্শাৱলীৰ ওপৰত নিৰ্ভৰ কৰি ভাৰতৰ শিক্ষা ব্যৱস্থা চলিছিল। কিন্তু এইখন আচনিৰ পৰীক্ষা মূলক পৰ্য্যায় পাৰ নহ'ল। ইয়াৰ পাচত ১৯৬৪ চনত ভাৰত চৰকাৰে Dr. D. S. Kuthari ৰ সভাপতিত্বত এখন শিক্ষা আয়োগ গঠন কৰে। এই শিক্ষা আচনিখনত ভাৰতৰ আৰু বিদেশৰো বহুতো শিক্ষাবিদ সদস্য আছিল। এই আচনি গঠন হৈছিল প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ শিক্ষালৈ শিক্ষাৰ সকলো স্তৰৰ বিকাশ সম্পৰ্কে পৰামৰ্শ দিবলৈ। পুনৰ এক দাৰ্শনিক দৃষ্টিভঙ্গীৰে এই শিক্ষা আচনিখনৰ বিষয়ে বিৰূপ মন্তব্য দিয়াৰ কাৰো দ্বিমত নাই, কাৰণ ভাৰত আৰু বিদেশৰ শিক্ষাবিদ সকলে বহুতো অধ্যয়ন কৰি এই শিক্ষানীতি ৰচনা কৰিছে। কিন্তু কথা হ'ল কোঠাৰী আয়োগৰ এই মহৎ আচনিখনৰ পৰামৰ্শাৱলীক যদি ভাৰতত কৃতকাৰ্য্যতা কৰিব পৰা হয় তেতিয়া নিশ্চয়শিক্ষাৰ ক্ষেত্ৰত ভাৰতে অতীত ভাৰতৰ সন্মান ঘূৰাই আনিব পাৰিব।

বৰ্ত্তমান আমাৰ দেশত বহুতো খেলি-মেলি মনোভাৱৰ পৰা শিক্ষাৰ মানদণ্ড নিম্নস্তৰ হৈ পৰিছে। ইয়াৰ আচল কাৰণ হয়তো আমাৰ দেশৰ চৰকাৰৰ নেতৃত্বৰ শিথিলতা আৰু শিক্ষাৰ অনুষ্ঠানটোক অৰাজকতাত জাহ যাবলৈ দিয়া। বৰ্ত্তমান আমাৰ দেশৰ শিক্ষাৰ মানদণ্ড বুলি কলে পশ্চিমীয়া দেশবোৰৰ শিক্ষা ব্যৱস্থালৈ মনত পৰে। সেইবিলাক দেশৰ শিক্ষাৰ মানদণ্ড ইমান উচ্চ যে আমাৰ দেশৰ শিক্ষাৰ কোনো তুলনাই নহয়। আনকি অতীত ভাৰতৰ শিক্ষা ব্যৱস্থাৰ লগত বৰ্ত্তমান শিক্ষা-ব্যৱস্থা তুলনা কৰিলে বৰ্ত্তমান শিক্ষা যে কিমান নিম্নস্তৰলৈ নামি গৈছে ভাবিলে মূৰ আচন্ৰাই কৰে। কাৰণ আজিৰ শিক্ষা ব্যৱস্থাৰ দ্বাৰা ছাত্ৰসকল কোনোকালে আত্মনিৰ্ভৰশীল হ'ব পৰা নাই। জ্ঞানৰ সকলো সম্ভেদ নোপোৱাকৈ বিশ্ববিদ্যালয়ৰ ডিগ্ৰীও লোৱা দেখা যায়। কিন্তু অতীততে ভাৰতত সম্পূৰ্ণ জ্ঞান আয়ত্ব নকৰাকৈ শিক্ষিত হ'ব নোৱাৰিছিল। আনহাতেদি তেতিয়াৰ পৰীক্ষাবোৰো যধে মধে নহৈছিল। তক্ষশিলা বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ প্ৰশ্নৰ এটা সাধাৰণ নমুনা দিয়া হ'ল—"চিকিৎসা বিষয়ৰ এজন পৰীক্ষাৰ্থীক শেষ পৰীক্ষাৰ প্ৰশ্ন এটাৰ কাৰণে এবছৰ সময় দিয়া হৈছিল। তেওঁক সেই সময়খিনিৰ ভিতৰতে তেওঁৰ গবেষণাৰ কেন্দ্ৰটোক কেন্দ্ৰকৰি এমাইল ব্যাসাৰ্দ্ধৰ ভিতৰত থকা সকলো উদ্ভিদৰ নাম, অংশৰ নাম, পাতৰ নাম, ছাল, শিপা

আনছি তাৰপৰা কি কি তৈয়াৰ কৰিব পাৰি আৰু তাৰ উপকাৰ-অপকাৰ আদি সকলো কথা লিখি নিয়াৰিকৈ এখন বচনাৰ আহিৰে তালিকা লিখি দিব লাগিছিল"। তেনেহলে তেতিয়াৰ শিক্ষা ব্যৱস্থা কেনে নিখুঁত আছিল। কথাটো ভাবিলে আচৰিত লাগে। তাৰ ছাত্ৰ সকলো যে কিমান মেধাবী আছিল তাৰ প্ৰমাণ ইয়াৰ পৰাই পোৱা যায়। ফলত এনে নিখুঁত শিক্ষা ব্যৱস্থাৰ দ্বাৰা জগতবাসী সহজতে আকৃষ্ট হৈছিল আৰু ভাৰতৰ শিক্ষাক সকলোৱে সমাদৰো কৰিছিল।

এইবছৰৰ পৰাই বৰ্ত্তমান অসমত যি নতুন পাঠ্যক্ৰম প্ৰৱৰ্ত্তিত হৈছে সেই শিক্ষা ব্যৱস্থা সু-পৰিচালনাৰ অভাৱ তথা চৰকাৰৰ অদূৰদৰ্শীতাৰ মনোভাৱৰ কাৰণে শিক্ষা ব্যৱস্থাত এক অমাৰ্জ্জনীয় বিশৃঙ্খলা আৰু গভীৰ সংকটৰ সৃষ্টি হৈছে। কিন্তু কোঠাৰী শিক্ষা আয়োগে কেতিয়াও কোৱা নাছিল যে উপযুক্ত প্ৰস্তুতি নোহোৱাকৈ বা আগপিচ নভ-ৱাকৈ এবছৰ বা দুবছৰতে এই নতুন শিক্ষানীতি প্ৰৱৰ্ত্তন কৰিবই লাগিব। ইয়াৰ কাৰণে লাগে যিমানে বিশৃঙ্খলতাৰ সৃষ্টি হয় হওঁক অথবা হাজাৰ বিজাৰ ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ সৰ্ব্বনাশ হওঁক। কিন্তু অসমে কিয় উপযুক্ত প্ৰস্তুতি নোহোৱাকৈ অসমত কোঠাৰী আয়োগৰ পৰামৰ্শাৱলীক ভিৰ্ত্তি কৰি নতুন পাঠ্য-ক্ৰম প্ৰৱৰ্ত্তন কৰিলে সেইটোৱে এতিয়া প্ৰশ্নৰ বিষয় হৈ পৰিছে। অসম আৰু মহীশূৰৰ বাহিৰে এই নতুন শিক্ষানীতিক গ্ৰহণ কৰিবলৈ কোনো ৰাজ্যই ব্যস্ততা দেখুৱা নাই। অৱশ্যে মহীশূৰে যদিও এই শিক্ষানীতি প্ৰৱৰ্ত্তন কৰিছে আৰু ইয়াৰ কাৰ্য্য-কাৰিতাৰ কাৰণে প্ৰাক্ প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষা-দানৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা কৰি লৈছে, ফলত মহীশূৰে অসমৰ দৰে দায়িত্বজ্ঞানহীনতাৰ পৰিচয় দিয়া নাই।

এতিয়া অসমত নতুন পাঠ্যক্ৰম প্ৰৱৰ্ত্তনৰ মূলতে হ'ল কোঠাৰী আয়োগৰ পৰামৰ্শাৱলীক কাৰ্য্যকাৰিতা কৰা। আয়োগৰ পৰামৰ্শাৱলী কেৱল যে বৰ্ত্তমান যুগোপযোগীয়ে এনে নহয় সেইবোৰ বাস্তৱত ৰূপ দিয়া পৰামৰ্শও। কাৰণ প্ৰাথমিক, মাধ্যমিক, বিশ্ববিদ্যালয়ৰ শিক্ষাৰ সকলো সমস্যাই কোঠাৰী শিক্ষা আয়োগে পুঙ্খানুপুঙ্খভাৱে অনুধাৱন কৰিছে আৰু সমস্যাবোৰৰ সমাধানৰ পথ দেখুৱাইছে। কিন্তু কথা হ'ল উপযুক্ত প্ৰস্তুতি যোগাৰ কৰি ভাৰতৰ ৰাজ্যবোৰে এই আয়োগৰ পৰামৰ্শাৱলীক কাৰ্য্যত ৰূপ দি শিক্ষাৰ ক্ষেত্ৰত এক নতুন সজা-গতাৰ সৃষ্টি কৰা। অসমত বাৰবছৰীয়া যি নতুন পাঠ্যক্ৰম প্ৰৱৰ্ত্তন হৈছে সেই ক্ষেত্ৰত কোঠাৰী আয়োগ অনুসৰি বিভিন্ন পৰ্য্যায়ৰ শিক্ষাৰ স্তৰ এনেদৰে ভাগ কৰিছে—প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ নিম্ন প্ৰাথমিক, পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ উচ্চপ্ৰাথমিক, অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ নিম্ন মাধ্যমিক আৰু একাদশৰ পৰা দ্বাদশ শ্ৰেণীলৈ উচ্চ মাধ্যমিক। কোঠাৰী শিক্ষা আয়োগ অনুসৰি নিম্ন প্ৰাথমিক স্তৰত ৬ বছৰ বয়সত শিশুৱে ১ম শ্ৰেণীত ভৰ্ত্তি হ'ব লাগে আৰু এই স্তৰত ছাত্ৰছাত্ৰী সকলে চতুৰ্থ শ্ৰেণীলৈকে শিক্ষা লাভ কৰিব লাগে। এই স্তৰত লৰাছোৱালীয়ে অঙ্ক, স্বাস্থ্য শিক্ষা, পাৰিপাৰ্শ্বিকতাৰ অধ্যয়ন, কামৰ অভিজ্ঞতা, গঠনমূলক ক্ৰিয়া আৰু সমাজ সেৱাৰ শিক্ষা শিকিব লাগে। ছাত্ৰছাত্ৰীয়ে যাতে উচ্চ প্ৰাথমিক স্তৰত ইংৰাজী শিক্ষা আয়ত্ব কৰাৰ অধিক সুবিধা হয় তাৰ কাৰণে ৪ৰ্থ শ্ৰেণীতে কম পৰিমাণে ইংৰাজী শিক্ষাও শিকি যাব লাগে।

ছাত্ৰৰ বৌদ্ধিক বিকাশৰ কাৰণে কোঠাৰী শিক্ষা আয়োগে নৈতিক আৰু আধ্যাত্মিক শিক্ষা উচ্চ প্ৰাথমিক স্তৰত দিবলৈ পৰামৰ্শ আগ বঢ়াইছে। এই স্তৰত ইংৰাজী আৰু হিন্দী পঢ়াৰ লগতে পঞ্চম মানত অসমীয়াৰ লগতে সংস্কৃতৰো অধ্যয়ন বাধ্যতামূলক কৰা হৈছে। কিন্তু শিক্ষা আয়োগৰ অনুমোদনাৱলীৰ মতে পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীৰ ছাত্ৰছাত্ৰীয়ে দুটা বিষয়হে শিকিব লাগে। আনহাতেদি নিম্ন মাধ্যমিক স্তৰৰ (অষ্টম মানৰ পৰা দশম মানলৈ) পাঠ্যক্ৰমৰ নমুনা শিক্ষা আয়োগৰ মতে তিনিটা ভাষা- বিজ্ঞান, গণিত, বুৰঞ্জী, ভূগোল, সমাজ বিদ্যা, কৰ্ম্ম অভিজ্ঞতা আৰু সমাজ সেৱা, শিল্পবিদ্যা (Art), নৈতিক শিক্ষা আৰু শাৰীৰিক শিক্ষা হ'ব লাগে। ইয়াৰ পাচৰ একাদশ আৰু দ্বাদশ শ্ৰেণী উচ্চ মাধ্যমিক স্তৰ। অৱশ্যে বৰ্ত্তমান গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে এই দুটা শ্ৰেণীকে দুবছৰীয়া প্ৰাকবিশ্ববিদ্যালয় শ্ৰেণী কৰি যোৱা ১৯৭২ চনৰ পৰাই চলাইছে। কিন্তু কোঠাৰী আয়োগ মতে এই দুটা শ্ৰেণী উচ্চ মাধ্যমিক স্তৰহে। অসমৰ বহুতো শিক্ষাবিদে এই বিষয়ে কাকতে পত্ৰে বহুতো প্ৰবন্ধপাতি লিখিছে যে— পঞ্চম পৰিকল্পনা শেষ হোৱাৰ আগতে বিশ্ববিদ্যালয়ৰ তলত থকা প্ৰাকবিশ্ববিদ্যালয় শ্ৰেণীটো স্কুললৈ স্থানান্তৰ কৰিব লাগে। কাৰণ বিশ্ববিদ্যালয়ৰ তলৰ প্ৰাকবিশ্ববিদ্যালয় শ্ৰেণীটো স্থানান্তৰ কৰাৰ বিষয়ে আয়োগে কৈছে—

(We therefore, Strongly recommend that the Pre-University course irrespective of its duration should first be transferred to the School on a high Priority basis—this transfer be completed by the end of the fifth five year plan at the latest) Page 32:

কিন্তু এই থিনিতে এটা ভুল হৈছে যে প্ৰাক প্ৰাথমিক শ্ৰেণীটো তুলি দিয়াৰ কাৰণে। যিখন দেশৰ শতকৰা ৯০ অংশ লোক নিৰক্ষৰ সেইখন দেশৰ ল'ৰা-ছোৱালীক ঘৰুৱা পৰিবেশৰ মাজত ক আৰু খ শ্ৰেণীৰ শিক্ষা যে অভিভাৱকে শিকাই পঠাব পাৰিব সি একেবাৰে অস্বাভাৱিক কথা। কাৰণ অৰ্থনৈতিক এনে বৈষম্যৰ দিনত আজিৰ মানুহে এসাজ খোৱাৰ পাচত পাচৰ সাজৰ কাৰণে ভাবিব লাগে। গতিকে এবছৰীয়া হলেও প্ৰাক-প্ৰাথমিক শ্ৰেণীটো ৰাখিব লাগে। আনহাতেদি আয়োগেও প্ৰাক প্ৰাথমিক শ্ৰেণীটো নেলাগে বুলি কোৱা নাই। অৱশ্যে নগৰ অঞ্চলৰ আভিজাত্য লোক সকলৰ কথা সুকীয়া। ইফালে নতুন পাঠ্য-ক্ৰম অনুসৰি নিম্ন মাধ্যমিক স্তৰৰ পৰাই ঐচ্ছিক (Additional) বিষয় প্ৰচলন হ'ব লাগে আৰু আয়োগে ইয়াৰ কাৰণে দহটা বিষয়ৰ কথা উল্লেখ কৰিছে। কিন্তু পাঠ্যক্ৰম প্ৰৱৰ্ত্তন হোৱাৰ পাচতো আজিও ঐচ্ছিক বিষয়ৰ কিতাপৰ তালিকা স্কুল-বিলাকত দিব নোৱাৰাটো চৰম পৰিতাপৰ বিষয় হৈ পৰিছে। গতিকে দেখা গৈছে যে শিক্ষাদানত বিৰাট সমস্যাৰ সৃষ্টি হৈছে।

**সমস্যা :—**

**(১) ছাত্ৰ ছাত্ৰীৰ সমস্যা :—** নতুন পাঠ্য-ক্ৰম প্ৰৱৰ্ত্তিত হৈছে, ই শুভলক্ষণৰ ফল। কিন্তু ছাত্ৰসকলে কিছুমান জৰুৰী সমস্যাৰ কাৰণে গভীৰ সঙ্কটৰ সন্মুখীন হ'ব লগা হৈছে। এই ক্ষেত্ৰত শিক্ষা-পৰিষদে আজিকোপতি পাঠ্যতালিকা (Syllabus) উলিয়াব পৰা নাই। বজাৰত কিতাপপত্ৰ পাবলৈ

নাই। বিদ্যালয়বোৰত শ্ৰেণীকোঠাৰ অভাৱ। আনহাতেদি বিজ্ঞান শিক্ষা বাধ্যতামূলক কৰা স্বত্ত্বেও এতিয়াও বিদ্যালয়বোৰত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয় সা-সজুলি, বিজ্ঞানগাৰ নাই। গতিকে ছাত্ৰ - ছাত্ৰীয়ে পদে পদে সমস্যাৰ সন্মুখীন হৈছে। শিক্ষা আয়োগৰ পৰামৰ্শাৱলী মতে ঐচ্ছিক বিষয়ৰ অন্তৰ্গত দহটা বিষয় কি কি হ'ব সেই বিষয়ে শিক্ষা পৰিষদে এতিয়াও ছাত্ৰ - ছাত্ৰীসকলৰ মাজত পাঠ্যতালিকা বিতৰণ আৰু পাঠ্যপুথি প্ৰকাশ কৰিব পৰা নাই। পাঠদানত শিক্ষকৰ প্ৰভাৱ আৰু যে কত কি সমস্যা। গতিকে ছাত্ৰসকলে এতিয়া কি কৰা প্ৰয়োজন এইটো এটা বিৰাট প্ৰশ্ন হৈ পৰিছে।

(২) **শিক্ষকৰ সমস্যা :—** শিক্ষা ব্যৱস্থাৰ একেবোৰ সমস্যাই শিক্ষকসকলকো বিপাঙত পেলাইছে। আজিকোপতি কৰ্ম অভিজ্ঞতাৰ কোনো পাঠ্য সূচী ওলোৱা নাই। নতুন পাঠ্যক্ৰমত শিক্ষা দিবলৈ শিক্ষকসকলৰ মাজত কোনো প্ৰশিক্ষণৰ ব্যৱস্থা নাই। শিক্ষাপদ্ধতি সলনি কৰাৰ লগে লগে এইবছৰ দুটা শ্ৰেণীৰ ছাত্ৰ - ছাত্ৰীৰসংখ্যা গৰিষ্ঠলৈ চাই প্ৰতি শ্ৰেণীত যে শিক্ষকৰ প্ৰয়োজন তাৰ খবৰ লবলৈ চৰকাৰৰ সময় নাই। পাঠ্যপুথি বজাৰত নহলে শিক্ষকে ছাত্ৰ-ছাত্ৰীক কি পঢ়াব এই বিষয়ে শিক্ষা পৰিষদ শুই থাকিলে হ'ব জানো? নতুন নীতি প্ৰৱৰ্ত্তন কৰিছে যেতিয়া ইয়াৰ সমস্যা সমাধান কৰাটো চৰকাৰ আৰু শিক্ষা পৰিষদৰ কৰ্ত্তব্য। গতিকে যোগ্যজনে যোগ্য ফল পোৱাৰ দৰে শিক্ষা পৰিষদেও অনতি পলমে প্ৰয়োজনীয় সকলো সমস্যা সমাধান কৰা নিতান্ত প্ৰয়োজন।

(৩) **অভিভাৱকৰ সমস্যা :—** অভিভাৱক সকলৰ এটা প্ৰধান সমস্যা হৈ পৰিছে চাৰি বছৰৰ পৰা ছবছৰ ভিতৰৰ ল'ৰা - ছোৱালীবিলাকক ক'ত পঢ়াব? কাৰণ শতকৰা ৭০ ভাগ অভিভাৱক নিৰক্ষৰ। তেতিয়াহলে ঘৰত শিকোৱাৰ দায়িত্ব কোনে ল'ব। আনহাতেদি গাৱঁলীয়া পৰিবেশৰ ল'ৰা ছোৱালীবোৰ এই সময়ছোৱাত কুসংগত পৰি অসৎ পথেদি পৰিচালিত হবলৈ উপক্ৰম হ'ব। তেনে ল'ৰা-ছোৱালীয়ে প্ৰাথমিক শ্ৰেণীত ভৰ্ত্তি হৈ কি শিকিব! নগৰত প্ৰাক্ - প্ৰাথমিক পঢ়াবলৈ মণ্টেচৰী স্কুল আছে। কিন্তু গাৱঁলীয়া মানুহ চামৰ কি হ'ব? ইত্যাদি নানান সমস্যাই সকলোকে চিন্তিত কৰি তুলিছে।

**সমাধান সূত্ৰ**—শিক্ষা পদ্ধতিৰ এই বিলাক আসোঁৱাহ দূৰ কৰি দেশত এক সজাগভাৱে শিক্ষা পদ্ধতি প্ৰচলন কৰিবলৈ হ'লে চৰকাৰ তথা শিক্ষা পৰিষদে কেতবোৰ ব্যৱস্থা ল'ব লাগিব তেতিয়াহে ইয়াৰ উচিত সমাধানৰ পথ এটা বিচাৰি পোৱা যাব। এই ক্ষেত্ৰত প্ৰথমতে প্ৰাক্ প্ৰাথমিক শ্ৰেণী উঠাই দিদি পুনৰ প্ৰৱৰ্ত্তন কৰিব লাগে। অথবা এই স্তৰত ওমলা ঘৰৰ দৰে শ্ৰেণী এটা খুলিব লাগে। কিন্তু এনে কৰিবলৈ হ'লে কিছুমান শিক্ষিত মহিলাক এইবিলাক কৰ্মত নিয়োগ কৰিব লাগিব। তেতিয়াহলে নিবনুৱা সমস্যাৰো কিছু সমাধান হ'ব। দ্বিতীয়তে উপযুক্ত প্ৰস্তুতি নোহোৱালৈকে নতুন পাঠ্যক্ৰম স্থগিত ৰাখিব লাগে। এই স্থগিত সময় থিনিতে যদি পাঠ্যপুথি, বিজ্ঞানগাৰ, বিজ্ঞানৰ উপযুক্ত সা-সজুলি, শ্ৰেণীকোঠা আদি যোগাৰ কৰি ল'ব পৰা হয়—তাৰ কাৰণে শিক্ষা পৰিষদ চৰকাৰ আৰু জনসাধাৰণও সজাগ হ'ব লাগে। অথবা - প্ৰতি বছৰে - এটাকৈ শ্ৰেণী নতুন পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত কৰিব লাগে। তৃতীয়তে খুব থৰ থেদাকৈ কিছুমানলোকক পাঠ্যপুথি ৰচনা কৰিবলৈ নিদি

দেশৰ অভিজ্ঞ শিক্ষাবিদ সকলক ৰচনা কৰিবলৈ দিব লাগে। ইয়াৰ কাৰণে কিছুমান অভিজ্ঞ শিক্ষক তথা শিক্ষাবিদৰে এখন সমিতি প্ৰস্তুত কৰি ললে বেয়া নহয়। চতুৰ্থতে, অনতিপলমে শিক্ষা পৰিষদে শিক্ষক সকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। পঞ্চমতে, প্ৰাথমিক স্কুলত শ্ৰেণী অনুসাৰে শিক্ষক নিয়োগ কৰিব লাগে আৰু এইবিলাক স্কুলতো পাঠাগাৰ, বিজ্ঞানগাৰ আৰু প্ৰতিভা কাৰখানাৰ (Talent workshop or Hobby centre) ব্যৱস্থা কৰিব লাগে। ষষ্ঠতে, বিজ্ঞান বিষয়টো বাধ্যতা-মূলক কৰালৈ চাই প্ৰয়োজনীয়—সকলো সা-সুবিধা শিক্ষক আদিৰ ব্যৱস্থা অনতি পলমে কৰিব লাগে। সপ্তমতে, মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ঐচ্ছিক বিষয়ৰ সকলো সা-সুবিধা পাব লাগে আৰু চৰকাৰে তাৰ বাবে ঘৰ দুৱাৰ, সা-সৰঞ্জামৰ বাবে স্কুল সমূহক অনুদান দিব লাগে। সৰ্বো শেষত ছাত্ৰ-ছাত্ৰীসকলে যাতে নতুন শিক্ষা পদ্ধতিৰ দ্বাৰা শিক্ষিত হৈ শাৰীৰিক, নৈতিক আৰু বৌদ্ধিক বিকাশৰ উৎকৰ্ষতা সাধন কৰি প্ৰত্যেকে এজন যোগ্য নাগৰিক হ'ব পাৰে—তাৰ কাৰণে শিক্ষা বিভাগে প্ৰয়োজনীয় সকলো সা-সুবিধা বিদ্যালয়বোৰত দিব লাগে আৰু তেতিয়াহে কি বিদ্যালয়, মহাবিদ্যালয় বিশ্ববিদ্যালয় সকলোতে ছাত্ৰ - ছাত্ৰীসকলে উন্নতি লাভ কৰিব পাৰিব। তেতিয়া অসমৰ বৌদ্ধিক আকাশখন উজ্জ্বল নক্ষত্ৰৰে ভৰি পৰিব; ছাত্ৰ, শিক্ষক, অভিভাৱক সকলোৰে ক্ষনিকৰ আবেগবোৰ আঁতৰিব আৰু তেতিয়া অসম উন্নতিৰ উচ্চ শিখৰত জয় জয় ময় ময় হ'ব। ●

"আমি যদি প্ৰকৃত গণতন্ত্ৰৰ বিষয়ে চৰ্চা কৰিব খোজো তেনেহলে আমি অসহিষ্ণু হলে নচলিব, অসহিষ্ণুতাই নিজৰ লক্ষ্যৰ প্ৰতি আস্থাৰ অভাৱ বুজায়"।

(গান্ধীজী)


# কোনে জানে কপালৰ লিখন

অধ্যাপক ডিম্বেশ্বৰ চলিহা

"চক্ৰবৎ পৰিৱৰ্ত্ততে সুখানিচ দুখানিচ"। মানুহৰ জীৱনত সুখ আৰু দুখ চকৰিৰ দৰে ঘুৰিব লাগিছে। পইছাটোৰ ইফাল আৰু সিফাল। ধান আৰু মান। সুখৰ পাছত কেতিয়াবা যেনেকৈ দুখ আহে, দুখৰ পাছতো কেতিয়াবা তেনেকৈ সৌভাগ্যই লাগ দিয়ে। ছাত্ৰ অৱস্থাত গাধ নাম পোৱা দুই এজনেই পাছৰ জীৱনত পণ্ডিত হোৱাৰ উদাহৰণ আছে। বহুতো সময়ত আকৌ একোটা সৰু সুৰা ঘটনাই মানুহৰ জীৱনৰ দিশ সলনি কৰি দিয়ে। এনে ঘটনাৰ পাকচক্ৰত পৰি মূৰ্খজনো জ্ঞানী হৈ পৰে আৰু জ্ঞানীজনৰ মুখত মাত নোলোৱা হয়। পৃথিবীত এনে বহুলোক আছে যি একোটা সৰুসুৰা ঘটনাক কেন্দ্ৰ কৰিয়েই জীৱনৰ সুতি সলাই দিছে আৰু কিবা হ'ম বোলা মানুহজন অন্য কিহবাতহে বিখ্যাত হৈ পৰিছে।

আৰ্কিমিডিচৰ সূত্ৰটো এফালে যেনেকৈ বিজ্ঞানৰ এক চৰম সত্য আৰু আনফালে ই তেনেই এক আকস্মিক ঘটনা মাত্ৰ। চিচিলিৰ ৰজা হিৰোই এজন সোণাৰীৰ হতোৱাই তেওঁৰ সোণৰ মুকুটটো বনোৱাইছিল। বনোৱাৰ পাছত ৰজাৰ সন্দেহ হ'ল- সোণাৰীয়ে সোণ খালে নেকি ? সোণাৰীয়েটো তিৰোতাৰ কানৰো সোণ খায়। এই সন্দেহ দূৰ

# BEST TEAM INTER COLLEGE SPORTS COMPETITION (D.U.) 1973.



Sitting (Ground) L to R —Miss. J. Saikia, Miss. R. Bora.
Sitting (on Chair) ,, —Mr. Shyamal, Prof P. Chetia, Principal S. C. Dutta, Prof. P. Bhattacharyya (Prof-in-charge), Prof. S. Dutta.
Standing (1st Row) ,, —Mr. K. Borah, Mr. N. Dutta, Mr. A. Gogoi, Mr. N. Changa, Mr. A. Pego, Mr. B. Gogoi, Mr. A. Deori, Mr. M. Bora, Mr. B. N. Borah (General Sports Secy.)
Standing (2nd Row) ,, —Mr. A. Choudhury, Mr. B. Buragohain, Mr. K. Saikia, Mr. T. S. Barua, Mr. M. N. Borgohain.




হাচিনা খাতুন
এওঁ এই বছৰৰ শ্ৰেষ্ঠা গায়িকাৰ সন্মান অৰ্জন কৰিছে।



ৰাণী শৰ্মা
এওঁ এই বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান অক্ষুণ্ণ ৰাখিছে।

# সুন্দৰৰ সাধনাত কানৈয়ান



এই বছৰৰ শ্ৰেষ্ঠ অভিনেতা শ্ৰীত্ৰৈলোক্য গগৈ।



এই বছৰৰ শ্ৰেষ্ঠ 'literary man' হিচাবে খ্যাতি লাভ কৰা শ্ৰীকুমুদৰঞ্জন দাস।

কৰাৰ দায়িত্ব পৰিল আৰ্কিমিডিচৰ ওপৰত । তেওঁক কোৱা হল যে মুকুটটো নভঙাকৈ বজাই দিয়া ওজনৰ সোণ আছেনে নাই প্ৰমাণ কৰি দিব লাগে। বজাত ভ'ৰি বনত বাস। আৰ্কিমিডিচৰ ভয়ত পেটতে হাত ভৰি লুকাল ।

এদিনাখন গামলাত সোমাই গা ধুই থাকোতে হঠাতে মনত খেলালে যে, তেওঁ গামলাত সোমোৱাৰ লগে লগেই কিছুপৰিমাণৰ পানী বাগৰি পৰিল । ইয়াৰ পৰাই তেওঁ অনুমান কৰিলে যে সমান ভৰৰ (mass) বিভিন্ন পদাৰ্থ পানীত ডুবালে বিভিন্ন পৰিমাণৰ পানী অপসাৰিত কৰিব । ঘটনা-টোত তেওঁ বৰ ৰস পালে আৰু ভাবিলে যে এই পদ্ধতিৰ দ্বাৰাই মুকুটত থকা প্ৰকৃত সোণৰ পৰিমাণ উলিয়াব পৰা হব। তেওঁ আনন্দত ইমান আত্ম-হাৰা হল যে নগ্ন দেহাৰেই গামলাৰ পৰা ওলাই আহি ৰাস্তাই ৰাস্তাই পালো পালো বুলি দৌৰি-বলৈ লাগিল। এনেকৈয়ে জন্ম হ'ল আৰ্কিমিডিচৰ বিখ্যাত "আপেক্ষিক গুৰুত্ব"ৰ সূত্ৰটি ।

চাৰ আইজাক নিউটনে অন্য বিষয় কিছু জানি-ছিল যদিও অঙ্কত হ'লে তেনেই গাধা আছিল। পাঠ্য পুথিতকৈ বাহিৰা কথাত আগ্ৰহ আছিল বেচি। চিলা উৰোৱা, পানীত চকা ঘুৰোৱা আৰু কাঠৰ ঘড়ী তৈয়াৰ কৰা ইত্যাদিহে তেওঁৰ দৈনন্দিন কাৰ্য্যসূচীত আছিল ।

ইংলেণ্ডৰ ১৬৬৫—৬৬ চনত হোৱা প্লেগ মহা-মাৰীৰ কাৰণে কেম্ব্ৰিজ বিশ্ববিদ্যালয় বন্ধ হৈ পৰিল আৰু সেই কেম্ব্ৰিজৰে ২৩ বছৰীয়া ছাত্ৰ আইজাক নিউটনে পঢ়া বন্ধ কৰি ঘৰমুৱা হ'ল। নিউটনে ১৮ মাহ কাল মাকৰ লগত কটালে আৰু এই সময় খিনিয়েই নিউটনৰ জীৱনৰ স্মৃতি বদলাই পেলালে। এদিনাখন তেওঁ আপেল গছৰ তলত ৰহি কিতাপ এখন পঢ়ি আছিল। এনেতে এটা পকা আপেল তেওঁৰ মূৰৰ ওপৰত পৰিল আৰু সেয়ে তেওঁক ভবাই তুলিলে আপেলটো তললৈ পৰিল কিয়? আপেলটো ওপৰলৈ বা সোঁৱে বাঁৱে নগল কিয়? এই সৰু ঘটনাটিৰ পৰাই জন্ম হল পৃথিবীৰ মধ্যা-কৰ্ষণ শক্তিৰ সূত্ৰটি। ইংলেণ্ডত প্লেগ নোহোৱা হলে কেম্ব্ৰিজৰ ছাত্ৰ নিউটন হয়তো আমাৰ বিজ্ঞানী নিউটন নহবও পাৰিলেহেঁতেন ।

এলবাৰ্ট আইনষ্টাইন মুনিক স্কুলত একো চোকা ল'ৰা নাছিল। তেওঁ অকলে অকলে ফুৰিছিল আৰু বৰ লাজকুৰীয়া স্বভাৱৰ আছিল। মাক দেউতাকৰ মনত তেওঁ এজন অকামিলা ল'ৰা হৈয়ে ৰ'ল। তেওঁ আনকি কথা পাতিবও নাজানিছিল। স্কুলত শিক্ষকসকলে তেওঁক এজন অপদাৰ্থ আৰু পঢ়াৰ প্ৰতি ধাউতি নাইকীয়া লৰা বুলিয়েই ভাবি থৈছিল। দুখৰ বিষয় চুইজাৰলেণ্ডৰ জুৰিকত থকা পলিটেক্নিক্ স্কুলত নাম লগাবলৈ যাওঁতে তেওঁ তাৰ প্ৰবেশ পৰীক্ষাটোকে পাচ কৰিব নোৱাৰিলে। দ্বিতীয়বাৰ পুনৰ পকীক্ষাদিহে তেওঁ তাত নাম লগাবলৈ সমৰ্থ হৈছিল। অৱশেষে তেওঁ অঙ্ক আৰু বিজ্ঞান স্বকীয় ভাৱে চৰ্চা কৰিছিল। সেইজন লোকেই ২৬ বছৰ বয়সত $e = mc^2$ নামৰ সমীকৰণটো উলিয়াই আনবিক যুগত নিজকে প্ৰতিষ্ঠা কৰি গ'ল।

আমেৰিকাৰ বিখ্যাত চুটিগল্প লিখক অ'হেনৰী একালত এটা ৰাষ্ট্ৰীয় বেঙ্কত ধনভৰালী আছিল। ২৫ বছৰ বয়সত টেক্সাচৰ অষ্টিনত থকা ৰাষ্ট্ৰীয় বেঙ্কটোত ধনভৰালী হিচাবে চাকৰি লৈছিল—অ'

-হেনৰীয়ে। বেঙ্ক বুলিলেই টকাৰ লেন দেন। বেঙ্কৰ ধন ভৰালীয়ে বোলে মাজে সময়ে ছুপয়চা ভৰাটো সাধাৰণ কথা। তদুপৰি এনেকৈ ভৰিব লগা পয়চাৰ সংখ্যাটো সৰহ হলে জেইল জৰিমনা, চাকৰিৰ পৰা খেদাখেদা ইত্যাদিৰো ভয় থাকে। আমাৰ অ'হেনৰীৰ ভাগ্যতো সেয়ে ঘটিল। বেঙ্কটোৰ চৰকাৰী হিচাব পৰীক্ষকে পৰীক্ষা কৰি দেখে যে বেঙ্কটোৰ পৰা এহেজাৰ ডলাৰ হেৰাইছে। ধন ভৰালী অ'হেনৰীৰ ওপৰত গোচৰ চলিল। অ'হেনৰী সম্পূৰ্ণ নিৰ্দ্দোষী হৈও পাঁচটাকৈ বছৰ জেলত থাকিব লগা হ'ল। এই জেলতে তেওঁ গল্প লিখা আৰম্ভ কৰিলে আৰু জেলৰ পৰা এজন বিখ্যাত গল্পলিখক হৈ ওলাই আহিল।

যুগজয়ী বিশ্ববিখ্যাত ইংৰাজ নাট্যকাৰ চেক্সপীয়েৰৰ দৰে মানুহেও জীৱনৰ সৰুকালতে বহুতো ঘাট প্ৰতিঘাটৰ সন্মুখীন হব লগা হৈছিল। চেক্সপীয়েৰে সৰুতেই অৰ্থসঙ্কটৰ সন্মুখীন হব লগা হয়। তাতে ১৮ বছৰ বয়সতে এনি হাথাওৱেক বিয়া কৰোৱাত পৰিয়ালত সংখ্যা এটিও বাঢ়িল। কিন্তু চেক্সপীয়েৰৰ পৰোৱায় নাই। লগৰ লৰাবে দল বান্ধি সংসাৰৰ সকলো উদ্ভণ্ডালি কৰাত ব্যস্ত আছিল চেক্সপীয়েৰ। সমাজৰ সকলো আইন ভঙ্গ কৰাটোৱেই ডেকা চেক্সপীয়েৰ কাৰণে আইন হৈ পৰিছিল। এবাৰ ওচৰৰে চাৰ থমাচ লুচি নামৰ লোক জনৰ হৰিণ উদ্যান এখনত সোমাই এনে উৎপাত আৰম্ভ কৰিলে যে থমাচ লুচিয়ে চেক্সপীয়েৰৰ ওপৰত গোচৰ তৰিবলৈ বাধ্য হ'ল। কিন্তু চেক্সপীয়েৰে তাৰ উত্তৰ দিলে নিজে ৰচা এটা জঘন্য গীতেৰে। এই কথাত কেৱল উদ্যানৰ গৰাকীয়েই নহয় ওচৰৰ মানুহবোৰো মুগ্ধ হৈ পৰিল। চেক্সপীয়েৰে উপায় নাপাই ঘৰ এৰি লণ্ডন পালেগৈ।

লণ্ডনত অনাই বনাই ফুৰি শেষত থিয়েটাৰ হলৰ বাহিৰতে নিজৰ ৰোজগাৰ এটা বাচি ললে। চাকৰি নোহোৱাকৈ যি সকললোকে ঘোঁৰাত উঠি থিয়েটাৰলৈ গৈছিল তেওঁবিলাকৰ ঘোঁৰা ৰখাৰ দায়িত্ব চেক্সপীয়েৰে লৈছিল। এনেধৰণৰ কাম কৰি জীৱিকা নিৰ্ব্বাহ কৰিও কিন্তু চেক্সপীয়েৰ হতাশ হোৱা নাছিল। তেওঁৰ সাহস আৰু মনোবল একেই আছিল। ১৫৯৪ চনত ৰাণী এলিজাবেথৰ ৰাজ সভাত নাটক কৰা নাট্যগোষ্ঠী এটাত চেক্সপীয়েৰ সোমাই পৰিল। ভাৰৰীয়া হিচাবে তেওঁৰ সুখ্যাতি লভিব নোৱাৰিলে। কিন্তু এই নাট্যগোষ্ঠীয়েই তেওঁক নাটক লিখিবলৈ প্ৰেৰণা আৰু সম্বল যোগালে। তেওঁ নিজে হৈ পৰিল এগৰাকী পৃথিবী বিখ্যাত নাট্যকাৰ আৰু তেওঁৰ নাটক হৈ পৰিল কালজয়ী।

সৰুকালত লুইচ্ ব্ৰেইলিয়ে দেউতাকৰ ছেদোল তৈয়াৰ কৰা দোকানখনতে বেছি ভাগ সময় কটাইছিল। এদিনাখন তেওঁ ফটা চিটা চামৰাবোৰত বিন্ধনাৰে বিন্ধা কৰি থাকোতে এবাৰ বিন্ধনাডাল পিছলি তেওঁৰ দুয়োটা চকুতে খোচ খাই চিৰকাললৈ অন্ধ হৈ পৰিল। তেওঁ তেতিয়া বিন্ধনাৰে কৰা ফুটা কেইটাৰ কথা ভবাত লাগিল। তেওঁ আৰু ভাবিলে যে, বিন্ধনাডালে চামৰা টুকুৰা নুফুটাই যদি অলপ কম বা বেচিকৈ সুমুৱাই দিয়া যায় তেন্তে চামৰাচটাৰ আনটো ফালত সৰু ডাঙৰ কিছুমান টেমুনা উঠিব। ব্ৰেইলিয়ে সিদ্ধান্ত কৰিলে যে বিভিন্ন আকাৰৰ টেমুনাবিলাকক বিভিন্ন আখৰৰ সলনি ব্যৱহাৰ কৰিব পৰা যাব। কালক্ৰমত তেওঁৰ সিদ্ধান্তই এটা মহান পদ্ধতিলৈ ৰূপান্তৰিত হ'ল। তেওঁৰ মূল পদ্ধতিটোৰ কিছু সাল সলনি

কৰি পৃথিৱীৰ সকলো অন্ধলোকক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হ'ল। ব্রেইলি নিজে অন্ধ হ'ল সঁচা কিন্তু পৃথিবীৰ হাজাৰ হাজাৰ অন্ধক চকুৰ ব্যৱস্থা কৰি দিলে। ব্রেইলি অমৰ হৈ ৰ'ল।

আজিৰ দিনত ভেচ্‌লিন নঘঁহা বা ব্যৱহাৰ নকৰা লোকৰো সংখ্যা খুউব বেছি নহব। কিন্তু এই ভেচ্‌লিন ব্যৱহাৰৰ গুৰি কথা বৰ কৌতুহল-জনক। প্রায় ১০০ বছৰৰ আগৰ কথা। পেনচিল্‌ভেনিয়াৰ তৈলক্ষেত্রত এটা সমস্যাৰ উদ্ভৱ হ'ল। তৈলক্ষেত্ৰৰ বনুৱাসকলে আপত্তি দৰ্শালে যে ৰদ সমূহত কিছুমান মমজাতীয় পদাৰ্থ লাগি ধৰে আৰু সেয়ে তেল শোধন কৰাত অসুবিধা হয়। ২২ বছৰীয়া মিঃ চিজব্রাফ তেতিয়া সেই তেল-শোধনৰ দায়িত্বত থকা ৰসায়নবিদ্‌। চিজব্রাফে বনুৱাবিলাকক প্রশ্ন কৰিলে এই মমবিধ কেনেকুৱা? বনুৱাসকলে উত্তৰত ক'লে যে ৰদত লাগি থকা মমবোৰ দেখাত অন্যমমৰ নিচিনাই পেট্রলিয়ামৰ এবিধ গেজ। এই গেজবোৰে তেলৰ পাইপ বিলাক মলিয়ন কৰি পেলায়। কিন্তু তেওঁলোকৰ যদি শৰীৰ কোনো অংশ পোৰে বা কাটে তেতিয়া এই গেজ-খিনি লগালে কিন্তু আৰাম পায়। এই কথাখিনিয়েই চিজব্রাফক নতুন সমল যোগালে। চিজব্রাফে পেট্রোলিয়ামৰ গেজ সংগ্ৰহ কৰাত লাগি গ'ল। আৰু এক বিশেষ পদ্ধতিৰে এইবিধ জেলিৰ সৃষ্টি কৰিলে। এতিয়া ইয়াৰ দ্বাৰাই যে পোৰা ঘাঁ ইত্যাদি ভাল হয় প্রমাণ কৰে কেনেকৈ? তেওঁ নিজৰ শৰীৰৰে বিভিন্ন অংশত কটাৰীৰে কাটিলে, এচিদ আৰু জুই লগাই হাতৰ কিছু অংশ পুৰি ললে আৰু তাৰ পাছত তেওঁ নিজে তৈয়াৰ কৰা পেট্রোলিয়াম জেলি সানি দিলে। দৰবে কাম দিলে। পেট্রোলিয়াম জেলিৰ ব্যৱহাৰ বিশ্বজুৰি হ'ল। মিঃ চিজব্রাফে অমৰত্ব লভিলে।

মহাকবি পণ্ডিত কালিদাসৰ সৰুকালৰ বিষয়ে বহুতো গল্প গুজৱৰ শুনা যায় আৰু তাৰে কিছু-মানৰ বিষয়ে লিখিত প্রমাণো আছে। মুঠতে কালিদাস সৰুতে একো চোকা ল'ৰা নাছিল। বৰঞ্চ বহুতো ক্ষেত্রত তেওঁ মূর্খতাৰ পৰিচয়হে দিছিল। কালিদাসৰ জীৱনৰ সোঁত সলনি হ'ল বিদ্বোত মাক বিয়া কৰোৱাৰ পাছৰ পৰাহে। বিদ্যোত মাৰ খেচ খেচনিতহে কালিদাস বাৰণাসীলৈ পঢ়িবলৈ গ'ল আৰু সংস্কৃতত এগৰাকী অগাধ পণ্ডিত হোৱাৰ সুযোগ পালে। বিদ্বোতমাক বিয়া নকৰোৱা হলে হয়তো সৰু কালৰ কালিদাস আজিৰ পণ্ডিত কালিদাস নহলহেঁতেন আৰু মেঘদূত, কুমাৰসম্ভৱ, শকুন্তলা, ৰঘুবংশ আদিৰ দৰে অমৰলেখনীবো সৃষ্টি নহলহেঁতেন।

চাৰ খ্রীষ্টোফাৰ ৰেন্‌ স্থপতিবিদ্‌ (Architect) হ'ল ঘটনা ক্রমেহে। অৱশ্যে তেও সৰুৰে পৰাই যে চোকা বুদ্ধিৰ লৰা আছিল তাত সন্দেহ নাই। তেও সৰু কালতে অঙ্ক, জ্যোতিবিদ্যা, চিকিৎসা-বিদ্যা আদিতহে মনপুতি লাগিছিল। তেওঁৰ স্থপতিবিদ্যাৰ বিষয়েও ব্যাপক জ্ঞান আছিল কিন্তু তাৰ কাৰণে ক'তো শিক্ষা লোৱা নাছিল। কপালৰ কি ফেৰ যে ৰজাই তেওঁৰ ৰাজপ্রসাদ ৰাক্সিৰ নমুনা কৰিবলৈ তেওঁকহে ভাৰ দিলে। এই ফালৰ পৰা তেওৰ স্থান দেশৰ অন্য স্থপতিবিদ্‌সকলৰ ওপৰত হ'ল। ইতিমধ্যে লণ্ডনত হোৱা বৃহৎ অগ্নিকাণ্ডৰ ফলত বহুতো ঘৰ-দুৱাৰ পুৰি ভস্মীভূত হ'ল। এইবাৰ চাৰ খ্রীষ্টোফাৰ ৰেনে নিজৰ প্রতিভা

প্ৰকাশ কৰাৰ ধুনীয়া সুযোগ পালে। স্থপতিবিদ্ হিচাবে চাৰক্ৰীষ্টোফাৰ ৰেনৰ নাম চাৰিওফালে ফুটি ফাটি গ'ল।

এইচ, জি ওৱেলচ ভৰি ভাগি বিচনাত পৰি থাকিবলগীয়া নোহোৱা হলে হয়তো এগৰাকী মহান সাহিত্যিক হ'ব নোৱাৰিলহেঁতেন। ওৱেলচৰ সৰু কালতে দুৰ্ঘটনাত ভৰি এটা ভাগে। ফলস্বৰূপে এবছৰ কাল বিচনাত পৰি থাকিব লগা হয়। এই বিচনাত পৰিথকা কালছোৱাত বহুতো কিতাপ পঢ়ি শেষ কৰিলে আৰু সেয়ে নহয় মনপুতি কিতাপ লিখাত লাগি গ'ল। সেই ওৱেলচেই গৈ পাছত বিখ্যাত সাহিত্যিক হৈ পৰিলগৈ।

মাৰ্ক টোৱেইনো ঘটনাক্ৰমেহে এগৰাকী বিখ্যাত সাহিত্যিক হলগৈ। তেওঁ প্ৰথম প্ৰেৰণা পালে জোৱান অব আৰ্কৰ জীৱনী পঢ়ি। এই প্ৰেৰণাতে তেওঁ কেইবাখনো মূল্যবান গ্ৰন্থ লিখি পেলালে আৰু নিজকে সাহিত্য জগতত প্ৰতিষ্ঠা কৰিবলৈ সুবিধা পালে।

পোলেণ্ডৰ এক সম্ভ্ৰান্ত পৰিয়ালত মাদাম কুৰিয়ে এগৰাকী চাকৰণী হিচাবেহে জীৱন আৰম্ভ কৰিছিল। তেতিয়া তেওঁৰ বয়স আছিল ওঠৰ কি ঊনৈশ বছৰ। পাছত এই পৰিয়ালটিৰে ডাঙৰ লৰাটো তেওঁৰ প্ৰেমত পৰিল। ফলত মাদাম কুৰিয়েহে লৰাটিৰ মাক বাপেকৰ পৰা অনেক গালি গালাজ ককৰ্থনা খাব লগা হল। এই অপমানেই মাদাম কুৰিক এনে অভীষ্ঠ কৰি তুলিলে যে পেৰিছ বিশ্ব-বিদ্যালয়লৈ গৈ বিজ্ঞান অধ্যয়ন কৰাত লাগি গ'ল। এই মাদাম কুৰিয়েই পাছত ৰেদিয়ামৰ দৰে পদাৰ্থ আবিস্কাৰ কৰিব পৰা হ'ল আৰু একালৰ চাকৰণী এগৰাকীয়ে এগৰাকী মহান বিজ্ঞানী স্বৰূপে পৰিচয় দিব পৰা হ'ল।

বিখ্যাত বিজ্ঞানী ৰবাৰ্ট বয়েলৰ সৰু কালতে এক সাংঘাটিক অসুখ হৈছিল। ডাক্তৰে দিব লাগিছিল এটা দৰব কিন্তু ভুলতে দিলে অন্য এটা অতি বিষযুক্ত দৰবহে। ভাগ্যৰ বলত বয়েলৰ প্ৰাণ ৰক্ষা পৰিল কিন্তু এই কথাতে তেওঁ মৰ্মান্তিক দুখ পাই ৰসায়ন পঢ়িবলৈ ললে। পাছলৈ এই বয়লেই পৃথিবীৰ এগৰাকী মহান ৰসায়নবিদ্ হৈ পৰিলগৈ।

ক্ৰমবিকাশ সূত্ৰৰ জন্মদাতা চাৰ্লচ ডাৰউইনকো পাঠ্য পুথিতকৈ প্ৰকৃতিৰ গছ গছনিবোৰেহে বেচি আকৃষ্ট কৰিছিল। শ্ৰেণীৰ ভোতা ছাত্ৰবিলাকৰ মাজত ডাৰউইনৰ নামো আছিল। প্ৰেগৰ জোৱান মেণ্ডেলেও বৰ ডাঙৰ বিজ্ঞানী হম বুলি ভবা নাছিল। বৰঞ্চ সৰুকালত তেওঁ অন্ন সংস্থানৰ কথাহে ভাবিব লগা হৈছিল। ১৮৪৩ চনত অষ্ট্ৰিয়াৰ ব্ৰুনত থকা এখন আশ্ৰমত মেণ্ডেলে নিজৰ অৱস্থাৰ কাৰণেই এজন সন্ন্যাসী হিচাবেহে সোমাব লগা হয়। তদুপৰি একেসময়তে এযোৰ মাত্ৰ চৰিত্ৰহে হিচাব ললে। মটৰ মাহৰ ওপৰত পৰীক্ষা কৰাৰ সুবিধা হ'ল ইয়াৰ খেতি কৰা সহজ, ই স্বভাৱতে স্বপৰাগিত মুৰীয়া বিপৰীত চৰিত্ৰবোৰ স্পষ্ট, উপজাতিবোৰ কুলীন বা বিশুদ্ধ আৰু সংকৰ সন্তানবোৰ ক্লীৱ নহয়। মটৰ মাহ নহলৈ অন্য বেলেগ গছ লোৱা হলে হয়তো মেণ্ডেল সন্যাসী হৈয়েই থাকিলহেঁতেন।

অলিভাৰগল্ডস্মিথৰ দৰে সু-সাহিত্যিক এজনেও ডাব্লিনৰ ট্ৰিনিটি কলেজৰ কোনো ডিগ্ৰী পোৱা নাছিল। ছাত্ৰ হিচাবে তেওঁ পিচপৰা আৰু লাজকুৰীয়া স্বভাৱৰ আছিল। তেওঁক যদিও

এদিনবাৰ্গত পদাৰ্থ বিজ্ঞান, লণ্ডনত আইন আৰু হলেণ্ডত ডাক্তৰী পঢ়িবলৈ পঠোৱা হৈছিল তথাপি তেওঁ কোনোটোতে সুখ্যাতিৰে কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে। তেওঁ বেছি আকৃষ্ট হৈছিল সমাজৰ অৱস্থা বিলাকৰ প্ৰতিহে। তেওঁ মগনীয়া বিলাকৰ কাৰণে গান লিখিছিল আৰু সমাজৰ দুখীয়া শ্ৰেণীৰ কথা ভাবি ভাবিয়েই দিন কটাইছিল। মাক বাপেকৰ ইচ্ছা আছিল হয় তেওঁ বিজ্ঞানী হ'ব, নহয় ডাক্তৰ হ'ব আৰু নহয় আইনজ্ঞ হ'ব। পাছে তেওঁ কোনোটোৱেই নহ'ল। হলগৈ এগৰাকী বিখ্যাত সাহিত্যিকহে।

বিখ্যাত বুৰঞ্জীবিদ' এডওৱাৰ্ড গিবন স্কুলত বৰ ভাল লৰা নাছিল। অৱশ্যে তেওঁৰ ভগ্ন স্বাস্থ্যও তাৰ বাবে কিছু দায়ী আছিল। খুৰীয়েকে তেওঁক শুশ্ৰূষা কৰিছিল আৰু অলপ স্বাস্থ্য ভাল যেন দেখিলেই শিক্ষাদানৰ ব্যৱস্থা কৰিছিল। শিক্ষকৰ মতে তেওঁ অঙ্ক, ইংৰাজী আৰু লেটিনত একেবাৰে কেঁচা আছিল। তেওঁ স্কুললৈও গৈছিল ৯ বছৰ বয়সতহে। তদুপৰি স্কুলত ভাল উন্নতি কৰিব নোৱাৰাৰ কাৰণে ঘৰুৱা শিক্ষকৰো ব্যৱস্থা কৰিব লগা হৈছিল।

'জধামূৰ্খ' উপাধিটো চাৰ ওৱাল্টাৰ স্কটৰ কাৰণে আচুতীয়াকৈ থোৱা হৈছিল। কিন্তু সেইজন ওৱাল্টাৰ স্কটেই নানান উৎকৃষ্ট কিতাপ লিখি ইংৰাজী সাহিত্যত তল ওপৰ লগালে। থমাচ চেষ্টাৰটনো সৰু কালত বৰ গাধা ছাত্ৰ আছিল। তেওঁ ইমান গাধা আছিল যে পঢ়াৰ কাৰণে অনুপযুক্ত বুলি ভাবি শিক্ষকে স্কুলৰ পৰাই উলিয়াই দিছিল।

লৰ্ড কেইনেচৰ অৰ্থশাস্ত্ৰত বিশেষ ব্যুৎপত্তি নাছিল। চিভিল চাৰ্ভিচ পৰীক্ষাত অৰ্থনীতি বিষয়ত মুৰামুৰি নম্বৰ পাইহে তেওঁ পাছ কৰিছিল। অথচ সেইজন লোকেই শেষলৈ গৈ এজন বিখ্যাত অৰ্থনীতিবিদ্ হিচাপে পৰিগণিত হ'লগৈ। কোনে ভাবিছিল যে তেনে এজন মানুহেই বিশ্ববেঙ্কৰ ডিৰেক্টৰৰ দৰে পদবীও পাবগৈ পাৰে।

ফ্ৰেডৰিক্ উইল্ হেলেম্ ফ'ৰবেল স্কুলত একো ভাল ছাত্ৰ নাছিল। তেওঁক পঠালে বিশ্ববিদ্যালয়ত পঢ়িবলৈ; পাচে তেওঁ বাচি ললে ফৰেষ্টাৰৰ এপ্ৰেন্টিচ পঢ়াটোহে। তাৰ পাচত পঠালে; জেনা বিশ্ববিদ্যালয়ত পঢ়িবলৈ, কিন্তু তাত ধাৰত পোত খাই সোমাব লগীয়া হ'ল জেলত। ভাগ্যৰ কি ফেৰ্। সেইজনলোকেই শেষলৈ হৈ পৰিলগৈ এগৰাকী বিখ্যাত শিক্ষা সংস্কাৰক।

চাৰ উইন্‌টন্ চাৰ্চিলৰ দৰে লোকো সৰুতে একো ভাল লৰা নাছিল। ল'ৰা কালত তেওঁ পঢ়াৰ ঘোৰ বিৰোধী আছিল। অঙ্ক তেওঁ সমূলি ভাল নেপাইছিল। তেওঁ কৈছিল—"এই সংখ্যাবোৰ যে আৰু এটাৰ পৰা আনটো ধাৰলৈ নিয়া, আকৌ ধাৰ কৰা, এটা সংখ্যাক কঢ়িয়াই লৈ যোৱা—এই বোৰ বৰ জঞ্জালৰ কাম"।

এচ্‌কট স্কুলত পঢ়ি থাকোতে তেওঁৰ হাতত চেকনিৰ কোব বাৰুকৈয়ে পৰিছিল। আনকি তেওঁ মনে মনে প্ৰধান শিক্ষকৰ ওপৰত প্ৰতিশোধ লোৱাৰ কথাও ভাবিছিল। তাৰ পাচত তেওঁক নাম লগাই দিয়া হ'ল ব্ৰাইটন্ স্কুলত। তাত শিক্ষা দান কৰিছিল দুগৰাকী শিক্ষয়ত্ৰীয়ে। শিক্ষয়ত্ৰী

ছুগৰাকীৰ কাৰণে চাৰ্চিল এটা ডাঙৰ সমস্যা হৈ পৰিছিল। আনকি তেওঁ স্কুল এৰোতে শিক্ষয়ত্রী ছুগৰাকীয়ে ইমান ভাল পাইছিল যে স্কুল হাফ্ দি দিছিল। হে'বত যেতিয়া ছাত্রবিলাকক প্রতিভাৰ ওপৰত ভিত্তি কৰি ঠিয় কৰোৱা হৈছিল—চাৰ্চিলৰ স্থান আছিল একেবাৰে শেষত। চেনহাৰ্ষ্ট সৈনিক কলেজত ভৰ্ত্তি হবলৈ যাওঁতেও তেওঁ তাৰ প্ৰবেশ পৰীক্ষাটোতে উত্তীৰ্ণ হ'ব নোৱাৰিলে। পাচে চাৰ্চিল তাতেই ক্ষান্ত নহল। সেই একেটা পৰীক্ষাকে তেওঁ আৰু ছবাৰ দিলে। আৰু শেষত কৃতকাৰ্য্যও হ'ল। এই থিনিয়েই চাৰ্চিলৰ জীৱনলৈ ধৈৰ্য্য আৰু সাহস আনিলে।

সোণৰ চকত হাতদি জন্ম গ্ৰহণ কৰা মানুহ এই পৃথিবীত বৰ বেছি নহয়। তদুপৰি এওঁ-লোকৰো বহুতে আকৌ পাছৰ জীৱনত ছাইৰ চকতো হাত দিব লগাত পৰে। আমি একেটা কথাতে একোজন মানুহ জ্ঞানী নে মূৰ্খ ধৰিব নোৱাৰো আৰু ধৰা উচিতো নহয়। একেজন মানুহ সকলো বিষয়তে জ্ঞানী হোৱা অসম্ভৱ। কিন্তু যেতিয়াই মানুহজনে নিজৰ বাপ থকা বিষয় বস্তুত মনপুতি লগাৰ সুবিধা পায় তেতিয়াই তেওঁৰ প্রতিভাৰ পুলি-পোখাবোৰ ঠন ধৰি গজি উঠে। *

---

॥ পূব ডিব্ৰুগড় সাহিত্য সভাৰ ৬ষ্ঠ আলোচনা চক্ৰত পঠিত ॥

" প্ৰত্যেক মানুহৰ ভিতৰতে দুজন মানুহ আছে। এজন আন্ধাৰৰ মাজত সাৰপাই আছে আনজন পোহৰৰ মাজত টোপনিয়াই আছে "।

( খলিল জিব্ৰাণ" )

॥ গল্প ॥

# এটা দিনৰ প্ৰতীক্ষাত

শ্ৰীডম্বৰু বড়া
১ম বাৰ্ষিক, স্নাতক ( কলা )

অনিমেষ ছুৰবাই হাতত কলম ডাল লৈ মাকলৈ বুলি চিঠিখন লিখিব লৈ বৈ গ'ল। বাহিৰত এজাক কিন্‌কিনিয়া বৰষুণ। বৰষুণ জাকৰ মাজেৰে বৈ অহা শীতল এজাক বতাহে তাৰ সৰ্ব্বশৰীৰ কপাই তুলিলে। খিড়িকীৰ পৰ্দাখন দাঙি দূৰৰ ডি, চি, বাংলোৰ পাইন গছৰ শাৰীবোৰলৈ চায় বিগত পঁচিশটা বছৰৰ টুকুৰা টুকুৰকৈ ভাগি পৰা সপোনবোৰ আকৌ জোৰা দি চাবলৈ মন গ'ল অনিমেষৰ। অনিমেষৰ মনৰ মাজত ছুৰ্ব্বাৰ উৰ্ম্মিমালাই আকৌ উক দি উঠিল।

মাকলৈ এইখন চিঠি লিখাৰ আগতে জীৱনৰ পোৱা নোপোৱা জমা-খৰচখন পুনৰ কৰি চাবলৈ মন গ'ল অনিমেষৰ। সুদীৰ্ঘ পঁচিশটা বছৰে সময়ৰ কোবাল সোঁতত উভতি বুৰি আছি, সংগ্ৰাম মুখীৰ জীৱনটোকে সুখৰ বুলি অতিক্ৰম কৰি দি আজি কি পালো বা কি নাপালো এই ছুই প্ৰশ্নৰ দোমোজাত অনিমেষৰ মনটো বিভ্ৰান্ত হৈ পৰিল।

মানুহৰ জীৱনত এটা সময় আছে যিটো সময়ত আমি সংসাৰৰ দায়িত্ববোধ ৰোলা

বস্তুটোৰ মূল বুজিবলৈ টান লাগে। কিন্তু সেই দায়িত্বৰ কথা কল্পনা নকৰো বুলি ভাবিলেও নিজৰ নিজৰ জীৱনলৈ নাহক বুলি ভাবিলেও সময়ৰ দাবীক মানুহে প্ৰত্যাখান কৰিব নোৱাৰে। সেয়েহে অনিমেষ দুৰৰাইও আজি বাতৰেমাৰত ভূগি থকা মাকৰ ভবিষ্যতটোৰ কথা ভাবি অন্ততঃ কিবা এটা কৰিব লাগিব বুলি শান্তনা স্বৰূপে সিদিনা মাকৰ পৰা পোৱা চিঠিখনৰ উত্তৰ লিখিবলৈ লৈ বৈ যাব লগাত পৰিল। অনিমেষৰ মনত বহুতো প্ৰশ্নই জুমুৰিদি ধৰিলেহি। যোৱা পঁচিশটা বছৰত সি বহুতো প্ৰশ্নৰ সমাধান কৰি আহিল; কিন্তু আজি নতুনকৈ উদ্ভৱ হোৱা এটা প্ৰশ্নৰ সমাধান বিচাৰি অনিমেষে তাৰ বিগত দিনৰ জীৱন ডায়েৰিৰ পাত মেলিব লগাত পৰিল। মাকে জানো অনিমেষৰ চিঠিখনৰ উত্তৰটো সহজ ভাবে ল'ব পাৰিব? তাৰ বাৰবছৰীয়া ভনীয়েক জনীৰে বা ভবিষ্যত কি হ'ব! ভনীয়েক জনীক দুই শ্ৰেণীমান পঢ়াই শিক্ষিত কৰি তুলিম বুলি ভৰা ভাৱনা বিলাকো আজি লুপ্ত হৈ যাব খোজে। কিন্তু এনে এটা অৱস্থা হব বুলিটো সি আগেয়ে কেতিয়াও ভাবিব পৰা নাছিল। ভৰা নাছিল অনিমেষৰ পৰিয়ালে আৰু ভৰা নাছিল অনিমেষ দুৰৰাৰ হোজা গঞা সমাজে। কিন্তু তেনে এটা দুৰৱস্থা অনিমেষৰ জীৱন আকাশলৈ অজানা ভাবেই নামি আহিল, কক্ষচ্যুত হৈ ওফৰি অহা এটি উল্কাৰ দৰে।

অনিমেষৰ মনৰ পৰ্দাত ভাঁহি উঠিল তাৰ মাকৰ অসহায়া দুটি করুণ চকু আৰু সৰু ভনি জনীৰ পূৰ্ণিমা জুনৰ দৰে উজ্জল হাঁহিটো ক্ৰমান্বয়ে শেঁতা পৰি যোৱা মুখখন।

অনিমেষে মেট্ৰিক পাছ কৰাৰ পাচৰ কথা। হাইস্কুলৰ দেউনা পাৰ হোৱাৰ পাচত অনিমেষৰ আৰু পঢ়া নহব বুলিয়েই ভাবিছিল। কিন্তু একমাত্ৰ সন্তান কাৰণে মাক-দেউতাকে অনি-মেষক পঢ়াবলৈ বিচাৰিলে। তাৰ দেউতাকে বুজিছিল কলেজত পঢ়ালে ঘৰত মানুহ নাইকীয়া হোৱাৰ ওপৰিও উপাৰ্জনো বেচি লাগিব, কিন্তু দেউতাকে এইটোও বুজিছিল যে অনিমেষক যদি আৰু দুই শ্ৰেণীমান পঢ়াব নোৱাৰে তেন্তে তেওঁ নিজৰে জীৱনত সুখ নেপাব। সেয়েহে তেওঁলোকে অলেখ কষ্ট কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। নিজৰ জীৱনৰ প্ৰতিও লক্ষ ৰাখিবলৈ পাহৰি পেলাইছিল। মাত্ৰ ভাবিছিল এই কষ্টৰ ৰিনিময়ত এজন ডাঙৰ মানুহ পাব। ঘৰখনত কষ্ট নোহোৱাকৈ অন্ততঃ জীৱনৰ শেষ সময় কণত ক্ষন্তেক সুখেৰে খাই বহি জীৱনটো উপভোগ কৰিব পাৰিব।

এটা সময়ত অনিমেষে মনত আশা বান্ধি গুছি আহিল কলেজীয়া জীৱনৰ বহল মজিয়াখনলৈ। কলেজৰ আচহুৱা পৰিৱেশ, টাউনৰ সাজ-সজ্জা অনিমেষৰ প্ৰথমে ভাল লগা নাছিল যদিও পাচত সহজ হৈ যাব বুলি জানিছিল। সহজ হৈ গলও। ভাল

লাগিছিল কলেজৰ বামধেনু ৰঙৰ দিনবোৰৰ লগত নিজকে খাপখুৱাই। হাইস্কুলৰ দেউনা পাৰহৈ আহি বৰ্ণালিৰ ৰহণেৰে বুলোৱা কলেজৰ এইখন বহল পৃথিবীত নিজকে বিলীন কৰি দি ভাল লাগিছিল অনিমেষৰ দৰে আন বহুতৰে। অনেক সপোন অনেক কল্পনাৰ ভীৰ। "যেন এটি বনগীত"। নিজৰ ভবিষ্যতৰ সোণালী দিনৰ সপোন দেখি দেখি পাৰ কৰা এই কলেজীয়া জীৱনৰ দিনবোৰ অনি-মেষেও পাৰ কৰি দিছিল হাঁহি হাঁহি, আন বহুত জনে কৰাৰ দৰে। ইয়াত আছে এক বেলেগ ব্যস্ততা। এক ক্লমান্তিক ব্যস্ততা। বয়ফ্ৰেণ্ড, গাৰ্লফ্ৰেণ্ড আদিৰ কথাক লৈ ব্যস্ত হৈ পৰিছিল অনিমেষ, মণ্টু, অজিতাত, নিপেণ, বীৰেণ, বৰেন্দ্ৰহঁত! কলেজখনৰ একাষে থকা বোটানিকেল ডিপাৰ্টমেণ্টৰ কাষৰ বহল পুখুৰী টোৰ পাৰত বহি ঘণ্টা ধৰি ঘণ্টা কথা পাতি থকা আবেলি বন্ধুবোৰৰ মুখবোৰলৈ চাই অনিমেষ ছুৱৰাই ভবাৰ দৰে আন বহুতে ভাবিছিল—পৃথিবীৰ মানুহৰ জীৱনত যদি সুখ আছে তেন্তে এই কলেজীয়া জীৱন-টোতেই আছে!

ইয়াৰ পাচতেই আহিছিল অন্য এক ব্যস্ততাৰ দিন। অসমৰ বিদ্যালয়, মহাবিদ্যা-লয়ৰ চৌহদবোৰ কঁপি উঠিছিল অন্যএক উত্তেজনাৰ জোকাৰণিত; বহুদিন বৰষুণৰ বিৰতিত হঠাৎ এজাক যেন ধুমুহা আহি গ'ল। অনিমেষ, প্ৰশান্ত, মণ্ট বীৰেণ, মিনু, হাচনা, অজিতা, ঈস্কাকী, প্ৰক্ষিপ্তাহঁতে 'লিড' দিছিল সমগ্ৰ ছাত্ৰ-ছাত্ৰীক; আন্দোলন, পিকেটিং, ধৰ্ম্মঘটৰ আগভাগ লৈছিল অনি-মেষহঁতে। এইয়া যেন কলেজীয়া জীৱনৰ অন্যএক পেশা। বুকুৰ মাতৃষাৰিক কাঢ়ি নিব বিচৰাসকলৰ বিৰুদ্ধে অভিযান। ভাষা আন্দোলন। বহুতে টালি-টুপোলা বান্ধি টাউনৰ উত্তপ্ত পৰিস্থিতিৰ হাত সাৰিবলৈ গুচি গ'ল গাৱঁলৈ। সেইদৰে বৈ গ'ল বহুত। অনিমেষহঁতে ভবাৰ দৰে বহুতেই ভাবিছিল সকলো কথা বাদ দিও আন্দোলনত জপিয়াবই লাগিব, নহলে মুখৰ মাতৃষাৰিক যদি হেৰুৱাই লোৱা হয় তেন্তে নিজৰ ঘৰতেই বেদুইন হৈ যাব লাগিব।

এটা সময়ত সেই আন্দোলনো শান্ত হৈ গ'ল। আহিল খাদ্য সমস্যা, ছুৰ্নীতি। নিজৰ দেশত উৎপন্ন হোৱা বস্তু জুই-চাই দাম। বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ছুৰ্নীতি নিবাৰণৰ কাৰণে কৰা চৰকাৰৰ নিয়মাৱলী, বক্তৃতাৰ ফুলজাৰি, ব্যৱসায়ৰ উন্নত কৌশল। অনিমেষহঁতে কিন্তু এইবোৰৰ প্ৰতি কোনো লক্ষ্য নাৰাখিছিল। ছুৰ্নীতি নিবাৰণৰ কাৰণে তেওঁলোকে উঠি পৰি লাগিছিল। নিজৰ অধ্যয়নৰ কথাটো তেতিয়া কোনেও চিন্তা কৰিবলৈ অৱকাশ পোৱা নাছিল। অনিমেষ হঁতে ভাবিছিল, বৰ্ত্তমান আমি যেনেদৰে পূৰ্ব্ব-পুৰুষ সকলক প্ৰাপ্য বঞ্চিতৰ কাৰণে ক্ষমা কৰিব পৰা নাই ঠিক তেনেদৰে আমাৰ উত্তৰ

পুৰুষ সকলেও দেশৰ সমস্যাত মূৰ সোমাই মূৰ ঘোলা কৰিলে আমিও ক্ষমাৰ পাত্ৰ নহম। সেয়েহে অনিমেষ, অজিতাভ, প্ৰশান্ত, মিন্টু, ইহঁতে অধ্যয়নৰ কথা পাহৰি আন্দোলন কৰিছিল।

" মানুহৰ সকলো আন্দোলনেই যে সাফল্যমণ্ডিত হব এনে প্ৰতিশ্ৰুতি কোনেও দিব নোৱাৰে "। অনিমেষহঁতে বুজিছিল দুৰ্নীতি, খাদ্য-সমস্যাৰ কাহানিও নিৰ্মুল কৰিব নোৱাৰে যদিও আন্দোলন কৰি যোৱাটোৱেই মানুহৰ বিশেষ কৰ্ত্তব্য। কিন্তু দৃঢ়মত আৰু দৃঢ়সংকল্পৰ বলত ভাষা আন্দোলনৰ পৰিণতিত অনিমেষহঁতে জয়ৰ ধ্বনি শুনিছিল। ইতিসাহৰ বুকুত এক সৰল পদক্ষেপৰ স্বাক্ষৰ বহন কৰিবলৈ সিহঁতে সন্মত হ'ল। কিন্তু নিজৰ জীৱনৰ ইতিসাহত সেই সৰল পদক্ষেপ অনিমেষে অঙ্কন কৰিব নোৱাৰিলে। নোৱাৰিলে অনিমেষৰ দৰে আৰু বহুতে। স্নাতক শেষ পৰীক্ষাৰ ৰিজাল্ট ওলাল। এয়া জীৱন সংগ্ৰামৰ শেষ প্ৰশ্নৰ সাঁকো। বহুতে এই সাঁকোৰ ওপৰেদি পাৰহৈ গ'ল। বহুতে নিজৰ কপালকে দোষী বহি ৰ'ল আৰু এটা বছৰৰ প্ৰতীক্ষাত বুকুত ক্ষীণ আশা লৈ। অনিমেষ জয়ী হ'ল যদিও অতি দুখ লগা ভাবে। সেইদিনা অনিমেষে দুখ কৰা নাছিল। মাথো ভাবিছিল। নিজকে জীৱন সংগ্ৰামত বিলীন কৰি নিজৰ বলতেই জয়ী হব পৰাত বহুত সুখ, আনন্দ আছে।

বেৰৰ কেলেণ্ডাৰখনৰ কেইবাখনো পাত ইতিমধ্যে লুটি খাই গৈছিল। গতানুগতিক ভাবে অনিমেষে পাৰ কৰিছিল দিনবোৰ। কলেজীয়া ব্যস্ততা জীৱনবোৰ শেষ হৈ আহিছিল। লাহে লাহে সেইবোৰ স্মৃতিৰ বুকুত বিলীন হৈ গৈছিল। মন্টু, অজিতাভহঁতে দায়িত্ব বুজি নিজৰ কৰ্ত্তব্য বাচি লৈছিল। কিছুমানে দেউতাকৰ উত্তৰাধিকাৰী সুত্ৰে পোৱা চৰকাৰী চাকৰি কৰিছিল। কিছুমানে উচ্চ শিক্ষাৰ কাৰণে ইউনিভাৰচিটিত এডমিশ্বন্ লৈছিল। হাচনাৰ বিয়াহৈ দাম্পত্য জীৱন আৰম্ভ কৰিছিল। মীনা, মীগাক্ষী গৈছিল দাৰ্জিলিংলৈ জলবায়ু পৰিবৰ্ত্তনৰ কাৰণে। কিছুমানে অ'টো চলাব ললে। ক'ৰবাত টেক্সী ড্ৰাইভাৰ। কিছুমান হ'ল বাছৰ কণ্ডাক্টৰ। বহুতে চাকৰি বিচাৰি অফিচে অফিচে ঘুৰিবলৈ ধৰিলে, ইণ্টাৰভিউ দি কিছুমানে ৰিজাল্টলৈ আশা পালি আছে। আৰু বহুতে চাকৰি কৰি জীৱনৰ ভবিষ্যতৰ কথা চিন্তা কৰি আছে। এটা সময়ত এনেকৈয়ে কলেজীয়া জীৱনৰ ক্ৰমান্তিক ব্যস্ততা দিনবোৰৰ সমাধি ঘটিছিল।

কিন্তু অনিমেষে নিজকে সেই সকলোবিলাকৰ পৰা অলপ বেলেগ যেন অনুভৱ কৰিলে। সকলোবিলাকৰ পৰা সি যেন ব্যতিক্ৰম লৈ ৰ'ল। দাৰ্জ্জিলিঙলৈ জলবায়ু পৰিবৰ্ত্তন বিচাৰি এনজইমেণ্টৰ কাৰণে অনিমেষ যাব নোৱাৰে। উত্তৰাধিকাৰী চাকৰি

কৰিবলৈ অনিমেষৰ দেউতাকে চৰকাৰী চাকৰি কৰা নাছিল। টেক্সী, অ'টো চলাবলৈও মানুহ অলেখ। কিন্তু অন্ততঃ জীয়াই থাকিবৰ কাৰণেইটো কিবা এটা কৰিব লাগিব। নহলে জীৱনৰ মূল্য থাকিব ক'ত। অনিমেষে মনটোক সৰল ভাবেৰে বুজাবলৈ চেষ্টা কৰিছিল, এইখন ব্যস্ত পৃথিৱী, কাজেই তাত ব্যস্ততাতে জীৱন ৰচনা কৰিব লাগিব। পৰমুখাপেক্ষী এটি মন লৈ নিচিন্ত মনে শুই থাকিলে নিজকে বিচাৰি পাবলৈ টান হ'ব ......

কিন্তু সিদিনা অকস্মাতে পোৱা মাকৰ চিঠিখনে অনিমেষৰ মনটো দুৰ্ব্বল কৰি তুলিলে। ভাৰাক্ৰান্ত মাকৰ অসহায় মুখখনে অনিমেষৰ মনৰ পৰ্দাখনত বাৰে বাৰে শেঁতা এটি হাঁহিৰে দেখা দিলেহি। তাৰ মাকে জানো ইয়াকেই সপোন দেখিছিল! সুদীৰ্ঘ পঁচিশটা বছৰত অনিমেষে তাৰ পৰিয়ালক কি দিব পাৰিলে! শান্তি নে সামৰ্থ্য। অনিমেষৰ মনটো বেদনাৰে উপচি পৰিল। আজি দুবছৰৰ আগতে কেন্সাৰ বেমাৰত মৃত্যু হোৱা দেউতাকৰ এজন পেটমচা সন্তানক কেন্দ্ৰ কৰি কৰা সপোনবোৰ সি হয়তো পূৰ কৰিব নোৱাৰিলে, সৰু ভনিজনীক দুই শ্ৰেণীমান পঢ়াই শিক্ষিত কৰিব নোৱাৰিলে যে সি দেউতাকৰ ওচৰত সদায় অপৰাধী হৈ ৰব; তাৰ মৃত দেউতাকৰ আত্মাই হয়তো তাক কাহানিও ক্ষমা কৰিব নোৱাৰিব।

অনিমেষে অনুভৱ কৰিলে এটা ডাঙৰ পৰিবৰ্ত্তন লাগে। পৃথিৱীৰ শোষণ শ্ৰেণীক নিৰ্ম্মূল কৰিবলৈ, অনিমেষহঁতৰ দৰে দুখীয়া সমাজে গণতান্ত্ৰিক দেশত সমান মানুহৰ মৰ্য্যাদা পাবলৈ এটা নতুন দিনৰ প্ৰয়োজন হৈ পৰিছে; বীৰেণ, অজিতাত প্ৰশান্তহঁত যাওক; বিক্সা অ'টো, টেক্সী চলাই জীৱন ধাৰণ কৰক। মীনা, মীণাক্ষী দাৰ্জ্জিলিঙ যাওক। জলবায়ু পৰিবৰ্ত্তন কৰিবলৈ দাৰ্জ্জিলিঙ নেলাগে চুইজালেণ্ড যাওক, জলবায়ু নেলাগে দেহাও পৰিবৰ্ত্তন কৰক তাত কোনো আক্ষেপ নাই অনিমেষৰ। কিন্তু অনিমেষ দুৰৰাৰ মাকে দিয়া চিঠিখনৰ এটা কথাই তাক ভবাই তুলিলে। কিবা এটাটো কৰিব লাগিব জীয়াই থাকিবলৈ। বাত-বেমাৰত ভুগি থকা মাকজনীৰ জীৱনটোৰ কথাওটো ভাবিব লাগিব। অনিমেষে কলম ডালৰ মুখটো খুলি চিঠিখন কি বুলি মাকলৈ লিখি পঠিয়াব তাকে ভাবি খিৰিকীৰ পৰ্দাখন দাঙি দিলে। বৰষুণজাক পাতলিছে। ডাৱৰ বিলাক আঁতৰি গৈছে যদিও আকাশখন নিৰ্মল হোৱা নাই। দূৰৰ ডি, চি, বাংলোৰ পাইন গছবোৰ শাৰী শাৰী কৈ নিৰ্ব্বিকাৰ ভাবে ঠিয় দি আছে। অনিমেষে অনুভৱ কৰিলে—তেওঁলোকৰ জীৱনবোৰ যেন সেই পাইন গছৰ শাৰীৰ দৰে নিৰ্ব্বিকাৰ, বতাহ আহিলে লৰে নহলে একে ভাবেই ঠিয় হৈ থাকে।

প্ৰবন্ধ ]

# আমাৰ গ্ৰন্থাগাৰ আৰু ইয়াৰ সমস্যা

: পুণ্যধৰ ৰাজখোৱা :
গ্ৰন্থাগাৰীক

[ এই প্ৰবন্ধত গ্ৰন্থাগাৰীক ৰাজখোৱাদেৱে আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটোৰ বিভিন্ন সমস্যা বিলাকৰ চমু পৰিচয় দাঙি ধৰিছে। এনেতৰ প্ৰবন্ধৰ যোগেদিয়েই আমাৰ ছাত্ৰ-ছাত্ৰীসকলে গ্ৰন্থাগাৰটো কেনেদৰে গ্ৰহণ কৰিছে আৰু ইয়াৰ ভিতৰ ফালটোৰ অৱস্থা কেনেকুৱা ভালদৰে অৱগত হ'ব পাৰিব বুলি মোৰ বিশ্বাস। আৰু ইয়াত দাঙি ধৰা সমস্যাৱলীৰ সমাধানৰ ক্ষেত্ৰত যিবিলাক উপায় লেখকে দাঙি ধৰিছে সেই বিলাক আংশিক ভাৱেহলেও যদি ভবিষ্যতে পুৰণ কৰে তেন্তে আমাৰ গ্ৰন্থাগাৰটোৰ সমস্যা আৰু ইয়াৰ আসোঁৱাহ. বোৰ নিৰ্মুল হ'ব বুলি আশা কৰিলো। : সম্পাদক : ]

আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ বিলাকত সাধাৰণতে তিনি শ্ৰেণীৰ পঢ়ুৱৈ সমাজৰ লোকক লগপোৱা যায়। এক শ্ৰেণীৰ লোকে আলমাৰীৰ খলপাত্ সজাই ৰখা কিতাপ বিলাকৰ কাষলৈ গৈ ভাললগা কিতাপখন উলিয়াই আনি ক্ষন্তেক চাই আকৌ আগৰ ঠাইতে সুমুৱাই ৰাখে। আনসকলে কোনো এখন নিৰ্দিষ্ট কিতাপ বিচাৰি আহি ঘৰলৈ নি পঢ়ি চোৱাৰ ইচ্ছা প্ৰকাশ কৰে। আৰু অন্য এসকললোকে উদ্দেশ্য বিহীন ভাবে আহি ইফালে সিফালে ঘুৰিপকি চাই গুচি যায়। আৰু বহুতো অধ্যাপকৰ বিশেষ বিষয়ৰ ওপৰত গৱেষণাৰ কাৰণে প্ৰয়োজন হোৱা পুথি সকলো সময়তে নিজে ক্ৰয় কৰি ল'ব পৰাৰ ক্ষমতা নেথাকে আৰু সেই কথা সন্তৱো নহয়। গতিকে অতি উৎসাহেৰে কোনো গ্ৰন্থাগাৰৰ সহায় বিচাৰে।

বৃহৎ ছাত্ৰ সমাজৰ দান বৰঙনীৰ ওপৰত গঢ়ি উঠা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সমূহলৈ ছাত্ৰ সমাজৰ দুৰ্ব্বোধ্য কিছুমান পুথি সংগ্ৰহ কৰাতো যুক্তি সঙ্গত নহয় বুলি অনেকে ভাবে। গতিকে সেই বিষয়ত কেতিয়াবা গ্ৰন্থাগাৰীক সকলৰ চিন্তাৰ বিষয় হৈ

পৰে। বহুতো সময়ত দেখা যায় যে নিজৰ পাঠ্যপুথি কেইখনৰ বাহিৰে এনেবিলাক গ্ৰন্থাগাৰত সংগৃহীত হোৱা সৰহ সংখ্যক পুথিয়েই উচ্চমানৰ হোৱাৰ কাৰণে ছাত্ৰৰ বুজাত কঠিন হয়। আমাৰ মহাবিদ্যালয় বিলাকত জুৰণিৰ বাবে বখা উমৈহতীয়া কোঠা (Common Room) বিলাকত আধুনিক সা-সুবিধাৰে পৰিপূৰ্ণ নোহোৱাৰ কাৰণে অনেকজন পঢ়ুৱৈ গ্ৰন্থাগাৰ বিলাকলৈকে আহি সেইকণেই জুৰণিৰ বা শান্তিৰ ঠাই বুলি বিবেচনা কৰে। সেয়েহে বহু বিষয়ৰ আলোচনী, মন জুৰাব পৰা চিত্ৰ - বিচিত্ৰ কিছু সংখ্যক লঘু আলোচনী, কেইখন মান দৈনিক খবৰকাগজৰ প্ৰয়োজন হয়। কোনো জনে কাৰোবাৰ লগত দু-আষাৰ কথা পাতিব, ভাল লগা জনক লগ পাব ইত্যাদি। কোনোজন বন্ধু বা অধ্যাপকে গ্ৰন্থাগাৰত সোমাই অধ্যয়নত থাকিলে তেখেত সকলৰ অধ্যয়নত যে ব্যাঘাত জন্মোৱা হয়, সেই বিষয়ে তেওঁলোকে কোনো চিন্তা কৰাৰ প্ৰয়োজন বোধ নকৰে। এনেবিলাক কু-অভ্যাস আঁতৰ কৰি সুপৰিকল্পিত ভাবে এখন গ্ৰন্থাগাৰ পৰিচালনা কৰিবলৈ আৱশ্যকীয় খৰছৰ যোগান লাগে। সু-পৰিকল্পিত উন্নত গ্ৰন্থাগাৰবোৰত দেখিব শতাধিক পঢ়ুৱৈ একেলগে একেসমানে বহি মনোযোগেৰে পঢ়ি থকাত ব্যস্ত।

আকৌ পঢ়ুৱৈ সমাজৰ বহুতো লোকে এখন কিতাপ কেনেবাকৈ হাতলৈ আনিব পাৰিলে, তেওঁৰ প্ৰয়োজন হোৱাৰ কাৰণে অনিৰ্দিষ্ট কালৰ বাবে ৰাখি থোৱাতো স্বভাৱগত কথা। সেই একেখন পুথি অন্য এজনেও যে পঢ়িবৰ কাৰণে বৈ থাকে সেই কথা চিন্তা নকৰে। "কিতাপখন অনা হ'ল। আৱশ্যক হ'লে লৈ যাব। থওক পৰি"। "যদি পুথি কেইখন কিনিয়েই ল'বলগীয়া হয় লাইব্ৰেৰীটো কিয় লাগে"? কিছুদিনৰ পাচত দেখিব সেই একেখন কিতাপকেই সেই একেজন লোকেই আকৌ বিচাৰি ওলাবহি। "সেইখন পুথি আপোনাৰ হাততেই আছে। ইমান তাৰিখত দিয়া হৈছিল। "ওহো, মোৰ হাতত নাই কিন্তু। নিছিলো যদি ঘুৰাই দিছো"। কিছুদিনৰ পাচত আকৌ এদিন ওলাবহি—"ইয়ে মোৰ ভুল হৈছিল, কিতাপখন মোৰ পৰা এজনে নিছিল, মই পাহৰি গৈছিলো। এই খনেই...you please cancel it." বহুত ধন্যবাদ।

শিক্ষক সকলক ছাত্ৰৰ পাঠ্যপুথিৰ পাঠ বুজাত সহজ কৰিবৰ কাৰণে কোনো বিশেষ বিধান থকা পুথিৰ (Reference Book) প্ৰয়োজন হয়। নিয়মৰ বাহিৰত চলা গ্ৰন্থাগাৰ বিলাকত এনে ধৰণৰ পুথিৰেই উপচি পৰে। এই পুথিবিলাক আহি পোৱাৰ লগে লগেই তেখেত সকলক স্থায়ীভাবে ধাৰলৈ দিয়া হয়। অথবা সাধাৰণতে যেনে ভাবে ধাৰলৈ দিব লাগে তেনে ভাবেৰেই দিয়া হয় আৰু সেই বিলাক পুথি সোনকালে ঘুৰাই পাবলৈও আশা কৰিব নোৱাৰি। গ্ৰন্থাগাৰৰ কিছুমান নিয়ম বান্ধি দিলেই যে তেখেত সকলৰ অসুবিধা দূৰ হ'ব সেই কথা ভবা ভুল। গ্ৰন্থাগাৰলৈ সেই একে কিতাপৰ যদি ছয়খনকৈও কিনা হয় আৰু সেই কিতাপ বিলাক কেনেকৈ ধাৰলৈ দিয়া হৈছে সেই কাৰ্য্য গ্ৰন্থাগাৰীক জনে যত্ন সহকাৰে নেচাই তেতিয়া হলেও সেই সকলো কেইখন কিতাপেই একেজন শিক্ষকৰ আলমাৰীত সোমাবগৈ নোৱাৰে এই কথা গ্ৰন্থাগাৰীক জনে কেতিয়াও সঠিক কৈ ক'ব নোৱাৰে। আৰু যদি গ্ৰন্থাগাৰীকে গ্ৰন্থাগাৰৰ কট্ - কটীয়া বান্ধোনৰ ভিতৰত থাকিবলৈ চেষ্টা কৰে আৰু কয়

যে শিক্ষকসকলৰ লগত ৰখা পুথি বিলাকৰ সকলো সময়তে লগৰীয়া হিচাপে প্ৰয়োজন নাই, তেনে-হ'লেও তেওঁ বিভাগীয় গ্ৰন্থাগাৰ উদ্দেশ্যৰ বিৰোধিতা কৰা হয়। সেই কাৰণে, যি পৰা যায়, তেনে-বিলাক পুথি বিভাগীয় ধনৰপুঁজিৰ পৰাই কিনি লোৱাৰ আৱশ্যক। এনে কোনো নিয়ম কৰিলেও স্থায়ী ভাবে অৰ্থাৎ বহুদিনলৈকে গ্ৰন্থাগাৰৰ পুথি ৰাখি থোৱা হয়। কাৰণ বহুতো পুথি শিক্ষকসকলে নিজৰ কাৰণে বুলিয়েই অনোৱাই। অনেকজন শিক্ষকৰ পৰা আকৌ ধাৰে দিয়া পুথি ঘূৰাই পোৱাৰেই মস্কিল্। যি কি নহওক এই সকলো বিলাক বিষয় গ্ৰন্থাগাৰীকজনৰ সবল আৰু ঐকান্তিক নৈতিক চেষ্টাৰ ওপৰতেই নিৰ্ভৰ কৰে। গ্ৰন্থাগাৰীক জনে সকলো সময়তেই এই সকল লোকক সহায় কৰিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিব লাগে।

অনেক সময়ত দেখা যায় যে মহাবিদ্যালয়ৰ পঢ়ুৱৈ সমাজ নিজৰ পাঠ্যপুথিৰ ভিতৰতেই আৱদ্ধ থাকিব লগীয়া হয়। অধ্যক্ষ অধ্যাপক সকলৰ গ্ৰন্থা-গাৰৰ প্ৰতি আগ্ৰহ নথকাই ছাত্ৰ সমাজৰো আগ্ৰহ নথকাৰ মূল কাৰণ হয়। তেখেত সকলে ছাত্ৰ সকলৰ ওপৰত ইমানেই কাম জাপি দিয়ে যে তেওঁলোকৰ জ্ঞানৰ পৰিসৰ বঢ়াবৰ কাৰণে বাস্তৱ জীৱনত লাগতিয়াল্ বাহিৰা কিছু জ্ঞানৰো যে আৱশ্যক হয় সেই বিষয়ে চিন্তা কৰিবৰ অৱকাশ নাথাকে। "লাইব্ৰেৰীৰ কিতাপ পঢ়িবলৈ আমাৰ সময় নাই। আমি Text book কেইখনকে পঢ়িবলৈ সময় নেপাওঁ"। সেই সকলে কি পঢ়িব বা কি নপঢ়িব সেই বিষয়ে কোনো চিন্তা নকৰাকৈ ইখন সিখন পাঠ্যপুথি বিচাৰি কোনো অভিজ্ঞ শিক্ষকে লিখা একোটা প্ৰশ্নোত্তৰ পালে তাৰেই উদ্ধৃতি লৈ পুণৰাবৃত্তি কৰে। এই সময়তে তেওঁলোকক কোনো উপদেষ্টাৰ আৱশ্যক হয়। এই সময়তে কোনো অনুসন্ধানকাৰীয়ে তেওঁ বিচৰা পুথিখন বিচাৰি দি তেওঁৰ প্ৰয়োজন হোৱা প্ৰশ্নোত্তৰ কেইটা লৈ আঙুলিয়াই দিয়া হয়। তেতিয়া ছাত্ৰজনে তেওঁৰ লাগতিয়াল্ প্ৰশ্নোত্তৰ কেইটা তুলি লোৱাৰ পাচত সেই পুথিখন পঢ়াৰ কোনো আৱশ্যক অনুভৱ নকৰে। কিন্তু ইয়াৰ পৰা তেওঁৰ উপকাৰ কি হ'ল, চিন্তা কৰিবলগীয়া বিষয়।

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰীক সকলে এনে অনেক ধৰণৰ অনেক পঢ়ুৱৈৰ সংস্পৰ্শলৈ আহে। সাধা-ৰণতে একোখন মহাবিদ্যালয়ত এবছৰৰ পৰা চাৰি বছৰলৈকে একোজন ছাত্ৰ অধ্যয়নত থাকে। প্ৰায় সকলো ক্ষেত্ৰতে এই সকল ছাত্ৰৰ একমাত্ৰ ধ্যান থাকে পৰীক্ষাত সুখ্যাতিৰে উৰ্ত্তীণ হ'ব পৰাতো। কাৰণ পিচৰ জীৱনৰ কৰ্ম্ম ক্ষেত্ৰত পৰীক্ষাত উৰ্ত্তীণ হোৱা প্ৰমাণ পত্ৰৰ প্ৰয়োজন হয় তেওঁলোকৰ। অনেক বয়সস্থ পুৰুষ বা মহিলায়ো নিজৰ উন্নতিৰ কাৰণে নিজৰ সুবিধা অনুযায়ি দিনতেই হওক বা নিশাতেই হওক, মহাবিদ্যালয়ত ভৰ্ত্তী হয়। এই সকল লোকৰ বহুতেই গ্ৰন্থাগাৰৰ লগত সম্বন্ধ নেৰাখে। অনেক জনে আকৌ ৮/১০ মাইল দূৰৈৰ পৰা পঢ়িবলৈ আহে। গতিকে শেষৰ ছুটীৰ ঘণ্টা কোব পৰাৰ লগে লগেই ততাতৈয়াকৈ ঘৰলৈ ঢাপলি মেলে। তদুপৰি লেঠাৰিকৈ ক্লাচ বিলাক হোৱাৰ কাৰণে তেওঁলোকে মাজভাগতো গ্ৰন্থাগাৰলৈ যাবৰ বাবে সময় উলিয়াব নোৱাৰে।

ছাত্ৰ সকলে কি বিচাৰে। তেওঁলোকৰ প্ৰথম ও প্ৰধান কথা হ'ল, তেওঁলোকৰ শিক্ষাত সহায়ক হ'ব পৰা সা-সুবিধাৰ যোগান লাগে। সৰল কথাত

কৰলৈ গলে তেওঁলোকক পৰীক্ষাত উৰ্ত্তীণ হ'ব পৰাত সহায় হোৱা অনেক বস্তু লাগে। এই ক্ষেত্ৰত গ্ৰন্থাগাৰীক বিলাকে ছাত্ৰ সকলক বচা বচা কিছুমান সাধাৰণ জ্ঞানৰ পুথিৰ যোগানেৰে উৎসাহিত কৰিব লাগে। বৰ্ত্তমান সময়ৰ সমস্যাৱলী, সাহিত্য জীৱনী, বুৰঞ্জী, শিল্প, কলা, বাণিজ্য, বিজ্ঞান জগতৰ মূল ভেটি। এই বিলাক বিষয়ত বহুতো নিদৰ্শন পুথিৰ আৱশ্যক হয়। অভিধান, বিশ্বকোষ, মানচিত্ৰ নিৰ্ঘন্ট, পঞ্জীকা ( Directoris ), হেণ্ডবুক ইত্যাদি। গ্ৰন্থাগাৰীক সকলে এই ছাত্ৰ পঢ়ুৱৈ সমাজৰ লগত পোনপটীয়া সংস্পৰ্শ লৈ আহিব লাগে আৰু কাৰ্য্যতঃ সকলো পুথি, আলোচনী, পুথিৰ তালিকা, ছবি, নিৰ্ঘন্ট ইত্যাদি গ্ৰন্থাগাৰৰ মূল বস্তুবিলাক দেখুৱাব পাৰিব লাগে। তদুপৰি নিৰলে পঢ়া শুনা কৰিব পৰাৰ সুবিধা খিনিও দিব পাৰিব লাগে। কিন্তু গ্ৰন্থালয়টো উমৈহতীয়া জুৰণি কোঠা ( Common Room ) হিচাপে ব্যৱহাৰ নকৰিব, কাৰণ কোনো অসংলগ্ন কথাৰে লগৰ অন্যজনক আমনি দিয়া মৰ্য্যাদা হানীকাৰক কাৰ্য্য জুৰণি কোঠাৰ বাহিৰে গ্ৰন্থাগাৰৰ পঢ়া কোঠাত শোভা নাপায়।

গ্ৰন্থাগাৰ বুলিলে প্ৰধানকৈ গ্ৰন্থ বা পুথিৰ কথাই মনলৈ আহে। কিন্তু গ্ৰন্থৰ ওপৰিও আলোচনী, পুস্তিকা চৰকাৰী কামৰ সংক্ষেপ বিবৰণ, সমিতিৰ সংবাদ, চিত্ৰ প্ৰদৰ্শনী আদি, পাঠ্যক্ৰম পৰীক্ষা সম্বন্ধীয় বা-বাতৰি, বিদেশ ভ্ৰমণ, বৃত্তি, আদি বিষয়ৰ কাগজপত্ৰ ৰখা উচিত। তদুপৰি দেশী-বিদেশী Microfilms, Micro Cards আদিৰ ব্যৱস্থা থকাৰ দৰকাৰ। কিন্তু আমাৰ কিমানজনে গ্ৰন্থাগাৰৰ এনেবিলাক উপযোগী বস্তুৰ যোগান ধৰিব পাৰিছো সেয়া চিন্তাৰ বিষয়। গ্ৰন্থাগাৰৰ সৰ্ব্বতো প্ৰকাৰে উন্নতি সাধনৰ কাৰণে গ্ৰন্থাগাৰীক জনকেই সকলো দায়িত্বৰ ভাৰ দিয়া উচিত। কিন্তু দুখৰ বিষয় যে শিক্ষাধিকাৰ সকলেও এইসকল গ্ৰন্থাগাৰীকক "গুদাম ৰখিয়া" বা Store-keeper হে কৰি থৈছে। তেখেত সকলৰ কোনেও যেন গ্ৰন্থাগাৰৰ মান উন্নয়নৰ বাবে চিন্তা কৰা প্ৰয়োজন বোধ নকৰে। সেয়ে অসমৰ এই মহাবিদ্যালয় বিলাকৰ গ্ৰন্থাগাৰৰ উন্নতিৰ কোনো পথ আজি পৰ্য্যন্ত দেখুৱাব নোৱাৰিলে। যদি একোখন মহাবিদ্যালয় স্থাপনত গ্ৰন্থাগাৰটো অপৰিহাৰ্য্য অংগ বুলি ধৰা হ'য় তেনেহলে ইয়াৰ বাবে সজা ঘৰটোৰ নকল আগতে কৰি ল'ব লাগে। আমাৰ মহাবিদ্যালয় স্থাপনৰ সময়ত নিম্নলিখিত সকলো বিলাক নহলেও অন্ততঃ ইয়াৰ কেতবিলাকৰ বাবে যোগান ধৰিব পৰা ব্যৱস্থা আগতীয়াকৈ হ'ব লাগে।

(১) পঢ়াৰ কোঠা ( Reading Room ).
(২) পুথি সজাই ৰখা কোঠা ( Stock Room )
(৩) চলিত আলোচনী সমূহ ৰখা ঠাই আৰু সুবিধাজনক ভাবে বহিব পৰা ব্যৱস্থা থকা।
(৪) Bibliographis— আৰু অন্যান্য সামগ্ৰী যেনে—Map, Slide, microfilm, illastrated information files etc:
(৫) Stady Cannel,
(৬) Browing Room,
(৭) পঢ়ুৱৈৰ কাপোৰ চোলা আদি ৰাখিব পৰা কোঠা,—
(৮) হাত মুখ ধোৱা ঠাই,
(৯) Quicle Reference Room,
(১০) Catalogue,
(১১) কিতাপ অনা নিয়া কৰা ঠাই,
(১২) পুস্তিকাদি দেখুৱা ঠাই,

(১৩) নতুন কিতাপ দেখুৱা ঠাই,
(১৪) অনুসন্ধান দেস্ক,
(১৫) পুথি প্দৰ্শনী কোঠা,
(১৬) আলোচনা কৰা কোঠা,
(১৭) গ্ৰন্থাগাৰীকৰ কোঠা— (Office Room)
(১৮) কৰ্ম্মচাৰী সকলৰ কাম কৰা ঠাই,
(১৯) আৱশ্যকীয় কাগজ-পত্ৰাদি, Stationary, পঞ্জীভূক্ত কৰিবলৈ ৰখা কিতাপৰ ঠাই,
(২০) কৰ্ম্মচাৰী সকলৰ জুৰণীৰ কোঠা,
(২১) বিশেষ কামৰ বাবে আচুতীয়াকৈ ৰখা ঠাই— যেনে—Copy কৰা কাম ইত্যাদি।
(২২) সাধাৰণ কোঠা।

এই প্ৰত্যেক বিষয়ৰ কাৰণেই একোডোখৰি বেলেগ বেলেগ ঠাইৰ প্ৰয়োজন হয়। পঢ়া কোঠাৰ আয়তন পঢ়ুৱৈৰ সংখ্যা অনুপাতে হোৱা উচিত। এই অনুসৰি এজন পঢ়ুৱৈক কম পক্ষেও ৫"×৭" ইঞ্চি ঠাইৰ প্ৰয়োজন হ'য়। গ্ৰন্থাগাৰৰ পুথি ৰখা কোঠাৰ ভিতৰত পঢ়ুৱৈ সকল ইচ্ছামতে ইফালে সিফালে ঘুৰি পকি পুথি বিলাক পৰীক্ষা কৰি চোৱাৰ স্বাধীনতা থাকিব লাগে। গ্ৰন্থাগাৰৰ সেই কোঠাত কি কি কিতাপ আছে সেই বিষয়ে ইচ্ছুক ছাত্ৰ পঢ়ুৱৈ সকলক গ্ৰন্থাগাৰৰ তালিকা বিলাকলৈ আঙ্গুলিয়াই দিয়াই যথেষ্ট উত্তৰ নহয়। গ্ৰন্থাগাৰৰ কিছুমান মূল্যবান সম্পতি যেনে—থেচিচ, প্ৰভৃতি দুষ্প্ৰাপ্য পুথি আদি ৰখা কোঠাটো অৱশ্যে সাধাৰণৰ বাবে বন্ধ কৰি ৰখায়ে বাঞ্চনীয়॥

গ্ৰন্থাগাৰ পৰিচালনা কমিটি এখনৰ প্ৰয়োজন নোহোৱাটোৱেই বহুতে কামনা কৰে। কাৰণ অনেক সময়ত লাইব্ৰেৰী কমিটিখন সহায়ক হোৱাতকৈ প্ৰতিবন্ধকৰহে সৃষ্টি কৰে। তেওঁলোকে ভাবে যে বাহিৰা লোকৰ হাকবচন নহ'লে তেওঁলোকে বহুতো ভাল কাম কৰিব পাৰে। অৱশ্যে এইটো ঠিক যে গভীৰ চিন্তাৰ পুথি নিৰ্ব্বাচনীৰ ক্ষেত্ৰত এই কমিটি খনক দায়িত্বভাৰ দিলে কাৰ্য্যতঃ একোৱেই নহব। কাৰণ বহুতো সময়ত কিছুমান নতুন কিতাপৰ জৰুৰি আৱশ্যক হয়, আৰু গ্ৰন্থাগাৰীকে সেই কিতাপ আনিবলৈ পিছৰ কমিটি বহালৈ অপেক্ষা কৰিব নোৱাৰে। কিন্তু আনহাতে কমিটি খন স্থাপিত হলেই গ্ৰন্থাগাৰ আৰু মহাবিদ্যালয়ৰ মাজত যোগসূত্ৰ স্থাপন কৰে। এই কমিটিখনে অভিযোগ বিলাক প্ৰকাশ কৰিব পাৰে আৰু গ্ৰন্থাগাৰৰ দৈনন্দিন উন্নতিৰ কাৰণে নানা দিহা পৰামৰ্শ দিব পাৰে। ইয়াৰোপৰি নতুন কিবা এটা কাম হাতত লোৱাত কমিটিৰ সমৰ্থন গ্ৰন্থাগাৰীয় জনে নিশ্চয় ল'ব পাৰে আৰু লগতে আৱশ্যক অনুসৰি পুথি ধাৰলৈ লোৱা পঢ়ুৱৈৰ পৰা বহুত দিনলৈকে ৰাখি থোৱা পুথি বিলাক সংগ্ৰহ কৰাত কমিটিখনে নিশ্চয় সহায় কৰিব পাৰে।

পঢ়ুৱৈৰ সংখ্যা অনুপাতে গ্ৰন্থাগাৰৰ সহকাৰী কৰ্ম্মচাৰীৰ সংখ্যাও বঢ়াব লাগে। কিন্তু আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ বিলাকত কৰ্ম্মচাৰী সকলে অকলশৰীয়া ভাবে ইমান বিলাক কাম কৰিবলগীয়া হয় যে—অধ্যক্ষক তেওঁ কৰা কাৰ্য্যৰ আৱশ্যকতাৰ প্ৰমাণ দিবলৈ আৰু পৰিচালনা কমিটিক সেই সহকাৰীৰ আৱশ্যকতা বুজাবলৈকে অপাৰগ হৈ পৰে। এই ক্ষেত্ৰত সহকাৰীৰ ওপৰত গুৰুত্ব দিয়াটো অধিক মূল্যবান কথা। এখন মহাবিদ্যালয়ৰ সাধাৰণ গ্ৰন্থাগাৰৰ সহকাৰীয়ে সন্মুখীন হ'বলগীয়া কাম বিলাকৰ

(১) গ্ৰন্থাগাৰ মুকলি ৰখাৰ সময়ত পঢ়াৰ কোঠাত থকা কাগজ পত্ৰ, আলোচনী, আচবাব আদিৰ ওপৰত চকু দিয়া।

( অন্যথাই দহখন কাগজ দিলে গধূলিলৈ আপুনি হয়তো দুখনো নেপাব । আলোচনীৰ পাত, ছবি আদি নেথাকিব, আলোচনীও নোহোৱা হ'ব অথবা দেখিব আচ্-বাবৰোৰ কটাৰিৰে কাটি নাম লিখি ভৰাই পেলাব । )

(২) কিতাপ বিলাকত Book label, Book Card with label আদিৰে বাহিৰলৈ উলিয়াই দিবৰ কাৰণে সাজু কৰাৰ কাৰ্য্য ।

(৩) ঘূৰাই পোৱা কিতাপ বিলাক পঢ়ুৱৈৰ জনৰ হিচাবৰ পৰা কাটি পুনৰ আলমাৰীত সজাই ৰখা । (এই কাৰ্য্যই বহুতো সময় লয় । কাৰণ প্ৰতিবাৰেই চাব লগীয়া হয় পুথি খন নফটা নিচিটাকৈ আছেনে ? সময়ত ঘূৰাই পাইছে নে ? নিজৰ নামধাম লিখি নাইবা ছবি, পাত আদি একৰাই কিবা ক্ষতি সাধন কৰিছেনে ? ইত্যাদি । )

(৪) নিয়মিত দিনতকৈ অধিক কাল ৰখা পুথি বিলাক ঘূৰাই অনাৰ ব্যৱস্থা কৰিব লাগে ।

(৫) যি সকল পঢ়ুৱৈয়ে সহজে তেওঁলোকে বিচৰা পুথিখন বাচি উলিয়াবা নোৱাৰে, তেওঁলোকক সহায় কৰা ।

(৬) প্ৰতিদিনে যি বিলাক পুথিৰ আৱশ্যকতা আছে বুলি ভবা হয় তেনে বিলাক পুথি গ্ৰন্থাগাৰত নেথাকিলে পুথিৰ বাচনিত সহায় কৰিব লাগে ।

(৭) পুথি আহি পোৱাৰ লগে লগে মিলোৱা আৰু নাম ভৰ্ত্তীকৰণৰ পঞ্জীত অৰ্ন্তভুক্তি কৰিব লাগে ।

(৮) নতুন আলোচনীৰ বাবে অৰ্ডাৰ দিব লাগে তদুপৰি সেইবিলাক নিয়মিত ৰূপে পোৱা হৈছেনে হিচাব ৰাখিব, স্থায়ীকৰণৰ আৱশ্যক হোৱা আলোচনী বিলাক ভাল দৰে ৰাখিব লাগে আৰু সূচী বা নিৰ্ঘণ্ট আদি থাকিলে সেই বিলাকৰ তালিকা প্ৰস্তুত কৰি বন্ধোৱাৰ ব্যৱস্থা কৰা ।

(৯) বিষয় সমূহ বাচিব, Cataloque Cards বিলাক সজাই ৰাখিব , সকলো বিলাক কাম বৰ্ত্তমানলৈকে যেন সম্পূৰ্ণ হৈ থাকে, তাৰ ব্যৱস্থা কৰিব ।

(১০) Subject list তৈয়াৰ কৰিব ।

(১১) আলোচনীৰ পাতত অহা ভাল ভাল ৰচনা সমূহৰ, চিত্ৰ সমূহৰ বা পুথিৰ তালিকা সমূহৰ আৱশ্যক অনুসৰি নিৰ্ঘণ্ট বা সূচী তৈয়াৰ কৰিব ।

(১২) প্ৰকৃত পাঠক সকলে পাবলৈ ইচ্ছা কৰা পুথি গ্ৰন্থাগাৰত পালেই সিসকলক ইয়াৰ বিষয়ে অৱগত কৰাব ।

(১৩) আলমাৰীত পুথিয়েই হওক বা পুস্তিকাই হওক শুৱনীকৈ সজাই ৰাখিব ।

(১৪) আৱশ্যকীয় form বিলাক চপা কৰোৱাই ল'ব । গ্ৰন্থাগাৰৰ লাগতীয়াল সামগ্ৰী সমূহ যাতে সদায়ে সম্পূৰ্ণ হৈ থাকে তাৰ বাবে সচেতনতাৰ আৱশ্যক ।

(১৫) কৰ্ত্তৃপক্ষৰ অনুমোদন সাপেক্ষে পোৱা পুথি বিলাক শিক্ষক অথবা ছাত্ৰ সকলৰ মাজত বিলাওঁতে সাৱধানতাৰ প্ৰয়োজন ।

(১৬) পুথিৰ বিষয়ে গৱেষণাকাৰী সকলে কিবা অনুসন্ধান কৰিলে উত্তৰ দিয়াৰ প্ৰয়োজন । এই কেইটা কামেই অতি আৱশ্যক ।

গ্ৰন্থাগাৰত কৰিব লগীয়া কাম বিলাক তালিকা ভুক্তি কৰিলে উপৰোক্ত কামবিলাক স্পষ্টৰূপে ওলাই থাকে। এখন মজলীয়া বিধৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ অহা আলোচনী বিলাক তালিকাভুক্তি কৰি ভালদৰে সজাই থওঁতেই এজন কৰ্মচাৰীৰ আধা সময় ল'ব পাৰে।

১৯৬০ চনত সৰ্দৌ অসম কলেজ কৰ্মচাৰী সন্থা স্থাপিত হোৱাত গ্ৰন্থাগাৰৰ কৰ্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত দেখা গৈছিল যে, অসমৰ প্ৰায়বিলাক মহা বিদ্যালয়তে এজন মাত্ৰ দক্ষতা বিহীন চৌকিদাৰ সহকাৰিৰে সৈতে গ্ৰন্থাগাৰীক জনেই সকলো কাম চলাব লাগে। পাঁচখন মাত্ৰ প্ৰথম শ্ৰেণীৰ মহাবিদ্যালয়ত একোজন সহকাৰী আৰু এজন পিয়ন দিয়াৰ ব্যৱস্থা হ'ল। তদুপৰি অসম চৰকাৰে ১৯৭২ চনলৈকে এই সম্পূৰ্ণ এক যুগৰ ভিতৰত মাত্ৰ গ্ৰন্থাগাৰীকজনৰ পদৰ বাহিৰে অন্য সকলক স্বীকৃতি দিব নোৱাৰিলে। একোখন গ্ৰন্থাগাৰত দুজনকৈ সহকাৰী থকাতো নিতান্তই বাঞ্চনীয়। প্ৰতি বছৰে হেজাৰ হেজাৰ টকাৰ কিতাপ কিনা, আলোচনী কিনা, সেই বিলাকৰ শ্ৰেণীবিভাগ কৰা, তালিকা প্ৰস্তুত কৰা, আলমাৰীত সজোৱা, বন্ধোৱাবলৈ সাজু কৰা ইত্যাদি সকলো বিলাক কাম কৰিবলৈ একেজন মাত্ৰ গ্ৰন্থাগাৰীকৰ সহায়কাৰ সৈতে অসমৰ্থ হৈ পৰে॥

পঢ়ুৱৈ সমাজ গঢ়ি উঠাৰ লগে লগে "ইচু-ডেস্কত" পুথি ধাৰলৈ লোৱা লোকৰ সংখ্যাও বাঢ়ি যায়। সেই সকলে তালিকা বিচাৰে, পুথি বিলাক দেখুৱাৰ কাৰণে উপদেষ্টা বিচাৰে। এই কামেই "ইচুডেস্কত" থকা সহকাৰী জনৰ বহুত সময় লয়। কোনো এজনৰ লগত নিয়মিত সময়তকৈ অকণমান বেচি সময় হলেই বৈ থকা আন এজনৰ আমনি লগা হয়। কাৰণ তেওঁৰ হয়তো বহুতো দূৰ যাবগৈ লাগে, ডোকো লাগিছে, নতুবা বেচি সময় নহয়—পাঁচমিনিট সময়ৰ বাবেহে আহিছিল—এতিয়া ক্লাছ আছে। এই কাৰণেই প্ৰথম শ্ৰেণীৰ মহাবিদ্যালয়ৰ একোটা গ্ৰন্থাগাৰত এই কেইজন কৰ্মচাৰীৰ নিযুক্তিৰ আৱশ্যক হয়।

(১) গ্ৰন্থাগাৰীক

(২) সহকাৰী।

(৩) উচ্চকাৰী সহায়ক

(৪)-(৫) নিম্নকাৰী সহায়ক : আৱশ্যক অনুসৰি Type writing ৰ কামো কৰিব পৰা হ'ব লাগে। (দুজন)

(৬) পঢ়া কোঠাৰ কৰ্মচাৰী।

(৭) গ্ৰন্থাগাৰৰ পুথি ৰখা কোঠাৰ কৰ্মচাৰী।

(৮)-(৯) চৌকিডাৰ (দুজন)।

কৰিব লগীয়া কাম বিলাক ঠিকমতে ভাগ কৰি নললে গ্ৰন্থাগাৰৰ পুথিৰ তালিকা প্ৰস্তুত কৰণ কাৰ্য্য আৰু বিষয় বাচনি কৰা কাৰ্য্যতেই দিনটোৰ বেচিভাগ সময় অতিবাহিত হয়। গ্ৰন্থাগাৰৰ কোনো এজন কৰ্মচাৰী সকলো সময়তে কেটল'গ লিখাৰ কামতেই নিযুক্তি হ'ব বা অন্য এজন বিষয় বাচনি কামতে নিযুক্তি হোৱা অসংগত। যেহেতু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ প্ৰত্যেকজন কৰ্মচাৰীয়েই অধ্যাপক, ছাত্ৰ-ছাত্ৰী সকলৰ সহায়ৰ কাৰণে তেওঁলোকৰ সান্নিধ্যলৈ আহিব লগীয়া হয় আৰু সেই কাৰণেই গ্ৰন্থাগাৰীক জন যেনে গুণ সম্পন্ন হয় সেই সকল কৰ্মচাৰীও অন্যবেচি নহলেও তেনে গুণ সম্পন্ন হোৱাতো সকলোৱে বাঞ্চা কৰে।

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ এই কৰ্মচাৰী সকলৰ

পদোন্নতি নথকাৰ কাৰণে সিবিলাক পদ আকৰ্ষণীয় কৰিব লাগে। ইয়াৰোপৰি গ্ৰন্থাগাৰ সম্বাই; মহা-বিদ্যালয়ৰ গ্ৰন্থাগৰত যিসকল লোকে অকলশৰীয়াকৈ নিয়মিত ৰূপে কাম কৰিব লগা হয় সেই সকল লোকক বেলেগ একোটা ইনক্ৰিমেন্ট্ দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি কয়। নিম্নতৰ সহকাৰী কৰ্ম্মচাৰী সকল যিমানেই; থৰতকীয়া, অকলশৰীয়াকৈ কাম কৰিব পৰা, অধিক পুথিৰ লগত চিনাক্ত হব পৰা হয় সিমানেই ভাল।

গ্ৰন্থাগাৰৰ নিয়ম প্ৰণালী বিলাক যিমান দূৰ সম্ভৱ কম হোৱাই বাঞ্চনীয়। বহুতো সৰু সৰু কলেজত গ্ৰন্থাগাৰৰ পৰিচালনাৰ নিয়ম প্ৰণালী মাত্ৰ গ্ৰন্থাগাৰীকৰ মনতহে থাকে। এই কাৰ্য্যই অৱশ্যে কৰ্ম্মচাৰী আৰু পাঠক সকলক কিছুদিনৰ কাৰণেহে সন্তোষ দিব পাৰে। সেই গতিকে সকলো নিয়ম প্ৰণালী লিখিত ভাবে থাকিলেই সুবিধা হয়।

আমাৰ গ্ৰন্থাগাৰৰ—

পঞ্জীভূক্ত সভ্যৰ মুঠ সংখ্যা ১৯৭২-৭৩— { শিক্ষক— ৭৫ ; ছাত্ৰ— ৯৯৩ }

—০—



"ৰাজহংসৰ দৰে নীৰ এৰি ক্ষীৰ নাইবা পানী এৰি সাৰ গ্ৰহণ কৰাটোৱেই গুণ-গ্ৰাহিতাৰ লক্ষণ"।

(পদ্মধৰ চলিহা)

# ঃ এটি সাক্ষাৎকাৰ ঃ

॥ 'বাগ্মীবৰ' নীলমণি ফুকনৰ লগত ॥

[ লব্ধ প্ৰতিষ্ঠা সাহিত্যিক, কবি আৰু তৰুণ সমাজৰ পথ প্ৰদৰ্শক, সকলোৰে পৰিচিত চৌৰাশীৰ বছৰীয়া বৃদ্ধ 'ককা' নীলমণি ফুকনদেৱক যোৰহাটৰ বাসভৱনত এটি সাক্ষাতৰ বাবে এখন্তেক আমনি কৰিলো। অতি ব্যস্ততাৰ মাজতো তেখেতে আমাৰ উদ্দেশ্যক আন্তৰিকতাৰে সহাঁৰি জনালে। তেখেতৰ এই মিঠা আন্তৰিকতা আৰু উদাৰতাক আমি জীৱনত কোনো দিনেই পাহৰিব নোৱাৰিম। ]

**আমাৰ প্ৰশ্ন ঃ—**(১) বৰ্ত্তমান অসমৰ শিক্ষা পদ্ধতিৰ যি আমূল পৰিবৰ্ত্তন হৈছে সেই পৰিবৰ্ত্তনে ভবিষ্যতৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা লাভ কৰাৰ ক্ষেত্ৰত কিবা অসুবিধাৰ সৃষ্টি কৰিবনে ? তাৰ বিষয়ে আপোনাৰ মতামত জনাবনে ?

**'ককা'ৰ উত্তৰ ঃ—**শিক্ষা বস্তুটো মানুহৰ জন্মদিন ধৰি 'যমজ' বুলি ক'ব পাৰি। গতিকে এই 'যমজ' দুই ভাই - ককাইৰ যিটো সম্বন্ধ শিক্ষাৰ লগতো ওপজা মাত্ৰে মানুহৰ সেই সম্বন্ধ। গতিকে তোমালোকে সোধা বৰ্ত্তমান শিক্ষাৰ পৰিবৰ্ত্তন কেনে হৈছে এই প্ৰশ্নৰ উত্তৰত ক'ব খোজো, এই শিক্ষা এতিয়াও ( যি শিক্ষাৰ মাধ্যমেৰে এটা সাম্ৰাজ্যবাদী জাতিয়ে আমাক কেৱল দৈহিক শাসনে কৰা নাছিল, তাতোকৈ নিশকতীয়া কৰা শিক্ষা দি ইংৰাজীৰ মাধ্যমেৰে জাতি এটাৰ বিপৰীতে যোৱা শিক্ষা দি) এটা জাতিৰ জাতীয় শিক্ষাৰ অভিমুখী হৈছে বুলি ক'ব নোৱাৰি। যিটো শিক্ষাই আমাক কেৱল মাত্ৰ এটা জাতিৰ বহতীয়া হ'বলৈকে শিক্ষা দিছিল—স্বাধীনতাৰ পাচত সেই শিক্ষকে অ'ত ত'ত সাল-সলনি কৰি, তাপলি মাৰি দিয়াহে। কেতিয়াও এতিয়াৰ স্বাধীন হোৱাৰ পাচত আত্মপ্ৰতিষ্ঠাৰ শকত ভেটি হৈছে বুলি ক'ব নোৱাৰি। গতিকে ক'ব খোজো যিটো

পৰিবৰ্ত্তন সেইটো এতিয়াও তাপলি মৰা বিধৰ হৈছে। এটা স্বাধীন জাতিৰ স্বাধীন পৰিবেশ সৃষ্টি কৰি সমাজ জীৱনৰ অপৰিহার্য্য নিত্য-প্ৰয়োজনীয় বস্তুৰ সহজে যোগান ধৰিব পৰা শিক্ষা হোৱা নাই। কাজেই আমূল পৰিবৰ্ত্তন একমাত্ৰ মহাত্মাৰ শিক্ষা-নীতি গ্ৰহণ কৰি এতিয়াৰ পাৰিপাৰ্শ্বিক্ অৱস্থাৰ লগত খাপখোৱাই হাতে কামে সমানে চলিব পৰাকৈ শিক্ষা - নীতিৰ পদ্ধতি, আদৰ্শ গ্ৰহণ কৰি এনে এটা শিক্ষাৰ পৰিবেশ সৃষ্টি কৰিব লাগিব যাতে সেই পৰিবেশৰ মাজত অৰ্থাৎ বৰ্ত্তমানৰ বিশ্ববিদ্যালয়ৰ চাৰি-ঢাপৰ মাজত, প্ৰতি ঋষি আশ্ৰমত বাল-ব্ৰহ্মচাৰী সকলৰ শিক্ষাই যিটো স্বাস্থ্য সৌন্দৰ্য্যৰ, মনৰ উৎফুল্লতাৰ নৈতিক আচৰণৰ আভাস দি একোজন সুস্থ দেহত সুস্থমনা ছাত্ৰ গঢ়ি তুলিছিল, তাৰ বাহিৰে অন্য উপায় নাই বুলি ভাবো। অৰ্থাৎ বৰ্ত্তমানৰ বিশ্ববিদ্যালয়ৰ চৌহদ বিলাকত তেনে আচাৰ্য্যকুল আৰু সংযমী ছাত্ৰকুলেৰে গঢ়ি তুলিব লাগিব। বৰ্ত্তমানৰ যিবোৰ পৰিবৰ্ত্তন এই পচিশবছৰে হৈ আহিছে সেয়ে প্ৰমাণ কৰে যে, যি সকলে শিক্ষাৰ গুৰু ভাৰ বহন কৰিছে তেওঁবিলাকৰ কান্ধ অতি দুৰ্ব্বল। দেশৰ, সমাজৰ লগত খাপ খোৱা শিক্ষা হ'বই লাগিব, কাজেই শিক্ষাৰ ৰীতি - পদ্ধতি সেই সমাজত হোজা বিধৰ নহলে অন্যদেশৰ শিক্ষাকে অনুকৰণ কৰিলে সেই শিক্ষা বজ'া হ'ব। এইয়ে আমাৰ সুযোগ্য জীৱনৰ অভিজ্ঞতা আৰু সুচিন্তিত মন।

আমাৰ প্ৰশ্ন :—(২) মহাবিদ্যালয় বা বিদ্যালয়ত এখন মুখপত্ৰ থকাতো আমি সমীচীন বুলি ভাবো। কাৰণ মহাবিদ্যালয় বা বিদ্যালয়ৰ এখন মুখপত্ৰ জীয়াই থকা মানে সেই মহাবিদ্যালয় বা বিদ্যালয়ৰ অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতৰ সত্বা জীয়াই থকাত সহায় কৰা। ইয়াত আপোনাৰ মত জানিব পাৰোনে ?

ককাৰ উত্তৰ :—দ্বিতীয় প্ৰশ্নৰ উত্তৰত ক'ব খোজো, এনে পত্ৰিকাৰ আৱশ্যকতাৰ বাহিৰেও অপৰিহাৰ্য্য বুলি ভাবো। কাৰণ আগৰ দিনত শিক্ষালয় বিলাকত ছাত্ৰৰ সংখ্যা অতি কম আছিল। গতিকে ছাত্ৰ শিক্ষকৰ মাজত ব্যক্তিগত দৈনিক পৰিচয় হৈছিল, কিন্তু আজি কালি একো একোখন কলেজত হাজাৰ দুহেজাৰকৈ ছাত্ৰ, এশছকুৰি অধ্যাপক তাত ব্যক্তি-গত ভাবে পঢ়াশুনা থকাতো অসম্ভৱ বুলিব পাৰি। গতিকে একোখন পত্ৰিকাই তাৰ ঠাই ল'ব লাগিব। কিন্তু বৰ্ত্তমানলৈকে শিক্ষালয় বিলাকত যিবিলাক পত্ৰিকা সম্পাদন কৰা হয় আৰু যি বিলাক বিষয় তাত আলোচনা কৰা হয়, সেয়ে ঠিক সেই বিদ্যা-লয়ত আদৰ্শ, কাৰ্য্যপদ্ধতি, শিক্ষক-ছাত্ৰ সম্বন্ধ, অভি-ভাৱক সকলৰো অংশ গ্ৰহণ আৰু সেই বিদ্যালয়ৰ পাৰিপাৰ্শ্বিক গাওঁ-ভূঁইৰ বা নগৰ চহৰৰ পৰি-বেশলৈকো চায় বিষয় বিলাকৰ আলোচনা হৈছে বুলি মনে নধৰে। এই বিষয়ে আমি অনেকবাৰ অনেক শিক্ষানুষ্ঠানৰ মুখপত্ৰ বিলাকত একোটি প্ৰবন্ধ দি আঙুলিয়াই আহিছো। অৰ্থাৎ তেনে পত্ৰিকাই একো একো বিদ্যালয়ৰ এটা বিশেষত্ব (Tradition) গঢ়ি তুলিব পৰা হ'ব লাগিব। যেনেকৈ ইংলণ্ডত ইটনীয়ান বুলিলে সেই স্কুলত কিছুমান বিশেষত্ব থকা বুজায়—সেইদৰে ধৰি লোৱা যাওক আমাৰ দেশত কটনিয়ান বুলিলে তেনে এটি বিশেষত্ব বুজোৱা উচিত। আমি ডাঠি ক'ব নোৱাৰো—আমাৰ স্কুল কলেজ বিলাকত যিবিলাক

মুখপত্র ওলাইছে তাৰ ঘাই উদ্দেশ্য যে সেই স্কুল কলেজৰ এটা নিজস্ব ব্যক্তিত্ব গঢ়ি তোলাৰ আন্তৰিক প্ৰচেষ্টা চলিছে। কিন্তু এই কথাও বিশ্বাস কৰিছো যে—বৰ্ত্তমান সময়ত সাংখ্যাধিক্য স্কুল কলেজ বিলাকত এনে মুখপত্ৰৰ মাধ্যমেৰে নিজৰ ভিতৰতে নানা ধৰণৰ আলোচনাচক্ৰ আদি শাখা অনুষ্ঠান বিলাক পাতি কাম নকৰিলে ভাবৰ আদান-প্ৰদান কৰা সহজ কথা নহব। গতিকে আমাৰ সুচিন্তিত মন এইয়ে যে, এই পত্ৰিকা বিলাক যেই সেই বিদ্যালয় বিলাকৰ সকলো প্ৰকাৰ সমস্যালৈ সংযতভাৱে আলোচনা-বিলোচনা কৰি তাৰ সিদ্ধান্ত সমূহৰ ঘাইকৈ সেই সেই পত্ৰিকাত প্ৰকাশ কৰা উচিত যাতে শিক্ষক আৰু ছাত্ৰ সকলে ব্যক্তিগত ভাবে সৰু সৰু আলোচনা চক্ৰ পাতি সেই পত্ৰিকাৰ সিদ্ধান্ত সমূহ নিজে বিচাৰ কৰি চালে, সেই পত্ৰিকাই যথাৰ্থতে শিক্ষক আৰু ছাত্ৰৰ মাজত উপকৃত্ কৰিব বুলি আমাৰ বিশ্বাস।

প্ৰশ্নঃ— (৩) আলোচনী এখনৰ সফলতা কিহৰ ওপৰত নিৰ্ভৰ কৰে? লিখক, গ্ৰাহক অথবা সম্পাদকৰ ওপৰতনে? অনুগ্ৰহ কৰি জনাবনে?

ককাৰ উত্তৰ :— এখন আলোচনী ভালদৰে চলিবলৈ হ'লে লিখক আৰু পঢ়ুৱৈ সমাজৰ ভিতৰত এটা আকৰ্ষণ থাকিব লাগিব। চুম্বকে যিদৰে নিজৰ আকৰ্ষণী শক্তিৰবলেৰে চাৰিওফালে সিচৰিত হৈ থকা বেজী বিলাক টানি আনি নিজৰ গাত থোপ খোৱায়, সেইদৰে একোখন পত্ৰিকাৰ সম্পাদকৰ গাত পঢ়ুৱৈ সমাজৰ মন আকৰ্ষণ কৰিব পৰা তেনে শক্তি থাকিব লাগিব। কিন্তু যিখন সমাজত প্ৰকৃত পঢ়ুৱৈ সমাজ এদল গঢ়ি উঠা নাই তাত এখন পত্ৰিকাৰ বা সংবাদপত্ৰৰ অতি সুচিন্তিত প্ৰবন্ধাদিয়েও জনসাধাৰণৰ মন আকৰ্ষণ কৰা টান। সেই কাৰণে এই বিষয়ে পাটাং মত দিয়া টান কথা। কিন্তু এই কথা ঠিক—লিখকে যিদৰে মনোগ্ৰাহী প্ৰবন্ধাদি লিখিব পৰা হ'ব লাগিব ; পঢ়ুৱৈ সমাজো সেইদৰে পত্ৰিকাবিলাকত কিনো লিখা হৈছে তাকো আগ্ৰহেৰে পঢ়ি চাবলৈ এটা ধাউতি দেখুৱা উচিত। মুঠতে উভয়ে উভয়ৰ পৰিপূৰক। সেই কাৰণে ক'ব খোজো আমাৰ সমাজত বৰ্ত্তমান সময়ত অনেকখন সুচিন্তিত, ভাবগধুৰ পত্ৰিকা ওলাইছে যদিও অন্যকি শিক্ষিত সমাজৰ মাজতো তাক কিনি পঢ়িবলৈ বা পঢ়ি নিজে তাৰ ওপৰত একোটা মতামত দি পত্ৰিকা বিলাকৰ ভৱিষ্যত উন্নতি কামনা কৰাতো শিক্ষিত সমাজৰ কৰ্ত্তব্যৰ ভিতৰলৈ আহিছে বুলি আমি থামাথা ক'ব নোৱাৰো। গতিকে পত্ৰিকা সম্পাদক, বিষয় বস্তু আৰু পঢ়ুৱৈ সমাজৰ ভিতৰত এটা যোগা-যোগ সূত্ৰ গঢ়ি তুলিবলৈ সকলো প্ৰকাৰৰ প্ৰচেষ্টা হ'বই লাগিব। ইয়াৰ কোনো এটা সুগম বাট সুকীয়াকৈ নাই।

প্ৰশ্ন :—(৪) আপুনি কিমান দিনৰ পৰা সাহিত্য চৰ্চ্চা কৰিছে বাৰু ? ছাত্ৰ জীৱনৰ পৰাই নে ?

ককাৰ উত্তৰ : —ছাত্ৰ জীৱনৰ পৰাই সাহিত্য চৰ্চ্চা কৰাতো আমাৰ ধাউতিৰ বস্তু আছিল। কিন্তু যেতিয়া জীৱনৰ আদৰ্শ শিক্ষাব্ৰতকে ললো আৰু শিক্ষা বিস্তাৰৰ কামত মহামতি গোখলেৰ শিক্ষা বিস্তাৰৰ আদৰ্শ আগত ৰাখি আমাৰ এই বিষয়ে পাচ পৰা দেশতো শিক্ষা বিস্তাৰ

কৰিবলৈ পাৰো নোৱাৰো দেহে কেহে আত্ম-নিয়োগ কৰোঁ। কিন্তু তাৰ লগে লগে অসমৰ ৰাজনৈতিক ক্ষেত্ৰতো দুই উপত্যকাত পিঠিয়া-পিঠি সম্বন্ধ ঘটাত আমি ৰাজনীতিৰ ক্ষেত্ৰতো হাত দিওঁ; বিশেষকৈ অসম দেশখন বহি-ৰাগত যি সি লোকৰে নিৰ্ব্বিবাদে চৰনীয়া পথাৰ হোৱাত সংৰক্ষণী নীতি গ্ৰহণ কৰি অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ লগত সহযোগ কৰি সক্ৰিয় ভাবে দেশত এটা জাতীয় জাগৰণ দিবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰিবলগীয়া হয়। শিক্ষা বিস্তাৰ, তাৰ লগে লগে সংৰক্ষণী নীতি, অসমৰ নানা সমস্যাত ব্যস্ত থাকিব লগা হোৱাত; তদুপৰি অসমত সংবাদ পত্ৰৰ দৰকাৰ হোৱাত অসমীয়া, বাতৰি দৈনিক বাতৰি, আলোচনী, ন-জোৱান আদি পত্ৰিকাৰ সম্পাদনাৰ ভাৰ বহন কৰিব লগা হোৱাত, এই ব্যস্ততাৰ মাজত সাহিত্য সেৱাৰ কাম তল পৰিল। যথাৰ্থতে যেতিয়া দৈনিক বাতৰি বন্ধ হ'ল সেইদিন ধৰি সংবাদ পত্ৰৰ কলম সাহিত্য ৰচনাত প্ৰয়োগ কৰিবলৈ ধৰোঁ। তাৰ ফলতে প্ৰথমে "জ্যোতিকনা", "সাহিত্য কলা", "মানসী", জেলখানাত বিয়াল্লিচৰ আন্দোলনত "জিঞ্জিৰি" ক্ৰমান্বয়ে লিখি প্ৰকাশ কৰোঁ। ইয়াৰোপৰি ছাত্ৰ অৱস্থাতে জোনাকী যুগৰ 'হেম - মাজু - বেজ' অৰ্থাৎ হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষীনাথ বেজবৰুৱা এই তিনিজনৰ 'ত্ৰিবেণী' সঙ্গমত অসমীয়া ভাষা সাহিত্য - সংস্কৃতিৰ যিটো চিন্তা ধাৰা বৈ গৈছিল তাতে হয়তো আমাৰ ক্ষুদ্ৰ জীৱনৰ প্ৰাণে অতৰ্কিতে অৱগাহণ কৰিছিল॥

**প্ৰশ্ন** (৫):—সাহিত্য চৰ্চ্চা কৰিবলৈ আপোনাক কিহে অনুপ্ৰাণিত কৰিছিল বাৰু? অনুগ্ৰহ কৰি জনাবনে?

**ককাৰ উত্তৰ**:—এই প্ৰশ্ন আমাক অনেকে কৰিছে। এই অনুপ্ৰেৰণা স্বভাৱতে সকলো দেশৰ সাহিত্যিক সকলৰ সাহিত্য পঢ়ি অতৰ্কিতে পোৱা বস্তু বুলিয়ে ভাবো। কাৰণ আমি ছাত্ৰ অৱস্থাৰ পৰাই বিশেষকৈ বঙ্গদেশৰ বিশ্ব-বিশ্ৰুত সাহিত্যিক সকলৰ জীৱনী আৰু তেওঁ-লোকৰ চিন্তা-প্ৰসূত দুইচাৰি খন কিতাপ পঢ়ো। তদুপৰি ইংৰাজী সাহিত্যত খ্যাতনামা কবি, সাহিত্যিক সকলৰো কিতাপ পঢ়িবলৈ পাওঁ। সেইসকলৰ চিন্তাইও আমাক নিশ্চয় অনুপ্ৰেৰণা দিছিল। কিন্তু পূৰ্ব্বতে উল্লেখ কৰা জোনাকী যুগৰ সাহিত্যিক সকলে আমাক দেখা দেখি উদগনি দিছিল আৰু তেওঁলোকৰ পদানুশৰণ কৰাই আমাৰ আদৰ্শ আছিল।

প্ৰশ্ন (৬):—এজন ছাত্ৰই ছাত্ৰ অৱস্থাত সাহিত্য চৰ্চ্চা কৰাতো আমি সমীচীন বুলি নাভাবো। কাৰণ ছাত্ৰ অৱস্থাত বহল অধ্যয়ণ আৰু অভিজ্ঞতা লাভ কৰিবলৈ বৰ বেচি সময় নাপায়। নিজৰ পাঠ্য পুথিৰ অভিজ্ঞতাৰে যি সাহিত্য ৰচনা কৰা হয় সিও একেবাৰে সীমাবদ্ধ। কাৰণ বহল অধ্যয়ন আৰু জীৱনৰ বিস্তৃত অভিজ্ঞতাৰে পৰিপূৰ্ণ নহলে এজন সাহিত্যিকৰ পৰা পূৰ্ণ সাহিত্যও আশা কৰিব নোৱাৰি। ইয়াত আপোনাৰ মতামত কেনে জনাবনে?

ককাৰ উত্তৰ:—সাহিত্য বস্তুটো জীৱনৰে সহচৰ যেতিয়া, ইয়াৰ চৰ্চ্চা কৰা এটা নিৰ্দ্ধাৰিত সময় আছে বুলি নাভাবো। 'ছাত্ৰানাং অধ্যয়নং তপঃ' বুলি যিটো কথা কৈছে সেই কথা অতি সঁচা। বৰ্ত্তমানৰ নিৰ্দ্ধাৰিত পাঠ্য-পুথিৰ

নিৰ্দ্ধাৰিত বিষয় বস্তুৰ জ্ঞান, যাইকৈ অৰ্থকড়ি যুগত ব্যৱহাৰিক জীৱনত সহায়ক বুলি ধৰা হয়। সেই দৃষ্টি ভঙ্গীৰে চালে ছাত্ৰসকলৰ সাহিত্য সেৱা বোলা বস্তুটোৱে পৰীক্ষা পাচ কৰিবলৈ প্ৰয়োজনীয় পাঠ্য পুথিৰ সময় ললে পৰীক্ষাত উৰ্ত্তীণ হোৱাৰ কামত হয়তো বাধা দিব পাৰে। কিন্তু অতীজত শিক্ষা বস্তুটো জীৱনক সকলো প্ৰকাৰে পূৰ্ণাঙ্গ কৰি তোলাৰ আদৰ্শ আছিল। তেতিয়া ব্যৱহাৰিক জীৱনত বেলেগ ধৰণৰ শিক্ষা দিয়া পদ্ধতি নাছিল। তেতিয়াৰ শিক্ষা বস্তুটো বীজে যেনেকৈ গছ জোপা বিকাশ কৰা শক্তিলৈ অংকুৰিত হয়, মানুহৰ সমাজতো শিক্ষাৰ বীজ সেইদৰে বিস্তাৰ কৰা বস্তু আছিল। কিন্তু এই কথা ঠিক ছাত্ৰসকলত ছাত্ৰই সীমাবদ্ধ ভাবে যি কিটা বিষয়ত সম্পূৰ্ণ মনোযোগ দি শিক্ষা লাভ কৰা উচিত, তাক আগ ধৰি সমাধান কৰা দৰকাৰ। এই কথাও ঠিক, যিজন ছাত্ৰই শিক্ষনীয় বিষয়বিলাক সম্পূৰ্ণৰূপে মনোযোগ দি শিকে, সেইজন ছাত্ৰই তদুপৰি সাধাৰণ ভাবে সাহিত্য চৰ্চ্চা কৰিবলৈ সময় আৰু সুবিধা যথেষ্ট পাব পাৰে। কথা হৈছে সি যিটো বিষয় যাইকৈ চৰ্চ্চা কৰিব লাগে, সেই কৰ্ত্তব্য যদি আন্তৰিকতাৰে, নিষ্ঠাৰে পালন কৰে—তেতিয়া অন্য একোটা বিষয়তো কিছু সময় মনদি তাতো পাৰ্গতালি দেখুৱাব পাৰে। আকৌ ক'ব পাৰি পৃথিবীৰ সকলো দেশৰ বুৰঞ্জী মেলিলে দেখিবলৈ পোৱা যাব যে, স্কুল-কলেজৰ মুখ নেদেখিও বাল্যকালৰ পৰাই একো একো জন বিখ্যাত কবি সাহিত্যিক জন্ম গ্ৰহণ কৰি আহিছে। কাজেই সাহিত্য সেৱাই স্কুল-কলেজৰ ছাত্ৰ সকলৰ অধ্যয়ন তপস্যাত মনৰ গতি আনফালে নিব পাৰে। কিন্তু সেই বুলিয়ে যে, সাহিত্য চৰ্চ্চাও বাল্যকালৰ পৰাই হ'ব পাৰে এই কথাও সকলো দেশতে প্ৰমাণিত হৈ আহিছে। গতিকে ক'ব খোজো ছাত্ৰসকলৰ অপৰিহাৰ্য্য পঢ়া শুনা কৰা কামখিনি নকৰি, সাহিত্য সেৱাত সময় কটোৱা উচিত নহয়। কিন্তু সেইখিনি সমাধা কৰি কিছু সময় নিয়মিত ভাবে সাহিত্য চৰ্চ্চা কৰিলে নিজৰ মেধাশক্তিৰ বঢ়াবহে কথা, টুটিব নোৱাৰে।

আমাৰ প্ৰশ্ন :—(৭) আপুনি বাৰ্লিনলৈ যাওঁতে তাত নিজকে কি বুলি পৰিচয় দি ভাল পাইছিল? বাৰ্লিনৰ শিক্ষা পদ্ধতিৰ লগত আমাৰ অসমৰ শিক্ষা পদ্ধতিৰ কিবা মিল আছে নেকি? যদি আছে কি জনাবনে?

ককাৰ উত্তৰ :—আমি বাৰ্লিনলৈ যাওঁতে সম্পূৰ্ণ ৰূপে ভাৰতীয় আদৰ্শতে গৈছিলো। যাই উদ্দেশ্য আছিল সেই সময়ত পৃথিবীৰ জাতি সমূহে বিশ্বশান্তিৰ বাবে কি ভাবিছে সেই কথা আগ্ৰহেৰে শুনা আৰু ভাৰতে অতীজৰ পৰাই বিশ্বব্ৰহ্মাণ্ডৰ শান্তি-মৈত্ৰী কৰুণা বিষয়ে কিদৰে চিন্তা কৰি আহিছে সেই বিষয়ে পৰাই নোৱাৰাই দুই এষাৰ নিজে কোৱা।

বাৰ্লিনৰ শিক্ষা পদ্ধতিৰ লগত আমাৰ শিক্ষা পদ্ধতিৰ কোনো তুলনাই হ'ব নোৱাৰে। তাত প্ৰত্যেক ছাত্ৰৰে স্বভাৱতে কোনটো বিষয়ত ৰাপ আছে তালৈ লক্ষ্য ৰাখিহে সেইজন ল'ৰাক তেনেবিধ শিক্ষা দিয়া হয়।

আমাৰ দেশৰ দৰে কেৱল মাত্ৰ পাঠ্যপুথি দুখন পঢ়িয়ে সেই বিষয়ে শিক্ষিত হ'ল বুলি ধৰা নহয়। সেই বিষয় বিলাকৰ সংশ্লিষ্ট নানা খন মূল গ্ৰন্থ পঢ়িব লাগে। পৰীক্ষা এনেদৰে লোৱা হয় যে, পৰীক্ষাৰ্থী জনে মুখস্থ কৰি কোনো প্ৰশ্নৰে উত্তৰ দিয়া সম্ভৱপৰ নহয়। প্ৰশ্ন এনেকৈ কৰা হয় যে, সেই বিষয়ে ছাত্ৰ জনে মূলগ্ৰন্থাৱলী নপঢ়িলে উত্তৰ দিয়া টান। আৰু শিক্ষক-ছাত্ৰৰ ভিতৰত বন্ধুৰ দৰে সম্বন্ধ অথচ ছাত্ৰ জনে শিক্ষকক পিতৃ-তুল্য জ্ঞান কৰে আৰু শিক্ষক ছাত্ৰ উভয়ে উভয়ক যথোচিত সন্মানৰ চকুৰে চায়। আৰু তাৰ ছাত্ৰ বিলাকে পৰীক্ষা পাছ কৰি তলো তলো কাম বিচাৰি হাবাথুৰি খাব নালাগে। প্ৰত্যেকজন ছাত্ৰৰে পূৰ্ব্বতে নিৰ্দ্ধাৰিত কৰি থোৱা হয় যে, তেওঁ যিটো বিষয়ত শেষ পৰীক্ষা দি উৰ্ত্তীণ হয়, সেই বিষয়ৰ প্ৰয়োজনীয় কাম-কাজ ক'ত দিব ঠিক কৰি থোৱা। তাত শিক্ষা নীতি পদ্ধতি ইমান দূৰ উন্নত যে, আমাৰ দেশত তেনে ধৰণৰ শিক্ষা দিবলৈ আৰু কিমান দিন লাগিব সেই কথা ভাবিলে মনত দুখ লাগে।

আমাৰ প্ৰশ্নঃ—(৮) আপোনাৰ ৯৪ বছৰীয়া জীৱন কালৰ জীৱন দৰ্শনৰ বিষয়ে চমুকৈ ক'বনে?

ককাৰ উত্তৰঃ— আমাৰ নিজৰ 'জীৱনদৰ্শন' বুলিৰ পৰা এনে কোনো কথা কবৰ অধিকাৰ নাই। ইমানকে ক'ব পাৰো জীৱনত সদায় চকুৰ আগত এটা বস্তু দেখি আহিছো সেইটো হ'ল জীৱনৰ আদি—অন্ত কোনেও ক'ব নোৱাৰে। কিন্তু জীয়াই থকাটোৱেই জীৱনৰ কাম্য বস্তু আৰু সেই জীয়াই থকা কাল-ছোৱাত নিজৰ লগত সমাজৰ যে এটা সম্বন্ধ আছে আৰু ভূমিষ্ঠ হোৱা দিন ধৰি মাতৃৰ মৰম-স্নেহ, সমাজৰ সম্প্ৰীতি, আচাৰ-ব্যৱহাৰ, ভাষা-সাহিত্য সংস্কৃতি, নানা বিধ সুকুমাৰ কলা যেনে—গীত-মাত-নাট-ভাওনা আদি চৰ্চ্চাৰ মাজত ভূমিষ্ঠ হোৱা দিন ধৰি মৰণ কাল-লৈকে এজন মানুহৰ অটুট সম্বন্ধ থাকে, আৰু সেয়ে নথকা হ'লে মানুহে জীয়াই থকা টান হ'লহেঁতেন। জীয়াই থাকিলেও এই বিলাক সম্বন্ধৰ বাহিৰে জীৱন যে দুৰ্ব্বহ হৈ উঠিলে-হেঁতেন এই কথা আজি পৰ্য্যন্ত আমাৰ বিশ্বাসৰ বস্তু। মুঠতে ক'ব খোজো মানুহ জন্তুৰ শাৰীৰ পৰা আহি দেৱতাৰ শাৰীলৈ যাব পাৰে বোলা কথাৰ অৰ্থও এই বিলাকৰ ভিতৰতে সোমাই আছে। সমাজৰ লগত সম্বন্ধ নথকা মানুহৰ কল্পনাও কৰিব নোৱাৰি। মানুহে ব্যাহ্যিক জীৱন যিদৰে সমাজৰ হাতত ন্যস্ত বুলি ভাবে, সেইদৰে অন্তৰ জগতো নানা প্ৰকাৰ সুখ অনুভূতিৰ যেনে—ঈশ্বৰ বা আধ্যাত্মিক নেদেখা এটা শক্তিৰ ওপৰত বিশ্বাসঃ সুক্ষ্ম সুকুমাৰ কলাৰ চৰ্চ্চা ভাষা সংস্কৃতিৰ মাধ্যমেৰে সেই বিলাকৰ চকুৰে নেদেখা, কাণেৰে নুশুনা, অনুভূতি বিলাকৰ জিভাই নোপোৱা, ৰসবোধ আৰু এই ৰসবোধৰ পৰা উৎপন্ন হোৱা যিটো অনিৰ্ব্বচনীয় আনন্দ উপভোগ কৰা হয় বা যাক আধ্যাত্মিক ভাষাত পৰমানন্দবাদ লাভ বুলি কোৱা হয়, সেইয়ে মানুহৰ জীৱনৰ বিকাশ' প্ৰাণৰ সঞ্জীৱনী সোধা, আত্মাৰ নিৰ্ব্বাক নিস্পন্দ আনন্দ অনুভূতি॥ *

* সাক্ষাৎ লওঁতা— আলোচনী সম্পাদক শ্ৰীডম্বৰু বড়াক মোহন সোনোৱালে বিশেষ ভাবে সহায় কৰিছে॥

( জীৱন চৰিত্ৰ )

# সোঁৱৰো এবাৰ আহা : শ্বহীদ অনিলক

শিৱ প্ৰসাদ দাস
॥ প্ৰাক-বিশ্ববিদ্যালয় (কলা শাখা ) ॥

৭ অক্টোবৰ ১৯৭২ চন। সিদিনা মুক্ত আকাশৰ মুক্ত বায়ুমণ্ডল শান্ত আৰু সুস্থিৰেই আছিল। প্ৰকৃতিৰ বহল বুকুত থকা বিশাল নৈ পৰ্বত আদিও বেচ শান্ত অৱস্থাতেই আছিল। সিদিনা কিন্তু আন্দোলন আৰু প্ৰতিবাদৰ ঢৌৱে অসমৰ ছাত্ৰ সমাজক নিজৰ ওচৰলৈ বৰকৈ আহ্বান কৰিছিল। সেয়েহে তেওঁলোক অশান্ত হৈ পৰিছিল। সকলোৰে অন্তৰত প্ৰতিবাদৰ জুই জ্বলিছিল। সমগ্ৰ অসমৰ লগতে নগাওঁ চহৰতো ছাত্ৰ আন্দোলনৰ বিৰাট আয়োজন। ইয়াৰ নেতৃত্ব দিছিল হোজাইৰ এজন সুন্দৰ আৰু সাহসী ডেকাই; যি জন আছিল সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক আৰু নগাওঁ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক। তেওঁ আছিল শ্ৰীচন্দ্ৰচৰণ বৰা আৰু শ্ৰীমতী মানিকী বৰাৰ পুত্ৰ যিজনে নেকি অধ্যয়ণ কৰিছিল নগাওঁ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ দ্বিতীয় বাৰ্ষিকত।

সেই তৰুণ জন আছিল সৰুৰে পৰা এজন ভাল খেলুৱৈ আৰু এজন শিল্পী। সাজপাৰতো

বেচ পৰিপাতি আছিল। ইয়াৰোপৰি তেওঁ আছিল এজন সাহসী আৰু নিৰ্ভীক বক্তা। মানুহৰ লগত কথা বতৰা হওঁতে তেওঁ ইমান ধুনীয়া আৰু হলহলীয়াকৈ কৈছিল যে শুনা জনে প্ৰশংসা নকৰাকৈ থাকিব পৰা নাছিল। যি তেওঁৰ লগত কথা পাতি পাইছে তেওঁ নিশ্চয় এই গুণৰ পৰিচয় পাইছে। তেওঁ বন্ধু-বান্ধৱৰ মাজতো অতি প্ৰিয় আছিল। সেয়েহে তেওঁক তেওঁৰ লগ-সমনীয়াই মৰমতে তেওঁৰ নামৰ শেষত '৪৯' এটা যোগ দি 'অনিল ৪৯' উপাধিৰে ভূষিত কৰিছিল।

সেইজন ডেকা আছিল অতি পৰোপকাৰী। পৰৰ হিতৰ কাৰণে কাম কৰিবলৈ ক'লে অতিশয় আনন্দ পোৱা বিধৰ। তেওঁ কৰা পৰোপকাৰ সমূহৰ তিনিটা তলত উল্লেখ কৰা হ'ল।

প্ৰথমতে উল্লেখ কৰিব খোজা ঘটনাটো ঘটিছিল নগাওঁ মহাবিদ্যালয়ৰ সন্মুখত। এখন টেক্সীৰ মালিকে তেওঁৰ টেক্সী চালকক তিনিমাহৰ দৰমহা নিদিয়াকৈ ৰাখিছিল আৰু সেইজন চালকৰ ঠাইত আন এজন নতুন মানুহক নিয়োগ কৰিছিল। আমাৰ এই হোজাইৰ ডেকা জনে চালক জনক ষ্টেণ্ডৰ পৰা মালিকৰ টেক্সীৰ এটা চকা খুলি নিবলৈ কোৱাত চালকজনে তাকে কৰিলে। ফলত মালিকে থানাৰ সহায় লয় আৰু চালক জনক আটক কৰায়। তেতিয়া আমাৰ এই ডেকাজনে লগত কেইজনমান লগৰীয়া লৈ থানাত উপস্থিত হয়গৈ আৰু চালক-জনক মুক্ত কৰাৰ ওপৰিও তেওঁ পাবলগীয়া টকা কেইটাও মালিকে দিবলৈ বাধ্য হয়।

দ্বিতীয় ঘটনাটো হৈছে নিয়োগ সম্পৰ্কীয়। এটা চৰকাৰী কাৰ্য্যালয়ত এজন নতুন কৰ্মচাৰী নিয়োগ কৰিবলৈ লোৱা হৈছিল। সেই কাৰ্য্যালয়ৰ এক্‌জিকিউটিভ্ ইঞ্জিনিয়াৰ জন আছিল অনা-অসমীয়া। দৰ্খাস্ত দিয়াৰ শেষ দিন উকলি যোৱাৰ পিচতো সেই ইঞ্জিনিয়াৰ জনে তেওঁৰ আত্মীয় লোক এজনক কলিকতাৰ পৰা চিঠি দি মতাই আনে। এই দুৰ্নীতিৰ কথা আমাৰ এই তৰুণ জনৰ কাণত পৰাত তেওঁ তৎক্ষণাত "স্থানীয় প্ৰাৰ্থীক প্ৰথম সুবিধা নিদি কেনেকৈ অ-স্থানীয় প্ৰাৰ্থীক প্ৰথম সুবিধা দিব" এই দাবী আগত ৰাখি ইয়াৰ বিৰুদ্ধে থিয় দিয়ে। ফলস্বৰূপে এই ঘটনাটো চৰকাৰৰ হাতলৈ যায় আৰু সেই বিষয়া জনক তাৰ পৰা বদলি কৰা হয়।

তৃতীয়টো ঘটিছিল চিনেমা হলৰ টিকত ক'লা-বজাৰৰ ওপৰত। টিকট বেচা মানুহ জনে নিজৰ লাভৰ বাবে অন্যায় ভাবে বাহিৰা মানুহ এজনৰ লগত সংযোগ কৰি বেচি দামত টিকট বেচিবলৈ দিছিল। এই কথাটো এই তৰুণ জনে হলৰ মেনেজাৰৰ দৃষ্টি গোচৰ কৰোৱাত মেনেজাৰে টিকট্ বেচোতা জনক কামৰ পৰা বৰ্খাস্ত কৰে।

এইদৰে এই ডেকাজনে লোকৰ মঙ্গলৰ কাৰণে নিজে নানা বিপদ আপদত পৰিও ক'ত যে এনে ধৰণৰ কাম কৰি গৈছে তাক কোনে ক'ব পাৰিব!

'ডেকা' এই শব্দটোৰ আঁৰত লুকাই থকা ব্যক্তিজন কোন বাৰু? সেই জনেই হৈছে আমাৰ দুখুনী অসম মাতৃৰ সুযোগ্য পুত্ৰ আৰু ১৯৭২ চনৰ ভাষা আন্দোলনৰ শ্বহীদ অনিল বৰা। মাতৃভূমিৰ কোনো অনিষ্টই তেওঁৰ অসহ্য আছিল। সেয়েহে ১৯৭২ চনৰ ২৩ চেপ্তেম্বৰৰ বিধান সভাৰ প্ৰস্তাৱৰ প্ৰতিবাদ কৰি উদ্ভৱহোৱা ভাষা আন্দোলনত তেওঁ

তৎক্ষণাত বাঘে জপিওৱা দি জপিয়াই পৰিল। চাৰিওফালে আন্দোলন পুনোদ্যমে চলিছে। সকলোৰে ভৰসা অনিলৰ ওপৰত। অনিল আছে যেতিয়া ভয় কি এইয়ে আছিল সকলোৰে অন্তৰৰ ভাব। অনিলৰ নেতৃত্বত যে এই আন্দোলন সফল হ'বগৈ এইটো কথা নভবা কোনো নাছিল। কিন্তু হায়! কি যে বিধিৰ বিধান!

সিদিনা গধূলি চাৰিওফালে হুলস্থূল লাগি গৈছে। "অনিল নাই; অনিল নাই বুলি"। অনিলৰ ঘৰতো একেই অৱস্থা। মাক-দেউতাকৰ অৱস্থা তেতিয়া কি হৈছিল, পাঠকে এবাৰ ভাবি চাওকচোন বাৰু। বান প্ৰপীড়িত মানুহৰ অৱস্থা যি দৰে চকুৰে নেদেখিলে বৰ্ণাব নোৱাৰি বা বুজিব নোৱাৰি সেইদৰে তেওঁলোকৰো অৱস্থা বৰ্ণনা দিয়া টান। কিমান বিচৰা হ'ল, কত অনুসন্ধান চলিল কিন্তু অনিল নাই। নাই অনিল কতো নাই। অনিল কলৈ গ'ল কোনেও কব নোৱাৰো। এই দৰে দিনৰ পাচত দিন গৈয়ে আছে। চাৰিওফালে হাঁহাকাৰ ধ্বনি। এইবাৰ নিষ্ঠুৰ বিধাতাৰ কঠোৰ হিয়া অনিলৰ মাক-দেউতাকৰ ক্ৰন্দন, মনোবেদনাত আৰু হাজাৰ হাজাৰ জনতাৰ প্ৰাৰ্থনাত অলপ পমিল। তেওঁ জীয়া অনিলক নোপালেও মৰা অনিলকে দিবলৈ বাধ্য হ'ল।

সম্পূৰ্ণ দহদিনৰ পাচত ডিমক নৈৰ পাৰত নন্দালপুৰত দুৰ্বৃত্তই নৃশংসভাৱে হত্যা কৰি পুতি থোৱা এটা গাতৰ পৰা অনিলৰ মৃত দেহ উদ্ধাৰ কৰা হয়। এইবাৰ এই অনিল কিন্তু আগৰ অনিল নহয়। তেওঁ আজিছে চিৰ নিদ্ৰাত, তেওঁৰ দেশবাসীক এবাৰ শান্তনা দিবলৈ আৰু আদৰ্শ দেখুৱাবলৈ যে তেওঁলোকো তেওঁৰ দৰে নিজৰ জন্মভূমিৰ বাবে জীৱনৰ শেষ মুহূৰ্তলৈকে যুঁজা উচিত।

মৃতদেহ উদ্ধাৰ হোৱাৰ পাচত শোকাভিভূত জনতাই তেওঁৰ এপ এটা গুনৰ কথা সোঁৱৰি অশ্ৰু বিগলিত নয়নেৰে নিষ্ঠুৰ অগ্নিদেৱতাৰ কোলাত আমাৰ অনিলক তুলি থৈ আহিলগৈ।

সৎলোকৰ জীৱন সদায় পৰৰ উপকাৰৰ বাবে, সেয়েহে '৭২ ভাষা আন্দোলনৰ প্ৰথম শ্বহীদ মোজাম্মিল হকৰ মৃত্যুৰ বাবে শোক সমদল এটা উলিয়াবলৈ গৈ আমাৰ অনিল দুৰ্বৃত্তৰ হাতত আটক হৈ ভাষা আন্দোলনৰ বেদীত শ্বহীদ হয়। হিঃ নিষ্ঠুৰ! ৭ অক্টোবৰ ১৯৭২ চন! *

"স্বাধীনতা ভাল পোৱা মানে আনকো ভাল পোৱা, ক্ষমতা ভাল পোৱা মানে নিজকেহে ভাল পোৱা"।

(উইলিয়ম হেজলিট)

# D.H.S.K. College Students Union

## EXECUTIVE BODY, SESSION—1972-73



*Sitting (L to R):*—Prof. A. K. Dutta (Prof-in Charge, Boy's Common Room), Prof. S. K. Borthakur (Prof-in charge, Debating), Vice-Principal Mrs. L. Dutta, Principal. S. C. Dutta. (President), Prof. T. K. Aiyar ( in-charge ), Prof. B. K. Konwar, (Prof-in-charge, cultural), Miss. Hasnahana Saikia, (Secy. Girls Common Room).

*(Standing L to R)*:—Mr Kandarpa Kr. Chetia, (Representative), Mr. Jugal Bora, (Secy. Welfare ), Mr. Budhindra Nath Bora, ( Secy. General Sports ), Mr. Prasanta Phukan ( Secy. Gymnasium ). Mr. Prosenjit Gogoi, ( Secy. Cultural )., Mr. Durgeswar Dehingia, ( Secy. Major Games), Mr. Dambaru Bora, ( Editor, Magazine ), Mr. Cirin Chetia, ( Astt. General Secy ).

N. B.—Other Secys. and Prof-in charge are Camera Shy.



....................প্রকৃতি——
১ম বার্ষিক (কলা) নৈশ

॥ গল্প ॥

# ভাগ্য চক্র

শ্ৰীনন্দেশ্বৰ ফুকন
॥ প্ৰাক্ বিশ্ববিদ্যালয় ॥ (কলা শাখা)

বেতৰ চোফাখনত বহি অনুপম বৰুৱাই সন্ধিয়া নীলা আকাশখনলৈ চাই আছিল। শুক্লপক্ষৰ কাচি জোনটিৰ পাতল জোনাকবোৰ আহি তেওঁৰ গাত পৰিছিলহি। এনেতে ভিতৰত তেওঁৰ প্ৰিয়তমা পত্নী বন্দনাই উচুপি উচুপি কন্দা শুনিবলৈ পালে। গোঁসাই ঘৰত চাকি দিবলৈ গৈ থাপনাৰ আগত দীঘল দি পৰি বন্দনাই আজি এমাহ ধৰি কান্দিছে। চকুৰ পানীৰে ভগৱানক আৰতি কৰিছে। তথাপিও যেন চকুৰ পানী শেষ নাই। অনুপম বৰুৱাই দীঘল হুমুনিয়াহ এটি কাঢ়িলে। আকাশ বিস্তৃত মহাশূন্যতা খিনিৰ মাজত আৱদ্ধ কৰি ৰখাৰ পৰা দৃষ্টি ঘূৰাই আনি তেওঁ ভিতৰৰ ফালে চাই বহি থাকিল। তেওঁ অনুভৱ কৰিলে কোনোবাই যেন এই মাত্ৰ শান্ত পদক্ষেপেৰে ট্ৰেখনত চাহ সজাই থৈ তেওঁৰ ওচৰলৈ আহি ক'বহি—"দেউতা চাহ খোৱা।" শুভ্ৰ কোমল মুখখনত হাঁহি এটি বিৰিঙাই কোনোবাই যেন ক'ব—"দেউতা কিতাপবোৰ দিয়া থৈ দিওঁগৈ। এই বিলাক

পঢ়ি থাকিলেই তোমাৰ যেন ভোক-পিয়াহ গুচি যায়।" আৰু তেওঁ হাঁহি মাৰি চাহ হাতত তুলি লব। কিন্তু······কোনো নাহিল। মাত্ৰ দুৱাৰৰ পৰ্দাখন এবাৰ বতাহত কঁপি উঠিল। বহুত সময়ৰ পিচত বন্দনা আহিল। অনুপম বৰুৱাই মূৰ তুলি চালে। বন্দনাৰ চকুত বিন্দু বিন্দু পানী। চাদৰৰ আগেৰে মচি লৈ তেওঁ কলে, "ভাবি ভাবিয়েই নিজকে শেষ কৰি দিব খুজিছে নেকি? চাহ খাবলৈ ভিতৰলৈ বলক।" বন্দনাৰ মাতটো কঁপি উঠিল। "তুমিওটো কান্দি কান্দি নিজকে শেষ কৰি দিছা বন্দনা? অকলজানো মৰেই— চাহ মই পিছত খাম বন্দনা। তুমি অকণমান পৰ মোৰ ওচৰত বহাচোন।" বৰুৱাই হুমুনিয়াহ এটা কাঢ়িলে। বন্দনাই নীৰৱে বেতৰ চোকাখনত বহি পৰিল। নিস্তব্ধতাৰ মাজেদি কিছুসময় পাৰহৈ গ'ল। নিস্তব্ধতা ভঙ্গ কৰি বৰুৱাই কলে,—"বন্দনা মই সপোনত প্ৰত্যেক ৰাতিয়েই কবিতাক দেখিছো। তাই যেন মোৰ কাষলৈ আহি কয়—'দেউতা, তোমাক আৰু মাক অকলে এৰি থৈ যাবলৈ মোৰ বৰ কষ্ট হৈছে। তথাপিও মই যাব লাগিব। মোক যে ইয়াত তোমালোকৰ লগত থাকিবলৈ ভগৱানে আৰু নিদিয়ে'। —জানা বন্দনা, তাই আচলতে ৰাতি ৰাতি সদায় আমাৰ ওচৰলৈ আহে। নহলে মই কিয় তাইক সদায় দেখিম?"
বন্দনাই উত্তৰ নিদিলে।

বন্দনাৰ গহীন মুখখন দেখি বৰুৱাই আৰু নতুনকৈ একো কথাকে অৱতাৰণা নকৰিলে। অনুপম বৰুৱাৰ মনত পৰিল আজি এমাহৰ আগৰ এটা দিনৰ কথা।

গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয়ৰ নামজ্বলা ডাক্তৰ চৌবিশ বছৰীয়া দিগন্তই আজি মাত্ৰ এমাহৰ আগতে এইখিনি ঠাইতে, এই একেবোৰ ফুলৰ কাষতে বহি তেওঁক কৈছিল— মহা, মই কাইলৈ পুণা যামগৈ। আপুনি সেই বিষয়ে দেউতালৈ সোনকালে চিঠি দিব। মোৰ অনুৰোধ আশা কৰো নেপেলায়।" দিগন্তৰ চকুলৈ স্থিৰ দৃষ্টিৰে চাই বৰুৱাই কৈছিল, "কিন্তু – কিন্তু দিগন্ত, তাই যে বৰ অসুখীয়া। মই তোমাক আকৌ এবাৰ কওঁ, তুমি ভালদৰে ভাবি চোৱা।"

ভাবিবলৈ মোৰ আৰু সময় নাই মহা। এই কেইদিন কবিতাক বেছ ভাল দেখিছো। নিয়মমতে কলেজলৈও গৈ আছে। পলম কৰা আমাৰ অনুচিত হ'ব মহা?

পিচদিনা ৰাতিপুৱা দিগন্ত গ'লগৈ। যাবৰ সময়ত কবিতাক মাতি ক'লে— "কবিতা, স্বাস্থ্যৰ যতন লবা। অহা মাহত মই আকৌ এবাৰ আহি যাম, তোমাক যেন ঠিক এনেকুৱাই দেখো। মোৰ কথা মনত থাকিবতো?

কবিতাই সলজ্জ হাঁহি এটা মাৰিলে। দিগন্ত গুচি গ'ল। অনুপম বৰুৱাই, একমাত্ৰ সন্তান কবিতাক বুকুত সুমুৱাই ক'লে— "মা'জনী দিগন্তই কৈ যোৱা কথা মনত ৰাখিবি।

তই মন মাৰি থাকিলে আমাৰো বেয়া লাগে নহয়।" কবিতাই দেউতাকৰ মৰমত কেৱল উচুপিলে।

অনুপম বৰুৱাই বন্দনালৈ চালে। বগা হাত দুখন নিজৰ কোলাত থৈ নিস্তব্ধ হৈ বহি আছিল বন্দনা।

"আপুনি ভিতৰলৈ নাযায় যদি চাহ ইয়ালৈকে লৈ আহোগৈ। কিতাপবোৰ মোক দিয়ক। এতিয়া আৰু পঢ়িবৰ সময় নাই।"

ভিতৰলৈ সোমাই যোৱা বন্দনালৈ চোৱাৰ লগে লগে কবিতাৰ ছবিখনে অনুপম বৰুৱাক আমনি কৰিলেহি। আনদিনা ইমান সময়ত ডিঙ্গিলৈকে পৰা চুটি কেকোৰা চুলিবোৰত টানি বন্ধা ৰিবনডাল বতাহত নচুৱাই কবিতা আহি তেওঁক কয়হি।—"দেউতা আমি আজি ব্ৰহ্মপুত্ৰৰ পাৰত বহুতো ফুৰিলো। পাহাৰৰ সিপাৰে বেলি মাৰ যোৱা দৃশ্যটো চাই ইমান ভাল লাগে নহয়? তুমি কিজানি এদিনো দেখা নাই। তুমি আক' ঘৰতে সোমাই এই টান কিতাপবোৰ পঢ়ি থাকিবলৈহে ভাল পোৱা।" মৰম লগা হাঁহিটো মাৰি কবিতা ভিতৰলৈ গুচি গৈছিল। কবিতালৈ চাই তেওঁ ভাবিছিল—ইমান ধুনীয়া কবিতা জনী। তাইৰ স্বাস্থ্যটোও যদি এইদৰে ধুনীয়া হলহেঁতেন; তেওঁৰ কোনো দুখ নাথাকিলহেঁতেন। আজি কিন্তু কবিতা নাহে। কবিতা গুচি গ'ল, তেওঁলোকৰ সৰু সংসাৰ খনত জুই জ্বলাই। ডিব্ৰুগড়ৰ সুবিখ্যাত কলেজ এখনৰ দৰ্শনৰ অধ্যাপক অনুপম বৰুৱাৰ একমাত্ৰ সন্তান কবিতাৰ আজি এমাহৰ আগতে মৃত্যু হ'ল।

* * * *

অনুপম বৰুৱাৰ একমাত্ৰ অন্তৰঙ্গ বন্ধু আছিল সনাতন চৌধুৰী। তেওঁলোকৰ বিয়াও প্ৰায় একে সময়তে হৈছিল। কিন্তু কেইবা বছৰলৈকে বৰুৱা নিঃসন্তান হৈ আছিল। দিগন্তৰ পাঁচ বছৰীয়া জন্ম দিনৰ উলহ-মালহৰ মাজতে তেওঁলোকলৈ খবৰ আহিল— ডিব্ৰুগড় মেডিকেল্ কলেজৰ হস্পিটালত বন্দনাৰ এটি কন্যা জন্ম হৈছে। এই খবৰ পাই সনাতন চৌধুৰীয়ে তেওঁৰ পত্নীক লগত লৈ পিচদিনাই ডিব্ৰুগড়লৈ ৰাওনা হৈছিল। বগা কাপোৰৰ মাজত শুই থকা গোলাপফুলৰ দৰে উজ্জ্বল মুখৰ ধুনীয়া কেঁচুৱা ছোৱালীজনী দেখি তেওঁলোক আনন্দত অধীৰ হৈ উঠিছিল। আহিবৰ সময়ত ইঞ্জিনীয়াৰ চৌধুৰীয়ে অনুপম বৰুৱাক কৈছিল—"তোৰ ওচৰত মোৰ এটা অনুৰোধ আছে অনুপ? তই কিন্তু ৰাখিব লাগিব। তোৰ এই ছোৱালীজনী আমাৰ দিগন্তলৈ দিব লাগিব। দিবি?"

তেওঁৰ কথা শুনি বৰুৱা আৰু বন্দনাই জোৰেৰে হাঁহি দিলে। অকনমান কেচুৱা ছোৱালীজনীক দুই হাতেৰে সাবটি লৈ দিগন্তৰ মাকে চুমাৰে ওপচাই দি বৰুৱা আৰু বন্দনাৰ পৰা বিদায় লৈ উলটি আহিল।

দিগন্তক এই কথা তেওঁলোকে ভুলতো কোৱা নাছিল। দিগন্তই সুখ্যাতিৰে ডাক্তৰ ডিগ্ৰী লাভ কৰাৰ পিচত মাকে দিগন্তক কথাটো জনাব খুজিলে। কিন্তু সেই সময়তে কবিতাৰ অসুখ আৰম্ভ হ'ল। গতিকে দিগন্তক এই বিষয়ে একো কোৱা নহ'ল। দিগন্তৰ পৰা কথাটো লুকুৱাবলৈ মাক দেউতাকে প্ৰাণপণে যত্ন কৰিলে। সৰুৰে পৰা হোষ্টেলত থাকি পঢ়া দিগন্তই কবিতাক এদিনো দেখা নাছিল। দেখাৰ কথা এদিনো ভবাও নাছিল। মাত্ৰ এবাৰ বন্ধত ঘৰলৈ আহোঁতে কবিতাৰ ধুনীয়া ফটো এখন ড্ৰয়িং ৰুমত দেখি বাৰ ফটো মাকক সুধিছিল। মাকে নিৰাসক্ত ভাৱে উত্তৰ দিছিল,-"তই চিনি নাপাবি সোণ, দেউতাৰৰ কোনোবা এজন বন্ধুৰ ছোৱালী।"

দিগন্তক এদিন গুৱাহাটীত থকা পেহীয়েকে কৈছিল—"সোণ, ডাক্তৰ পাছ কৰিলি কামো পালি। এতিয়া বিয়াখন পাতি পেলা পলম কৰি লাভ কি ?"

ছোৱালী কব পেহী? দিগন্তই হাঁহি সুধিলে।

"ইস এতিয়া নজনাই হলি।" কিয় —কবিতা ? শ্ৰীকবিতা বৰুৱা।"

"কোন কবিতা পেহী, মই বুজা নাই।"

"ককাইদেউৰ বন্ধু অনুপম বৰুৱাৰ একমাত্ৰ ছোৱালী। এইবাৰ মেট্ৰিক পাছ কৰি কলেজত নাম লগাইছে।"

দিগন্তৰ মনত পৰিল ঘৰৰ ড্ৰইং ৰুমত দেখা মৰম লগা ছোৱালী জনীৰ ছবি খনলৈ। দিগন্তই বুজিলে তেওঁৱেই নিশ্চয় কবিতা বৰুৱা। দিগন্ত মনে মনে থকা দেখি পেহীয়েকে ক'লে—"ভাবিবলৈ একো নাই বুজিছ। ককাইদেউ-নবৌৱে কবিতাক তোলৈ বিয়া কৰাৱ বুলি ভাবি থৈছে। পিচদিনাই অনুপম বৰুৱাক কথা দিলে। সেই কথা ৰাখিব লাগিব সোণ। ককাইদেউ-নবৌৰ মনত দুখ নিদিবি"।

বন্ধত ঘৰলৈ অহা দিগন্তক দেউতাকে সুধিলে 'দিগন্ত, মোৰ চিঠি খনৰ উত্তৰ নিদিলি যে?

"উত্তৰ দিবলৈ আৰু কি আছে দেউতা? তোমালোকেতো কবিতাৰ জন্মৰ লগে লগে আমাৰ বিয়া ঠিক কৰিলা, বিয়া হবই।"

"কিন্তু কবিতা যে ভীষণ অসুখীয়া দিগন্ত। আজি বহুত দিনৰ পৰা তাই হাৰ্টৰ অসুখত ভুগিছে। তেনেকুৱা এজনী ছোৱালীক জানি শুনি কেনেকৈ বোৱাৰী কৰি আনো?"

"সেইবোৰ কথা মোক নকবা দেউতা। কবিতাৰ অসুখৰ কথা মই নাজানো। কবিতাক মই কাহানিও দেখাও নাই। তথাপিও মই তেওঁক বিয়া কৰাম। তোমালোকে নিজে বন্দবস্ত কৰা বিয়াখন কেনেকৈ নিজে ভাঙিবা"

দিগন্তৰ গহীন মুখখন দেখি দেউতাকে নতুন কৈ আৰু একো কথৰে অৱতাৰণা

কৰিবলৈ সাহস নকৰিলে। দিগন্তই অৰ্গেন-টোৰ ওপৰত থকা কবিতাৰ ফটোখনলৈ চালে। গোলাপ ফুলৰ দৰে বগা কোমল এখন মুখ, ডিঙ্গিলৈকে পৰা কেকোৰা ক'লা চুলি আৰু এজোৰ করুণ চকু—ইমান মৰম লগা অথচ ইমান মনমৰা ছোৱালীজনী। এইজনী ছোৱালীৰ লগত তাৰ চকুৰ চিনাকি নাথাকিলেও অন্তৰৰ চিনাকি আছে। কবি-তাক সি বিয়া কৰাবই লাগিব। কবিতাৰ জীৱনটো তলসৰা ফুলৰ দৰে মৰহী যাবলৈ কেতিয়াও দিগন্তই দিব নোৱাৰে। ভাল চিকিৎসাৰ কাৰণে কবিতাক সি ভিয়েনালৈ নিব। তাৰ নিজৰ সৰ্ব্বস্ব দিও কবিতাক যে সি বচাবই লাগিব। কবিতা যেতিয়া সম্পূৰ্ণ আৰোগ্য হৈ উঠিব তেতিয়া সিহঁতৰ সৰু সং-সাৰখন কিমান মধুৰ হৈ উঠিব। দিগন্তই বুজিলে সি সুখী হ'ব। তাৰ পিচত মাক-দেউতাকক অবাক কৰি সি কৈ দিলে—অনুপম বৰুৱাৰ জীয়েক কবিতাৰ বাহিৰে আন কাকো সি বিয়া নকৰায়। একমাত্ৰ সন্তানৰ মহৎ হৃদয়ৰ পৰিচয় পায় ইঞ্জিনিয়াৰ চৌধুৰীয়ে তৃথৰ মাজতো তৃপ্তিৰ হাঁহি মাৰিলে।

আবেলিৰ শেতা পোহৰত বিচনাত পৰি অনুপম বৰুৱাই কলেজৰ পৰীক্ষাৰ বহী এজাপ চাই আছিল। অকনমান পিচত কবিতা আহিল। দেউতাকৰ ওচৰত বহি ক্ষীণ মাতেৰে কবিতাই কলে—"দেউতা"

অনুপম বৰুৱাই মূৰ দাঙি চালে। কবি-তাক সন্মুখত দেখি ক'লে—ফুৰিবলৈ নগলি কেলেই কবিতা? দিগন্তই দি যোৱা উপদেশ পালন কৰিবলৈ এৰি দিলি নহয়? কালিলৈ দিগন্ত আহিলে মই কৈ দিম।"

কবিতাই অকনমান হাঁহিলে।

"দিগন্তদাই মোক গালি পাৰিব নেকি দেউতা?

"পাৰিব পাৰে মই ক'ব নোৱাৰো।"

অনুপম বৰুৱাই আকৌ বহী চোৱাত মন দিলে। কবিতা মনে মনে বহি থাকিল।

"দেউতা তুমিতো দৰ্শনৰ ডাঙৰ ডাঙৰ বহুতো কিতাপ পঢ়িছা মোক দেখুন একোকে নুকোৱা।"

অনুপম বৰুৱাই কোনো উত্তৰ নিদিলে। "মৃত্যুৰ সিপাৰে কি আছে দেউতা। অনুপম বৰুৱাই এইবাৰও উত্তৰ নিদিলে। "তুমি জন্মা-ন্তৰবাদ বিশ্বাস নকৰা? মই কিন্তু কৰো।"

অনুপম বৰুৱাই অবাক দৃষ্টিৰে কবিতাৰ মুখলৈ চাই ৰল। "এইবোৰ ডাঙৰ ডাঙৰ কথা ক'বলৈ তোক কোনে শিকালে কবিতা?

নিজে শিকিছো। জানা দেউতা, মই যদি এদিন মৰি থাকো তেতিয়া মই আকৌ তোমা-লোকৰ ঘৰতে জন্ম লম। কবিতাৰ চকু দুটা চল্‌চলীয়া হৈ পৰিল। অনুপম বৰুৱাই কবিতাক বুকুৰ মাজলৈ টানি লৈ সৰু ল'ৰা এটাৰ দৰে কান্দি পেলালে।

* * * *

বাহিৰত তেতিয়া শুক্লা পঞ্চমীৰ কাচি জোনৰ পাতল জোনাক বোৰ পৰিছিল। লাইটৰ

শেতা পোহৰে বুৰাই যোৱা কোঠাটোৰ কোমল বিচনাখনত লেবেলি যোৱা ফুল এপাহিৰ দৰে নিস্তেজ মুখ এখন লৈ কবিতা শুই আছিল। গোঁসাই ঘৰত বন্দনাই সন্ধ্যাৰ প্ৰদীপ জ্বলাই চকুৰ পানীৰে ভগবানৰ আৰতি কৰিছিল। আৰু কবিতাৰ মুখলৈ পলকবিহীন দৃষ্টিৰে চাই আছিল অনুপম বৰুৱাই। অনুপম বৰুৱাই বুজিছিল বনৰ পখীক তেওঁলোকে সজাত ভৰাই ৰাখিবৰ বৃথা চেষ্টা কৰি আহিছে আজি ইমান দিনে। সেই সজা ভাঙি মুক্ত আকাশত বিচৰণ কৰিবলৈ যদি পখী উৰি গুচি যায় তাত কোনেও বাধা দিব নোৱাৰে। বন্দনাৰ চকুৰ পানীৰে, তেওঁৰ প্ৰাণৰ আকুতিয়ে ভগবানৰ প্ৰাণ নগলাব। অপলক দৃষ্টিৰে কবিতাৰ মুখলৈ চাই থৰ হৈ বৰুৱা বহি আছিল।

"দেউতা! দিগন্তদাই মোৰ কথা তোমাক কি বুলি কৈছে?"

"কৈছে তই বহুত ভাললৈ আহিছ। চিন্তাৰ কাৰণ নাই।" "তেখেতে তোমাক মিছা কথা কৈছে। হাৰ্ট স্পেচিয়েলিষ্ট হৈ তেখেতে মোৰ কথা নজনা নহয়। তোমালোকক শান্তনা দিবৰ কাৰণেহে আচলতে তেনেকৈ কৈছে।" কবিতাৰ চকুৰ পতাত বিৰিঙি উঠা পানী এটোপ হাতেৰে মচি দি বৰুৱাই একেথৰে তাইলৈ চাই আছিল। অকণমান পিচতে ইঞ্জিনিয়াৰ চৌধুৰী, তেওঁৰ পত্নী আৰু দিগন্ত পালেহি। কবিতাই তেওঁলোকলৈ নিস্পলক দৃষ্টিৰে চালে। একো নকলে। "দিগন্তদা, তুমি এবাৰ মোৰ ওচৰলৈ আহা।" কবিতাৰ মাতটো অসম্ভৱ ৰূপে কঁপি উঠিল। "মই, মই আৰু ভাল নহও দিগন্তদা, মা-দেউতাৰ মোৰ বাহিৰে আৰু কোনো নাই। তুমি তেওঁলোকক চাবা। জানা দিগন্তদা। ময়ো বহুতো আশা কৰিছিলো। তোমাৰ দৰে মইয়ো আশা কৰিছিলো। ভগবানে আমাৰ আশা পূৰণ হ'বলৈ নিদিলে। মই যে ইমান ...... ।" কবিতাই আৰু কথা নকলে। দিগন্তই কবিতালৈ একে থৰে চাই থাকিল। চকুৰ পৰা পানী এটোপালো সৰি নপৰিল আৰু তাৰ পাচত দিগন্তই হঠাতে উঠি গৈ কাষৰ ড্ৰেচিং আইনাখনৰ কাষৰ পৰা সেন্দুৰৰ টেমাটো আনি কবিতাৰ শিৰত এসোপামান ৰঙা সেন্দুৰ সানি দি কাপোৰখন মুখলৈকে টানি দিলে।

অনুপম বৰুৱা আৰু বন্দনাই কবিতাৰ বলিয়াৰ দৰে সাৰটি ধৰিলেহি। বন্দনাৰ চকুপানীবোৰ মচি দি দিগন্তই কলে। "মাহী আপোনালোকে কান্দিছে কিয় মই বুজা নাই। আজি কবিতাৰ সৈতে মোৰ বিয়া; আনন্দহে কৰিব লাগে। তাৰ পিচত দিগন্তই মাকৰ গাত ধৰি জোকাৰি দিলে, "মা তোমাৰ বোৱাৰীক শেষবাৰলৈ হেপাহ পলুৱাই চাই লোৱা। আৰু দেখা নোপোৱা এই জীৱনত। দিগন্তৰ মাকে কবিতাৰ গাত মূৰটো থৈ উচুপি উঠিল। ইঞ্জিনিয়াৰ চৌধুৰীয়ে মাত্ৰ সেই কৰুণ দৃশ্যটোলৈ অসহায় দৃষ্টিৰে চাই ৰল। তেওঁৰ চকুৰ আগলৈ ভাহি আহিল ৰঙা বিচনাখনত শুই

থকা গোলাপ কলি এটাৰ দৰে উজ্জ্বল কেচুৱা ছোৱালীজনীৰ মুখখন। আধা-ফুলা হওঁতেই সেই কলিটি বতাহে সৰুৱাই দিলেহি। পূৰ্ণ প্ৰস্ফুটিত হবলৈ সেই পাহ ফুলে সময় নেপালে।

বাহিৰত শুক্লা পঞ্চমীৰ কাচি জোনৰ পাতল জোনাকবোৰ পৰিলহি। অনুপম বৰুৱাই ভিতৰলৈ উঠি যাবলৈ ইচ্ছা নকৰি বাহিৰতে বহি থাকিল। বৰুৱাই অনুভৱ কৰিলে কবিতা যেন আহি তেওঁৰ পিচফালে ঠিয় হৈ আছেহি। কবিতাৰ কোমল আঙুলিবোৰৰ পৰশ তেওঁৰ বাহুত লাগিছে। কবিতাই যেন কাণে কাণে কৈছে—"দেউতা, বহুত ৰাতি হ'ল। ভিতৰলৈ ব'লা।" অনুপম বৰুৱাই কবিতাৰ হাতখন ধৰিব খুজি উভতি চালে। কোনো নাই। চাৰিওফালে মাথো নিবিড় নিৰ্জ্জনতা। গোঁসাই ঘৰত থাপনাৰ ওপৰত ঢিমিকি ঢিমিকি জ্বলা চাকি গছৰ শেতা পোহৰবোৰ খিৰিকীয়েদি ওলাই আহিছে। অনুপম বৰুৱাৰ চকুৰ কোণত দুটোপাল পানী বিৰিঙি উঠিল। কবিতা শেষ হৈ গ'ল। তেওঁক দেউতা বুলি মাতিবলৈ আৰু কোনো নাই। কোনেও তেওঁক পাহাৰৰ সিপাৰে বেলি মাৰ যোৱাৰ কথা নকয়হি। মৃত্যুৰ সিপাৰে কি আছে বুলিও কোনেও তেওঁক নুসুধেহি। কবিতা আৰু নাহে। আৰু কোনো দিন নাহে। চেনেহ উপচা এখন সৰু সংসাৰত জুই জ্বলাই থৈ কবিতা গুচি গ'ল। ডিব্ৰুগড়ৰ সুবিখ্যাত কলেজ এখনৰ দৰ্শনৰ অধ্যাপক অনুপম বৰুৱাৰ একমাত্ৰ সন্তান কবিতাৰ আজি এমাহৰ আগতে মৃত্যু হ'ল…।

॥ গল্প ॥

# ॥ লাষ্ট টেঙ্গো ইন পেৰিচ ॥

## : ( Last tango in Paris)

শ্ৰীকুমুদ ৰঞ্জন দাস,
৩য় বাৰ্ষিক, ( কলা )

সজোৰে ধূলি উৰুৱাই বাছখন আগুৱাই গৈছিল ; আৰু বাছৰ ভিতৰৰ চীটবোৰ দখল কৰি যোৱা এমথা ল'ৰা - ছোৱালীৰ হাঁহি হুলস্থুলত আৰু দুই এজনৰ উন্মত্ততাত অন্য এটা পৰিবেশ গঢ়ি উঠিছিল। সমাজৰ বাধা বাধকতাৰ আঁতৰত সিহঁতৰ repressed attitude বোৰে মূৰ দাঙি উঠিছিল। মনোজৰ মনত পৰিছিল চাইক'লজিৰ ক্লাচৰ লেক্‌চাৰটোলৈ : repression is the main piller upon which rests the edifice of psycho-analysis...

নগৰৰ জন-কোলাহলৰ পৰা দহমাইল আঁতৰৰ যিকোনো এখন হাবিয়নী ঠাই সিহঁতৰ গন্তব্য স্থল। মে' মাহৰ শেষৰ এক উজ্জল ৰাতিপুৱা। কলেজৰ ফাইনেল পৰীক্ষা দি কলেজীয়া জীৱনৰ ইতি পেলোৱাৰ এটা স্মৰণীয় দিৱস পালন কৰাৰ প্ৰয়াসেৰে এচাম কলেজীয়া হেডনীষ্টে নগৰৰ পৰা কিছুদূৰ আঁতৰৰ এটুকুৰা নিৰ্জন ঠাই বাছি লৈছিল। চাৰিটা বছৰৰ কলেজীয়া জাকজমকতাত সাধাৰণ বা অসাধাৰণ ভাবে হলেও পঢ়া - শুনাত গতানুগতিক ফল দেখুৱাই অহা এইচাম ল'ৰা - ছোৱালীৰ আটাই বোৰ কিন্তু হেডনীষ্ট নহয়। মনোজ ৰাধা সুজাতা, শান্তনুহঁত বাস্তৱ জীৱনৰ গভীৰতাৰ সৈতে পৰিচিত আৰু সতৰ্ক। তথাপিও সিহঁতৰ মনৰ কোনোবা এথিনিত এনে এটা গেট-টু গেদাৰ'ৰ প্ৰতি দুৰ্ব্বলতা নথকা নহয়। সেয়ে হয়তো এদিনৰ বাবে হলেও সিহঁতে সিহঁতকৈ নানা দিশত বেলেগ আন কিছুমান সহপাঠীৰ সৈতে এটা ক্ষণিক অভীপ্সাৰে মে' মাহৰ এই আৰতৰীয়া পিক্‌নিকত যোগ দিছিল।

মুঠতে এঘাৰজনী ছোৱালী আৰু বিশজন ল'ৰাৰে এই একত্ৰিশজনীয়া দলটোৱে নগৰ-

বাসীক অলপ আচৰিত কৰি সিহঁতৰ যাত্ৰা আৰম্ভ কৰিলে। পিক্‌নিকত ভাতৰ দিহা কৰা হোৱা নাই। বাতিপুৱাই দুখন হোটেলত বিশেষ অৰ্ডাৰ দি দুচা, মোগলাই পৰঠা, মাংস-আঞ্জা আদি বনাই লোৱা হৈছে। কণী বয়ল কৰি লোৱা হৈছে। তাৰ ওপৰি ফল-মূল ককোকোলা আদি আছেই। কেৱল প্ৰয়োজন অনুসৰি চাহখিনি বনাই লব লাগিব।

অৱশেষত এডোখৰ ঠাই বিচাৰি উলিওৱা হ'ল। ঠাইডোখৰ মনোজৰ ভাল লাগিল। হাবিৰ কাষে কাষে এখন সৰু নৈ। ওৰে বাটত পাই অহা কৃষ্ণচূড়াৰ মাদকতা ইয়াৰো অ'ত ত'ত বিৰাজমান। নৈৰ দ'াতিতে থকা কেইজোপামান সোনাৰু গছৰ ডাল ভৰি থকা ফুলে মনোজক আকৰ্ষিত কৰিলে। বাছৰ ড্ৰাইভাৰে সিহঁতক তাতে এৰি উভতি গলগৈ বাছখন লৈ; সন্ধিয়াৰ আগে আগে পুণৰ আহি লৈ যাবহি। নগৰৰ ব্যতিব্যস্ততাৰ আঁতৰত এই নিৰ্জনতা খিনিত সিহঁত যেন বৰ হঠাৎ বৰ বেলেগ মনোভাবাপন্ন হৈ পৰিল। তথাপিও প্ৰত্যেকেই অলপ হৈ হাল্লা কৰিয়েই কিছু সময় পাৰ কৰি দিলে।

এটা সময়ত-ভোজন পৰ্ব্ব শেষ হ'ল; প্ৰত্যেকেই যেন এই সময়টোলৈকে বাট চাই আছিল। সিহঁত আটায়ে ঠাই ফুৰিবলৈ ওলাল। দিবাকৰ, ৰবীন, প্ৰশান্ত, বাদল আৰু হেমন্তই কিন্তু 'পিক্‌নিক্ স্পট'ৰ পৰা লৰচৰ নকৰিলে।

সমীৰ আৰু জবাই অলপ ফালৰি কাটি হাবিৰ এটা কোনত অদৃশ্য হ'ল। অশোক আৰু উপমা, সঞ্জয় আৰু বনলতা, মানবেন্দ্ৰ আৰু শেৱালীয়ে ইজনে সিজনক অলপ দৰ্কাৰী কথা কবলগীয়া আছে বুলি অলপ অলপকৈ আঁতৰি আহি অৱশেষত কোনোবা এখিনিত লুকাই পৰিল: সিহঁতৰ সমূখত তেতিয়া অবাধ স্বাধীনতা। এক অদমনীয় গোপন ঈপ্‌সা প্ৰকাশ কৰাৰ ইয়াতকৈ আৰু সুন্দৰ সুযোগ সিহঁতে ক'ত পাব! মনোজৰ মনত ফ্ৰয়েডৰ মনোবিশ্লেষণৰ অস্পষ্ট সূত্ৰটো স্পষ্ট হৈ উঠিল। সামাজিক ৰীতিয়ে দমন কৰি ৰখা সিহঁতৰ অবচেতন মনৰ কামনা চৰিতাৰ্থ কৰাৰ সময় এয়া

ইতিমধ্যে হেমাঙ্গহঁতৰ দলটোৱে ৰীহানা, নন্দিতাহঁতক লৈ কিছুদূৰ আগুৱাই গৈছিল; ক্ৰমাৎ টান চোকা হৈ অহা ৰৌদ্ৰ-তাপকো নেওচি এজোপা ডাঙৰ গছৰ ছাঁত সিহঁত থিয় হ'ল। দীপক, গিলবাৰ্ট আৰু সীমান্তই গীটাৰ আৰু বঙ্গো লৈ গৈছিল। গছৰ ছাঁত অলপ সময় বৈ সিহঁতে নাচ গানৰ আখৰা কৰিলে। হেমাঙ্গই চাৰমিনাৰ চিগাৰেটৰ ভিতৰত ধপাতবোৰ উলিয়াই ভাং ভৰাই আনিছিল; আৰু তাকে হুপি মগ্ন হৈ পৰা হেমাঙ্গহঁতৰ ৰিকুৱেষ্টত নন্দিতাহঁতেও জীৱনত দ্বিতীয় এটা সুযোগৰ ডিফিকাণ্টি অনুমান কৰি এবাৰৰ বাবে হলেও চাৰমিনাৰত ডাঙৰ সোৱাদ ললে। জেঠ মাহৰ উত্তাপত সিহঁত ঘামত তিতি বুৰি একাকাৰ হৈছিল; তথাপিও কামনা বাসনাযে সিহঁতৰ জীৱনৰ অতি মূল্যবান অঙ্গ।

মনোজহঁতৰ দলটো অৱশ্যে বেলেগ; সিহঁত, মানে, মনোজ, ৰাধা, সুজাতা, শান্তনু, বিমান

চোৰহানহঁত সামাজিক আৰু নৈতিক অনুশাসনৰ অনুগত। সিহঁতে পৰস্পৰে পৰস্পৰক ভাল পায়; সহায় কৰে; ইজনে সিজনৰ গুণত মুগ্ধ। শালীনতাবোধেই সিহঁতৰ ৰুচি অভিৰুচি নির্ণয় কৰে। তথাপিও সিহঁতে সিহঁতকৈ বেলেগ এই দল সহপাঠীৰ সৈতে পিক্‌নিকত যোগ দিছিল, হয়তো সিহঁতৰ মনতো কিবা এক দুর্বল অনুভূতিৰ অনুকম্পন হৈছিল; কিন্তু বাস্তৱত সিহঁতে স্বকীয় ব্যক্তিত্বৰ মূল্যক অতি বেচি স্বীকৃতি দিছিল। সেয়ে হাবিৰ ভিতৰলৈ গৈ সিহঁতে নৈৰ পাৰে পাৰে কিছুদূৰ ঘূৰিলে। মনোজে চাহ খাওঁতেই দুটামান স্নেপ লৈছিল তাৰ কেমেৰাটোৰে। সিহঁতে ভাল চাইট চাই ফটো তুলিলে; সোনাৰু আৰু কৃষ্ণচূড়া ফুলৰ থোপা চিঙিলে গান গালে; আৰু লগত লৈ যোৱা ককোকোলা খাই গৰমত পিয়াহ পলুৱালে।

দিবাকৰ, ৰবীন, প্ৰশান্ত, বাদল আৰু হেমন্তই পিক্‌নিক্ স্পটতেই বহি লৈ গিলাচ আৰু বটল উলিয়াই ললে; এটা এটাকৈ তিনিটা মদৰ বটল শূন্য হৈ নৈৰ পাৰৰ শিলত ভাঙি চূৰমাৰ হ'ল : বহুত যত্ন কৰি অনা এল্ এচ্ ডি সেৱন কৰি সিহঁত উত্তেজিত হৈ পৰিছিল। এটা এটা কৈ সিহঁতে দেহৰ পৰা সকলো কাপোৰ কানি সোলোকাই দলিয়াই পেলালে; সামাজিক অনুশাসনৰ বহুত আতৰত হাবিৰ মাজত সিহঁতৰ বন্যতাই নগ্নৰূপ লৈছিল......

অৱশেষত সুজাতাহঁতে সযতনে চিঙি অনা সোণাৰু আৰু কৃষ্ণচূড়া ফুলবোৰ এক বিতৃষ্ণাৰে দলিয়াই দিলে। বৰ আগ্ৰহেৰে তোলা ফটোবোৰৰ 'তিক্তস্মৃতি'ৰ কথা ভাবি মনোজে কেমেৰাৰ পৰা ৰীল্‌টো আজোৰ মাৰি উলিয়াই টুকুৰা-টুকুৰকৈ ফালি পেলালে।

সন্ধিয়া উভতি যোৱাৰ পথত মনোজ ৰাধাহঁতে ভাবিছিল সিহঁত পিক্‌নিকলৈ নহা হলেই ভাল আছিল। জবা, অশোক, সমীৰ, উপমাহঁতে আজিৰ দিনটোৰ সার্থকতাত আৰু হেমাঙ্গহঁতে উপভোগ কৰিব পৰাত সুখী হৈছিল। দিবাকৰ প্ৰশান্তহঁতৰ ভবাৰ অৱকাশেই বা চেতনাই নাছিল তেতিয়া।...... *

# সুন্দৰৰ বৰচ'ৰা

“এই দেশতেই
জন জীৱনত
সোণ মনটি
সোণ পাহিৰে
সোণ হাঁহিৰে ফুলক।”

## ॥ অসমৰ উদীয়মান শিল্পী শ্ৰীপুলক গগৈৰ এখন চিঠিৰ ভাষাৰে কলা সম্বন্ধে দু-আষাৰ ॥

জয়জয়তে সকলো কানৈয়ান পাঠক-পাঠিকালৈ প্ৰীতি সম্ভাষণ জনাই অসমৰ উদীয়মান শিল্পী শ্ৰীপুলক গগৈৰ কানৈয়ান সুন্দৰসেৱীলৈ কলা সম্বন্ধে আগবঢ়োৱা এখন চিঠিৰে এইবাৰৰ সুন্দৰৰ বৰচ'ৰা মুকলি কৰিছো।

প্ৰিয় সোনোৱাল,

আপোনাৰ চিঠিখন সময়ত পায়ো সময়ত উত্তৰ দিব নোৱাৰিলো। কাৰণ আপোনাৰ চিঠিখনৰ লগত অহা অনুৰোধটোৱে মোক বিপাঙত পেলালে। ‘কলা'ৰো সম্বন্ধে আপুনি সোধা প্ৰশ্নটোৰ উত্তৰ দিয়া মোৰ পক্ষে কঠিন। ‘কলা'নো কি? ইয়াৰ প্ৰভাৱ? এইবোৰৰ সংজ্ঞা বিজ্ঞজনে বহুবাৰ বহুধৰণে দিছে। মোৰ বোধেৰে ‘কলা'ৰ সংজ্ঞা সম্বন্ধে যিমানবোৰ তৰ্কবিতৰ্ক হৈছে আটাইবোৰেই বৰ Controvertial। মই নিজে ছবি অ'াকো বা অ'াকিবলৈ শিকিছো আৰু এই শিকা কেতিয়া শেষ হ'ব কব নোৱাৰেঁা। শিকা জানো শেষ হয়? মই ইয়াৰ ছাত্ৰ মাথো। কাৰণ যিমানবোৰ অ'াকি যাওঁ সিমানবোৰেই দেখোন নতুন Form ৰ সোৱাদ পাওঁ। আৰু প্ৰথমে অ'াকাখন যিমান ভাল লাগে পিছৰখনৰ পাছত প্ৰথমখন বেয়া লাগে। তথাপি আপুনি যেতিয়া প্ৰশ্নটো কৰিলেই মই তাৰ পৰা পলায়ন নকৰি উত্তৰ এটা দিওঁ। ঠিক উত্তৰ নহয়—মই ব্যক্তিগত ভাৱে কৰা এটা উপলব্ধি প্ৰকাশ কৰোঁ দেই। আপোনাৰ বাবে ই গ্ৰহণযোগ্য নহবও পাৰে কিন্তু। আপুনি জানেই বৰ্ত্তমান ছবিৰ ওপৰত না না পৰীক্ষা-নিৰিক্ষা চলিছে আৰু বৰ্ত্তমান পৃথিৱীত Abstract ছবিক লৈয়ে য'ত কল্পনা-জল্পনা, তৰ্কা-তৰ্কি। কোনো কোনোৰ মতে এইবোৰ ছবিয়েই নহয়। যিকি নহওক মোৰ মতে Simplification of Drawing, harmonisation of colour, Abstract হ'ব পাৰে। উদাহৰণ দুটামান দিওঁ—বিশ্ববৰেণ্য শিল্পী পিকাচোৰ এখন ছবি ‘Still Life'. এই ছবি খনত শিল্পীগৰাকীয়ে কেইটা-

মান আপেল আৰু এখন কটাৰী বৰ সহজ ৰেখাত অ'াকি অতি সাধাৰণ ভাবে বস্তুৰ প্ৰয়োগ কৰিছে। আৰু ছবিখন এটা ডিম্বাকৃত ফ্ৰেমত বন্ধাইছে। এজন কলা প্ৰেমিকে ছবিখনলৈ কিয় ডিম্বাকৃত ফ্ৰেমত বন্ধোৱা হ'ল বুলি সোধাত পিকাচোৱে কলে যে তেওঁ ফলমূল কিবা এখন ট্ৰে'ত থৈছে। গতিকে ডিম্বাকৃতৰ ট্ৰেৰ দৰে লগা ফ্ৰেমত ছবিখন বন্ধাইছে। এতিয়া মন কৰকচোন তেওঁৰ ছবিখন চোৱাৰ দৃষ্টিভঙ্গীটো। এজন শিল্পীৰ যিকোনো এটা বস্তুক চোৱাৰ দৃষ্টিভঙ্গীতে ছবিখনৰ চৰিত্ৰ প্ৰকাশ নিৰ্ভৰ কৰে। এয়াও Abstract, আৰু Simplification of drawing ? মই যেতিয়া জানো যে দুজন বহি থকা মানুহৰ চাৰিটা ভৰি। অথচ মই যদি দুটা ভৰিৰেই দুজন মানুহৰ বহি থকা অৱস্থাটো প্ৰকাশ কৰিব পাৰো তেতিয়া বাৰু এই সময়ৰ অভাৱৰ দিনত কিয় চাৰিটা ভৰি অ'াকিম ? আৰু Drawing এটাৰ ক্ষেত্ৰত যিডাল মুখ্যৰেখা সেই ডালেৰেই যদি সম্পূৰ্ণ Drawing এটা কৰিব পাৰি তেতিয়া হলে শাখা-প্ৰশাখাবোৰক বাদদিয়াই ভাল বুলি মই বিবেচনা কৰোঁ। এটা কথা এখন ছবিৰ বিষয় বস্তুটোক শব্দৰে প্ৰকাশ কৰা বৰ কঠিন। ই অতি নিৰস যেন অনুমান হয়। ছবি উপলব্ধিৰ বস্তু। গতিকে চাই যিখিনি মনত আনন্দ আৰু শিহৰণ পাব পাৰি তাক এজনৰ কাষত বৰ্ণনা দিব নোৱাৰি। আমাৰ সঁচাই দুৰ্ভাগ্য যে বিশ্বৰ বাদেই আনকি আমাৰ ভাৰতৰ বৰেণ্য শিল্পীসকলৰ Original চোৱাৰ ভাগ্যও অসমত নাই। এইবোৰৰ প্ৰদৰ্শনী দিহা কৰাৰ কৰ্ত্তব্য ৰাজ্যিক ললিত কলাৰ আছিল। কিন্তু কৰা হোৱা নাই।

প্ৰিয় সোনোৱাল, প্ৰৱন্ধ লিখাটো মোৰ বাবে দুৰুহ কাৰ্য্য। গতিকে বৰ আন্তৰিকতাৰে আপোনালৈ চিঠিখনকে লিখিলো। ইয়াৰ পৰাই যদি আপোনালোকে কিবা পাইছো বুলি ভাবে মই কৃতজ্ঞ হম। মোৰ প্ৰতি থকা আপোনালোকৰ মৰমৰ বাবেও মই কৃতজ্ঞ। শেষত আপোনালোকৰ আলোচনীখনৰ সুন্দৰ প্ৰকাশৰ বাবে আগতীয়াকৈ শুভেচ্ছা জনালো। ইতি—

আপোনাৰ—

পুলক গগৈ।

গুৱাহাটী ১৮-৪-৭৩

# ।। কানৈয়ানৰ গীত ।।

কথা ও সুৰ শ্ৰীসুনীল কুমাৰ বৰা।
১ম বাৰ্ষিক স্নাতক (কলা)

(১)

আহঁা আমি বন্তি জলাওঁ
আই অসমীৰ বুকুত
আহঁা আহঁা আহঁা।

(২)

চিৰ চেনেহী আই অসমী
তোমাৰ বুকুত আমি পূজাৰী,
দুখৰ চকুলো আমিয়ে গুচাম
জীৱন গীতেৰে তোমাক জগাম
তোমাৰ বুকুত মিলি ভঁাহি যাওঁ
জীৱন বন্তি আমিয়ে জলাওঁ।
আহঁা আহঁা আহঁা।

(৩)

সুন্দৰতাৰ স্বাক্ষৰ আমি
সত্য শিৱৰ পুজাৰী আমি,

আই অসমী আমাৰ মৰমী জননী
শঙ্খ ধ্বনিৰে বাজিব উঠি
মহান একতাৰ মহান বাণী
মানৱতাৰ দুৱাৰ খুলি
আহাঁ আহাঁ আহাঁ !

# ॥ ফাগুনৰ এটি গীত ॥

শ্ৰীকুঁহিৰাম গগৈ ।
তৃতীয় বাৰ্ষিক, স্নাতক (কলা)

এইয়া আহিল ফাগুন
তুমি
গম পোৱা নাই,
গম পোৱা নাই,
সেইয়া কিহৰ নাচোন
তুমি
বুজি পোৱা নাই,
অঁাহতৰ তলে তলে
এইয়া ফাগুন
সৰাপাতৰ নাচোন ।
হেৰুৱা দিনৰ সপোন
আজি
আহিছে দুনাই,
খুলি মনৰ দাপোণ
আজি
ৰব পৰা নাই,
শিমলুৰ ফুলে ফুলে
এইয়া ফাগুন
বিবিধ চৰাইৰ নাচোন ।
খুলি মায়াৰ বান্ধোন
আজি
আহাঁ কাষলৈ,
এইয়া আহিল ফাগুন
আহাঁ
চোৱা দূৰলৈ,
ডালে ডালে কাঞ্চন বনৰ
এইয়া ফাগুন
আমাৰ নিচেই আপোন ।
ফাগুনৰ পছোৱা
অলিয়া বলিয়া
বলিয়া কৰিলে মন,
বাউলি কৰিলে
তোমাৰ চুলিটাৰি
তালৈ কৰা নাই মন,
কিয় ? এইয়া আহিল ফাগুন ।

## ॥ সুন্দৰৰ সেৱাত কটনিয়ান ॥

গত বছৰ মহাবিদ্যালয় সপ্তাহ উপলক্ষে হোৱা প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰা কটনিয়ান সুন্দৰ সেৱীসকল,—

শ্ৰেষ্ঠা গায়িকা—ছাচিনা খাতুন, প্ৰাকবিশ্ববিদ্যালয়, কলা।
শ্ৰেষ্ঠ অভিনেতা—শ্ৰীত্ৰৈলোক্য গগৈ, ১ম বাৰ্ষিক (বিজ্ঞান)
শ্ৰেষ্ঠা অভিনেত্ৰী—শ্ৰীবাণী শৰ্মা, ২য় বাৰ্ষিক ( বিজ্ঞান )
শ্ৰেষ্ঠ দল—পৰাজিত পৃথিৱী ( লাওখোলা স্পেছেল্ )
শ্ৰেষ্ঠা নৃত্য শিল্পী—শ্ৰীঝৰ্ণা শইকীয়া, প্ৰাকবিশ্ববিদ্যালয়, কলা ।
শ্ৰেষ্ঠ নাট পৰিচালক—শ্ৰীপ্ৰভাত গোস্বামী, ৩য় বাৰ্ষিক, বিজ্ঞান । ( পৰাজিত পৃথিৱী )

শ্ৰেষ্ঠ "Literary man"—শ্ৰীকুমুদ ৰঞ্জন দাস, ৩য় বাৰ্ষিক, কলা।

শ্ৰেষ্ঠা তেশ্চন প্ৰতিযোগী—শ্ৰীনীলিমা শৰ্ম্মা, প্ৰাক-বিশ্ববিদ্যালয়, কলা।

## ॥ ভাৰতীয় বোলছবি জগতত খ্যাতি অৰ্জ্জা দুজন অসমীয়া ডেকা ॥

ভাৰতীয় বোলছবি জগতত শব্দযন্ত্ৰী আৰু বোলছবি সম্পাদনাত বৰ্ত্তমান একোখনকৈ সুকীয়া আসন অধিকাৰ কৰা অসমৰ দুজন উদীয়মান অসমীয়া ডেকা ক্ৰমে শ্ৰীপীয়ুষ কান্তি ৰায় আৰু শ্ৰীবিজয় চৌধুৰীক এইবাৰ কানৈয়ান সুন্দৰসেৰী সকলৰ লগত চিনাকি কৰি দিছো। চিনাকি কৰাত সহায় কৰিছে তেওঁলোকৰ নিজা চেক্ৰেটাৰী অসমৰ শ্ৰীবীৰেন্দ্ৰ নাথ শৰ্ম্মাই। শ্ৰীযুত শৰ্ম্মাৰ এই চিঠিখনৰে আৰম্ভ কৰিছোঁ—।

মৰমৰ সোনোৱাল,

মৰমবোৰ লবা। তুমি Registar কৰা চিঠিখন পালো। তোমালোকে "সুন্দৰৰ ৰৱচ'ৰা"ত শ্ৰীপীয়ুষকান্তি ৰায় আৰু শ্ৰীবিজয় চৌধুৰীক চিনাকি কৰি দিব বিচাৰিছা। সেয়েহে তেওঁলোক দুয়োৰে introduction থুলমূলভাৱে লিখি পঠালো।

বোম্বেইত থকা "অসম সাংস্কৃতিক সংঘ" আৰু আমাৰ সকলোৰে তৰফৰ পৰা শুভেচ্ছা থাকিল। আলোচনীখন সুন্দৰ আৰু কৃতকাৰ্য্য হৈ সমাজত সমাদৰ পাওঁক।

ৰহতো মৰম আৰু শুভেচ্ছাৰে
শ্ৰীবীৰেন্দ্ৰ শৰ্ম্মা।
বোম্বেই।

## ॥ শব্দযন্ত্ৰী পীয়ুষ ৰায় ॥

শব্দযন্ত্ৰী পীয়ুষ ৰায়। নামটোহে পিছে অসমীয়া যেন নালাগে। তেওঁৰও বৰ দুখঃ সকলোৱে তেওঁক হেনো বঙালী বুলিহে ভাবে। এওঁ গোৱালপাৰাৰ খাচ অসমীয়া। জন্ম গ্ৰহণ কৰে গুৱাহাটীত। চৰকাৰী চাকৰিৰ পৰা অবসৰ প্ৰাপ্ত শ্ৰীযুত শৰৎ ৰায়ৰ সুযোগ্য পুত্ৰ Poona Film & TV Institute ত ১৯৬৫ চনৰ জুলাই মাহত পুনালৈ আহে। তাৰে পৰা ১৯৬৮ চনলৈ এই সময়চোৱা সুন্দৰ পৰিবেশেৰে কটাইছিল। অসমীয়া গান গায় সেয়েহে অতি কম সময়ৰ ভিতৰতে তেওঁ ছাত্ৰ শিক্ষক সকলোৰে মাজত প্ৰিয় হৈ পৰিছিল।

শেষত পৰীক্ষাত উৰ্ত্তীৰ্ণ হোৱাৰ আগতে তেওঁ স্বাধীন ভাৱে দুখন Short filmত শব্দ গ্ৰহণ কৰে। প্ৰথমখন A LOVE TALE আৰু আনখন UNISCO ৰ কাৰণে LA-MOUR। A LOVE TALEৰ শব্দ পৰিচালনাৰ বাবে তেওঁ 'SCREEN'ৰ পৰা Certificate of Merit আৰু LOS ANGELS (USA) ৰ young Critices Association ৰ পৰা special Mention পাইছিল।

পাছ কৰাৰ পিচত কেইবাটাও ভাল ভাল চাকৰি নকৰি প্ৰায় 'ন' মাহ R. K. Studio ত আলাউদ্দিন চাহাবৰ সহকাৰী শব্দযন্ত্ৰী হিচাবে কাম কৰে। তেওঁৰ ইচ্ছা বোম্বেইত কথাছবিৰ কাৰিকৰী দিশটো ভালকৈ শিকি অসমীয়া কথাছবিক উন্নত কৰাৰ। সেই সময়চোৱাত তেওঁ সহকাৰী হিচাবে 'মেৰা নাম জোকাৰ,' 'খিলোনা,' 'তু হাসিন মেয় জবান,' ইত্যাদি কেইবাখনো ছবিত কাম কৰে।

এতিয়া হ'ল তেওঁ স্বাধীন শব্দযন্ত্ৰী'। তেওঁৰ হাতত থকা ছবিবোৰৰ তিনিখন ইতিমধ্যে শেষ কৰিছে। মুকুলদত্ত পৰিচালিত 'ছালিয়া', ৰমেশ জোশী পৰিচালিত 'কোৰা আচল' আৰু 'অনুভৱ,' ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰাপ্ত বাসু ভট্টাচাৰ্য্যৰ 'আবিষ্কাৰ'। ইয়াৰ বাহিৰেও আত্মৰাম পৰিচালিত 'ৰেশম কি ডোৰী', লেক টেণ্ডন পৰিচালিত 'হামৰা দোৰ' 'জিন্দেগী এক নাণা'ৰ কাম চলি আছে। লগতে দুখন-মান নামাকৰণ নোহোৱা ছবিও তেওঁৰ হাতত আছে।

শব্দযন্ত্ৰী হিচাপে পীযুষ ৰায়ে বোম্বেই ছবি জগতত যথেষ্ট যশস্যা লাভ কৰিছে।

## ॥ সম্পাদক বিজয় চৌধুৰী ॥

সৰুৰে পৰা কথাছবিৰ প্ৰতি ধাউতি থকা বিজয় চৌধুৰী। কথাছবি সম্বন্ধীয় আলোচনী পঢ়ি পঢ়ি দৃঢ় হৈছিল যে যেনেকৈয়ে নহওক তেওঁ এদিন নহয় এদিন Film Industryত সোমাবই। আৰু সেয়েহে তেওঁ কলাপ্ৰেমী তেওঁৰ ককায়েক শ্ৰীহেমেন চৌধুৰীৰ অনুপ্ৰেৰণাত পুনালৈ Editing পঢ়িবলৈ আহে। কাৰণ তেওঁ জানিছিল, কথাছবিৰ Editing roomটো 'হস্পিতালৰ অপাৰেচন'— থিয়েটাৰত নাড়ী ভেক গন্তি কৰাৰ দৰে। সেয়েহে তেওঁ কথাছবিৰ নাড়ী ভেক গনিবলৈ বিষয় ললে & EDITING.

এওঁ গুৱাহাটীৰ টকৌবাৰীৰ। ১৯৬৫ চনৰ জুলাই মাহত পীযুষৰ লগত একেলগে পুনালৈ আহে। পুনাত পঢ়ি থকা সময়ত দুখন short film স্বাধীন ভাবে সম্পাদন কৰি বিশেষ যশস্যা লাভ কৰে। ছবি দুখন হ'ল EYE TO EYE আৰু WAITING FOR THEM.

১৯৬৭ চনত পুনাৰ পৰা বোম্বেলৈ আহে। বোম্বেইত তেওঁক অসমৰ উদীয়মান সম্পাদক শ্ৰীঅনিল দত্তই প্ৰখ্যাত সম্পাদক শ্ৰীধৰমবীৰ আৰু তেওঁৰ সহযোগী গোবিন্দ্ৰ দালোড়িৰ লগত চিনাকি কৰি দিয়ে। তেতিয়াৰ পৰাই এওঁ সহকাৰী হিচাপে SHAKTI FILM ৰ 'ইভিনিং ইন পেৰিচ', 'আৰাধনা', 'কটি-পতঙ্গ', 'জানে আন জানে,' অমৰ প্ৰেম', ইত্যাদি সম্পাদনা কৰে। ইয়াৰ উপৰিও 'পাগলা কাহিকা,' 'গোৱাঁৰ,' 'পেহেলি', 'টাঙ্গাৱালা', 'গদ্দাৰ', 'টানহাই' ইত্যাদি কেইবাখনবো এওঁ সহকাৰী সম্পাদক। ইয়াৰ পিচত এওঁক স্বাধীন ভাবে সম্পাদনা কৰিবলৈ সুযোগ দিয়ে প্ৰখ্যাত পৰিচালক শ্ৰীশক্তি সামন্তই। যাৰবাবে তেওঁৰ ওচৰত বিজয় চৌধুৰী চিৰকৃতজ্ঞ। এওঁৰ প্ৰথম সম্পাদনা কৰা ছবিখন হ'ল 'অনুৰাগ'।

বৰ্ত্তমান এওঁ কেইবাখনো ছবি স্বাধীনভাৱে সম্পাদনা কৰি আছে। শক্তি সামন্ত পৰিচালিত 'আজনবি' আৰু বঙালী ছবি 'কলঙ্কিত নায়ক'ৰ হিন্দীৰূপ, তথা দিনেশ আৰু ৰমেশ পৰিচালিত 'ৰফতাৰ' আৰু 'নাশা'।

বোম্বেই কথাছবি জগতত বিজয় চৌধুৰীৰ বৰ্ত্তমান বিশেষ নাম। পৰিচালকসকলে তেওঁক বিচাৰে। এওঁলোক দুয়োজনে কয়—"যদি অসমত অসমীয়া কথাছবি কৰিব সুযোগ আৰু সুবিধা পাওঁ নিশ্চয় নিজৰ স্বাৰ্থ ত্যাগ কৰি হলেও অসমীয়া ফিল্মশিল্পৰ আৰু কলাসংস্কৃতিৰ হকে খাটিম"।

## ॥ এগৰাকী কানৈয়ান সুন্দৰ সেৱীৰ মনৰ কথা ॥

যোৱা দুবছৰ একেৰাহে মহাবিদ্যালৰ বাৰ্ষিক নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান

অৰ্জ্জন কৰা ২য় বাৰ্ষিক বিজ্ঞান শাখাৰ ছাত্ৰী শ্ৰীবাণী শৰ্ম্মাই মনৰ কথাৰে মঞ্চ অভিনয় সম্পৰ্কে কানৈয়ান সুন্দৰসেঁৱী পাঠক পাঠিকা সকললৈ লিখিছে। আমি শিল্পী গৰাকীৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

: মঞ্চ অভিনয় মই ভাবোঁ এটি নিপুণ কলা মানে Fine Art। এই অভিনয়ৰ যোগেদি কাৰোবাৰ মনৰ ভাবধাৰা অন্য কোনোবাই ফুটাই তুলিব পাৰে নাটকীয় ভাবাৰে। কোনোবা ধনীৰ দুলালীও নাটকৰ জৰীয়তে মঞ্চত হৈ পৰে বাটৰ ভিকহু, কোনো এজন অচিনাকী যুৱক কোনো অচিনাকী যুৱতীৰ হৈ পৰে প্ৰেমিক মাত্ৰ মঞ্চত, কোনো এজন সাধাৰণ মধ্যবিত্ত ঘৰৰ মানুহ নাটকৰ জৰিয়তে মঞ্চত হৰণ্টাৰ বাবে হৈ পৰে ৰাজপুত্ৰ ইত্যাদি ইত্যাদি। আৰু এনেবোৰ ভাওলৈয়ে তেওঁলোকে নিজৰ নিজৰ মনৰ ভাববোৰ প্ৰকাশ কৰে নাটকৰ সংলাপৰ (Speceh) যোগেদি! তেওঁলোকৰ অভিনয়ে দৰ্শকক হুহুৱাই, কন্দুৱাই, আনন্দ দিয়ে আৰু বেদনা দিয়ে। এজন অভিনেতা বা অভিনেত্ৰীৰ তেতিয়াই অভিনয় সম্পূৰ্ণ হয় যেতিয়া তেওঁৰ হাস্যৰসৰ (Comedy) অভিনয়ত দৰ্শকে হাঁহে, তেওঁৰ কৰুণ ৰসৰ (Tragic) অভিনয়ত দৰ্শকে বেদনা অনুভৱ কৰে। কথাছৱিত কোনো এটা বেয়া চৰিত্ৰ অভিনয় কৰা অভিনেতা-জন বা অভিনেত্ৰী গৰাকীৰ প্ৰতি আমাৰ ঘৃণা ওপজে। এয়া কিয় হয়? কাৰণ তেওঁৰ অভিনয়ে পূৰ্ণতা লাভ কৰিছে। আৰু যদি সেইয়াই নহয় তেন্তে তেওঁৰ অভিনয় অসম্পূৰ্ণ। গতিকে মোৰ মতে এইয়া সম্ভৱ হয়—তেতিয়াই যেতিয়া অভিনেতা বা অভিনেত্ৰীয়ে নিজৰ সত্তাৰ কথা পাহৰি সম্পূৰ্ণ ভাবে আত্মনিবেশ কৰে তেওঁৰ নাটকৰ চৰিত্ৰত।

মই আৰু ভাবোঁ এখন নাটকত কোনো অভিনেতা বা অভিনেত্ৰীক তেওঁৰ অভিনয়ত সফল হোৱাত সহায় কৰে তেওঁৰ লগত অভিনয় কৰা সহ অভিনেতা অভিনেত্ৰী সকলে। অভিনেতা অভিনেত্ৰী সকলে পৰস্পৰে পৰস্পৰক তেওঁৰ চৰিত্ৰটি ফুটাই তুলিবলৈ সুবিধা দিব লাগে। তেওঁলোক পৰস্পৰৰ মাজত Mutual understanding থাকিব লাগে।

অভিনয়ত এনে কোনো কথা নাই যে, নাটকত নায়ক বা, নায়িকাৰ ভাওৰ যোগেদিহে সম্পূৰ্ণ আৰু ভাল অভিনয় দৰ্শকৰ আগত ডাঙি ধৰিব পাৰি। অভিনেতা বা অভিনেত্ৰীয়ে তেওঁলোকৰ পাৰদৰ্শিতা এৰাৰি সংলাপৰ যোগেদিয়ে ফুটাই তুলিব পাৰে।

তাৰোপৰি অভিনয় সফল হোৱাত অনেক দৰ্শকেও সহায় কৰে। কেতিয়াবা দেখা যায় মঞ্চত অভিনয় চলিথকা সময়ত পেক্ষাগৃহত কোনো কোনো দৰ্শকে অযথা নানা চিঞৰ বাখৰ কৰে। তেনে কাৰ্য্যত অভিনয় কৰোঁতা সকলৰ মন ভাঙি যায়। অভিনয় কৰি তেতিয়াই তৃপ্তি লাভ কৰা যায় যেতিয়া দৰ্শকে তেওঁলোকৰ অভিনয়ক সম্পূৰ্ণৰূপে উপভোগ কৰে।

মই ব্যক্তিগতভাবে অভিনয় কলাক খুব ভাল পাওঁ আৰু সন্মান কৰোঁ। আমাৰ সমাজত এতিয়াও বহুতে অভিনয়ক ভাল চকুৰে নাচায়। মই কিন্তু তেনেধৰণৰ যুক্তি নেদেখোঁ। অভিনয়ৰ প্ৰতি মোৰ সৰুৰে পৰাই খুব ৰাপ আছিল যিটো মোৰ বৰ্ত্তমানো অটুট আছে। কিন্তু এতিয়াও মোৰ অভিনয় কলাৰ বিষয়ে শতকৰা নিৰান্নৈ ভাগতকৈয়ো অধিক জানিবলৈ বাকী আছে। কিন্তু ইয়াক জানিবলৈ মোৰ খুব আগ্ৰহ আছে। গতিকে মই যেতিয়ালৈকে সম্ভৱ হয় ইয়াক জনাৰ

চেষ্টা কৰি যাম। আপোনালোকে তাৰবাবে নিশ্চয় আশীৰ্ব্বাদ কৰিব।

## ॥ কেইজনমান উজ্বল প্ৰতিভা সন্ধানী কানৈয়ান ॥

ইতিমধ্যে আমাৰ মহাবিদ্যালয়ৰ কেইজনমান সুন্দৰসেৱী কানৈয়ানে উজ্বল প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। কণ্ঠ সঙ্গীতত খ্যাতি অৰ্জ্জন কৰা শ্ৰীমতী হাচিনা খাতুনে ইতিমধ্যে মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা গায়িকাৰ সন্মান অৰ্জ্জন কৰাৰ উপৰিও 'গনেশ' নামৰ এখন অসমীয়া কথাছবিত গীত গাবলৈ সুবিধা পাইছে। মহাবিদ্যালয়ৰ বৰ্ত্তমানৰ ছাত্ৰী দুবছৰ ধৰি শ্ৰেষ্ঠা গায়িকাৰ সন্মান অৰ্জ্জন কৰা শ্ৰীঅঞ্জলী বৰুৱাই গীত পৰিবেশন কৰিবলৈ অনাতাঁৰ কেন্দ্ৰৰ লগত যোগাযোগ চলাই আছে। ইয়াৰ বাহিৰেও কণ্ঠ সঙ্গীতত মঞ্জুৰাণী গগৈ, মঞ্জুলা দত্ত, ৰাণী শৰ্ম্মা, হোস্না খোৰচিদ্, প্ৰদীপ গগৈ আৰু সুনীল বৰাৰ ভবিষ্যত উজ্বল হোৱাৰ প্ৰচুৰ সম্ভাৱনা। যন্ত্ৰসঙ্গীতত আব্দুল হালিম, মিন্টু আৰু অৱনীন্দ্ৰ চৌধুৰীয়ে উন্নতি কৰিব পাৰিব। কলা শিল্পী (Artist) হিচাপে মাখনলাল শইকীয়াই চেষ্টা কৰিলে ভৱিষ্যতে সুনাম অৰ্জ্জন কৰিব পাৰিব। অভিনয়ত ৰাণী শৰ্ম্মাৰ নাম লব পাৰি। আশাকৰোঁ এই সকল উজ্বল প্ৰতিভা সন্ধানী কানৈয়ানে - ভবিষ্যতে আৰু বেচি উন্নতি লাভ কৰিব পাৰিব। সুন্দৰৰ বৰচ'ৰাইও ইয়াকে কামনা কৰে।

## ॥ অলপ নিজৰ কথা ॥

মই নিজে অসুন্দৰ। মোৰ জীৱনৰ লুইতৰ পাৰে পাৰে মই জীৱনৰ কক্ষ পথত লক্ষ বিহীন বাটকুৰা। সম্পাদক শ্ৰীডম্বৰু বড়াই এই মৰমৰ চ'ৰাটি পৰিচালনা কৰাৰ দায়িত্বভাৰ মোৰ ওপৰত অৰ্পণ কৰিলে। অভিজ্ঞতা নাই, জ্ঞানৰো অভাৱ। সেয়েহে এপলক থমকি ৰৈ ভাবিছো অসুন্দৰৰ কৰ্কশ হাতৰ পৰশেৰে এই সপোনতুলীয়া শিতানটি মই কিমান সুন্দৰ কৰি তুলিব পাৰিম। এষাৰ কথা বাৰে বাৰে মনত পৰিছে 'সুন্দৰৰ সাধনাই হৈছে সংস্কৃতি আৰু ইয়াৰ পূৰ্ণ বিকাশতেই মানুহৰ জীৱনৰ পৰম আনন্দ।' কিন্তু এইখন চৰ্চ্চা বিহীন ডিবুকৃত সুন্দৰৰ সাধনা কৰাৰে বা সুবিধা আছে ক'ত ? শ্মশানত মাথোন কাৰোবাৰ উকা ৰিং শুনা যায়। গতিকে এতিয়া নকৈ গঢ়ি উঠা এজাক সুন্দৰ সেৱীয়ে এইখন লুইত পৰীয়া অঞ্চলৰ অতীত সংস্কৃতিক পুনৰ জগাই তুলি অসীমৰ সিপাৰে থকা সুন্দৰৰ দিগন্ত ৰচনা কৰিব লাগিব। এইবাৰ কানৈ কলেজ আলোচনীৰ ২৭ তম সংখ্যা সুন্দৰৰ বৰচ'ৰা পৰিচালনা কৰিবলৈ গৈ মই বহুতো বাৰ উজুতি খাইছো। উপলব্ধি কৰিব পৰা নাই মৰমৰ কানৈয়ান সকলক ইয়াৰ মাজত কি দিব পাৰিছো। তথাপি এইবাৰৰ সুন্দৰৰ বৰচ'ৰাক গতানুগতিকতাৰ পৰা মুক্ত কৰি অলপ নতুন কৰিবলৈ চেষ্টা কৰিছিলো। দোষক্ৰুটি থকাটো স্বাভাৱিক। তাৰবাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

সদৌ শেষত সুন্দৰৰ বৰচ'ৰাৰ ভবিষ্যত সুন্দৰৰ ন জ্যোতিৰে আলোকিত হওঁক এই শুভ কামনাৰে সামৰিলো। নমস্কাৰ

ইতি—

পৰিচালনাত

শ্ৰীমোহন সোনোৱাল।

# স্মৃতিতৰ্পণ

## ভাৰতৰ ৰাজনৈতিক ৰঙ্গমঞ্চৰ অন্যতম ব্যক্তি : ৰাজাজীৰ পৰলোকত :—

ভাৰতৰ প্ৰথম গভৰ্ণৰজেনেৰেল আৰু মহান ৰাজনৈতিক পুৰুষ হিচাবে খ্যাত চক্ৰৱৰ্ত্তী ৰাজাগোপালাচাৰীৰ যোৱা ২৫ ডিচেম্বৰ তাৰিখে পবিত্ৰ বৰদিনৰ দিনা ৯৪ বছৰ বয়সত পৰলোক প্ৰাপ্তি হয়। এই দীঘলীয়া জীৱনৰ আধা ভাগ সময় তেখেতে ৰাজনৈতিক কামতেই মনোনিবেশ কৰি ভাৰতৰ ৰাজনৈতিক মঞ্চ অৰ্দ্ধ শতিকাৰো বেছি সময় উজ্জ্বল কৰি ৰাখিছিল। ৰাজাজীৰ ব্যক্তিত্ব আছিল মহান আৰু ভীষ্ম সদৃশ, সেয়েহে তেখেতক ভাৰতৰ ৰাজনীতিত 'ভীষ্ম' বুলি অভিহিত কৰিছিল। এই মহান আৰু মৌলিক চিন্তাধাৰাৰ গুণতেই তেখেত ১৯৫৪ চনত ভাৰতৰ সৰ্ব্বোচ্চ "ভাৰত ৰত্ন" সন্মানেৰে বিভূষিত হ'ব পাৰিছিল। ৰাজাজীয়ে তেখেতৰ দীঘলীয়া কৰ্ম্মময় জীৱনত নিজস্ব ব্যক্তিত্ব, মৌলিক চিন্তাধাৰা, কাৰ্য্যত বীৰ সদৃশ আৰু দৃঢ় সংকল্পৰ যোগেদি ভাৰতবাসীৰ কাৰণে যি অমূল্য ৰত্নবোৰ দি থৈ গ'ল, সেইয়া ভাৰতবাসীয়ে কাহানিও পাহৰিব নোৱাৰে।

এনে এজন মহান ব্যক্তিৰ পৰলোকত সদৌ দেশবাসীৰ লগতে আমিও মৃত আত্মাৰ সদ্গতি কামনা কৰিলোঁ।

## বিচিত্ৰনাৰায়ণ দত্তবৰুৱাৰ বিয়োগত :—

অসমৰ বিশিষ্ট সাহিত্যনুৰাগী, সৰবৰহী পুথি-ব্যৱসায়ী গুৱাহাটীৰ বিখ্যাত লয়াৰ্ছ বুকষ্টলৰ স্বত্বাধিকাৰী আৰু মুছলমান ধৰ্ম্মৰ শ্ৰেষ্ঠ মহাগ্ৰন্থ "পবিত্ৰ কোৰাণৰ" অসমীয়া অনুবাদক শ্ৰীবিচিত্ৰনাৰায়ণ দত্তবৰুৱাদেৱৰ ১৯৭৩ চনৰ ১১ জানুৱাৰী পুৱা চাৰে পাঁচ বজাত নিজা বাসভৱনত মৃত্যু হয়। স্বৰ্গীয় দত্তবৰুৱা তেখেতৰ অধ্যাবসায় আৰু একাগ্ৰতাৰ বলত অসমৰ এগৰাকী অন্যতম ব্যৱসায়ী ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। তেখেতৰ নিজা সাৰ্থক সৃষ্টি "আদৰ্শ গাওঁ" নামৰ সৰু কিতাপখনৰ কাৰণে ৰাষ্ট্ৰপতিৰ বঁটা আঠ হেজাৰ টকা লাভ কৰিছিল। ইয়াৰ উপৰিও তেখেতে "লয়াৰ্ছ বুক ষ্টলৰ" যোগেদি বহুতো অমূল্য গ্ৰন্থ প্ৰকাশ

কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। অতি আনন্দৰ কথা যে তেখেতে বহুতো নতুন লেখকক অনুপ্ৰেৰণা যোগাই অসমীয়া সাহিত্য-সেৱাত ব্ৰতী কৰিছিল।

এইজন মহান ব্যক্তিৰ আকস্মিক মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰি তেখেতৰ আত্মাৰ সদ্‌গতি কামনা কৰিলো।

## হৰিপ্ৰসাদ নেওগৰ বিয়োগত :—

অসমৰ ভাষা-সাহিত্যৰ প্ৰবীণ পূজাৰীসকলৰ অন্যতম ব্যক্তি আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰণয়ন সমিতিৰ সচিব শ্ৰীহৰি প্ৰসাদ নেওগৰ যোৱা ১৯ ফেব্ৰুৱাৰী সোমবাৰে গধুলী ডিব্ৰুগড়ৰ বাসভৱনত পৰলোক গমন হয়। তেখেত এজন সু-সাহিত্যিক ৰূপে খ্যাতি লাভ কৰিব পৰা নাছিল যদিও অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ অৰ্থে যি অক্লান্ত পৰিশ্ৰম কৰিছিল, সেই পৰিশ্ৰমৰ খাতিৰত তেখেতক অসমীয়াই কেতিয়াও দিনে পাহৰিব নোৱাৰে। 'জোৱাৰ', 'সাহিত্যদূত', 'গতিপথ' আদি আলোচনীও তেখেতে সম্পাদনা কৰি উলিয়াইছিল। তেখেতে আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কেইবাখনো সভাত নিমন্ত্ৰিত অতিথি হিচাপে আহি সাৰগৰ্ভ বক্তৃতাৰে সভাৰ গাম্ভীৰ্য বঢ়াইছিল। সেইজন মহান ব্যক্তিৰ মৃত্যুত অসম মাতৃয়ে এজন যোগ্য সন্তানক হেৰুৱালে।

এনে এজন বহুগুণ সম্পন্ন ব্যক্তিৰ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰি মৃত আত্মাৰ সদ্‌গতি কামনা কৰি নেদেখা জনৰ ওচৰত মৌন প্ৰাৰ্থনা জনাইছো।

## সাহিত্যত নোবেল বঁটা বিজয়ী প্ৰথম আমেৰিকান মহিলা পাৰ্ল বাৰ্কৰ মৃত্যুত :—

পৃথিৱী বিখ্যাত "ডি গুড আৰ্থ"ৰ জন্মদাত্ৰী আৰু পৃথিৱীৰ সকলোৰে "পাৰ্ল এমং ৰাইটাৰচ" নামে পৰিচিত পাৰ্ল এচ বাৰ্কা ৬ মাৰ্চ '৭৩ তাৰিখে ডনবীত মৃত্যু হয়। ১৯৩৮ চনত সাহিত্যৰ কাৰণে পাৰ্ল বাৰ্কে নোবেল বঁটা লাভ কৰি পৃথিৱীৰ সবলোৰে লগত চিনাকি হ'বলৈ সুযোগ পাইছিল। বাৰ্কৰ সকলো বিলাক কিতাপৰ ভিতৰত "ডি গুড আৰ্থ" খনেই বেছি বিখ্যাত। এই খন কিতাপৰ কাৰণে তেওঁ আমেৰিকাৰ পুলিৎজাৰ পুৰস্কাৰ লাভ কৰিছিল। জীৱনৰ শেষ বয়সলৈকে সাহিত্য চৰ্চা কৰি, সেই সাহিত্যৰ মাজেৰে চীন আৰু আমেৰিকাৰ মাজত ঐক্য স্থাপনৰ চেষ্টা কৰা পাৰ্ল বাৰ্কৰ মৃত্যুত আমি সমগ্ৰ পৃথিৱীৰ লগতে গভীৰ শোক প্ৰকাশ কৰিছো। তেওঁৰ আত্মাই যেন চিৰ শান্তি লাভ কৰে, এইয়ে ভগবানৰ ওচৰত সৰল প্ৰাৰ্থনা।

## যুগান্তকাৰী শিল্পী পাব্লো পিকাচোৰ পৰলোকত :—

কুৰি শতিকাৰ বিখ্যাত শিল্পী হিচাপে পৃথিবীত চাঞ্চল্যৰ সৃষ্টি কৰোঁতা, পৃথিবীৰ শিল্পী সমাজত এক নতুন দৃষ্টি ভঙ্গীৰে আধুনিক আৰ্টৰ সোঁত বোৱাওঁতা আৰু কুৰি শতিকাৰ 'legend' আখ্যা পাওঁতা ব্যক্তিয়েই হ'ল পাব্লো পিকাচো। "পিকাচোৰ অবিহনে কুৰি শতিকাৰ আৰ্ট কল্পনা কৰিব নোৱাৰি"। জীৱনৰ শেষ মুহূৰ্ত্তলৈকে পিকাচোৱে ছবি আঁকিছিল। ছবি অঁকাটোৱেই তেওঁৰ জীৱনৰ প্ৰধান ব্ৰত আছিল। সেইজন ধনী শিল্পী গি জনৰ নাম পৃথিবীৰ অধিকাংশ লোকেই শুনিছিল সেই জন পিকাচোৰ যোৱা ৮ এপ্ৰিল '৭৩ তাৰিখে পৰলোক প্ৰাপ্তি হয়। পিকাচো মৰিল সঁচা কিন্তু তেওঁৰ মহান সৃষ্টিক পৃথিবীৰ মানুহে সদাইয়েই সুঁৱৰিব।

সমগ্ৰ পৃথিবীৰ লগতে আমিও এই জন মহান শিল্পীৰ আত্মাৰ সদ্গতি কামনা কৰিলো।

## মোহন কুমাৰমঙ্গলমৰ পৰলোকত :

কেন্দ্ৰীয় তীখা আৰু খনি বিভাগৰ মন্ত্ৰী শ্ৰীমোহন কুমাৰ মঙ্গলম যোৱা ৩১ মে' ,৭৩ তাৰিখে বিমান দুৰ্ঘটনাত মৃত্যু হয়। কুমাৰ মঙ্গলম এজন প্ৰকৃত সমাজ প্ৰিয় লোক আছিল। তেখেতে অসমৰ কয়লা খনি সমূহ ৰাষ্ট্ৰীয়কৰণ কৰি অসমৰ জনসাধাৰণৰ পৰা বিশেষ সমাদৰ লাভ কৰিছিল।

এনে এজন সমাজবাদী, সাহসী আৰু নতুন দৃষ্টি সম্পন্নলোকৰ মৃত্যুত সমগ্ৰ ভাৰত বাসীৰ লগতে আমিও তেখেতৰ আত্মাৰ শান্তি কামনা কৰিলো।

## মন্ত্ৰী জয়ভদ্ৰ হাগজেৰৰ জীৱনাৱসানত :—

অসম মন্ত্ৰীসভাৰ প্ৰবীণ সদস্য শ্ৰীজয়ভদ্ৰ হাগজেৰ যোৱা ১৮ জুলাই বুধবাৰে দিনৰ ১২ বজাত সদনৰ ভিতৰতেই সংজ্ঞাহীন হৈ গুৱাহাটী মেডিকেল কলেজত ইহলীলা সম্বৰণ কৰে। তেখেত ১৯৬৭ চনত চলিহা মন্ত্ৰীসভাৰ শিক্ষা বিভাগৰ মন্ত্ৰী নিৰ্ব্বাচিত হৈছিল। আৰু পাছত ১৯৭২ চনত হাগজেৰ পুনৰ পশু চিকিৎসা আৰু পশুপালন বিভাগৰ মন্ত্ৰী হিচাবে নিৰ্ব্বাচিত হৈছিল। হাগজেৰ আছিল এজন বহু প্ৰশংসিত ব্যক্তি। তেখেতে জীৱিত কালত অসমৰ পাহাৰ আৰু ভৈয়ামৰ জন-সাধাৰণৰ মাজত যোগসূত্ৰ স্থাপন কৰি ঐক্য বজাই ৰাখিবলৈ পূৰ্ব্বৰ পৰাই চেষ্টা কৰিছিল। গতিকে এনে এজন গুণী ব্যক্তিৰ পৰলোক হোৱাত আমাৰ অপূৰণীয় ক্ষতি হ'ল।

তেখেতৰ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰি আত্মাৰ চিৰশান্তি কামনা কৰিলো।

## শিক্ষাবিদ হৰেন্দ্ৰনাথ শৰ্ম্মাৰ পৰলোকত:—

অসমীয়া সাহিত্যৰ সাৰুৱা পথাৰত এটা ধুনীয়া নাম হৰেন্দ্ৰনাথ শৰ্ম্মা। তীক্ষ্ণ বুদ্ধি সম্পন্ন, সুসাহিত্যিক, গ্ৰন্থাকাৰ আৰু শিক্ষাবিদ হিচাপে শৰ্ম্মাৰ স্মৃতি অসম সাহিত্য সংস্কৃতিৰ ইতিহাসত ধুনীয়া আখৰেৰে জিলিকি থাকিব। ১৯৬০ চনত তেখেতে বিশিষ্ট শিক্ষক হিচাপে, ১৯৫৮ চনত 'অশোক' আৰু ১৯৬৭ চনত "সময় বালিৰ খোজবোৰ" নামৰ কিতাপ দুখনৰ কাৰণে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছিল। ইয়াৰ উপৰিও তেখেতৰ লিখা পুথি 'অসমীয়া বচন ভঙ্গী', 'সত্য সন্ধানৰ প্ৰথম খোজ', 'ঈছপৰ সাধু', চানক্য নীতি ইত্যাদি লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। এইজন মহান ব্যক্তি যোৱা ১৭ জুলাই '৭৩ তাৰিখে পৰলোক গামী হয়। তেখেতৰ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰি আত্মাৰ মুক্তি কামনা কৰিলো।

## '৭২ ৰ শ্বহীদ স্মৃতি তৰ্পণ —

যুগৰ এখিলা পাত তেজৰ কণিকাৰে বোলাই, ভাষা জননীৰ পূজাৰ বেদীত নিজকে আহুতি দি ১৯৭২ চনৰ স্মৃতি সময়ৰ বালিত যি সকল লোকে এৰি থৈ গল, সেই সকলৰ আত্মাৰ সদগতি কামনা কৰি নেদেখা জনৰ ওচৰত নতশিৰে প্ৰাৰ্থনা জনাইছোঁ।

"ভাষা জননীৰ জোনালী প্ৰতিমা
শুভ্ৰ শাৰদ কুমুদ সুষমা
হৃদয়ে হৃদয়ে
(হক) আজি বিকশিত
বিতৰি বিমল জ্ঞান"

*